# দৈনিক অসম

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত




১০ স্ব-গৃহলৈ শ্ৰমিক
■ পৰিস্থিতি পৰ্যালোচনা

দৈনিক অসম দেওবৰীয়া চ'ৰা DAINIK ASAM, 24 MAY, 2020
■ জোছেফ ফ্ৰেংক
■ দুঃসময়ৰ প্ৰতিচ্ছবি

৩ সময়ত সম্পূৰ্ণ নহয়
■ ঈদৰ বজাৰত ভিৰ



১২ লক্ষ্য কামিনছৰ
■ বৰঙণি আছে আই পি এলৰ




RN-11989/65 RNP/GH-104/09-11 ■ ৫৫ বছৰ ■ ২৮৫ সংখ্যা, ১০ জেঠ, দেওবাৰ, ১৯৪২ শক ■ DAINIK ASAM : Assamese Daily ■ VOL. 55 NO. 285 ■ GUWAHATI, SUNDAY, MAY 24, 2020 ■ পৃষ্ঠা ১৬ (Pages 16) ■ ৬.০০ টকা (Rs. 6.00)


## দুৰ্যোগৰ দিনত ঈদ

■ ড° হাফিজ আহমেদ



সমগ্ৰ বিশ্ব আজি ভয়াবহ কোভিড-১৯ৰ দ্বাৰা আক্ৰান্ত। এই ভয়াবহ ভাইৰাছে আক্ৰান্ত কৰিছে আমাৰ দেশ তথা ৰাজ্যখনকো। দেশখনৰ অৰ্থনীতি, শিক্ষাকে আদি কৰি সমাজ জীৱনৰ সকলো দিশৰে অৱস্থা এইবিধ ভাইৰাছে শোচনীয় কৰি পেলাইছে। সামাজিক ব্যৱধান ৰক্ষা কৰি চলিবলগীয়া হোৱা বাবে সামাজিক জীৱনৰ অনেক দিশেই আজি স্থবিৰ হৈ পৰিছে। এনে এক দুৰ্যোগৰ সময়ত *৬ পৃষ্ঠাত চাওক*

## বৰষুণ, নীপকোৱে এৰা পানীয়ে সৃষ্টি কৰিছে বিপৰ্যয়

# বানত বুৰ গৈছে লখিমপুৰৰ বহু গাঁও

নিজা বাতৰি দিওঁতা

**লখিমপুৰ, ২৩ মে'** ঃ মুষলধাৰ বৰষুণৰ বাবে অৰুণাচল প্ৰদেশৰপৰা বৈ অহা ৰঙানদী, সোৱণশিৰি, ডিক্ৰং আদি নদীৰ জলপৃষ্ঠ বৃদ্ধি পোৱাৰ লগতে নীপকোৱে ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত লখিমপুৰ জিলাত ৰঙানদীপৰীয়া বহুকেইখন গাঁও বানৰ কবলত পৰিছে। অৰুণাচল প্ৰদেশৰ ইয়াজুলিস্থিত ৪০৫ মেগাৱাট ক্ষমতাসম্পন্ন ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ ৫নং গেটেৰে কালি পুৱাৰ ভাগৰপৰা ধাৰাবাহিকভাৱে পানী এৰি দিয়াত লখিমপুৰ জিলাৰ নাওবৈচা ৰাজহ চক্ৰৰ ৰঙানদীপৰীয়া এক নং ডিজু, ডিজু পথাৰ, ডিজু চাপৰি, *৬ পৃষ্ঠাত চাওক*



## বৰপেটা, বাক্সাৰ বহু খেতিপথাৰ পানীৰ তলত

### কুৰিশ্বুৰ পানী এৰিছে ভূটানে

জিলাৰ বাতৰি দিওঁতা

**বৰপেটা, ২৩ মে'** ঃ চুবুৰীয়া ৰাষ্ট্ৰ ভূটানৰ কুৰিশ্বু বান্ধৰ পানী এৰি দিয়াত বৰপেটা আৰু বাক্সা জিলাৰ মাজেৰে বৈ যোৱা বেঁকী নদী কালি বিপদসীমাৰ *১১ পৃষ্ঠাত চাওক*



## ঘণ্টাত গড়ে চাৰিজনতকৈ অধিক আক্ৰান্ত ■ 'অসম নিৰাপদ নহয়, আহিবলৈ বিচৰাসকলে সিদ্ধান্ত সলনি কৰক'

# ৰাজ্যত পজিটিভৰ সংখ্যা ৩২৯লৈ বৃদ্ধি



| পজিটিভ | সুস্থ | চিকিৎসাধীন | মৃত | বহিৰ্গমন |
|---|---|---|---|---|
| ৩২৯ | ৫৭ | ২৬৫ | ৪ | ৩ |

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ আন্তঃৰাজ্যিক যাতায়াতত থকা বাধা-নিষেধ শিথিল কৰাৰ পিছৰেপৰা অসমত আৰম্ভ হোৱা কোভিড-১৯ৰ ক্ৰমবৰ্দ্ধমান সংক্ৰমণ আজিও অব্যাহত আছে। কোভিড-১৯ পজিটিভৰ সংখ্যাই দ্বি-শতকৰ ঘৰ স্পৰ্শ কৰাৰ এদিনৰ পিছতে আজি ৰাজ্যখনত পজিটিভৰ সংখ্যা তিনি শতাধিক হৈছে। আজিৰ দিনটোত ৰাজ্যখনত এই পৰ্যন্ত সৰ্বাধিক সংখ্যক ৭০ জন কোভিড-১৯ পজিটিভ লোক ওলাইছে। এই ৭০ জনকে ধৰি সন্ধিয়া প্ৰায় ৮ বজা পৰ্যন্ত ৰাজ্যত কোভিড-১৯ পজিটিভৰ সংখ্যা ৩২৯ হৈছেগৈ। স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰা *২ পৃষ্ঠাত চাওক*

## ক'ৰ'নাৰ প্ৰতিষেধক প্ৰস্তুত হ'ল চীনত !

### প্ৰথম পৰ্যায়ৰ পৰীক্ষাত আশাপ্ৰদ সফলতাৰ দাবী

**নতুন দিল্লী, ২৩ মে'** ঃ চীনত প্ৰস্তুত হোৱা এক প্ৰতিষেধকে মানুহক ক'ৰ'না ভাইৰাছৰপৰা ৰক্ষা কৰিব পাৰে বুলি 'নিউয়ৰ্ক টাইমছ্'ত বাতৰি প্ৰকাশ পাইছে। বাতৰি অনুসৰি, এই প্ৰতিষেধক প্ৰথম পৰ্যায়ৰ ক্লিনিকেল পৰীক্ষাত উপনীত হৈছে আৰু ই ক'ৰ'না ভাইৰাছৰপৰা ৰক্ষা কৰাত সক্ষম হ'ব পাৰে। 'লেঞ্চেট' নামৰ স্বাস্থ্য *৬ পৃষ্ঠাত চাওক*

## দিহিং-পাটকাইত কয়লা খনন

# প্ৰধানমন্ত্ৰীলৈ জাতীয়-জনগোষ্ঠীয় সংগঠনৰ স্মাৰক-পত্ৰ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ দিহিং-পাটকাইত কয়লা খননৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ সেউজ সংকেতৰ বিৰুদ্ধে ৰাজ্যজুৰি প্ৰতিবাদ ক্ৰমে তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যৰ বিভিন্ন দল, জাতীয়-জনগোষ্ঠীয় সংগঠনে ৰাজ্যখনৰ জৈৱ-বৈচিত্ৰ্য *৬ পৃষ্ঠাত চাওক*

# শিক্ষাবৰ্ষৰ নতুন সময় ঃ জুনৰ প্ৰথম সপ্তাহত চৰকাৰৰ সিদ্ধান্ত

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ শিক্ষাবৰ্ষ ১ এপ্ৰিলৰপৰা আৰম্ভ কৰা-নকৰা সন্দৰ্ভত চৰকাৰী সিদ্ধান্ত জুনৰ প্ৰথম সপ্তাহত ৰাইজক অৱগত কৰাব শিক্ষা বিভাগে। আজি শিক্ষামন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এখন সংবাদ মেলত এই কথা জানিবলৈ দিছে। ড° শৰ্মাই কয়, 'আমি লক্‌ডাউনৰ ক্ষতি নোহোৱা কৰিবলৈ শিক্ষাবৰ্ষ ১ এপ্ৰিলৰপৰা ৩১ মাৰ্চ কৰিব বিচাৰিছোঁ। অহা ৩০ মে'ত ৰাইজৰ পৰামৰ্শ দিয়াৰ শেষ দিন। সেই পৰামৰ্শৰ ওপৰত ভিত্তি কৰি আমাৰ সিদ্ধান্ত জনাম। গ্ৰীষ্মবন্ধ শেষ হোৱাৰ পিছত দশম আৰু দ্বাদশ শ্ৰেণীৰ পাঠদান পুনৰ আৰম্ভ কৰিব *৬ পৃষ্ঠাত চাওক*

## এজনৰ বাবে গড়ে ১৩,০০০ টকা খৰচ কৰিব পৰা চৰকাৰৰ পৰিকল্পনাত উজুটি

# বহিঃৰাজ্যৰ লোকক লৈ বিভ্ৰান্তি



দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ বহিঃৰাজ্যৰপৰা অসমীয়াসকল ঘূৰি অহাৰ পিছত ৰাজ্যত দ্ৰুতগতিত ক'ৰ'না ৰোগীৰ সংখ্যা বৃদ্ধি হৈছে। যোৱা তিনিটা দিনত গড়ে দৈনিক ৫০জনকৈ লোক কোভিড-১৯ত আক্ৰান্ত হোৱাৰ পিছত স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বহিঃৰাজ্যত থকা লোকসকলক ঘূৰি নাহিবলৈ আহ্বান *১১ পৃষ্ঠাত চাওক*

## বিদেশত কেনে আছে অসমীয়া



■ মানস প্ৰতিম দত্ত
ডুবাই, ইউ এ ই

চাকৰি সূত্ৰে আমি সংযুক্ত আৰব এমিৰেট্‌ছৰ ডুবাইত থাকোঁ। ডুবাই সকলোৰে পৰিচিত নিশ্চয় ! ডুবাইৰ বিশাল অট্টালিকা, বিনোদনৰ কেন্দ্ৰ তথা আৰবৰ ধনাঢ্য লোকসকলৰ কাহিনীবোৰ এক কথাত *১১ পৃষ্ঠাত চাওক*

## ডিমা হাছাওত সাতগৰাকী কোভিড পজিটিভ

নিজা বাতৰি দিওঁতা

**বকলীয়াঘাট, ২৩ মে'** ঃ ডিমা হাছাও পাৰ্বত্য জিলাত আজি সাতজনকৈ লোকৰ দেহত ক'ৰ'নাৰ সংক্ৰমণ ধৰা পৰিছে। প্ৰাপ্ত তথ্য অনুসৰি, ক'ৰ'নাত আক্ৰান্ত হোৱা লোকসকলৰ ৬জন হাফলংস্থিত জৱাহৰ নৱোদয় বিদ্যালয়ত কোৱাৰেণ্টাইন হৈ থকা বিপৰীতে আন এগৰাকী হাফলং হোটেলত কোৱাৰেণ্টাইন হৈ আছিল। জানিব পৰা মতে, চেন্নাইৰ পৰা আহি যোৱা ১৫ মে'ৰপৰা ৰোশন থাপা, হেলুইহুইবে পামে, পাওহেউজিম্বে ৰাইমে, কিডেনবে জেমি, ডেদাং ডাইমে আৰু চেমিয়ন জেমি হাফলঙত কোৱাৰেণ্টাইনত আছিল। আনহাতে, *৬ পৃষ্ঠাত চাওক*

## আগষ্টৰ পূৰ্বে আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা !

**নতুন দিল্লী, ২৩ মে'** ঃ আগষ্টৰ পূৰ্বে ভাৰতত আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা আৰম্ভ হোৱাৰ সম্ভাৱনাৰ কথা আজি প্ৰকাশ কৰে অসামৰিক বিমান পৰিবহন মন্ত্ৰী হৰদীপ সিং পুৰীয়ে। 'মই আশাবাদী যে আগষ্ট বা ছেপ্টেম্বৰৰ পূৰ্বে সম্পূৰ্ণ নহ'লেও আংশিকভাৱে *৬ পৃষ্ঠাত চাওক*

## জোনাইত মুখ্যমন্ত্ৰী সোণোৱাল

# অৰ্থনৈতিকভাৱেও আগুৱাই যাব লাগিব



নিজা বাতৰি দিওঁতা

**জোনাই, ২৩ মে'** ঃ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি অসম-অৰুণাচল সীমাৱৰ্তী ধেমাজি জিলাৰ জোনাই মহকুমাত উপস্থিত হৈ ক'ৰ'না সম্পৰ্কীয় পৰিস্থিতিৰ বুজ লয়। ডিব্ৰুগড়-বগীবিল হৈ জোনাইলৈ আহি মুখ্যমন্ত্ৰীয়ে প্ৰথমে জোনাইৰ মূৰ্কংচেলেক মহাবিদ্যালয়ত স্থাপন *৬ পৃষ্ঠাত চাওক*

## ক'ৰ'না কম্পিত বিশ্ব



■ বিশ্বজুৰি আক্ৰান্তৰ মুঠ সংখ্যা ৫৩,৪০,১৯২লৈ বৃদ্ধি। মৃত্যু ৩,৪০,৭৩৫জনৰ। আৰোগ্য লাভ ২১,৭৮,৮৬২জনৰ ■ ব্ৰাজিলত আক্ৰান্তৰ সংখ্যা ৩,৩৪,৭৭৭লৈ বৃদ্ধি। মৃতকৰ সংখ্যা বৃদ্ধি ২১,২১৫লৈ ■ আমেৰিকা যুক্তৰাজ্যত মৃতকৰ সংখ্যা ৯৭,৭৩২লৈ বৃদ্ধি। আক্ৰান্তৰ সংখ্যা বৃদ্ধি ১৬,৪৮,২৮৩লৈ ■ ৰুছিয়াত নতুনকৈ আক্ৰান্ত ৯,৪৩৪জন। মুঠ আক্ৰান্তৰ সংখ্যা ৩,৩৫,৮৮২লৈ বৃদ্ধি ■ ইৰাণত মৃতকৰ সংখ্যা ৭,৩৫৯লৈ বৃদ্ধি।

## ছিকিম পৃথক দেশ !

### দিল্লী চৰকাৰৰ বিজ্ঞাপনত তীব্ৰ প্ৰতিক্ৰিয়া

দৈনিক অসমৰ বাতৰি

**নতুন দিল্লী, ২৩ মে'** ঃ ভূটান আৰু নেপালৰ সৈতে ছিকিমক দিল্লী চৰকাৰে পৃথক দেশ বুলি বিজ্ঞাপন প্ৰকাশ কৰাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে। দিল্লী *৬ পৃষ্ঠাত চাওক*

## ■ দেশত ক'ৰ'নাত আক্ৰান্তৰ সংখ্যা ১.২৭ লাখলৈ বৃদ্ধি ■

# 'লক্‌ডাউনৰ বাবেই দুই লক্ষাধিকৰ জীৱন ৰক্ষা'



**নতুন দিল্লী, ২৩ মে'** ঃ লক্‌ডাউনৰ বাবেই ক'ৰ'নাৰ প্ৰকোপৰ পৰা দেশৰ ১.২-২.১ লাখ লোকৰ জীৱন ৰক্ষা পৰিল। লক্‌ডাউন নোহোৱা হ'লে ইমান দিনে দেশত ক'ৰ'না আক্ৰান্তৰ সংখ্যা ৩৬-৭০ লাখ হ'লহেঁতেন। দেশত ক'ৰ'না মহামাৰীৰ প্ৰকোপ চৰাৰ সময়তে কেন্দ্ৰীয় চৰকাৰে আজি এই দাবী কৰে। এই দাবী কৰি *৬ পৃষ্ঠাত চাওক*


ইণ্টাৰনেটত 'দৈনিক অসম'
http://dainik.assamtribune.com


## অঞ্চল বিশেষে হ'ব মুষলধাৰ ৰাজ্যত অব্যাহত থাকিব বৰষুণ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ পশ্চিমবংগ আৰু ওড়িশাত আম্ফান সামুদ্ৰিক ধুমুহাই তাণ্ডৱ চলোৱাৰ পিছত অসমতো ইয়াৰ প্ৰভাৱত যোৱা *৬ পৃষ্ঠাত চাওক*

## পৱন মান্তাৰ সংবাদ মেল

# ৰমাকান্ত দেউৰীৰ বিৰুদ্ধেহে তদন্তৰ আহ্বান

নিজা বাতৰি দিওঁতা

**ভূৰাগাঁও, ২৩ মে'** ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ দুৰ্নীতিৰ তদন্তৰ নিৰ্দেশ দিয়াৰ পিছতেই বিজেপিৰ দখলত থকা পৱন মান্তা নেতৃত্বাধীন পৰিষদত সৃষ্টি হৈছে তীব্ৰ জোকাৰণিৰ। ন্যায়ালয়ৰ এই তদন্তৰ নিৰ্দেশক তিৱা স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তাই আদৰণি জনোৱা বুলি আজি পৰিষদৰ কাৰ্যালয়ত অনুষ্ঠিত কৰা সংবাদমেল যোগে ঘোষণা কৰে। সংবাদমেলত *৬ পৃষ্ঠাত চাওক*

## কাঁহুদী



— এই যে টিভিটো অন কৰিলেই ক'ৰ'নাক লৈ স্বাস্থ্যমন্ত্ৰীকে সদায়ে পৰ্দাত দেখোঁ— বাকীবোৰ স্বাস্থ্য বিভাগৰ মানুহ ছুটীত গ'ল নেকি !

## 'নয়ডা ৰুটী সেৱা' আৰু 'অসম এছ'চিয়েচন' প্ৰশংসিত

# লক্‌ডাউনৰ দুঃসময়ত সহায়ৰ হাত




দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে'** ঃ লক্‌ডাউনৰ জটিল সময়ছোৱাত আৰ্তজনক সহায় আগবঢ়াই মানৱতাৰ নিদৰ্শন দাঙি ধৰিছে বহিঃৰাজ্যত কৰ্মৰত বহুকেইগৰাকী অসমীয়াই। ক'ৰ'নাতংকৰ বাবে দেশজুৰি হোৱা লক্‌ডাউনে সাধাৰণ ৰাইজৰ অৱস্থা শোচনীয় কৰি তুলিছে। বহিঃৰাজ্যৰ বিভিন্ন উদ্যোগত কৰ্মৰত অসমীয়া যুৱক-যুৱতীয়ে নিজৰ কৰ্মসংস্থাপন পৰ্যন্ত হেৰুৱাবলগীয়া *২ পৃষ্ঠাত চাওক*




## সোঁৱৰণ



**স্বৰ্গীয় উত্তম চন্দ্ৰ দাস**

জন্ম ঃ ৩১ মাৰ্চ, ১৯৪৩ চন

মৃত্যু ঃ ১ জুন, ২০০৩ চন

আজি তোমাৰ ১৭ তম মৃত্যু তিথিত আমি সকলোৱে অশ্ৰুসিক্ত নয়নেৰে সুঁৱৰিছো। তুমি য'তেই আছা শান্তিত থাকা।

ইতি,
পদুমী দাস (পত্নী)
লক্ষী দাস (জী)
দ্বীপ বড়া (জোঁৱাই)
সমুদ্ৰ দাস (পুত্ৰ)
বৰুণ বড়া (নাতি)
উত্তৰ গুৱাহাটী
মাজগাঁও (আউনীআটী সত্ৰ)


## BUSINESS

Suryashakti Enterprises- A one stop green energy solar solution save electricity save environment, Solar Rooftop, Ground mounted, street light, water pump, Decorative Garden lights, Home light packages and many more. Contact : 8810329671/ 7002639568.
DA/Busi/CP000008/1

## LOST

**হেৰাইছে**

মোৰ ড্ৰাইভিং লাইছেঞ্চ DL No. 32277/-NTV/SVr খন কিছুদিনৰ আগত হেৰাইছে। কোনো সদাশয় ব্যক্তিয়ে পালে তলৰ ঠিকনাত যোগাযোগ কৰিবলৈ অনুৰোধ জনালোঁ। শ্ৰীভবেন খনিকৰ, বাণীপুৰ, ডিব্ৰুগড়, মোবাইল নং- 9706122676.
DA/Lost/P/CP000009/1

## SITUATION VACANT

Wanted for Pharmacy, Pharmacist with licence with experience, Pharmacy Sales boy - Exp. in Pharmacy for 1 yr. contact: 96788-02582/99549-95356.
SV/P/AP000036/3

Special recruitment drive during lockdown for retired, educated housewives, businessmen with unlimited earning opportunity. Ph: 7002062205.
SV/P/AC000158/5

Job oppurtunity in Covid time!! Manjushree Innovations, a flexible packaging Industry in Guwahati, is looking for Dynamic, energetic and experienced personnel in the field of Flexible Packaging for positions in Blown Film, Printing, Lamination, Slitting, Extrusion Lamination, Flexo Operator, Bag Making Operator, Quality, Maintenance etc. Experience candidates will be preferred. Contact: 7002693711. Mail: hr@manjushreegroup.com
SV/BL000053/3

**Applications are invited for one position of Field Assistant, under ASTEC sponsored project of Dr. Jatin Sarmah at Bodoland University, Assam. For details, please visit: www.bodolanduniversity.ac.in**
CD/SV/......../1

Excellent opportunity for retired persons & Ladies, Earnings 45000 + PF & Medical extra. 9864012461.
SV/P/AC000079/8

Required student Counsellor 2020-2021 batch at National Academy of Fire and Safety Engineering College Dibrugarh Assam " Salary- Performance "Contact- 9706187451/ 9435950639. Resume at dibrugarh@nafsindia.com www.nafsindia.com
SV/BL000061/1

SBI Life requires Insurance Agents. Bright career & huge earning opportunity. Contact : 94351-10280.
SV/P/SP000106/3

Required an Accountant & Office Executive for a reputed firm. Mail your resume at dekaandassociates@gmail.com
SV/P/SC000001/1

A C&F Company requires Accountant Male or Female. Complete knowledge of Tally at Fatasil-Ambari, Guwahati office. Mail at - pramodagwl@gmail. com or 86387-72128.
SV/RP000038/1

Work from home. Urgently required Retired, Businessman, Ladies for Guwahati, 45 kpm #94350-83340.
SV/P/NC000009/1

**A LEADING AVIATION & HOSPITALITY INSTITUTE BASED IN GUWAHATI IS URGENTLY LOOKING FOR DYNAMIC & EXPERIENCED PEOPLE (M/F), (A) CENTRE HEAD (F) (B) COUNSELOR (F) (C) ADMIN INCHARGE (F) (D) MARKETING HEAD (M/F) (E) TELECALLER (M/F) (F) ACCOUNTANT (M/F). THE CANDIDATE SHOULD HAVE PLEASING PERSONALITY, FLUENCY IN ENGLISH. EXPERIENCE CANDIDATE WILL GET PREFERANCE. ONLY INTERESTED CANDIDATE SHOULD SEND THEIR RESUME WITH PHOTO AT skillsnortheast 08@gmail.com WITHIN 3 DAYS.**
SV/P/SP000090/1

**A LEADING NGO BASED IN GUWAHATI IS URGENTLY LOOKING FOR: (A) PROJECT LAISONING OFFICER (M/F) (B) PROJECT INCHARGE (F) CANDIDATE SHOULD HAVE GOOD COMMUNICATION AND WRITING SKILLS. EXPERIENCE. SALARY NEOGIATABLE. ONLY INTERESTED CANDIDATE SHOULD SEND THEIR RESUME WITH PHOTO AT :nayiroshni2014@gmail.com WITHIN 3 DAYS.**
SV/P/SP000089/1

Urgently required experience and non experience EMI Recovery Agent (Male) (location – Guwalhati, Nagaon, Tezpur, Morigaon, Rangia, Hojai) & Telle Caller (Female) (location –Guwahati) & Back office supervisor (Guwahati). For Uttaran Recovery Agency R.G Baruah Road, Borah Market, 1st Floor, Guwahati-05. Contact Details - 7002410656, 70993-24844.
SV/P/SP000077/1

Sales Representative required for sale of Fire Fighting Equipments at Guwahati office. Minimum qualification H. S. (Sc) pass. Applicant with job experience preferred. Please forward your CV to firesalesghy@gmail.com
SV/P/NP000037/1

Start your career as Dy. Manager IT (Salary Rs. 8 lakh PA*) in Axis Bank on successful completion of 18 week Banking Technology Program. Eligibility : B.Tech all branches 2017 passout onwards having 60% in all. Batch starting in June. Virtual Classroom, OJT. Contact : 93657-47674.
SV/P/SP000105/1

## TO-LET

2 BHK (Ground floor) is available at Santinagar Path near GATE Hospital. Cont No. 86381-78554, 84866-15195.
TL/P/NP000060/1

Address - Chandmari, Navagiri Road, 1st bye lane House No. 3B, Ghy-781003, 2 BHK flat independent Ph. No. 98641-71336, 70021-50779.
TL/RP000036/1

Commercial Space 600 sq.ft. residential 3 BHK 3rd/2nd floor G.S. Road, ABC Phone : 70350-83100.
TL/RP000035/1

Single-5000/- 1 BHK-11000/- 2 BHK-12000, 3 BHK-15000, Sixmile, Beltola, Hatigaon 69133-26442.
TL/P/NP000061/1

3 BHK for rent with car parking Guwahati Club. Contact : 98640-72019, 80110-81027.
TL/P/NP000059/1

A 2 room house + 1 Store room with marble floor, attached bathroom & kitchen available in Nabagraha area on 1st floor @7000/- p.m. Electricity & 4 wheeler parking extra. Call : 91011-43313.
TL/P/NP000015/1

Ground floor 1600 square feet at Sixmile for Residence/Office. Contact : 70866-39711, 76378-55078.
TL/P/SC000004/1

4 room AT house 2 toilets, kitchen, varanda running water for small Office/family/godown at Rupnagar, near GMCH. Ph.: 6003799373.
TL/P/SC000033/1

3 BHK, 3rd floor, road facing, Jia-Bhorolli Apartment, Chandmari, Nabagiri Path near City Bus Stop. Rent : Rs. 18,000/- + maintenance. Contact : 94350-28047.
TL/P/NP000047/1

1 room Rs. 3500/-, 2 room Rs. 5500/-, attached bath kitchen, running water, Juri Complex, Kalakshetra. 8638445708.
TL/P/SC000032/3

Rent 1 BHK, 2 BHK, 4 BHK at Beltola, Furnished office available 40000/-. 7002299128 (Broker).
TL/P/SC000027/1

2 BHK semifurnished ready for rent. Hatigaon Pipeline, opposite to Bharat Patrol Pump. Contact: 9864107954.
TL/P/SC000024/1

2 bedroom flat with inbuilt cabinets/wardrobes/modular kitchen. Parking available, Nabagraha Road, Silpukhuri. Rs. 20000/month. Call: 8527989222, 8826355009.
TL/................/1

To-Let for Office/Godown at Chatribari, ABC (Srinagarpath) and Sixmile, Ph. No. 86380-21960, 84738-95018.
TL/P/SP000088/1

3 RCC room at Karbi Nagar, Bamunimaidam, Ghy-21 H.No. 22, Opp. Amar Nivas. Rent Rs. 9500/- Ph. 98642-68645.
TL/RP000025/1

Two bed rooms, living room, kitchen, bathroom at Juripar Path. Contact : 69001-41568, 86382-63145.
TL/P/SP000082/1

2 BHK flat for rent at Tarun Nagar, ABC 90850-06000.
TL/P/SP000087/1

Advertised by owner - 2 BHK, 3 BHK house or 6 BHK Guest House available for rent near Ganeshguri. Call : 70025-11968.
TL/P/NP000046/1

2 rooms and kitchen cum dining room on RCC ground floor at Rajgarh Road near Bihutoli. Contact : 88119-01569.
TL/P/NP000050/1

1200 sq.ft. newly built 3 BHK, 1st floor, 24 hrs. water/Lift/Car parking for small family. Ambari, Lamb Road, Ghy-1 Rs. 24,000/- Ph.94359-09952.
TL/P/SP000092/2

New - 1st floor fully furnished with AC 3 BHK flat at Harabala Road, near Bora Service, G.S. Road, Guwahati. Rs. 35,000/- month. Contact : 99579-96854.
TL/P/NP000034/1

Pubsarania house for rent small service holder preferred 10,500 monthly, 94353-05986, 70021-48648.
TL/P/SP000083/1

Two rooms with Bathroom, running water at Ambari (AGP). Contact : 69001-41568, 86382-63145.
TL/P/SP000081/1

2 BHK flat for rent at Bamunimaidam. Call: 97060-24665, 97060-14599.
TL/P/SP000096/1

**RENT TWO ROOMS WITH LATRINE-BATH BHIMA BHAWAN, UZAN BAZAR, NOWJAN ROAD CONT. NO. 94350-03017. RENT : 7500/- MONTHLY.**
TL/BL000055/1

2 BHK 2 attached bathroom for rent in Sorumotoria, Dr. Zakir Hussain Road, 91017-89746, 60034-88620.
TL/P/NP000054/2

2 BHK semi furnished flat ready for rent (with car parking) at ABC, Tarun Nagar, Ph. 94350-11404.
TL/P/NP000053/1

2 BHK on 2nd floor for family near SBI at Jonali Rs. 10,000/- pm Contact : 94351-94570.
TL/P/NC000010/1

Semi furnished 2 BHK flat at Rukminigaon for rent Rs. 12,000/- Ph. 70027-94330.
TL/NL000031/1

1 BHK (two parts) at Rupnagar for family Rs. 10,500/-, Rs. 8000/- (no car parking) Ph. 94350-11205.
TL/P/NP000057/3

Fully secured two room attached kitchen & toilet at Uzan Bazar Rent Rs., 10,000/- Dial : 98646-31277.
TL/P/NP000055/1

8 BHK for rent, House No.-8, Tarun Nagar, ABC, Byelane-1, PG/Guest house. Mobile No.: 9953671101.
TL/P/AP000032/2

Furnished rooms with TV, AC, Geyser, open kitchen with Fridge, Microwave Oven, Aquaguard and parking facility available for Company or Bank Guest house/ service apartment in Dispur locality. Contact: 8811024881.
TL/P/AP000037/2


### 'বন্দে ভাৰত' মিছনৰ জৰিয়তে হ'লেও সহায়ৰ আহ্বান

# ভূটানত আবদ্ধ অৰ্দ্ধ-শতাধিক শ্ৰমিক

নিজা বাতৰি দিওঁতা

**তামুলপুৰ, ২৩ মে' ঃ** ভাৰত-ভূটান সীমান্তৱৰ্তী বাক্সা, কোকৰাঝাৰ, বৰপেটা, ধুবুৰী, গোৱালপাৰা আৰু কামৰূপ জিলাৰ প্ৰায় ৫৬জন শ্ৰমিক ভূটানত আবদ্ধ হৈ আছে। প্ৰথম পৰ্যায়ৰ লক্‌ডাউনৰ সময়তে ভূটান চৰকাৰে ভাৰতৰ পিনে থকা মুখ্য প্ৰৱেশদ্বাৰ বন্ধ কৰি দিয়ে যদিও এইসকল লোক অসমলৈ আহিব পৰা নাছিল। ছানদ্ৰূপ ঝংখাৰত আবদ্ধ এই শ্ৰমিকসকলে ক্ৰায়োগেনিক গেছেছ প্ৰাঃ লিঃ নামৰ উদ্যোগটোত কৰ্মৰত। তেওঁলোক ঘৰলৈ উভতি আহিবলৈ উদগ্ৰীৱ হৈ আছে। কিন্তু ভূটান চৰকাৰে এই ক্ষেত্ৰত ভাৰত চৰকাৰৰপৰা কোনো সেউজ সংকেত লাভ নকৰাত শ্ৰমিকসকলক সীমান্ত পাৰ হ'বলৈ অনুমতি দিয়া নাই। উপায়ান্তৰ নাপাই শ্ৰমিকসকলে এ বি এমছুৰ কেন্দ্ৰীয় সম্পাদক টাইছন হুছেইনৰ লগত যোগাযোগ কৰি যেনেতেনে তেওঁলোকক ভূটানৰপৰা ওলাই অহাত সহায় কৰিবলৈ অনুৰোধ জনায়। এ বি এমছুৰ নেতাগৰাকীয়ে প্ৰকাশ কৰা মতে, তেওঁলোকে বি টি চি প্ৰশাসন, বাক্সা জিলা প্ৰশাসন আৰু কোকৰাঝাৰৰ উপায়ুক্ত, তামুলপুৰৰ বিধায়ক, বি টি এ ডিৰ আৰক্ষী মহাপৰিদৰ্শককে ধৰি বহুতৰে লগত যোগাযোগ কৰিছে যদিও এতিয়ালৈকে কোনো সদুত্তৰ পোৱা নাই। বিদেশী ৰাষ্ট্ৰ হোৱা বাবে শ্ৰমিকসকলক ওভতাই অনাত কিছু জটিলতা আহি পৰা বুলি জনোৱা হৈছে যদিও 'বন্দে ভাৰত' মিছনৰ জৰিয়তে বিভিন্ন দেশৰপৰা বিমানেৰে ভাৰতীয়সকলক ঘূৰাই অনা কেন্দ্ৰীয় চৰকাৰে ভাৰতৰ সীমান্তৱৰ্তী ভূটানৰ ছানদ্ৰূপ ঝংখাৰত অনাহাৰ-অনিদ্ৰাৰে দিবা-ৰাত্ৰি কটোৱা এই শ্ৰমিকসকলৰ প্ৰতি চৰকাৰৰ কোনো দায়িত্ব নাই নেকি বুলিও প্ৰশ্ন কৰে নেতাজনে। এই ক্ষেত্ৰত ছাত্ৰ নেতাজনে সংশ্লিষ্ট জিলা প্ৰশাসনক উদ্যোগ গ্ৰহণ কৰিবলৈ দাবী জনাইছে।

### নগাঁৱত পৰিবহন নিগমৰ অধ্যক্ষ অশোক কুমাৰ ভট্ট ৰয়

## সংকটকালত নিষ্ঠাৰে কাম কৰিছে নিগমৰ বিষয়া-কৰ্মচাৰীয়ে

জিলাৰ বাতৰি দিওঁতা

**নগাঁও, ২৩ মে' ঃ** কোভিড-১৯ প্ৰতিৰোধৰ বাবে আমি সকলো সজাগ থাকিব লাগিব। চৰকাৰৰ নীতি-নিৰ্দেশনা মানি বলিষ্ঠভাৱে সামাজিক দূৰত্ব মানি চলিলেহে আমি এই যুঁজত সফল হ'ব পাৰিম। এই মন্তব্য অসম ৰাজ্যিক পৰিবহন নিগমৰ অধ্যক্ষ অশোক কুমাৰ ভট্ট ৰয়ৰ। আজি নগাঁৱত সাংবাদিকৰ আগত এই মন্তব্য কৰি অধ্যক্ষগৰাকীয়ে কয়, 'দেশৰ বিভিন্ন প্ৰান্তত কৰ্মৰত নগাঁৱৰ লোকসকল বহিঃৰাজ্যৰ পৰা চাপৰমুখ আৰু লামডিং ৰেল ষ্টেচন আহি পোৱাৰ পিছত জিলাখনৰ কোৱাৰেণ্টাইন চেণ্টাৰসমূহলৈ লৈ যোৱাৰ ব্যৱস্থা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ জৰিয়তে কৰা হৈছে।' আজি অসম ৰাজ্যিক পৰিবহন নিগমৰ নগাঁৱৰ কাৰ্যালয়ত উপস্থিত হৈ কোভিড-১৯ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা পদক্ষেপৰ বুজ লয় অধ্যক্ষগৰাকীয়ে। অধ্যক্ষগৰাকীয়ে নিগমৰ বিষয়-কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে কোভিড-১৯ প্ৰতিৰোধৰ বাবে পালন কৰা দায়িত্বৰ ক্ষেত্ৰত ল'বলগা সুৰক্ষাৰ বিষয়েও আলোচনা কৰে। বিষয়া-কৰ্মচাৰীসকলক উৎসাহিত কৰি অধ্যক্ষ ভট্ট ৰয়ে সংবাদ মাধ্যমৰ আগত পুনৰ কয়, 'এই সংকটৰ সময়ত নিগমৰ বিষয়া-কৰ্মচাৰীসকলে নিষ্ঠাৰে দায়িত্ব পালন কৰি আহিছে। তেওঁলোকক কৰ্তব্য সম্পাদনৰ বাবে মাস্ককে ধৰি পৰিধান কৰিবলগা প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা হৈছে। যাৰ বাবে আমাৰ বিষয়া-কৰ্মচাৰীসকল আতংকিত হোৱা নাই। ৰাইজক আমি আমাৰ বিষয়া-কৰ্মচাৰীসকলক সহযোগিতা কৰিবলৈ আহ্বান জনাইছোঁ। নগাঁৱৰ পৰা লখিমপুৰ, ডিব্ৰুগড় আৰু গুৱাহাটীলৈ পৰিবহন নিগমৰ বাছৰ উপৰি নিগমৰ অনুমোদিত বেচৰকাৰী বাছ চলাচলৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰৰ নীতি অনুসৰি বাছসমূহত ৫০% যাত্ৰীহে টিকট কাটি যাব পাৰে।' তেওঁ অতি জৰুৰী কামত যাবলগা যাত্ৰীসকলকহে ভ্ৰমণ কৰিবলৈ আহ্বান জনায়।

## পথালি পাহাৰত আছুৰ প্ৰতিবাদ

নিজা বাতৰি দিওঁতা

**বান্দৰদেৱা, ২৩ মে' ঃ** দিহিং-পাটকাইত চৰকাৰে কয়লা খনন চলোৱাৰপৰা ৰক্ষা কৰাৰ উদ্দেশ্যে আছুৱে আজি ৰাজ্যৰ ভিন্ন প্ৰান্তত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। অসম-অৰুণাচল সীমাৰ লখিমপুৰ জিলাৰ পথালি পাহাৰত আজি দিনৰ ১২ বজাত স্থানীয় খেৰাজখাট সীমান্ত আঞ্চলিক ছাত্ৰ সন্থায়ো চৰকাৰ-বিৰোধী স্থিতিৰে প্ৰতিবাদ সাব্যস্ত কৰে। মুষলধাৰ বৰষুণত তিতি-বুৰি ছাত্ৰ সংগঠনটোৰ সদস্যসকলে হাতে হাতে প্লেকাৰ্ড লৈ ১৫ নং ঘাইপথত পালন কৰে এই প্ৰতিবাদী কাৰ্যসূচী।

**নাৰায়ণপুৰৰ নিজা বাতৰি দিওঁতা ঃ** লখিমপুৰ জিলা ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি নাৰায়ণপুৰ আঞ্চলিক ছাত্ৰ সন্থাই নাৰায়ণপুৰৰ শ্বহীদ বেদীৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত হাতে হাতে প্লেকাৰ্ড লৈ প্ৰতিবাদ সাব্যস্ত কৰে। কাৰ্যসূচীত আছুৰ নাৰায়ণপুৰ আঞ্চলিকৰ উপদেষ্টা জ্যোতিৰ্ময় হাজৰিকা, নৱজ্যোতি বৰা, ক্ষীৰোদ দুৱৰা, সভাপতি-সম্পাদক ক্ৰমে ৰাজদ্বীপ গগৈ আৰু প্ৰীতম বৰুৱাই অংশগ্ৰহণ কৰে।

## কাইলৈ উদ্‌যাপন হ'ব ঈদ

দৈনিক অসমৰ বাতৰি

**গুৱাহাটী, ২৩ মে' ঃ** অহা ২৫ মে'ত অসমত ঈদ পালন কৰা হ'ব বুলি কেন্দ্ৰীয় হিলাল কমিটী, অসমে আজি নিশা জনাইছে। কমিটীৰ সভাপতি মৌলানা শ্বেখ ফখৰউদ্দিন আহমেদ কাচিমী আৰু সাধাৰণ সম্পাদক আলহাজ ইমদাদ হুছেইনে এটা বিবৃতিত জনোৱা মতে, অসম তথা ভাৰতবৰ্ষত জোন দেখাৰ খবৰ পোৱা নগ'ল। সেয়েহে অহা ২৫ মে'ত ভাৰতবৰ্ষৰ লগতে অসমতো ঈদ পালন কৰা হ'ব। হিলাল কমিটীয়ে অসমবাসীলৈ ঈদৰ শুভেচ্ছা জনাইছে।

## অনলাইন কবিতা আবৃত্তি, গীতৰ প্ৰতিযোগিতাৰ ফল

জিলাৰ বাতৰি দিওঁতা

**তেজপুৰ, ২৩ মে' ঃ** লক ডাউনৰ সময়ছোৱাত ঘৰতে আৱদ্ধ হৈ থকা শিক্ষাৰ্থীসকলক সৃষ্টিশীলতাৰ উন্মেষ ঘটোৱাৰ অৰ্থে তেজপুৰৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান 'সুদৰ্শন অসমে' অনলাইনৰ জৰিয়তে আয়োজন কৰা কবিতা আবৃত্তি আৰু গীতৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ ঘোষণা কৰা হৈছে। উল্লেখ্য যে ১১ দিন ধৰি বিদ্যালয়, মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চলা এই প্ৰতিযোগিতা ২৮ এপ্ৰিলত অন্ত পৰিছিল। কেউটা বিভাগৰে ফলাফল উলিয়াবলৈ অসমৰ কেইগৰাকীমান বিশিষ্ট সংগীত শিল্পী আৰু আবৃত্তিকাৰৰ সৈতে অনলাইন ব্যৱস্থাৰ সহায়ত বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। ঘোষিত ফলাফল অনুসৰি গীতৰ প্ৰতিযোগিতাৰ 'ক' শাখাত প্ৰথম স্থান তিনিচুকীয়াৰ প্ৰয়াস প্ৰীতম দত্তই, দ্বিতীয় স্থান তেজপুৰৰ শালিনী দুৱৰা আৰু তৃতীয় স্থান তেজপুৰৰে জুবিনাজ আমানে লাভ কৰে। উদগনি মূলক বঁটা লাভ কৰে ধেমাজিৰ গুঞ্জন গুণগুণ গগৈ, নগাঁৱৰ নিহাৰ দাস আৰু দুলীয়াজানৰ নিৰ্ভিতা বৰাই। সেইদৰে গীতৰ 'খ' শাখাত প্ৰথম স্থান নাৰায়ণপুৰৰ ভাৰ্গৱী গোস্বামী, দ্বিতীয় স্থান তেজপুৰৰ লিপিকা বৰা আৰু তৃতীয় স্থান লাভ কৰে নুমলীগড় তেল শোধনাগাৰৰ আকাংক্ষা শৰ্মাই। গীতৰ প্ৰতিযোগিতাৰ 'গ' শাখাত প্ৰথম স্থান লাভ কৰে যোৰহাট টিয়কৰ পূজা বৰাই, দ্বিতীয় স্থান লাভ কৰে তেজপুৰৰ অন্বেষা কাঞ্চন বৰাই আৰু তৃতীয় স্থান লাভ কৰে তেজপুৰৰে তনময়ী গগৈয়ে। এই প্ৰতিযোগিতাত বিচাৰকৰ দায়িত্ব পালন কৰিছিল বিশিষ্ট সংগীত শিল্পী চৈয়দ চাদুল্লাহ, দুৰ্গামিয়ী বৰা আৰু জীৰেন্দ্ৰ মোহন দেৱশৰ্মাই। সেইদৰে আবৃত্তি প্ৰতিযোগিতাৰ 'ক' শাখাত যুটীয়াভাৱে প্ৰথম স্থান লাভ কৰে ক্ৰমে— তেজপুৰৰ মৃগাক্ষী মহন্ত আৰু লখিমপুৰৰ ভাৰ্গৱ প্ৰকাশ নেওগে, দ্বিতীয় স্থান লাভ কৰে তেজপুৰৰ প্ৰিয়াশ্ৰী মধুকল্য আৰু তৃতীয় স্থান লাভ কৰে তেজপুৰৰে গংগোত্ৰী কাশ্যপে। উদগনিমূলক বঁটা লাভ কৰে তেজপুৰৰ জাগৃতি শৰ্মা, নগাঁৱৰ হৃষীকেশ দাস আৰু তেজপুৰৰ দৰ্শনা বৰাই। কবিতা আবৃত্তি 'গ' শাখাত প্ৰথম স্থান লাভ কৰে বিশ্বনাথ চাৰিআলিৰ শতাব্দী বৰা, দ্বিতীয় স্থান লাভ কৰে কাৰৈমাৰীৰ ববিতা দাস আৰু তৃতীয় স্থান লাভ কৰে তেজপুৰৰ পোহৰ বৰাই।


## TO-LET

**HOUSE FOR RENT. 3000 SQ.FT. GROUND FLOOR, 65000/ MONTH. RENT FULL OR IN PART. NO BROKERS PLEASE. 9435216067. HOUSE #58 BASHISTHA ROAD, BELTOLA, GUWAHATI.**
TL/P/AC000133/2


১ পৃষ্ঠাৰ পৰা

## ৰাজ্যত পজিটিভৰ সংখ্যা ৩২৯লৈ বৃদ্ধি

অনুসৰি আজিৰ দিনটোত গুৱাহাটীৰ সৰুসজাই কোৱাৰেণ্টাইন শিবিৰত থকা ৫০ জন লোকৰ দেহত কোভিড-১৯ পজিটিভ পোৱা হৈছে। ইয়াৰে ছজন হোজাই জিলাৰ। তদুপৰি হোজাই জিলাত আৰু এজন পজিটিভ লোক ধৰা পৰিছে। আনহাতে, ডিমা হাছাও জিলাৰপৰা প্ৰথমবাৰৰ বাবে সাতজন পজিটিভ লোক ধৰা পৰিছে। ইপিনে, আজি মৰিগাঁৱৰ চাৰিজন, নলবাৰী আৰু কাছাৰৰ দুজনকৈ আৰু নগাঁও, গোলাঘাট, যোৰহাট আৰু ধুবুৰীৰপৰা একোজনকৈ পজিটিভ লোক ধৰা পৰিছে। পজিটিভসকল কোৱাৰেণ্টাইনত থকা লোক।

উল্লেখযোগ্য যে আজি চিনাক্ত হোৱা ৭০ জনকে ধৰি বিগত প্ৰায় ২৪ ঘণ্টাত ৰাজ্যখনত ১০৭ জন কোভিড-১৯ আক্ৰান্ত ধৰা পৰিছে। কালি বিয়লি প্ৰায় ৪ বজা পৰ্যন্ত ৰাজ্যত কোভিড পজিটিভৰ সংখ্যা ২২২ আছিল। আজি স্বাস্থ্যমন্ত্ৰী শৰ্মাই কোভিড পজিটিভৰ সংখ্যা বৃদ্ধিৰ কথা উল্লেখ কৰি চাৰে পাঁচ বজাত দিয়া শেহতীয়া টুইটটো পৰ্যন্ত ৰাজ্যত কোভিড পজিটিভৰ সংখ্যা ৩২৯লৈ বৃদ্ধি পালে। এই হিচাপত চাবলৈ গ'লে ৰাজ্যত প্ৰতি ঘণ্টাত গড়ে চাৰিজনতকৈ বেছি লোকৰ দেহত কোভিড-১৯ পজিটিভ ধৰা পৰিছে। ইয়াৰ মাজতে ৰাজ্যত আৰোগ্য লাভ কৰা কোভিড-১৯ পজিটিভৰ সংখ্যাও সামান্য বৃদ্ধি হৈছে। দন্ত চিকিৎসক ডাঃ দীপা ডেকাকে ধৰি সংক্ৰমণমুক্ত হোৱা তিনিজনক আজি চিকিৎসালয়ৰপৰা যোৱাৰ অনুমতি দিয়া হৈছে বুলি মন্ত্ৰী ড° শৰ্মাই ঘোষণা কৰে। এইজনকে ধৰি ৰাজ্যত সুস্থ হোৱা কোভিড-১৯ ৰোগীৰ সংখ্যা ৫৭লৈ বৃদ্ধি হ'ল। মৃত্যু হোৱা কোভিড পজিটিভৰ সংখ্যা ৪তকৈ বৃদ্ধি হোৱা নাই। ৩ জন পজিটিভ লোক ইতিমধ্যে বহিঃৰাজ্যলৈ গমন কৰিছে। শেহতীয়া হিচাপ মতে মুঠ ২৬৫ জন পজিটিভ লোক চিকিৎসালয়ত আছে।

**এম এম চি এইচ ভৰ্তি, নতুন ৰোগী কালাপাহাৰ চিকিৎসালয়লৈ**

ব্যাপক হাৰত কোভিড-১৯ পজিটিভ লোক ওলোৱাৰ পিছত মহেন্দ্ৰ মোহন চৌধুৰী চিকিৎসালয়ত আৰু নতুন পজিটিভ ৰোগীৰ বাবে স্থান নোহোৱা হৈছে। এম এম চি এইচত থকা সকলো স্থান কালি নিশা পূৰ হৈছে বুলি মন্ত্ৰী ড° শৰ্মাই কয়। তেওঁ কয় যে এতিয়াৰেপৰা কোনো পজিটিভ লোকক এম এম চি এইচত ভৰ্তি কৰাব পৰা নাযাব। গুৰুতৰ ৰোগীক (কোভিড) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ত ভৰ্তি কৰোৱা হ'ব। অন্য পজিটিভ ৰোগীসকলক কালাপাহাৰস্থিত চিকিৎসালয়ত (যক্ষ্মাৰ বাবে থকা বিশেষ চিকিৎসালয়) ভৰ্তি কৰোৱা হ'ব। ১২০ খন বিচনাৰে নতুনকৈ কোভিড চিকিৎসালয় ৰূপে গঢ়ি তোলা কালাপাহাৰৰ চিকিৎসালয়খনৰ ব্যৱস্থাৱলী আজি মন্ত্ৰী ড° শৰ্মাই নিৰীক্ষণ কৰে। তেওঁ কয় যে সকলো চিকিৎসক, নাৰ্ছ, চাফাই কৰ্মী, চতুৰ্থ বৰ্গৰ কৰ্মচাৰীয়ে ইতিমধ্যে কৰ্তব্যত যোগদান কৰিছে আৰু আজি সন্ধিয়া ৫ বজাৰপৰা ৰোগী ভৰ্তি কৰোৱাৰ কাম আৰম্ভ হৈছে। তেওঁ কয় যে আজি সৰুসজাইত চিনাক্ত হোৱাসকলক কালাপাহাৰৰ চিকিৎসালয়লৈ স্থানান্তৰ কৰা হৈছে। আনহাতে, কালি নিশা চিনাক্ত কৰা চি আৰ পি এফৰ ছজন লোকক জি এম চি এইচত ভৰ্তি কৰোৱা হৈছে বুলি মন্ত্ৰীজনে কয়।

ইফালে, স্বাস্থ্য বিভাগে জালুকবাৰীৰ আয়ুৰ্বেদিক মহাবিদ্যালয়ক পূৰ্ণাংগ কোভিড চিকিৎসালয়ৰ ৰূপ দিয়াৰ কথা চিন্তা কৰিছে। মন্ত্ৰী ড° শৰ্মাই আজি নিশা মহাবিদ্যালয়খন ভ্ৰমণ কৰে আৰু অৱস্থাৰ বুজ লয়। এই সন্দৰ্ভত শীঘ্ৰে সিদ্ধান্ত লোৱা হ'ব বুলি মন্ত্ৰীজনে ঘোষণা কৰিছে।

**অসম এতিয়া নিৰাপদ নহয়**

বহিঃৰাজ্যৰপৰা অসমলৈ আহিবলৈ বিচাৰি থকাসকলক সিদ্ধান্ত সলনি কৰিবলৈ আহ্বান জনাই স্বাস্থ্যমন্ত্ৰী ড° শৰ্মাই আজি কয় যে অসমখন এতিয়া নিৰাপদ স্থান নহয়। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এই মন্তব্য কৰি তেওঁ কয়— 'এতিয়া অসমখন নিৰাপদ নহয়, নিৰাপত্তা বিচাৰি অসমলৈ আহিবলৈ বিচৰাসকলে সিদ্ধান্ত সলনি কৰক।' মন্ত্ৰীজনে লগতে কয় যে বাছ আৰু অন্যান্য গাড়ীত যাতে কোনো লোক নাহে তাৰ ব্যৱস্থাৰ কথা চিন্তা কৰা হৈছে। পজিটিভ লোকৰ তথ্য বিশ্লেষণ কৰি পোৱা গৈছে যে সৰ্বাধিকৰ সংক্ৰমণ যাত্ৰা পথত হৈছে। বাছ, ট্ৰাক আদিত প্ৰায়েই সামাজিক দূৰত্ব মানি নচলাৰ ফলত সংক্ৰমণ হৈছে। অসম চৰকাৰে অন্য ৰাজ্যলৈ পত্ৰ লিখিব আৰু সামাজিক দূৰত্বৰ নীতি মানি নচলা কোনো গাড়ীকে তেওঁলোকৰ ৰাজ্যৰপৰা অহাৰ অনুমতি নিদিবলৈ অনুৰোধ জনোৱা হ'ব।

## লক্‌ডাউনৰ দুঃসময়ত সহায়ৰ হাত

হৈছে। এই জটিল পৰিস্থিতিত বহিঃৰাজ্যত কৰ্মৰত এচাম হৃদয়বান অসমীয়াই অসমৰ যুৱক-যুৱতীৰ লগতে আন ৰাজ্যৰ শ্ৰমিককো সহায়ৰ হাত আগবঢ়াইছে। উল্লেখ্য যে দেশৰ বহু ৰাজ্যত শ্ৰমিকক কোনো ধৰণৰ সহায়ৰ হাত কোনোৱে আগনবঢ়োৱা বুলি অভিযোগ উত্থাপন হোৱাৰ সময়তে উত্তৰ প্ৰদেশৰ নয়ডাত আবদ্ধ শ্ৰমিকক দুবেলা-দুমুঠি আগবঢ়োৱাত ব্ৰতী হৈ আছে অসমৰ মৰিগাঁও জিলাৰ সু-সন্তান ড° প্ৰণৱজ্যোতি পাতৰ আৰু নগাঁৱৰ জীয়াৰী ড° বাণী বৰা। নয়ডাত লক্‌ডাউনৰ ফলত আবদ্ধ হৈ থকা শ্ৰমিকক ৰুটী যোগান ধৰি কিছুদিন পূৰ্বে উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথৰদ্বাৰা প্ৰশংসিত হৈছিল 'নয়ডা ৰুটী সেৱা'। ইতিমধ্যে বিভিন্ন সংবাদ মাধ্যমৰ শিৰোনাম দখল কৰা এই সেৱাৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে অসমৰ ড° প্ৰণৱজ্যোতি পাতৰ আৰু ড° বাণী বৰা। আজি 'দৈনিক অসম'ৰ সৈতে হোৱা কথা-বতৰাত ড° পাতৰে কয়, ২৫ মাৰ্চত লক্‌ডাউন ঘোষণা হোৱাৰ পিছতে বহুসংখ্যক বহিঃৰাজ্যৰ শ্ৰমিক তাত আবদ্ধ হৈ পৰিছিল। আৰ্থিক দুৰৱস্থাৰ সন্মুখীন হোৱা এই শ্ৰমিকসকলক নয়ডা প্ৰাধিকৰণৰ তৰফৰপৰা বিনামূলীয়াকৈ খাদ্য যোগান ধৰা হৈছিল। কিন্তু দিন যোৱাৰ লগে লগে বৃহৎসংখ্যক শ্ৰমিকক ৰুটী দিবলৈ অসুবিধাৰ সন্মুখীন হোৱা প্ৰাধিকৰণক নয়ডাৰ স্থানীয় কেইখনমান হাউছিং ছ'চাইটীয়ে ৰুটী দিয়া আৰম্ভ কৰিলে। এই আদৰ্শক সাৰোগত কৰি নয়ডা ৰুটী সেৱা আৰম্ভ কৰা হ'ল। এই সেৱাৰ অধীনত বৰ্তমানে নয়ডাৰ ৪৫খন হাউছিং ছ'চাইটীৰপৰা দৈনিক প্ৰায় ৪৫ হেজাৰখন ৰুটী নয়ডা প্ৰাধিকৰণলৈ আগবঢ়োৱা হৈছে আৰু এই কামত বৰ্তমান সক্ৰিয়ভাৱে জড়িত হৈ আছে ড° প্ৰণৱজ্যোতি পাতৰ আৰু ড° বাণী বৰা। তেওঁ কয়, লক্‌ডাউনৰ সময়ছোৱাত আমি যিমানখিনি পাৰোঁ মানুহক সহায় কৰাৰ বাবে চেষ্টা কৰিছোঁ। নয়ডা ৰুটী সেৱাৰ বাহিৰেও লক্‌ডাউনৰ এই সময়ছোৱাত নিজাববীয়াকৈ মাস্ক বনোৱা প্ৰকল্প এটা লৈ স্থানীয় অভাৱী সাতটা পৰিয়ালক সাময়িক কৰ্মসংস্থাপনো দিছে অসমীয়াদ্বয়ে। অসমৰে আনগৰাকী সু-সন্তান ড° বাণী বৰাৰ সৈতে একেলগে আৰম্ভ কৰা এই প্ৰকল্পৰ জৰিয়তে এতিয়ালৈকে এহেজাৰখনতকৈও অধিক মাস্ক ন্যূনতম মাচুলৰ বিনিময়ত বিভিন্ন সংগঠন, সংস্থাক দিছে পাতৰে। লক্‌ডাউনৰ সময়ত কৰ্মহীন হৈ পৰা দুখীয়া পৰিয়ালকেইটাই এতিয়া এই প্ৰকল্পৰদ্বাৰা কিছু সকাহ পাবলৈ সক্ষম হৈছে। উল্লেখ্য যে দিল্লীৰ 'গ্ল'বেল ফাউণ্ডেচন ফৰ এডভান্সমেণ্ট অব্ এনভাইৰ'নমেণ্ট' শীৰ্ষক এটা সংস্থাৰ মুখ্য কাৰ্যবাহী বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰি আছে ড° প্ৰণৱজ্যোতি পাতৰে আৰু ড° বাণী বৰা চেণ্টাৰ ফৰ ছ'চিয়েল ছেঞ্জ নামৰ বেচৰকাৰী সংস্থাটোত সঞ্চালক হিচাপে কৰ্মৰত।

আনহাতে, ড° প্ৰণৱজ্যোতি পাতৰ আৰু ড° বাণী বৰাৰ দৰেই হাৰিয়ানাৰ গুৰগাঁৱত আবদ্ধ হৈ থকা অসমৰ যুৱক-যুৱতীক সহায়ৰ হাত আগবঢ়াইছে গুৰগাঁৱৰ অসম এছ'চিয়েছনে। উল্লেখ্য যে অসমৰ বহুসংখ্যক যুৱক-যুৱতীয়ে গুৰগাঁৱত থকা অটোম'বাইল, বস্ত্ৰ আদি বিভিন্ন উদ্যোগত বহু বছৰ ধৰি কাম কৰি আছে। কিন্তু লক্‌ডাউনৰ বাবে সকলো উদ্যোগ বন্ধ হৈ পৰাত আৰ্থিকভাৱে বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে এইসকল অসমীয়া যুৱক-যুৱতীয়ে। গুৰগাঁৱৰ অসম এছ'চিয়েছনে এই যুৱক-যুৱতীসকলক লক্‌ডাউনৰ সময়ত সহায়ৰ হাত আগবঢ়োৱাই নহয়, অসমলৈ আহিবলৈও সুবিধা কৰি দিছে। সংগঠনটোৰ সহকাৰী সাধাৰণ সম্পাদক তথা গুৰগাঁও নিৱাসী ব্যৱসায়ী ত্ৰিৰংগ শৰ্মাই আজি 'দৈনিক অসম'ক জনোৱা মতে, বিপদৰ সময়ছোৱাত নিজৰ মানুহখিনিক পাৰ্যমানে সকলো ধৰণে সহায় আগবঢ়োৱাত চেষ্টাৰ ত্ৰুটী কৰা নাই অসম এছ'চিয়েছনে। তেওঁ কয়, লক্‌ডাউনৰ বাবে কৰ্মহীন হৈ পৰা বহু অসমীয়াক খাদ্য সামগ্ৰীৰপৰা আৰম্ভ কৰি প্ৰয়োজনত চিকিৎসা পৰামৰ্শও আগবঢ়োৱা হৈছে। বিশেষকৈ চিকিৎসাৰ ক্ষেত্ৰত এছ'চিয়েছনৰ সম্পাদক তথা চিকিৎসক ডাঃ দ্ৰুপদ দত্তই নিজাববীয়াকৈ উদ্যোগ গ্ৰহণ কৰি ব্যৱস্থাসমূহ কৰিছে। লক্‌ডাউনৰ সময়ছোৱাত যাতে মানসিক স্বাস্থ্য অটুট থাকে, তাৰ বাবে বিশেষ দৃষ্টি ৰাখিছে সংগঠনটোৱে। এছ'চিয়েছনৰ সভাপতি যুগল কিশোৰ মহন্তয়ো এই ক্ষেত্ৰত বহু গুৰুদায়িত্ব লৈ তাত আবদ্ধ অসমীয়াক সহায় কৰিছে বুলিও সহকাৰী সাধাৰণ সম্পাদক শৰ্মাই লগতে কয়। লক্ষণীয়ভাৱে লক্‌ডাউনৰকেইদিনত এছ'চিয়েছনে গুৰগাঁৱত আবদ্ধ প্ৰায় ৫০০ অসমীয়া লোকক খাদ্য সামগ্ৰী সাহায্য হিচাপে দিয়াৰ লগতে অসমলৈ উভতি অহা ৬০গৰাকী লোকক খাদ্য, তাত থকা অসমীয়া পৰিয়ালক চিকিৎসা তথা অন্যান্য সাহায্যৰ লগতে গুৰগাঁৱৰপৰা গুৱাহাটীলৈ আহিবলৈ ১৮জন লোকক ৰেলৰ টিকট নিজাববীয়াকৈ ক্ৰয় কৰি দি সহায় কৰিছে। এই সহযোগিতা বৰ্তমানেও অব্যাহত আছে আৰু পৰিস্থিতি স্বাভাৱিক নোহোৱা পৰ্যন্ত এনেদৰেই পাৰ্যমানে আৰ্তজনক এছ'চিয়েছনে সেৱা আগবঢ়াই যাব বুলি শৰ্মাই লগতে কয়। স্মৰ্তব্য যে কেৰালাক বাদ দি ভাৰতৰ আন বহু ৰাজ্যত নিয়োগকৰ্তাৰ লগতে উক্ত ৰাজ্যসমূহৰ বাসিন্দাই তাত কৰ্মৰত বহিঃৰাজ্যৰ শ্ৰমিক তথা বেচৰকাৰী খণ্ডৰ কৰ্মচাৰীখিনিক বিশেষভাৱে সহায় আগবঢ়োৱা নাই। যাৰ বাবে অনাহাৰে-অনিদ্ৰাই পথৰ দাঁতিত বহু শ্ৰমিকে দিন কটাবলগীয়া হৈছে। কিন্তু বাহিঃৰাজ্যত বসবাস কৰি জটিলতাৰ মাজত থাকিও একাংশ অসমীয়াই নিজৰ ৰাজ্যৰ লগতে আন ৰাজ্যৰ শ্ৰমিককো সহায়ৰ হাত আগবঢ়াই অসম তথা অসমীয়াৰ নাম উজলাই তুলিছে।

# মুম্বাইত আবদ্ধ আমচৈৰ ৩৪ জন লোক

## চৰকাৰৰ সহায় বিচাৰি কাতৰ আহ্বান

নিজা বাতৰি দিওঁতা

**ৰহা, ২৩ মে' ঃ** বহিঃৰাজ্যত কৰ্মৰত অসমৰ লোকসকলক নিজ ঘৰলৈ ঘূৰাই অনাৰ বাবে চৰকাৰে প্ৰচেষ্টা চলোৱাৰ সময়তে নগাঁও জিলাৰ ৰহা সমষ্টিৰ আমচৈৰ ডালিমবাৰীৰ দুগৰাকী মহিলা আৰু দুটি শিশুসহ ৩৪ জন লোক মুম্বাইত আবদ্ধ হৈ থকাৰ বিষয়ে জানিব পৰা গৈছে। মুম্বাইত ব্যক্তিগত কোম্পানীৰ লগতে উবেৰ আৰু কল চেণ্টাৰত কাম কৰা ৩০ জন যুৱক লক্‌ডাউনৰ বাবে কোম্পানীৰ লগতে নিজৰ আন কামকাজো বন্ধ হৈ পৰাত বিগত প্ৰায় দুমাহ ধৰি মুম্বাইৰ ভিখৰলি থানাৰ অন্তৰ্গত কান্নামোৱাৰ নগৰৰ ১নং পথৰ বিভিন্ন স্থানত আবদ্ধ হৈ থাকিবলগীয়া হৈছে। ডালিমবাৰীৰ জ্যোতিষ সৰকাৰ, সুমন সৰকাৰ, কানন সৰকাৰ, নীৰেন বিশ্বাস, অজয় বিশ্বাস, সুজিত সৰকাৰ, মণ্টু দাস, প্ৰসেনজিৎ বিশ্বাসকে ধৰি আবদ্ধ হৈ থকা মুঠ ৩০ জন যুৱকৰ লগতে দুটা পৰিয়ালৰ দুগৰাকী মহিলা আৰু দুটি শিশুও থকা বুলি জানিব পৰা গৈছে। মুম্বাইৰপৰা ম'বাইলযোগে যুৱকসকলে কষ্টকৰ জীৱন কটোৱাৰ বিষয়ে অৱগত কৰাৰ লগতে বৰ্তমান তীব্ৰ আৰ্থিক আৰু খাদ্য-সংকটত ভোগা বুলি জানিবলৈ দিয়ে। বিগত দুমাহে কাম বন্ধ থকা বাবেই কোনো উপাৰ্জন নোহোৱাত যুৱকসকলে ভাৰাঘৰৰো ভাৰা আদায় দিব নোৱাৰাত এতিয়া যিকোনো প্ৰকাৰে নিজ গৃহলৈ উভতি অহাৰ বাবে উদ্‌গ্ৰীৱ হৈ পৰিছে যদিও চৰকাৰৰ সৈতে কোনো যোগাযোগ কৰিব নোৱাৰি চৰম অনিশ্চয়তাৰ মাজত দিন অতিবাহিত কৰিছে বুলিও জানিবলৈ দিছে। চৰকাৰৰ হেল্পলাইনত যোগাযোগ কৰিও বিফল হোৱা এই যুৱকসকলে উপায়বিহীন হৈ এতিয়া ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীক নিজ গৃহলৈ ঘূৰি আহিবৰ বাবে সহায় বিচাৰিছে।

# ডকমকাত পথ দুৰ্ঘটনাত এজন নিহত



নিজা বাতৰি দিওঁতা

**বকলীয়াঘাট, ২৩ মে' ঃ** ডকমকা থানাৰ অন্তৰ্গত শিলধৰমপুৰত আজি সংঘটিত হোৱা এটা পথ দুৰ্ঘটনাত এজন লোক নিহত হয়। ঘটনাৰ বিৱৰণি অনুসৰি আজি দুপৰীয়া প্ৰায় এক বজাত পাইপ কঢ়িয়াই নিয়া এ এছ-০২-বিচি - ৫০৮৭ নম্বৰৰ দ্ৰুত বেগী টাটা মোবাইলখনে প্ৰচণ্ড জোৰেৰে পথৰ দাঁতিত থকা এজোপা গছত খুন্দা মৰাত বাহনখনত থকা দুয়োজন আৰোহী অতি গুৰুতৰভাৱে আহত হয়। ইয়াৰে অতি সংকটজনক অৱস্থাত চিকিৎসালয়লৈ আনি থকা অৱস্থাত আব্দুল হক ৫০ নামৰ লোকজনৰ মৃত্যু হয়। আনহাতে, অতি গুৰুতৰভাৱে আহত হৈ সম্প্ৰতি চিকিৎসাধীন অৱস্থাত আছে আনগৰাকী আৰোহী সঞ্জীৱ বিশ্বাস (৪৫)।

# বহিঃৰাজ্যৰপৰা নগাঁৱলৈ অহা আৰু ১৫৪ জনক কোৱাৰেণ্টাইন

জিলাৰ বাতৰি দিওঁতা

**নগাঁও, ২৩ মে' ঃ** কোভিড-১৯ৰ আতংকৰ মাজতে নগাঁও জিলালৈ বহিঃৰাজ্যৰপৰা উভতি অহা লোকৰ সংখ্যা বৃদ্ধি পাইছে। জিলাখনলৈ ইতিপূৰ্বে বহিঃৰাজ্যৰপৰা উভটি অহা একাধিক লোকে কোভিড-১৯ ত আক্ৰান্ত হোৱাটো নিশ্চিত হেৰাটো চিন্তিত হৈ পৰিছে নগাঁও জিলা প্ৰশাসন আৰু জিলা স্বাস্থ্য বিভাগ। আজিও নগাঁৱলৈ বহিঃৰাজ্যৰপৰা ১৫৪ গৰাকী লোক উভটি আহিছে। এই লোকসকল ৰেলেৰ আহি চাপৰমুখ জংচন আৰু লামডিং ৰেল ষ্টেচন পোৱাৰ পিছত জিলা স্বাস্থ্য বিভাগে কেইবাখনো বাহনৰে এই লোকসকলক নগাঁও চহৰ নেহৰুবালিৰ অস্থায়ী স্ক্ৰীণিং চেণ্টাৰলৈ আনে। তাতে তেওঁলোকৰ স্ক্ৰীণিং সম্পন্ন কৰাৰ লগতে তেওঁলোকৰ নমুনাও সংগ্ৰহ কৰা হয়। পিছত আটাইকে বিভিন্ন কোৱাৰেণ্টাইন চেণ্টাৰলৈ পঠিওৱা হয়। নগাঁও জিলা স্বাস্থ্য বিভাগৰ সূত্ৰৰপৰা জানিব পৰা মতে, আজি পৰ্যন্ত বহিঃৰাজ্যৰ পৰা নগাঁৱলৈ মুঠ ১২৭৬ গৰাকী লোকে প্ৰত্যাৱৰ্তন কৰিছে। স্বাস্থ্য বিভাগৰ সূত্ৰটোৱে লগতে জনোৱা মতে, এতিয়ালৈকে প্ৰথম পৰ্যায়ত জিলাখনৰ ১০৩৫ গৰাকী লোকৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে পঠোৱা হৈছিল। ইয়াৰে ১০১২ জনৰ নমুনাই কোভিড-১৯ নিগেটিভ পোৱা গৈছে। পৰীক্ষাৰ প্ৰতিবেদন আহিবলৈ বাকী আছে ২০ জনৰ। এই পৰ্যন্ত জিলাখনৰ বিভিন্ন কোৱাৰেণ্টাইন চেণ্টাৰত কোৱাৰেণ্টাইন হৈ থকা তিনি জন লোক কোভিড-১৯ ত আক্ৰান্ত হোৱা বুলি স্বাস্থ্য বিভাগৰ সূত্ৰটোৱে প্ৰকাশ কৰে। কোভিড আক্ৰান্ত নগাঁও চহৰৰ আমোলাপট্টিৰ হিমাশ্ৰী বৰা নামৰ বহিঃৰাজ্যৰপৰা অহা মেডিকেলৰ ছাত্ৰীগৰাকীৰ কোৱাৰেণ্টাইনত থকা পিতৃ গিৰীশ বৰা আৰু তেওঁলোকৰ ভাৰাতীয়া দুগৰাকী মহিলাৰ পৰীক্ষাৰ ফলাফল নিগেটিভ আহিছে। এইটো নগাঁওবাসীৰ বাবে ভাল খবৰ হিচাপে চিহ্নিত হৈছে। আনহাতে, জিলাখনত আজি পৰ্যন্ত ৫৭৬০ গৰাকী লোকক হোম কোৱাৰেণ্টাইন কৰা হৈছে। জিলাখনৰ বিভিন্ন কোৱাৰেণ্টাইন চেণ্টাৰত কোৱাৰেণ্টাইন হৈ থকা লোকসকলৰ ভিতৰৰ ১০০ জন লোকক আজি কোৱাৰেণ্টাইনৰ ম্যাদ উকলি যোৱা হেতুকে ঘৰলৈ যাবলৈ দিয়া হয়।

# সকলো সংবাদকৰ্মীকে চিকিৎসা আঁচনিৰ অন্তৰ্ভুক্ত কৰক

**গুৱাহাটী, ২৩ মে' ঃ** ৰাজ্য চৰকাৰে শ্ৰম আইনৰ কেইবাটাও ধাৰাৰ পুনৰ বিন্যাসৰ জৰিয়তে শ্ৰমিকসকলক অধিক শোষণৰ পথ প্ৰশস্ত কৰিলে। ফেক্টৰী আইনৰ অধীনত বিদ্যুৎ চালিত উদ্যোগসমূহত শ্ৰমিকৰ ন্যূনতম সংখ্যা ২০, বিদ্যুৎ ব্যৱহাৰ নোহোৱা উদ্যোগসমূহত শ্ৰমিকৰ ন্যূনতম সংখ্যা ৪০, চুক্তিভিত্তিক শ্ৰম আইন ৰূপায়ণৰ বাবে ন্যূনতম শ্ৰমিকৰ সংখ্যা ৫০, শ্ৰমিকৰ কামৰ সময় ১২ ঘণ্টালৈ বৃদ্ধি কৰা আদি শ্ৰমিকৰ স্বাৰ্থবিৰোধী আৰু শ্ৰমিকক অধিক শোষণৰ বাট মুকলি কৰা আদি শ্ৰম আইনৰ এই হঠকাৰী সিদ্ধান্তৰ বিৰুদ্ধে সদৌ অসম সংবাদকৰ্মী সন্থাই এক বিবৃতিযোগে তীব্ৰ প্ৰতিবাদ জনাইছে। মানৱীয় দৃষ্টিকোণৰপৰাও ই কেতিয়াও গ্ৰহণযোগ্য হ'ব নোৱাৰে। বিবৃতিটোতে 'সদৌ অসম সংবাদকৰ্মী সন্থা'ই জনায় যে শ্ৰমিক-কৰ্মচাৰীৰ কামৰ সময় বৃদ্ধি কৰা, ছাটাই, মজুৰি কৰ্তন কৰা, ঠিকভিত্তিক শ্ৰমিক নিয়োগ কৰা, চুক্তিভিত্তিক শ্ৰমিক নিয়োগ আদি নীতিয়ে শ্ৰমিক-কৰ্মচাৰীৰ জীৱন বিপন্ন কৰিব। ফলত শ্ৰমজীৱী মানুহৰ অধিকাৰ উলংঘাই নহয়, মানৱ অধিকাৰো উলংঘা হ'ব। শ্ৰমজীৱী লোক বৰ্তমান সৰ্বক্ষেত্ৰতে বিপৰ্যয়ৰ সন্মুখীন হৈছে। বিভিন্ন ক্ষেত্ৰৰ শ্ৰমিকসকলে জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় আধাৰ— খাদ্য সুৰক্ষা, কৰ্মসংস্থাপন আৰু বেতন আদিৰ বাবে যুঁজ দিব লগা হৈছে। এনে সময়তে শ্ৰম আইনৰ এইবোৰ পৰিৱৰ্তনে কৰ্প'ৰেট গোষ্ঠী, পুঁজিপতিক শ্ৰমিকৰ ওপৰত অমানৱীয় শোষণৰ বাট মুকলি কৰি দিব। যি সময়ত সমগ্ৰ মানৱ জাতি কোভিড-১৯ সংক্ৰমণৰ ভয়ংকৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। লাখ লাখ শ্ৰমিকৰ জীৱনলৈ বিপৰ্যয় নামি আহিছে, যেনে সময়ত '৮ ঘণ্টা শ্ৰম, ৮ ঘণ্টা বিশ্ৰাম আৰু ৮ ঘণ্টাৰ বিনোদন'ৰ আন্তৰ্জাতিক শ্ৰম আইনৰ বিপৰীতে এনে মানৱতাবিৰোধী শ্ৰম আইনৰ সন্থাই তীব্ৰ বিৰোধিতা কৰাৰ লগতে এই আইন বাতিলৰ দাবী জনাইছে। তদুপৰি লক্‌ডাউনৰ সময়ত শ্ৰমিকসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে ব্যৱস্থা ল'বলৈ শ্ৰম আইন বিভাগৰ লগতে ৰাজ্য চৰকাৰকো সন্থাই দাবী জনাইছে। ৰাজ্যৰ সাংবাদিকসকলৰ বাবে পূৰ্বৰেপৰাই অসম চৰকাৰৰ কেইবাখনো কল্যাণমূলক আঁচনি প্ৰচলন কৰিছে। কিন্তু এই কল্যাণমূলক আঁচনিসমূহে ৰাজ্যৰ অসাংবাদিক, সংবাদকৰ্মীসকলক সামৰি লোৱা নাই। লক্‌ডাউনৰ সময়ত জৰুৰী সেৱাত নিয়োজিত কৰ্মীসকলৰ দৰে সংবাদকৰ্মীসকলেও নিষ্ঠাৰে কৰ্তব্য পালন কৰি আহিছে। সন্থাই সংবাদকৰ্মীসকলৰ জীৱনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা অত্যাৱশ্যকীয় সেৱা কৰ্মীৰ বীমা আঁচনিত সংবাদকৰ্মীসকলক সামৰি লোৱাৰ দাবী জনাইছে। সদৌ অসম সংবাদকৰ্মী সন্থাই বিগত সময়ত ৰাজ্য চৰকাৰক অসমৰ সংবাদ মাধ্যমত কৰ্মৰত অসাংবাদিক কৰ্মীসকলৰ বাবে সাতটা দাবী সম্বলিত এখন স্মাৰকপত্ৰ প্ৰদান কৰিছিল। তাৰ অন্যতম আছিল সংবাদকৰ্মীসকলক চিকিৎসা সাহায্য প্ৰদান কৰাৰ দাবী। ইতিমধ্যেই ৰাজ্য চৰকাৰে 'সাংবাদিক চিকিৎসা কল্যাণ আঁচনি' নামেৰে এখন আঁচনি প্ৰৱৰ্তন কৰিছে।

বিবৃতিটোত লগতে কোৱা হৈছে যে সাংবাদিক চিকিৎসা আঁচনিত সকলো সংবাদকৰ্মীকে অন্তৰ্ভুক্ত কৰা হওক। বৰ্তমান এই সংকটৰ সময়তো সদৌ অসম সংবাদকৰ্মী সন্থাৰ সদস্যসকলে নিজৰ জীৱন বিপন্ন কৰি কৰ্তব্যস্থলীত উপস্থিত হৈ কৰ্তব্য সম্পাদন কৰিছে। এই সময়ত সন্থাই ৰাজ্য চৰকাৰক 'সাংবাদিক চিকিৎসা আঁচনি'ত সকলো অসাংবাদিক, সংবাদকৰ্মীক অন্তৰ্ভুক্ত কৰাৰ বাবে পুনৰ দাবী জনাইছে। ইতিমধ্যে প্ৰকাশ পোৱা প্ৰধানমন্ত্ৰীৰ বিশেষ পেকেজত শ্ৰমিক-কৰ্মচাৰীৰ নিযুক্তি, নিৰাপত্তা, শ্ৰম মৰ্যাদা কিদৰে সুনিশ্চিত হ'ব সেই ছবিও ধূসৰ। খাটিখোৱা শ্ৰমিকৰ জীৱন সুৰক্ষিত আৰু সুনিশ্চিত কৰিবলৈ চৰকাৰক অধিক ফলপ্ৰসূ আঁচনি গ্ৰহণ কৰিবলৈ দাবী সন্থাই বিবৃতিযোগে জনাইছে।

# ছয়গাঁৱৰ খৰখৰীত দুৰ্ঘটনাত দুজন আহত

নিজা বাতৰি দিওঁতা

**ছয়গাঁও, ২৩ মে' ঃ** কামৰূপ জিলাৰ ছয়গাঁও আৰক্ষী থানাৰ অন্তৰ্গত খৰখৰীত আজি পুৱা প্ৰায় ৮ বজাত এটা পথ দুৰ্ঘটনা সংঘটিত হয়। জানিব পৰা মতে, ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে মানকাছাৰৰপৰা গুৱাহাটী অভিমুখে অহা এ এছ ০১, বি ৱাই ১৯৯৯ নম্বৰৰ মাহিন্দ্ৰা এক্স ইউ ভি গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই খৰখৰীত এডাল গছত তীব্ৰজোৰে খুন্দা মাৰি ওপৰলৈ উঠি যায়। ফলত, গাড়ীখনত থকা থকা দুজন লোক আহত হয়। আহত লোক দুজনক ততাতৈয়াকৈ ৰাইজৰ সহযোগত ছয়গাঁও আৰক্ষীয়ে ছয়গাঁও প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰলৈ নিয়ে যদিও পিছত দুয়োজনকে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৈ প্ৰেৰণ কৰে। আহত লোক দুজন দক্ষিণ শালমাৰা বালিগাঁৱৰ আব্দুল হালীম আৰু মণিৰুল হুছেইন বুলি জানিব পৰা গৈছে।

# কাৰ্বি আংলঙৰ প্ৰতিটো পৰিষদীয় সমষ্টিত হ'ব কোৱাৰেণ্টাইন কেন্দ্ৰ

## ডিফুত ক'ৰ'না সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ বৈঠক



নিজা বাতৰি দিওঁতা,

**বকলীয়াঘাট, ২৩ মে' ঃ** অসমত ক'ৰ'না ভাইৰাছত আক্ৰান্ত ৰোগীৰ সংখ্যা উদ্বেগজনকভাৱে বৃদ্ধি পাবলৈ ধৰাৰ সময়তে আজি কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদ কৰ্তৃপক্ষৰ উদ্যোগত এই পৰিস্থিতিৰ বিৰুদ্ধে শক্তিশালীভাৱে যুঁজ দিয়াৰ লক্ষ্যৰে এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙৰ অধ্যক্ষতাত পৰিষদৰ আলোচনা কক্ষত অনুষ্ঠিত এই সভাখনত অসম চৰকাৰৰ পাৰ্বত্য এলেকা উন্নয়ন দপ্তৰৰ মন্ত্ৰী চুম ৰংহাং, সাংসদ হৰেনছিং বে', স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য খনছিং ৰংপি, কেইবাগৰাকী পৰিষদীয় সদস্য, কাৰ্যবাহী সদস্য, জিলা উপায়ুক্ত, আৰক্ষী অধীক্ষক, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, চিকিৎসক উপস্থিত থাকে। এই গুৰুত্বপূৰ্ণ বৈঠকত সমাগত পৰিস্থিতি মোকাবিলা কৰাৰ লক্ষ্যৰে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি, দুয়োখন জিলাতে প্ৰতিটো পৰিষদীয় সমষ্টিভিত্তিত গাঁও পৰ্যায়ৰ হোম কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সংশ্লিষ্ট পৰিষদীয় সদস্যগৰাকী সমিতিখনৰ অধ্যক্ষৰ দায়িত্বত থকাৰ লগতে খণ্ড উন্নয়ন বিষয়া, চৰকাৰী গাঁওবুঢ়া, অঙ্গনৱাড়ী কৰ্মী, এ এন এম, এম পি ডব্লিউ, আশা কৰ্মীসকল এই সমিতিৰ সদস্য হিচাপে থাকিব। কেন্দ্ৰবোৰৰ বাবে থকা-মেলাৰ সকলো ব্যৱস্থা জিলা প্ৰশাসনৰ তৰফৰপৰা কৰা হ'ব।প্ৰতিটো সমষ্টিতে একোটাকৈ কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ লগতে স্বাস্থ্য বিভাগক প্ৰয়োজনীয় সকলো সামগ্ৰী পৰ্যাপ্ত পৰিমাণে আছে নে নাই সেয়া নিশ্চিত কৰাৰ বাবে জনোৱা হয়। স্বাস্থ্য বিভাগৰ ৰাজ্যিক দপ্তৰৰ মন্ত্ৰী পীযূষ হাজৰিকাৰ সৈতে হোৱা এক টেলিফোনিক বাৰ্তালাপৰ ভিত্তিত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে মন্ত্ৰীগৰাকীয়ে দুয়োখন জিলাতে মাস্ক, পি পি ই কিট, গ্লোভছ, ভেণ্টিলেটৰৰ আদি মজুত ৰখাৰ পৰামৰ্শ দিয়া বুলি অৱগত কৰে। আনহাতে, জিলা প্ৰশাসনৰ লগতে পৰিষদৰ তৰফৰপৰা বহিঃৰাজ্যৰপৰা জিলা দুখনত প্ৰৱেশ কৰা লোকৰ ৰেকৰ্ড প্ৰতিদিনেই পৰীক্ষা কৰাৰ লগতে বহিঃৰাজ্যৰপৰা অহা সকলো লোকৰে স্বাস্থ্য পৰীক্ষা কৰোৱা হ'ব। জিলাখনৰ প্ৰতিটো প্ৰৱেশ পথতে স্বাস্থ্যকৰ্মীয়ে সকলোৰে স্বাস্থ্য পৰীক্ষাৰ সময়ত ইয়াৰে ক'ৰ'নাৰ লক্ষণ পৰিস্ফুত হোৱাসকলক চিকিৎসালয় অথবা কোৱাৰেণ্টাইন কেন্দ্ৰলৈ প্ৰেৰণ কৰা হ'ব।

## অৱশেষত কৰ্মচাৰীৰ কোৱাৰেণ্টাইন আৰু হাস্পতালতে থকাৰ ব্যৱস্থা

# বহিঃৰাজ্যৰপৰা অহা আৰু ৪৬ জনক বৰপেটাত কোৱাৰেণ্টাইন

জিলাৰ বাতৰি দিওঁতা

**বৰপেটা, ২৩ মে' ঃ** বৰপেটাৰ ফখৰউদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালত দহজন কোভিড-১৯ আক্ৰান্ত ৰোগী চিকিৎসাধীন হৈ আছে। এই ৰোগীসকলৰ নমুনা সংগ্ৰহ কৰা চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ পৰীক্ষাগাৰৰ টেকনিচিয়ান আৰু পৰীক্ষাগাৰৰ সহায়কসকলে নিজ কৰ্তব্য সম্পাদন কৰি দৈনিক নিজ ঘৰলৈ গৈ পুনৰ চিকিৎসালয়লৈ আহি কৰ্তব্য পালন কৰা সন্দৰ্ভত বৰপেটাৰ সচেতন মহলত ব্যাপক প্ৰতিক্ৰিয়া হৈছে। ৰোগীসকলক চোৱা-চিতা কৰা চিকিৎসক আৰু চিকিৎসা কৰ্মীসকল এটা সময়ত কোৱাৰেণ্টাইন হ'ব লাগে সেই সময়ত বৰপেটাৰ ফখৰউদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কৰ্মচাৰীসকলৰ ক্ষেত্ৰত কৰ্তৃপক্ষই একো ব্যৱস্থা গ্ৰহণ নকৰাত কৰ্মচাৰীসকলৰ মাজতো একপ্ৰকাৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হোৱাৰ লগতে ৰাইজেও এই লৈ আশ্চৰ্য প্ৰকাশ কৰিছে। ভাইৰাছ সংক্ৰমণ নহ'বলৈ বিভিন্ন পদ্ধতি অৱলম্বন কৰা সময়ত এইসকল কোভিড যুঁজাৰুৰ ক্ষেত্ৰত কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই হাস্পতাল কৰ্তৃপক্ষই। কোভিড আক্ৰান্ত ৰোগীৰ নমুনা সংগ্ৰহ কৰা কেইজনেই নিজ উপস্থিতিৰ বহীত স্বাক্ষৰ প্ৰদান কৰা, অন্য কৰ্মচাৰীৰ সৈতে কাম আদি কৰি আহিছে। অধিক সংক্ৰমণ নহ'বলৈ বিভিন্ন পন্থা অৱলম্বন কৰাৰ সময়তে বৰপেটা মেডিকেল কলেজ হাস্পতাল কৰ্তৃপক্ষই বিষয়টো সন্দৰ্ভত কোনো গুৰুত্ব প্ৰদান নকৰাত বিগত তিনি দিন ধৰি কৰ্মচাৰীসকল এক প্ৰকাৰ শংকতি হৈ আছিল। আনহাতে, আজি সন্ধিয়া বৰপেটা মেডিকেল কৰ্মচাৰী সন্থাৰ এটি সূত্ৰই জানিবলৈ দিয়া মতে, বৰপেটা মেডিকেল কলেজ হাস্পতালৰ কৰ্তৃপক্ষৰ পৰা পোৱা আশ্বাস অনুযায়ী যিসকল কৰ্মচাৰীয়ে কোভিড ৰোগীৰ নমুনা সংগ্ৰহ কৰি কৰ্তব্য সম্পাদন কৰি আহিছে সেইসকলক এক সপ্তাহৰ ডিউটী প্ৰদান কৰি আজিৰেপৰা হাস্পতালখনত থকাৰ ব্যৱস্থা কৰিছে আৰু এক সপ্তাহৰ কৰ্তব্য শেষ হ'লে পুনৰ এক সপ্তাহ হোটেল কোৱাৰেণ্টাইন হ'ব লাগিব বুলি জানিবলৈ দিছে। ইপিনে আজি বৰপেটা জিলা প্ৰশাসনৰ সূত্ৰৰপৰা জানিব পৰা মতে, বহিঃৰাজ্যৰ পৰা আজি নিচেই পুৱা ৪ বজাত আহি পোৱা ৪৬ গৰাকী লোকক বৰপেটাৰোড হাউলী মহাবিদ্যালয়ত কোৱাৰেণ্টাইন কৰা হয়। আনহাতে, এন এইচ এমৰ ৰাজ্যিক কাৰ্যালয়ৰ এটি সূত্ৰৰপৰা কালি নিশা ১১ বজালৈ পোৱা তথ্যানুসৰি বৰপেটাৰ ফখৰউদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় চিকিৎসালয়ৰ পৰীক্ষাগাৰলৈ বিভিন্ন প্ৰান্তৰ মুঠ ১৩৬৪৫ গৰাকী লোকৰ কোভিড-১৯ পৰীক্ষাৰ নমুনা প্ৰেৰণ কৰা হৈছিল। ইয়াৰে ভিতৰত ২০ গৰাকী লোকৰ পৰীক্ষাৰ ফলাফল পজিটিভ হিচাপে পোৱাৰ বিপৰীতে ১০৮১৩ গৰাকী লোকৰ পৰীক্ষাৰ ফলাফল নিগেটিভ বুলি ঘোষিত হৈছে আৰু ২৮১২ গৰাকী লোকৰ পৰীক্ষাৰ ফলাফল এতিয়ালৈকে ঘোষণা কৰা হোৱা নাই। ইপিনে, বৰপেটা জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শৰ্মাই আজি সন্ধিয়া 'দৈনিক অসম'ক জনোৱা অনুসৰি বৰপেটা জিলাৰ সৰ্থেবাৰী আৰক্ষী থানা এলেকাৰ ভোগদিয়া গাঁৱৰ জাহাংগীৰ আলীৰ দুবছৰীয়া কন্যা জন্নত পাৰবীনৰ প্ৰচণ্ড জ্বৰ হৈ থকা বাবে বৰপেটাৰ ফখৰউদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ মাতৃ ফৰিদা খাতুনৰ সৈতে প্ৰেৰণ কৰে।

# সামাজিক দূৰত্ব উলংঘাৰে ডিব্ৰুগড়ত ঈদৰ বজাৰত ভিৰ

জিলাৰ বাতৰি দিওঁতা

**ডিব্ৰুগড়, ২৩ মে' ঃ** ডিব্ৰুগড়ৰ বাণীপুৰ ৰেল ষ্টেচনলৈ দৈনিক ৰেলযোগে আগমন ঘটিছে বহিঃৰাজ্যত আবদ্ধ হৈ থকা কেইবাশ লোকৰ। এই লোকসকলক ৰেল ষ্টেচনত স্ক্ৰীণিং কৰাৰ অন্তত জিলা প্ৰশাসনে কোৱাৰেণ্টাইন কৰাৰ ব্যৱস্থা কৰাৰ লগতে স্বোৱাব সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। আনহাতে, যিসকল ৰেলযাত্ৰীৰ শৰীৰত জ্বৰ, কাহ, পানীলগা আদিৰ লক্ষণ আছে তেওঁলোকক কোৱাৰেণ্টাইনৰ বাবে পোনে পোনে জকাই আদৰ্শ চিকিৎসালয়লৈ প্ৰেৰণ কৰিছে। ডিব্ৰুগড় চহৰৰ মাজমজিয়াৰ মাৰোৱাৰীপট্টীত অৱস্থিত হোটেল দেৱীকাত কোৱাৰেণ্টাইন হৈ থকা চেন্নাইৰপৰা ঘূৰি অহা ডিব্ৰুগড় জিলাৰ লেজাইৰ এজন যুৱক কোভিড-১৯ ত আক্ৰান্ত হোৱাটো নিশ্চিত হোৱাৰ পিছতে স্বাভাৱিকতে সমগ্ৰ চহৰখনত এক আতংকময় পৰিৱেশৰ সৃষ্টি হৈছে। কোভিড আক্ৰান্ত যুৱকজনকে ধৰি উজনিৰ কেইবাখনো জিলাৰ ক'ৰ'না আক্ৰান্ত ব্যক্তিৰ সম্প্ৰতি অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসা অব্যাহত আছে। ইপিনে, চহৰখনৰ যিবোৰ হোটেলত বহিঃৰাজ্যৰপৰা অহা লোকসকলক কোৱাৰেণ্টাইন কৰি ৰখা হৈছে, সেই হোটেলবোৰৰ কৰ্মচাৰীসকলৰো সংক্ৰমণৰ আশংকা ব্যক্ত কৰিছে সচেতন মহলে। এই ক্ষেত্ৰত জিলা স্বাস্থ্য বিভাগক বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাইজে আহ্বান জনাইছে। আজি ডিব্ৰুগড়লৈ অহা বিশেষ ৰেলখনত ডিব্ৰুগড় জিলাৰ ২৮, ধেমাজি জিলাৰ ৫, শিৱসাগৰ জিলাৰ ২, লখিমপুৰ জিলাৰ ২ আৰু তিনিচুকীয়া জিলাৰ ৪৬ গৰাকী যাত্ৰী আছিল। কেন্দ্ৰীয় চৰকাৰে সমগ্ৰ দেশতে লক্‌ডাউন শিথিল কৰি দিয়াৰ পৰিপ্ৰেক্ষিতত বজাৰ খুলিছে যদিও আগন্তুক ঈদক কেন্দ্ৰ কৰি ডিব্ৰুগড়ৰ বজাৰত সামাজিক দূৰত্ব অবিহনে লোকসকল বজাৰলৈ ওলাই অহাত সমগ্ৰ চহৰখনত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। সামাজিক দূৰত্ব ৰক্ষা নকৰাকৈ গ্ৰাহকক বস্তু বিক্ৰী কৰাৰ বাবে আজি চহৰখনৰ কেইবাখনো ব্যৱসায়িক প্ৰতিষ্ঠান আৰক্ষীয়ে বন্ধ কৰি দিয়ে।

# আত্মসমৰ্পণৰ পথত ডি এন এল এৰ পাঁচজনীয়া দল

নিজা বাতৰি দিওঁতা

**বকলীয়াঘাট, ২৩ মে' ঃ** ডিমাছা সশস্ত্ৰ সংগঠন ডিমাছা নেচনেল লিবাৰেচন আৰ্মী (ডি এন এল এ)ৰ এটা পাচঁজনীয়া দলে আত্মসমৰ্পণৰ বাবে আৰক্ষীৰ কাষ চপা বুলি বিশেষ সূত্ৰে জানিব পৰা গৈছে। আত্মসমৰ্পণৰ বাবে আগ্ৰহ প্ৰকাশ কৰা উগ্ৰপন্থী সদস্যকেইজনৰ হাতত এ কে ছিৰিজৰ কেইবাটাও মাৰাত্মক অস্ত্ৰ থকা বুলিও জানিব পৰা গৈছে। আত্মসমৰ্পণৰ বাবে আৰক্ষীৰ সংস্পৰ্শলৈ অহা উগ্ৰপন্থী দলটোৱে অসম-নগালেণ্ড সীমাৱৰ্তী খটখটী আৰক্ষীৰ আশ্ৰয়ত থকা বুলি সূত্ৰটোৱে লগতে সদৰি কৰিছে। শেহতীয়াকৈ উগ্ৰপন্থী সংগঠনটোৰ বিৰুদ্ধেও কঠোৰ দমন নীতি অব্যাহত ৰাখিছে আৰক্ষী আৰু নিৰাপত্তাৰক্ষীয়ে। সংগঠনটোৰ ভালেকেইজন কেডাৰ আৰক্ষীৰ জালত পৰাৰ লগতে সংগঠনটোৰ ভাৰপ্ৰাপ্ত মুখ্য সৈন্যাধ্যক্ষ অলপতে নিৰাপত্তাৰক্ষীৰে হোৱা সংঘৰ্ষত নিহত হৈছিল। ইয়াৰ পূৰ্বে সংগঠনটোৰ মুখ্য সৈন্যাধ্যক্ষকো আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল।

# সময়ত সম্পূৰ্ণ নহয় নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ কাম

## নিৰ্মাণৰ বুজ ল'লে জিলা উপায়ুক্তই

জিলাৰ বাতৰি দিওঁতা

**নলবাৰী, ২৩ মে' ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ দক্ষিণগাঁৱত নলবাৰী চিকিৎসা মহাবিদ্যালয়ৰ কাম পূৰ্ণগতিত চলাই থকা হৈছে যদিও নিৰ্দ্ধাৰিত সময়ত চিকিৎসা মহাবিদ্যালয়খনৰ কাম সম্পূৰ্ণ হৈ উঠাৰ সম্ভাৱনা অতি ক্ষীণ। বৰ্তমানৰ অব্যাহত থকা ক'ৰ'না ভাইৰাছৰ প্ৰকোপৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ বন্ধ থকাৰ লগতে কিছু আনুসংগিক কাৰণত কাম সম্পূৰ্ণ হোৱাত বিলম্ব হ'ব। বিভাগীয় নিৰ্দেশ মৰ্মে নলবাৰী চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ অহা বছৰ ফেব্ৰুৱাৰীতে সম্পূৰ্ণ কৰি উলিয়াব লাগিছিল যদিও নিৰ্মাণৰ দায়িত্বত থকা গৌতম কনষ্ট্ৰাকচনৰ বিষয়ববীয়াই প্ৰকাশ কৰা মতে চিকিৎসা মহাবিদ্যালয়খনৰ কাম নিৰ্দ্ধাৰিত সময়ত সম্পূৰ্ণ নহয়। প্ৰায় চাৰিশ কোটি টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰি থকা এই চিকিৎসা মহাবিদ্যালয়খনৰ কাম অহা বছৰ ফেব্ৰুৱাৰীৰ ভিতৰত সম্পূৰ্ণ কৰি তোলাৰ কথা আছিল যদিও কোভিড ১৯ৰ বাবে চিকিৎসা মহাবিদ্যালয়খনৰ কাম অহা বছৰৰ শেষৰ ফালেই সম্পূৰ্ণ হৈ উঠাৰ সম্ভাৱনা আছে। চিকিৎসা মহাবিদ্যালয়খনত ৰোগীৰ বাবে পাঁচশ বিচনাৰ লগতে এশ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰ সুবিধা লাভ কৰিব। নলবাৰী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱচৌধুৰীয়ে আজি চিকিৎসা মহাবিদ্যালয়খনৰ নিৰ্মাণ পৰিদৰ্শন কৰি বৰ্তমানৰ পৰিস্থিতিত যিমানি পাৰি কাম সম্পূৰ্ণ কৰি উলিয়াবলৈ আহ্বান জনায়। তেওঁ কয় যে এই চিকিৎসা মহাবিদ্যালয়খন সম্পূৰ্ণ হৈ উঠিলে নলবাৰী জিলাবাসীয়ে কোভিড-১০ৰ দৰে মাৰাত্মক ৰোগৰ বিৰুদ্ধে যুঁজ কৰাত সাহস লাভ কৰিব। নলবাৰী জিলাৰ লগতে ওচৰ পাজৰৰ লোকসকলেও এই চিকিৎসা মহাবিদ্যালয়খনৰপৰা লাভৱান হ'ব পাৰিব। তেওঁ তাত কৰ্মৰত নিৰ্মাণ প্ৰতিষ্ঠানটোৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতো এক বৈঠকত মিলিত হয়। উপায়ুক্তগৰাকীয়ে জানিবলৈ দিয়া মতে ইতিমধ্যে চিকিৎসা মহাবিদ্যালয়খনৰ প্ৰায় ৩৫ শতাংশ কাম সম্পূৰ্ণ হৈছে। তদুপৰি তেওঁ চিকিৎসা মহাবিদ্যালয়খনৰ চৌহদৰ উত্তৰ আৰু দক্ষিণ ফালৰ বন্ধ পানীৰ সমস্যাৰ ক্ষেত্ৰত নলাৰ ব্যৱস্থা কৰিব পাৰি নেকি সেই সম্পৰ্কত তাত উপস্থিত থকা গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিযন্তা মৃদুল দাস আৰু ইয়াত জড়িত অভিযন্তাসকলৰ লগত আলোচনা কৰে। এই চৌহদৰ উত্তৰ দিশত নিৰ্মাণ কৰিব লগা 'পাইপ কালভাৰ্ট ক্ৰছ ড্ৰেইনেজ' পদ্ধতি আদি সম্পৰ্কতো নিৰীক্ষণ কৰে। এই সন্দৰ্ভত কিবা বিকল্প ব্যৱস্থা ল'ব পাৰি নেকি সেই বিষয়ে চিন্তা-চৰ্চা কৰিবলৈ উপায়ুক্ত চৌধুৰীয়ে কাৰ্যবাহী অভিযন্তাক নিৰ্দেশ দিয়ে। তেওঁ স্থানীয় লোকৰ লগতো পানী জমা হোৱা বিষয়ত আলোচনা কৰিব বুলি নিশ্চয়তা প্ৰদান কৰে। উল্লেখযোগ্য যে বৰ্তমান ৩৫০ গৰাকী শ্ৰমিক নলবাৰী চিকিৎসা মহাবিদ্যালয় হাস্পতাল নিৰ্মাণৰ কামতো নিয়োজিত হৈ আছে।



সন্তানহীনতা? হতাশগ্ৰস্ততা

আপুনি যেতিয়াই বিচাৰে সন্তান লাভ

আই ভি এফ, আই চি এছ আই, আই ইউ আই

সকলোধৰণৰ সন্তানহীন সমস্যাৰ বাবে অনুগ্ৰহ কৰি যোগাযোগ কৰক

ফেমিলি ক্লিনিক

ডাঃ কৱিতা মান্ত্ৰি

সন্তানহীনতাৰ বিশেষজ্ঞ

(স্বৰ্ণপদক প্ৰাপ্ত)

এম ডি (প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ) (কলকাতা), এম আৰ চি অ' জি-১ (লণ্ডন), ডি এন বি

মেট্ৰ' হাইট, ৩য় মহলা, ডনবস্ক' মোৰ, শিলিগুড়ি

৮৩৭২৮০১৫৭০/৯৮০০৯৮৩৭৯০

০৩৫৩-২৫৪৫৫৪৪

দৈনিক অসম

১০ জেঠ, দেওবাৰ, ১৯৪২ শক

## ক'লা সোণৰ লালসা




কেন্দ্ৰীয় চৰকাৰখনৰ হৈছে কি! মাজে মাজে খেলিমেলি লাগি যায় দেখোন! মানে দিহিং-পাটকাইৰ দৰে বিৰল বৰ্ষাৰণ্য, যাক বিশ্বৰ প্ৰকৃতিপ্ৰেমীসকলেই ক্ষুদ্ৰ আমাজন বুলি গণ্য কৰে, সেইহেন দুৰ্মূল্য সেউজ সম্ভাৰকো ধাহিমুহি যে মাটিৰ অনেক তলৰ কয়লা লুটাৰো লালসা সামৰিব নোৱাৰে, এইটো কোলাৰটোক এৰি বোকোচাৰটোক বেছি চেনেহ দেখুওৱাৰ দৰেই হোৱা নাইনে বাৰু? তাতে অসমৰ কয়লা, যিখিনি নিউ টাৰছিয়াৰি ফৰমেশ্বনৰ অন্তৰ্গত আৰু য'ত আনকি গ'ণ্ডৱানা ফৰমেশ্বনৰ কয়লাতকৈ ছালফাৰ অধিক হোৱা বাবে তাৰ চাহিদাও অতি কম, সেইখিনিক লৈও কেন্দ্ৰই লোভত জিভা উলিয়াই থকাটো আশ্চৰ্যজনকেই। কিন্তু ৰাজনীতিক-আমোলা আৰু অসৎ কয়লা মাফিয়াই ক'লা সোণৰ মোহ এৰিব নোৱৰাৰ কাৰণেই মূলতঃ দিহিং পাটকাইৰ দৰে ঘনঘোৰ বৰ্ষাৰণ্যৰ দুৰ্মূল্য প্ৰাকৃতিক আৰু জৈৱ সম্পদৰ চিন-মোকাম নাইকিয়া কৰি হ'লেও কয়লা খনন কৰিবলৈ ঊৰ্দ্ধশ্বাসে থিয় জাঁপ মাৰিব লাগিছে। এতিয়া পৃথিৱীজুৰি কোভিড-১৯ অতিমাৰীৰ অপ্ৰতিৰোধ্য মহাসংহাৰৰ কালত মানৱ সভ্যতাৰ সূচনা-কালৰ পৰাই প্ৰকৃতি আৰু জীৱ জগতৰ ওপৰত যুগ যুগ ধৰি মানুহে সাধি অহা ধ্বংসলীলাৰ পৰিণতিয়েই আজিৰ এই নৰক-বাস আৰু মহা-সংহাৰৰ গুৰিতে বুলি মানৱ জাতি অনুশোচনাত দগ্ধ হৈছে আৰু ভৱিষ্যতে অধিক ধ্বংসলীলা সধাৰ ক্ষেত্ৰত লেকাম ধৰিবলৈ প্ৰতিজ্ঞাবদ্ধ হৈছে। কিন্তু সেই সময়তো ভাৰত বা অসম চৰকাৰে দিহিং পাটকাইৰ দৰে বৰ্ষাৰণ্য তহিলং কৰি তাৰ অতল গৰ্ভৰ পৰা ক'লা সোণ উলিয়াবলৈ মন কৰি থকা দেখি এইবোৰ কিবা ভঙুৱাই কৰা চিন্তাৰ দৰেহে লাগিছে। কোভিড-১৯ তো বাদেই, আজি কিছুদিনৰ আগেয়ে পৃথিৱীৰ ভিতৰতে বিশাল আমাজন বৰ্ষাৰণ্যৰ এছোৱা জ্বলি ছাৰখাৰ হোৱাৰ পৰতো সমগ্ৰ বিশ্বজুৰি পৰিৱেশ ৰক্ষা আৰু আনকি বিশেষকৈ আমাজনৰ দৰে পৃথিৱীৰ সমূহ বৰ্ষাৰণ্যৰ সুৰক্ষা নিশ্চিত কৰাৰ হকে জনমত গঢ়ি উঠিছিল আৰু বিভিন্ন দেশৰ চৰকাৰসমূহে এনে জনমত কাৰ্যকৰী কৰিবলৈ সংকল্পবদ্ধও হৈছিল। কিন্তু আমাৰ দেশৰ গৰিষ্ঠসংখ্যক নামত শিক্ষিত ৰাজনীতিকে এইবোৰৰ ভূ-ভা কিমান ৰাখে সন্দেহ আছে আৰু সম্ভৱতঃ এনে কাৰণতে ক'লা সোণৰ লালসা সামৰিব নোৱাৰি দুৰ্মূল্য পৰিৱেশ তন্ত্ৰৰ চানেকি দিহিং পাটকাইৰ দৰে ঘনঘোৰ বৰ্ষাৰণ্য ধ্বংস কৰি হ'লেও মাটিৰ তলৰ ক'লা সোণ উলিয়াই নামত দেশৰ কিন্তু মূলতঃ আপোন ধনভঁৰাল শকত কৰিবলৈ এনেকুৱা বিস্ময়কৰ সিদ্ধান্তত হয়ভৰ দিছে।

ভাৰতবৰ্ষৰ অৰ্থনীতিৰ অৱস্থা কি ক'ৰ'নাৰ ভয়ত দেশখনে থৰকাছুটি হেৰুওৱাৰ পৰতেই ৰাইজে উমান পালে? ইমানদিনে বাৰ্ষিক উন্নতিৰ হাৰ অমুক, জি ডি পিৰ হাৰ অমুক, দুহেজাৰ ইমান চনলৈ ভাৰতে চীনৰ অৰ্থনীতিকো চেৰ পেলাই সমগ্ৰ বিশ্বৰে অন্যতম শ্ৰেষ্ঠ অৰ্থনৈতিক শক্তি হ'ব বুলি ৰাইজক কিমান যে আভুৱা ভাঁৰিলে। পিছে ক'ৰ'না আহি দেশত সোমোৱাৰ পিছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰধানমন্ত্ৰী সাহায্য পুঁজি নতুনকৈ গঠন কৰি প্ৰদেশবোৰৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে একেলগ হৈ 'মিলে সুৰ মিলে হামাৰা' গাই ৰাইজৰ ধনভিক্ষা কৰি উচ্চগ্ৰামত কোৰাছ গাবলৈ লাগিল। আজি ভাৰতৰ অৱস্থা এনে হৈছে যে এচাম ক'ৰ্পৰেট গ্ৰুপৰ নানা ছল-চক্ৰান্তত ভৰি দি চৰকাৰে তেওঁলোকক সীমাহীন সম্পদ আহৰণৰ সুচলতা গঢ়ি দিয়াৰ বাদে দেশৰ অৰ্থনৈতিক বুনিয়াদৰ মূল ভেটি কৃষি অৰ্থনীতিৰ সৰ্বব্যাপী আৰু ত্বৰান্বিত বিকাশৰ হকে বিশেষ প্ৰচেষ্টা হাতত ল'ব নোৱৰাৰ লগতে ঔদ্যোগিক বিকাশকো সৰ্বাত্মক কৰি তোলাত সমূলি ব্যৰ্থ হৈছে। ভাৰতত ঔদ্যোগিক বিকাশ দেশৰ বিভিন্ন কেঁচামাল-সুলভ কেইখনমান ৰাজ্যৰ বাদে আন অপৰম্পৰাগত কেঁচামালেৰে সমৃদ্ধ ৰাজ্যসমূহতো কেনেকৈ সাধিব পাৰি, সেই লৈ কেন্দ্ৰই আজিকোপতি একো অভিনৱ প্ৰয়াস ল'ব পৰা নাই। আনকি বতৰ-নিৰ্ভৰ কৃষি প্ৰণালীকো প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰিব পৰাকৈ বিজ্ঞানসন্মত ব্যৱস্থাৰে সকাহ দিয়াৰ কোনো ব্যৱস্থাও চৰকাৰে গঢ় দিব পৰা নাই। এনে কাৰণতে দেশৰ অনেক ৰাজ্যতে বহুসময়ত কৃষকসকল অভাৱনীয় বিপদৰ সন্মুখীন হৈ পাইকাৰী হাৰত আত্মহননৰ পথো ল'বলগীয়াও হয়। মোডী চৰকাৰ প্ৰথমবাৰ আহিয়েই 'মেক ইন ইণ্ডিয়া' আৰু 'স্কিল ইণ্ডিয়া'ৰ দৰে কেৱল শ্ৰুতিমধুৰেই নহয়, বৰঞ্চ অতি প্ৰয়োজনীয় কেতবোৰ আঁচনিৰ কথাও ঘোষণা কৰিছিল যদিও এইবোৰ চব গালো বালো খোলাকটিৰ তাল যেন হ'ল। এতিয়া কোভিড-১৯ৰ সংহাৰৰ পিছত বিশ্বজুৰি চীনৰ সামগ্ৰীৰ প্ৰতি সংশয় আৰু বিৰূপ ভাবৰ জন্ম লোৱাৰ সুবিধা লৈ ভাৰতে চীনৰ পৰা অপসাৰিত হ'ব খোজা উদ্যোগসমূহক হাত বাউল দি মাতিছেহে মাতিছে, পিছে মোডী ডাঙৰীয়াৰ মূৰত এইটো কথা নিশ্চয় খেলোৱা নাই যে প্ৰধানকৈ উচ্চ প্ৰযুক্তিগত উদ্যোগত কাম কৰিবলৈ আজিও পৰ্যাপ্ত কৰ্মীবাহিনীয়েই ভাৰতত নাই। এই অভাৱ 'স্কিল ইণ্ডিয়া'ৰ সফল ৰূপায়ণে মাৰিব পাৰিলেহেঁতেন বা বহুসংখ্যক উদ্যোগৰ আগমনৰ কালতো কৰ্মীবাহিনীক লৈ উদ্বিগ্ন হ'বলগীয়া নহ'লহেঁতেন। এই 'স্কিল ইণ্ডিয়া' আঁচনিৰ ব্যৰ্থতাৰ বাবেই কোনোধৰণৰ উদ্যোগীকৰণ নোহোৱা ৰাজ্য অসমৰ প্ৰায় বাৰ-তেৰ লাখ ডেকা ল'ৰাই যে বহিঃৰাজ্যলৈ কৰ্মসংস্থানৰ সন্ধানত যাবলগীয়া হৈছিল, সেই কথা ক'ৰ'নাৰ সংহাৰৰ কালতহে পোহৰলৈ আহিছে। কেৱল এই কেইটা কথাই ধাৰণা দিয়ে ভাৰতক সমৃদ্ধিশালী কৰিবলৈ দেশ-নিৰ্মাণ বা ৰাষ্ট্ৰিক সমৃদ্ধিশালী কৰি তুলিবলৈ চৰকাৰবোৰে ভাষণৰ সীমা অতিক্ৰম কৰি আগবাঢ়িবই পৰা নাই আৰু সেয়ে মাটিৰ তলৰ ক'লা সোণ, পনীয়া সোণ বা মূলতঃ পৃথিৱীৰ ভূ-ভাগৰ পৰা অনায়াসে আহৰণযোগ্য সম্পদতে বজ্ৰলেপ দি লাগি ৰৈছে। কোৱা বাহুল্য এনে কাৰণতেই ভাৰত চৰকাৰে দেশৰ ভিতৰত কেৱল ০.০০১২৮ শতাংশ কয়লাহে বছৰি উৎপাদন কৰা পূৰ্বোত্তৰৰ কয়লাখিনিৰ ওপৰতো শেনচকু দিবলৈ এৰা নাই।

## উবাচ




● চৰকাৰৰ পেকেজ মাত্ৰ ১.৮৬ লাখ কোটি টকাৰহে।
**— জ্যেষ্ঠ কংগ্ৰেছ নেতা পি চিদাম্বৰম**



● বিধায়ক সম্পৰ্কত সমষ্টিবাসীৰ মতামত লোৱা হ'ব।
**— বিজেপিৰ ৰাজ্যিক সভাপতি ৰঞ্জিৎ দাস**



● ৰাজ্যত এতিয়াও সামাজিক সংক্ৰমণ হোৱা নাই।
**— স্বাস্থ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা**



● দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰী সাৰি নাযাব।
**— কৃষিমন্ত্ৰী অতুল বৰা**



● দৰিদ্ৰৰ প্ৰতি চৰকাৰৰ আচৰণ হৃদয় বিদাৰক।
**— কংগ্ৰেছ সভানেত্ৰী ছ'নিয়া গান্ধী**

## সময়ৰ শৰ



ঘূৰ্ণী বিধ্বস্ত পশ্চিমবংগলৈ কেন্দ্ৰীয় চৰকাৰৰ এহেজাৰ কোটি টকাৰ সাহায্য।

**আমাৰ এইফালেহে ৰাইজ বানত টেঁটুলৈকে বুৰি থাকিলেও উভতিকে নাচায়!**

❖ ❖ ❖ ❖

ৰাজ্যত একেদিনাই ৪৯জন কোভিড-১৯ পজিটিভ চিহ্নিত।

**মানুহ বাঢ়ি অহাৰ লগে লগে কোৱাৰেণ্টাইন চেণ্টাৰত কাজু বাদাম, ষ্ট্ৰবেৰীও নাইকিয়া হ'ল!**

❖ ❖ ❖ ❖

বহিঃৰাজ্যৰপৰা স্বগৃহমুখী শ্ৰমিকক এনৰেগাত নিয়োজিত কৰাৰ লক্ষ্য।

**আকৌ এটা জবকাৰ্ড কেলেংকাৰীৰ আগজাননী নহয়তো!**



❖ ❖ ❖ ❖

দেশত চিকিৎসাধীন ক'ৰ'না ৰোগীৰ ৮০ শতাংশই পাঁচখন ৰাজ্যৰ।

**বাকীবোৰৰ অৱস্থা উলূৰ লগত বগৰী পোৱাৰ লেখীয়া হৈছে!**

❖ ❖ ❖ ❖

আৰ্টফেডত দুখীয়া শিপিনী বঞ্চিত হোৱাৰ তথ্য উন্মোচন।

**ধৈৰ্য ধৰক— চহকীসকলক সা-সুবিধাবোৰ দি আজৰি হোৱাৰ পিছত কিবা বাকী থাকিলে দুখীয়াকো দিয়া হ'ব!**

❖ ❖ ❖ ❖

তেজপুৰত লকডাউনৰ মাজতে দান-বৰঙণি তুলি মথাউৰি নিৰ্মাণত ব্যস্ত ৰাইজ।

**চৰকাৰলৈ আশা পালি থাকিলে ঘৰে-মানুহে উটিব লাগিব বুলি ৰাইজে গম পাই গৈছে!**

**আজিৰ শব্দ** — **সদ্‌গতি ঃ সুব্যৱস্থা; ভৱিষ্যতৰ সংস্থান; আত্মাৰ মুক্তি**

# টিৰাপ সীমান্তৰ ধূলি আৰু ধোঁৱা

■ পুলিন কলিতা

ভূপেন হাজৰিকাই গাইছিল— 'টিৰাপ সীমান্ত, ৰূপৰ নাই অন্ত।' গানটো তেওঁ ১৯৬৩-৬৫ চনমানত লিখিছিল। সেই সময়ত টিৰাপ সীমান্তৰ সৌন্দৰ্যৰ শেষ সঁচাকৈয়ে নাছিল। নীলা পানীৰ নদী, নীলাভ-সেউজ পাহাৰ আৰু বিচিত্ৰ সংস্কৃতি-সমৃদ্ধ জনজাতীয় জীৱন ঃ টিৰাপৰ অন্ত নাইকিয়া ৰূপৰ এইবোৰ একো একোটা উপাদান। চিৰ নতুন। ক্ষয়হীন।

কিন্তু মঙহেইতো হৰিণাৰ শত্ৰু। টিৰাপে সংগোপনে হাজাৰ হাজাৰ বছৰ সাঁচি থোৱা কিছু সম্পদ ইয়াৰ শত্ৰু হৈ পৰিছিল। ভৌতিক সম্পদ আৰু পাৰ্থিৱ সৌন্দৰ্যৰ যি ক্ষয়ংকৰী প্ৰতিযোগিতা উদ্যোগ-সভ্যতাই এদিন জন্ম দিছিল, সেই প্ৰতিযোগিতাত প্ৰথমটোৱেই এতিয়ালৈ বিজয়ী হৈ আহিছে। টিৰাপৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহ'ল। টিৰাপৰ বুকুত সঞ্চিত ভৌতিক সম্পদ আহৰণ কৰিবলৈ প্ৰথমে আহিল বৃটিছসকল। বৃটিছ এদিন গ'ল, কিন্তু বৃটিছৰ উত্তৰাধিকাৰ সূত্ৰে এই সম্পদৰ কৰ্তৃত্ব লাভ কৰা ভাৰত ৰাষ্ট্ৰই ইয়াৰ সম্পদৰ আহৰণ অক্ষুণ্ণ ৰাখিলে। আহৰণে মানুহৰ লোভত পৰি লুণ্ঠনৰ পৰ্যায় পালে। ফলত টিৰাপৰ নীলা নদীবোৰ, নীলাভ সেউজ পাহাৰবোৰ হেৰাই গ'ল; এতিয়া নিজক নিজৰ মাটিত ধৰি ৰাখিবলৈ এখন কঠিন যুঁজ চলাই আছে জনজাতীয়সকলে। পৰম্পৰাগতভাৱেই টিৰাপত বসবাস কৰি আহিছে চিংফৌ, নক্টে, খামতি, খাময়াং, টাইফাকে, মটক-মৰাণ আৰু আহোমসকলে। এটা সময়ত ইয়ালৈ আহিছিল নেপালী আৰু কৈৱৰ্তসকল; ইয়ালৈ অনা হৈছিল আদিবাসী বা চাহ জনজাতিসকলক।

**দিহিং পাটকাই**

পাটকাই পৰ্বত অসম বুৰঞ্জীৰে অতি বেছি সম্পৰ্কযুক্ত ভূ-অৱয়ব। এই পাটকাই পাৰ হৈয়ে চীন, ব্ৰহ্মদেশ, থাইলেণ্ড আনকি মংগোলীয়াৰপৰা প্ৰব্ৰজন হৈছিল, যিসকলে 'অসমীয়া জাতি'ৰ ভেটিটো গঢ়িছে। অসমৰ জলবায়ু নাতিশীতোষ্ণ কৰি ৰখাত, ব্ৰহ্মপুত্ৰখন বৈ থকাত এই পাটকাইৰ আছে বিশেষ ভৌগোলিক ভূমিকা। এই ঠাইত পাটকাই পৰ্বত নাথাকিলে অসমৰ জলবায়ু এনেকুৱা নহ'লহেঁতেন। ক'ব পাৰি, পাটকাইৰ অস্তিত্বৰ সৈতে জড়িত আছে অসম নামৰ ভূখণ্ড, ইয়াৰ জলবায়ুৰ, ইয়াৰ অধিবাসীৰো অস্তিত্ব। কেৱল অসমেই নহয়, চুবুৰীয়া অৰুণাচল প্ৰদেশ, নগালেণ্ড, মণিপুৰৰো অস্তিত্ব পাটকাইৰ সৈতে অংগাংগীভাৱে জড়িত।

দিহিং পাটকাই এটা অৰ্বাচীন অভিধা। পাটকাইৰ ভৌগোলিক, নৃতাত্ত্বিক আৰু সাংস্কৃতিক অস্তিত্বৰ উজ্জীৱনৰ উদ্দেশ্যে ২০০২ চনত পতা এটা উৎসৱৰ নামানুসাৰে 'দিহিং পাটকাই' অভিধাৰ আৱিৰ্ভাৱ; দিহিং পাটকাই অভয়াৰণ্য আৰু একে নামৰ এখন প্ৰস্তাৱিত ৰাষ্ট্ৰীয় উদ্যানৰ নামৰ আৰম্ভণিও সেয়ে। দিহিং নৈখন আৰু পাটকাইৰ সম্পৰ্ক অসমীয়া মানুহৰ তেজৰ সৈতে থকা বাবেই দিহিং পাটকাই নামটো ইমান আপোন, ইমান চিনাকি। প্ৰকৃততে দিহিং পাটকাই অভয়াৰণ্যখন (১১১ বৰ্গকিলোমিটাৰ) ভৌগোলিক দিহিং পাটকাই (তিনিচুকীয়া, ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ ৫৭৫বৰ্গকিলোমিটাৰ)ৰ এটা ক্ষুদ্ৰ অংশ। দিহিং পাটকাই হস্তী প্ৰকল্পৰো এটা অংশ দিহিং পাটকাই অভয়াৰণ্য আৰু এই হস্তী প্ৰকল্পটো ডিব্ৰু-দেওমালী হস্তী প্ৰকল্পৰে সংলগ্ন।

**ক'লা হীৰা-পনীয়া সোণ**

সমগ্ৰ দিহিং পাটকাই বৰ্ষাৰণ্য অঞ্চলটো উদ্যোগ-সভ্যতাৰ মূল শক্তিৰ আধাৰ ক'লা হীৰা আৰু পনীয়া সোণৰ ভঁৰাল। এই দুয়োবিধ সম্পদৰ আহৰণৰ কাম ইয়াত আৰম্ভ কৰিছিল বৃটিছে। ঘাইকৈ এই দুবিধ সম্পদৰ বাবেই অঞ্চলটোৰ 'আধুনিকীকৰণ'ৰ অৰ্থাৎ ৰেলপথ-জাহাজ পথৰ কাম কৰিছিল বৃটিছে। এইখন বৰ্ষাৰণ্যকে ভাঙি-ছিঙি চাহ বাগিচা পাতিছিল বৃটিছে। বৰ্ষাৰণ্যবোৰ প্ৰকৃতিৰ সম্পদৰ স্বাভাৱিক ভঁৰাল। উদ্যোগ-সভ্যতাক বৰ্ষাৰণ্যই বহু মূল্যবান কাঠ আৰু বনৌষধি দিছে। দিহিং পাটকাই বৰ্ষাৰণ্যয়ো দিছে। চাহগছ এই বৰ্ষাৰণ্যৰে এটা স্বাভাৱিক উপাদান। চাহৰ বাণিজ্যিকীকৰণৰ বেদীত এই সুবৃহৎ বৰ্ষাৰণ্যখনৰ অন্যান্য উদ্ভিদ তথা প্ৰাণীয়ে নিজকে বলি দিবলৈ বাধ্য হৈছিল। অৱশিষ্ট বৰ্ষাৰণ্যৰ মাটিত পোত খাই থকা ক'লা হীৰা আৰু পনীয়া সোণ লুণ্ঠনৰ শেহতীয়াটো উদাহৰণ চালেকী বনাঞ্চলত কয়লাৰ মুক্ত খননত কেন্দ্ৰৰ অনুমোদন।

**পৰাগ চলিহাৰ প্ৰশ্নটো**

সাংসদ পৰাগধৰ চলিহাই তেতিয়াৰ পৰিৱেশ আৰু বনমন্ত্ৰীক সংসদত জবাবদিহি কৰিছিল টিৰাপ সীমান্তৰ মুক্ত খননৰ বিষয়ে। সেয়া ১৯৮৯ চনৰ কথা। তেওঁ মন্ত্ৰীক জনাইছিল যে কয়লাৰ মুক্ত খননে টিৰাপ সীমান্তৰ সাধাৰণ পৰিৱেশ বিনষ্ট কৰিছে আৰু লগতে ইয়াত শ শ বছৰ ধৰি বসবাস কৰি থকা জনজাতীয় লোকসকলৰ জীৱন, সম্পত্তি আৰু সংস্কৃতিলৈ ভাবুকি আনিছে। মন্ত্ৰীগৰাকীয়ে বিষয়টোৰ তদন্ত কৰি ক্ষতিকৰ প্ৰমাণিত হ'লে মুক্ত খনন বন্ধ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। তাৰ পিছত দিহিং নদীয়েদি বহু পানী বৈ গ'ল, মুক্ত খনন বন্ধতো নহ'লেই, বৰং ই ব্যাপকহে হ'ল। এসময়ত ক'ল ইণ্ডিয়াই নিয়ন্ত্ৰিতভাৱে খনন চলাইছিল; পিছলৈ ইয়াত চোৰাং ব্যৱসায়ী সোমাল আৰু ৰাজনৈতিক ছত্ৰছায়া লাভ কৰি এই চক্ৰটোৱে টিৰাপ সীমান্তৰ আকাশ ধুঁৱলী-কুঁৱলী কৰি দিলে। অথচ, আশ্চৰ্যকৰ বিষয়, টিৰাপ অঞ্চলত কয়লাৰ মুক্ত খনন আৰম্ভ কৰা হৈছিল ১৯৮৫ চনতহে। ভূগৰ্ভীয় খননতকৈ মুক্ত খনন অধিক নিৰাপদ আৰু উৎপাদনো বেছি— এই যুক্তিতে ১৯৮৫ চনত ইয়াৰ টিকক কলিয়েৰীত কয়লাৰ মুক্ত খনন 'পৰীক্ষামূলক'ভাৱে আৰম্ভ কৰা হৈছিল। সেই সম্পৰীক্ষাৰ শেষ নহ'ল; বিনিময়ত টিৰাপে হেৰুৱালে সৌন্দৰ্য, টিৰাপৰ থলুৱা বাসিন্দাই হেৰুৱালে নিজৰ অস্তিত্ব।

**দিহিং পাটকাই বনাম চালেকী বিতৰ্ক**

> ***টিৰাপক, বা অলপ পৰিসৰটো ঠেককৈ ধৰিলে লিডু-মাৰ্ঘেৰিটাক বচোৱাৰ একমাত্ৰ উপায় অঞ্চলটোত মুক্ত খনন বন্ধ কৰা। সম্পদ আহৰণ হওক, লুণ্ঠন নহয়। লিডু-মাৰ্ঘেৰিটাৰ কয়লাৰ চোৰাং ব্যৱসায় বন্ধ কৰাৰো একমাত্ৰ উপায় মুক্ত খনন বন্ধ কৰা। ভূগৰ্ভীয় খননে পৰিৱেশকো সুৰক্ষা দিব, সাধাৰণ জনজীৱনৰ ছন্দও ৰক্ষা কৰিব, লগতে চোৰাং ব্যৱসায় বন্ধ হৈ চৰকাৰক ৰাজহো দিব। ৰাজহ সংকটত ভোগা চৰকাৰখনে এইকণ সাহস দেখুৱাব নোৱাৰিবনে?***

আনুষ্ঠানিকভাৱে (officially আৰু technically, দুয়ো অৰ্থতে) দিহিং পাটকাই আৰু চালেকী দুটা পৃথক প্ৰাকৃতিক খণ্ড। ইয়াৰে দিহিং পাটকাই এখন অভয়াৰণ্য আৰু চালেকী এখন প্ৰস্তাৱিত সংৰক্ষিত অৰণ্য। অৰ্থাৎ দিহিং পাটকায়ে অৰণ্য সুৰক্ষাৰ দ্বিতীয় সৰ্বাধিক আৰেষ্টনী লাভ কৰে, কিন্তু চালেকীয়ে আনুষ্ঠানিক ঘোষণাৰ বাবে বাট চাই আছে। সংৰক্ষিত বনাঞ্চল (Reserve Forest) সম্পৰ্কে আমাৰ সমাজত এটা ভুল ধাৰণা আছে। সাধাৰণ ধাৰণা হ'ল— সংৰক্ষিত বনাঞ্চলৰপৰা কোনো সম্পদ যেনে— কাঠ, বালি, শিল আহৰণ কৰিব নোৱাৰি। পিছে কথাটো তেনে নহয়। সংৰক্ষিত বনাঞ্চলবোৰ বন বিভাগৰ সম্পত্তি; যাক ভৱিষ্যতৰ প্ৰয়োজনত ব্যৱহাৰৰ বাবে সাঁচি থৈ দিয়া হৈছে। বেংকত ফিক্সড ডিপ'জিট কৰাৰ লেখীয়া। গৰাকীয়ে প্ৰয়োজন হ'লে, নিৰ্দিষ্ট নীতি-নিয়ম মানি, এই ভঁৰালৰ সম্পদ আহৰণ কৰিব পাৰে, ফিক্সড ডিপ'জিট ভঙাৰ লেখীয়াকৈ। চালেকীয়ে সেই মৰ্যাদাই পোৱা নাই।

চালেকী বনাঞ্চলত ২০০২-০৩ চনমানৰ পৰাই ক'ল ইণ্ডিয়াই কয়লাৰ মুক্ত খনন চলাই আছে। ক'ল ইণ্ডিয়াই মুক্ত খনন চলাই থকা এই বনাঞ্চলৰ মাটিকালি হ'ল ৫৭.২০ হেক্টৰ। একেখন বনাঞ্চলৰে ৪১.৩৯ হেক্টৰত মুক্ত খনন চলোৱা নাই। আনফালে, বনাঞ্চল খনৰ ব'মগাদা, চালেকী গাঁও, লালপাহাৰ, ৬ নং লিডু, ঝৰ্ণাবস্তি, বৰগোলাই আদি গাঁও এলেকাত বহু বছৰৰপৰাই চোৰাং কয়লা খনন চলি আছে। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডে ২০১৯ চনত গঠন কৰি দিয়া 'লেখাপানী মুক্ত খনন মাইনিং প্ৰজেক্ট' (Lekhapani open cast mining project)ৰ প্ৰতিবেদনত ৫৭.২০ হেক্টৰ বনাঞ্চলত মুক্ত খনন আৰু বাকী অংশত (পাহাৰৰ ঢালৰ সুৰক্ষাৰ যথোপযুক্ত ব্যৱস্থা ৰাখি) ভূগৰ্ভীয় খননৰ অনুমোদন দিয়া হৈছে। অৱশ্যে এই অনুমোদনৰ এটা পূৰ্বচৰ্ত আছে। সেয়া হ'ল অসমৰ বন বিভাগৰ অনুমতি। এতিয়া, কেন্দ্ৰীয় বন, পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তন দপ্তৰে যদি চালেকী বনাঞ্চলত মুক্ত খননত অনুমোদন জনাইছে, ইয়াৰ অৰ্থ অসমৰ বন বিভাগেও ইয়াত অনুমতি দিছে। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী ব'ৰ্ডৰ সভাখন অনুষ্ঠিত হৈছিল ৭ এপ্ৰিলত (২০২০)। বন্যপ্ৰাণী ব'ৰ্ডৰ প্ৰতিবেদনখন ২০১৯ চনৰ। অৰ্থাৎ ২০২০ চনৰ প্ৰথম তিনিটা মাহৰ কোনোবা এটা দিনত বন বিভাগে ইয়াত অনুমতি দিছিল। মুখ্যমন্ত্ৰীয়ে বনমন্ত্ৰীক প্ৰতিবেদন দিবলৈ যে দিছে, তেওঁৰ অজ্ঞাতে, বনমন্ত্ৰীয়ে নজনাকৈ, বিভাগীয় বিষয়াই ইমান গুৰুত্বপূৰ্ণ ফাইল এটাত চহী কৰিছিলনে?

প্ৰশ্নটো হ'ল, চালেকীত মুক্ত খনন হ'লে দিহিং পাটকাই অভয়াৰণ্যত ইয়াৰ প্ৰভাৱ পৰিবনে নপৰে। এটা উদাহৰণ ল'ব পাৰি বিষয়টো বুজিবৰ বাবে। সীমাই সীমাই লগা দুটা পৰিয়াল আছিল। ঘৰে-বস্তিয়ে তমস্কাৰ। ইয়াৰে এটা পৰিয়ালে নিজৰ মাটি-বস্তি উচ্ছেদ কৰি তাত এটা দ পুখুৰী খান্দিলে, কাষৰ বস্তিটোত প্ৰভাৱ পৰিব নে নপৰে? কাষৰ বস্তিৰ দুই-চাৰিজোপা গছ নিশ্চয় উভালি পৰিব। সীমাত গৰা খহিলে সিটো পৰিয়ালৰ ঘৰ-দুৱাৰৰো নিশ্চয় ক্ষতি হ'ব!

**সমাধান কি?**

টিৰাপক, বা অলপ পৰিসৰটো ঠেককৈ ধৰিলে লিডু-মাৰ্ঘেৰিটাক বচোৱাৰ একমাত্ৰ উপায় অঞ্চলটোত মুক্ত খনন বন্ধ কৰা। সম্পদ আহৰণ হওক, লুণ্ঠন নহয়। লিডু-মাৰ্ঘেৰিটাৰ কয়লাৰ চোৰাং ব্যৱসায় বন্ধ কৰাৰো একমাত্ৰ উপায় মুক্ত খনন বন্ধ কৰা। ভূগৰ্ভীয় খননে পৰিৱেশকো সুৰক্ষা দিব, সাধাৰণ জনজীৱনৰ ছন্দও ৰক্ষা কৰিব, লগতে চোৰাং ব্যৱসায় বন্ধ হৈ চৰকাৰক ৰাজহো দিব। ৰাজহ সংকটত ভোগা চৰকাৰখনে এইকণ সাহস দেখুৱাব নোৱাৰিবনে? অসম চৰকাৰে অনুমতি নিদিলে ইয়াত কয়লাৰ মুক্ত খনন হ'ব নোৱাৰে। পৰাগ চলিহাই ১৯৮৯ চনত কৰা প্ৰশ্নটো এতিয়া প্ৰদ্যুৎ বৰদলৈয়ে কৰক। লগতে 'অসমৰ স্বাৰ্থ ৰক্ষা কৰিব নোৱাৰিলে মোৰ মুখ্যমন্ত্ৰী হৈ থকাৰ কোনো অৰ্থ নাই' বুলি ঘোষণা কৰি থোৱা মুখ্যমন্ত্ৰী সোণোৱালো অলপ সক্ৰিয় হওক।

*(লেখকৰ ফোন ঃ ৮৬৩৮৪৫৮৭৪৮)*

# যোগ্য ভোগ্য বসুন্ধৰা

■ অমলেন্দু নাথ

বিগত দুমাহ ধৰি জীৱন ঘড়ীৰ গতি যেন স্তব্ধ হৈ পৰিছে। চৌদিশে মহামাৰী ক'ৰ'নাৰ সন্ত্ৰাস। কি টিভি, কি বাতৰি কাকত— খুলিলেই মাথোন একেই খবৰ। সমগ্ৰ বিশ্বজুৰি মৃত্যুৰ কিৰীলি। আমাৰ জীৱদ্দশাত এনেবোৰ ঘটনা ঘটিব বুলি ভাবিছিলোঁ জানো কাহানিবা?

পৃথিৱীৰ প্ৰায় প্ৰতিটো ধৰ্ম বা মতবাদতে এক সাদৃশ্য আছে। বাইবেল, আদিযামল আদিত (কোৰাণত আছে নে নাই, মই জ্ঞাত নহয়) এক মহাপ্ৰলয়ৰ কথা আছে। আদিশক্তিয়েও কৈছে, 'ময়েই আৰম্ভণি, ময়েই শেষ।' এই শেষৰ পিছতেই পুনৰ নতুনৰ আৰম্ভণি হয়। বিজ্ঞানেও কয় যে শক্তিৰ বিনাশ নহয়, হয় ৰূপান্তৰ। এই ৰূপান্তৰৰ মাজেদিয়ে পুৰণিৰ বিদায় আৰু নতুনৰ জন্ম হয়। বিশ্ব চৰাচৰত কোনো বস্তুৱে স্বৰূপাৰ্থত স্থায়ী বা অবিনশ্বৰ নহয়। অন্তই কৰিব পুনৰ আদিৰ সূচনা।

মূল কথালৈ আহোঁ। কিছুদিন হ'ল, কথাবোৰে মনৰ মাজত অগা-ডেৱা কৰিছে। কি হ'ব? এৰা, কি হ'ব অনাগত সময়ৰ বিধান? জীৱশ্ৰেষ্ঠ মানুহে কৰিব নোৱৰা কাম একো নাই যদিও অনেক সময়ত প্ৰকৃতিৰ ওচৰত আমি বহুত অসহায়। বিগত দুটা মাহে মানৱ-সৃষ্ট পৃথিৱীখন ক্ৰমশঃ মৰিশালি হৈ পৰিছে। মহাশক্তিধৰ ৰাষ্ট্ৰসমূহৰ মহাপ্ৰতাপৰ ধ্বজা যেন সুলকি পৰিছে মহামাৰীৰ বিধ্বংসী কৱলত। তাৰ মাজতো দেশে দেশে চলিছে গৱেষণা। বিশ্ববাসীয়ে আশাৰে বাট চাই আছে এটা ভাল খবৰলৈ। এই যেন উদ্ভাৱন হৈছে মহামাৰী বিনাশৰ ঔষধ বা প্ৰতিষেধক। অপেক্ষা। মাথোন অপেক্ষা। কিন্তু কিমান দিন? এমাহ? দুমাহ? ছমাহ? এবছৰ? দুই-পাঁচ-দহ বছৰ? কেনে হ'ব আমাৰ অনাগত দিনবোৰ, পাৰিবনে মানুহে প্ৰকৃতিৰ এক ক্ষুদ্ৰাতিক্ষুদ্ৰ অথচ কালান্তক এই ভাইৰাছক ৰোধ কৰিবলৈ?

যদি...! এৰা, যদি আমি হাৰি যাওঁ?

হেৰাই যাব নেকি আমাৰ সামাজিক জীৱনৰ মধুৰতাবোৰ? হেৰাই যাব নেকি বিয়া-সবাহ আদি সামাজিক অনুষ্ঠানৰ ভিৰবোৰ? হেৰাই যাব নেকি মন্দিৰ-মছজিদ-গীৰ্জা-গুৰুদ্বাৰ, বজাৰ-সমাৰ, মেলা, ৰেল-বাছ, শিক্ষানুষ্ঠান আৰু ৰাজহুৱা স্থানৰ জনসমাগমবোৰ? কি হ'ব চলচ্চিত্ৰ-সংগীত আৰু সৰু পৰ্দাৰ লগত জড়িত উদ্যোগসমূহৰ? অসমৰ পটভূমিত ভ্ৰাম্যমাণ নাট্য উদ্যোগৰ? কেনে হ'ব দেশ আৰু সমগ্ৰ বিশ্বৰ আৰ্থ-সামাজিক অৱস্থা? কেনে এখন পৃথিৱীত জীয়াই থাকিবলৈ যুঁজি যাব লাগিব আমি, য'ত মাথোঁ ভয় আৰু শংকা? পদে পদে মৃত্যুৰ পদাঘাত। যদি এনেকৈয়ে থাকিব লাগে আমি অনন্তকাললৈ? এইড্‌ছৰ দৰে বহুত মহামাৰীৰ আজিও কোনো স্থায়ী ঔষধ নাই। সেই ৰোগ-সমূহো ভয়ানক যদিও ক'ৰ'নাৰ দৰে সংক্ৰমণৰ ইমান বেছি ভয়াৱহতা নাই। তেনেহ'লে?

তাৰ পিছতো উত্তৰ আছে।

হয়। থাকিব এখন পৃথিৱী। থাকিব মানৱ জাতিৰ অৱশিষ্ট। সেই আদিম কালৰেপৰা মানুহে প্ৰকৃতিৰ লগত নিৰন্তৰ যুঁজিছে। জীয়াই থকাৰ যুঁজ— 'survival of the fittest — যোগ্য ভোগ্য বসুন্ধৰা। কালক্ৰমত এদিন মানুহ জয়ী হ'ব। মৰি মৰি জীয়াই থাকিব মানৱ জাতি। প্ৰকৃতিৰ লগত সহাৱস্থান কৰি মহামাৰী ভাইৰাছৰ বিৰুদ্ধেও হয়তো এদিন সেইচাম মানুহৰ দেহতে গঢ়ি উঠিব প্ৰতিৰোধৰ মহাশক্তি। সেইদিনাই পৰাজিত হ'ব মহামাৰী। বিজয়ী হ'ব মানৱ জাতি। সেইদিনা হয়তো আমি থাকিম বা নাথাকিম। কিন্তু থাকি যাব মানৱ সভ্যতাৰ বুৰঞ্জীত এই কথাবোৰ।

আশা কৰিছোঁ, তাৰ আগেয়েই উদ্ভাৱন হ'ব প্ৰতিকাৰৰ প্ৰতিষেধক বা ঔষধ। পুনৰ উভতি আহিব আমাৰ দৈনন্দিন জীৱনলৈ স্বাভাৱিক অৱস্থা। এয়াই কামনা।

[এই লেখা লিখি থকাৰ সময়তে সংবাদ মাধ্যমত পালোঁ যে ইজৰাইলৰ চৰকাৰে মহামাৰী ক'ৰ'নাক ৰোধ কৰিবলৈ 'এণ্টিব'ডী' উদ্ভাৱন কৰা বুলি দাবী কৰিছে। কথাবোৰ সঁচা হওক। পৃথিৱীৰ অসুখ ভাল হওক।]

*(লেখকৰ ফোন ঃ ৯৩৬৫০ ৫৩৪৯৪)*

# ক'ৰ'না নিৰ্মূল সম্ভৱ হ'বনে?

**ৰাইজৰ চিঠি**

**সম্পাদক ডাঙৰীয়া,**

সম্প্ৰতি শংকিত বিশ্ববাসীৰ মনত উদয় হোৱা এটা ডাঙৰ প্ৰশ্ন হ'ল ক'ৰ'না নিৰ্মূল সম্ভৱ হ'বনে? প্ৰতিষেধক আৱিষ্কাৰ হোৱাৰ পিছতো হয়তো এই প্ৰশ্নই নিশ্চয় ক্ৰিয়া কৰিব বিশ্ববাসীৰ মনত। বিগত বৰ্ষৰ ডিচেম্বৰ মাহতে ইয়াৰ উপস্থিতি ধৰা পৰাৰ পিছৰেপৰা সংক্ৰমণ ৰোধ কৰিবৰ কাৰণে বিশ্ব স্বাস্থ্য সংস্থাই আগবঢ়াইছিল বিভিন্ন সাৱধানতা অৱলম্বনৰ পৰামৰ্শ। পিছত পৰিস্থিতিৰ গভীৰতালৈ চাই বিশ্বত লক্‌ডাউনৰো সিদ্ধান্ত লোৱা হৈছিল— যাতে সংক্ৰমণ ৰোধৰ জৰিয়তে ক'ৰ'নাক পৰাভূত কৰি বিশ্ববাসী শংকামুক্ত হ'ব পাৰে। কিন্তু ইমানৰ পিছতো জানো সংক্ৰমণ ৰোধত সফল হৈছে বিশ্ববাসী? দিনক দিনে বাঢ়িছে সংক্ৰমিতৰ সংখ্যা। নতুন নতুন দেশলৈও হৈছে সংক্ৰমণ। লক্‌ডাউনৰ নিৰ্দেশ অনুযায়ী গৃহবন্দীও হ'ল জনতা। মাস্ক আৰু ছেনিটাইজাৰ ব্যৱহাৰ একপ্ৰকাৰ বাধ্যতামূলক হৈ পৰিল। তাৰ পিছতো কিন্তু অপ্ৰত্যাশিতভাৱেই বাঢ়ি আছে সংক্ৰমণৰ হাৰ।

ক'ৰ'না ভাইৰাছক নিৰ্মূল কৰা সম্ভৱ হ'বনে? নে মানৱ জাতিৰ কাৰণে ভয় আৰু শংকাৰ কাৰণ হৈ ৰ'ব ভৱিষ্যতলৈও? যদি তেনেকুৱাই হয়, এই ভয় আৰু শংকাও বাস্তৱসন্মত বুলিয়ে হয়তো ভাবিবলৈ বাধ্য হ'ব মানুহ। সম্প্ৰতি মানুহৰ দেহত সচৰাচৰ দেখা দিয়া অন্য ৰোগৰ তালিকাত নিগাজিকৈ হয়তো স্থান লৈছে এই ক'ৰ'না ভাইৰাছে। মানৱ জাতি ইয়াৰপৰা পৰিত্ৰাণ পোৱাৰ আশা হয়তো ক্ষীণ। আৰম্ভণিৰ পৰাই ইয়াৰ সংক্ৰমণ ৰোধ কৰাটো এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। চিকিৎসা শাস্ত্ৰত উন্নত ফলাফল দেখুৱাবলৈ সক্ষম হোৱা দেশৰ কাৰণেই ই এক বৃহৎ প্ৰত্যাহ্বান হৈ পৰিছে। প্ৰতিষেধক আৱিষ্কাৰ নোহোৱা পৰ্যন্ত কেৱল সামাজিক দূৰত্ব অথবা মাস্ক, ছেনিটাইজাৰ ব্যৱহাৰ কৰিয়ে ইয়াৰ সংক্ৰমণ ৰোধ কৰাৰ প্ৰচেষ্টাও এক প্ৰত্যাহ্বান বুলিয়ে ক'ব লাগিব। কিয়নো দৈনন্দিন জীৱনত মানুহে সামাজিক দূৰত্বৰ কথাও হয়তো এদিন পাহৰি পেলাব। কিয়নো, মানৱ জীৱনেই এটা সামাজিক অনুষ্ঠান— য'ত ধৰ্ম, ৰাজনীতি, সমাজনীতি এইবোৰ অপৰিহাৰ্য উপাদানস্বৰূপ। সদাব্যস্ত জীৱনত হয়তো মাস্ক পৰিধান কৰাটোও এদিন অসাৰ প্ৰতিপন্ন হ'ব। তেন্তে ইয়াৰ নিৰ্মূল হ'ব কেনেকৈ?

মানৱ দেহত সংক্ৰমণৰ পিছত পূৰ্বতকৈও কিছু বেলেগ বেলেগ লক্ষণ দেখুৱাবলৈ আৰম্ভ কৰিছে ক'ৰ'না ভাইৰাছে। অৰ্থাৎ সৰু-বৰ ভালেকেইটা বেমাৰৰ সংমিশ্ৰণ হৈ পৰিছে ক'ৰ'না ভাইৰাছ— য'ত মানৱ দেহৰ ৰোগ প্ৰতিৰোধ ক্ষমতাই সহজতে হাৰ মানিবলৈ বাধ্য হয় ক'ৰ'না ভাইৰাছৰ ওচৰত। সংক্ৰমণৰ ক্ষেত্ৰতো গতি সলাইছে মাৰাত্মক ক'ৰ'না ভাইৰাছে। কোনো ভ্ৰমণসূচী নাইবা আক্ৰান্ত লোকৰ সংস্পৰ্শ অবিহনেও সংক্ৰমিত হৈছে মানুহৰ দেহত। ফলত বিপাঙত পৰিছে চিকিৎসা বিজ্ঞানৰ লগত জড়িত লোকসকল। প্ৰতিষেধক আৱিষ্কাৰত এখোজ আগবাঢ়ি পুনৰ দুখোজ পিছুৱাই আহিবলগা হৈছে চিকিৎসা বিজ্ঞানীসকল। সম্প্ৰতি বিশ্বই চিকিৎসা শাস্ত্ৰত অভূতপূৰ্ব সফলতা লাভ কৰাৰ পিছতো ইয়াৰ প্ৰতিষেধক আৱিষ্কাৰত বিফল হোৱা কাৰ্যত স্বাভাৱিকতে শংকিত হৈ পৰিছে বিশ্ববাসী।

ক'ৰ'না নিৰ্মূলৰ কাৰণে প্ৰতিষেধকৰ লগতে প্ৰয়োজন হ'ব সামাজিক দূৰত্বকে আদি কৰি অন্যান্য সাৱধানতাসমূহ মানি চলাৰ। কিন্তু তাৰ মাজতো সন্দেহ ৰৈ যাব মানুহে মানি চলিবলগীয়া সাৱধানতাসমূহক লৈ। কিয়নো প্ৰতিষেধক আৱিষ্কাৰ হোৱাৰ লগে লগে মানুহৰ ধাৰণাও হয়তো সলনি হ'ব। প্ৰতিষেধক আৱিষ্কাৰ হ'ল যেতিয়া স্বাভাৱিক জীৱন-যাপন পূৰ্বৰ দৰে হ'লেও চিন্তা নাই এতিয়া। মানুহৰ মানসিকতাৰ এনে পৰিৱৰ্তন হ'লে হয়তো ক'ৰ'না ভাইৰাছ নিৰ্মূল কৰাটো অসম্ভৱেই নহয়, মানৱ জীৱনৰ কাৰণেই এক কঠোৰ প্ৰত্যাহ্বান হৈয়ে ৰৈ যাব। ভাইৰাছবিধৰ সংক্ৰমণৰ গতিবিধি লক্ষ্য কৰি মানুহ সজাগতাৰে আগবাঢ়িবই লাগিব। লগতে চিকিৎসা শাস্ত্ৰৰ লগত জড়িত লোকসকলেও ইয়াৰ পৰৱৰ্তী সম্ভাব্য লক্ষণসমূহৰ ক্ষেত্ৰতো অধিক গৱেষণা কৰা দৰকাৰ। তেতিয়াহে ক'ৰ'না ভাইৰাছ নিৰ্মূলৰ ক্ষেত্ৰত আমি সফলতাৰে আগবাঢ়িব পাৰিম।

**জয়ন্ত দাস**
ধূলাবড়ী, বাক্‌সা

**গৰ্ভৱতী মহিলাসকলৰ ক্ষেত্ৰত ক'ৰ'নাৰ সংক্ৰমণ গুৰুতৰ হ'ব পাৰে। গৰ্ভাৱস্থাৰ আৰম্ভণিতে ইয়াৰ দ্বাৰা আক্ৰান্ত হ'লে গৰ্ভপাতৰ আশংকা থকাৰ দৰে পিছৰফালে হ'লে আগতীয়া প্ৰসৱ হোৱাৰ আশংকা থাকে। আগতীয়াকৈ প্ৰসৱ হোৱাৰ ফলত অপৈণত শিশুৰ জন্ম হ'ব। গৰ্ভজাত শিশুটি গৰ্ভত থাকোঁতে বা জন্মৰ সময়ত বা জন্মৰ পিছত মাকৰদ্বাৰা সংক্ৰমিত হোৱাৰ আশংকা থাকে।**



চিকিৎসকৰ অভিমত



ছবি ঃ ইণ্টাৰনেট

# গৰ্ভৱতী মহিলাসকল ক'ৰ'না সংক্ৰমণৰ বিৰুদ্ধে অত্যন্ত সজাগ থকাৰ দৰকাৰ

▷▶ ধীৰেন শৰ্মা

বৰ্তমান সময়ত গোটেই পৃথিৱীজুৰি ক'ৰ'না আতংক। ক'ৰ'না মহামাৰীৰ কৰাল গ্ৰাসত এতিয়া ত্ৰস্তমান বিশ্ব। দৈনিক লাখৰ অধিক মানুহ পৃথিৱীত ক'ৰ'নাত আক্ৰান্ত হৈছে আৰু মৃত্যু হৈছে দিনে হাজাৰেৰোধিক। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে অসমতো ক'ৰ'নাৰ সংক্ৰমণৰ সংখ্যা দিনকদিনে ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। অহা ২৫ মে'ৰপৰা ঘৰুৱা বিমানো নিয়মীয়াকৈ চলাচল কৰিব। তাতে আকৌ একেদিনাই পৱিত্ৰ ঈদ হোৱাত দেশজুৰি এক উৎসমুখৰ পৰিৱেশে বিৰাজ কৰাৰ সম্ভাৱনালৈ চাই ক'ৰ'নাৰ আতংক অধিক বৃদ্ধি হোৱাৰ আশংকাও নোহোৱা নহয়। একে সময়তে অহা ১ জুনৰপৰা ৰেলগাড়ীৰো নিয়মীয়া চলাচল আৰম্ভ হ'ব। ফলত স্বাভাৱিক গতিত দেশ-ৰাজ্যত মানুহৰ আহ-জাহ চলিব। এনে পৰিপ্ৰেক্ষিতত দেশত ক'ৰ'নাৰ সংক্ৰমণো ক্ৰমাৎ বৃদ্ধি পোৱাৰ আশংকা আছে। ভয়াৱহ এই ভাইৰাছজনিত ৰোগত ল'ৰা-বুঢ়া সকলো লোক সংক্ৰমিত হ'ব পাৰে। বয়সীয়া মানুহ, গৰ্ভৱতী মহিলা আৰু শিশুসকল ইয়াৰ হাতোৰাৰপৰা মুক্ত হৈ থাকিব পাৰিলে ভাল। ঘাইকৈ গৰ্ভৱতী মহিলাসকল অধিক সতৰ্ক হ'ব লাগিব। ক'ৰ'না ভাইৰাছে গৰ্ভৱতী মহিলাসকলৰ ক্ষেত্ৰত কিবা বিৰূপ প্ৰভাৱ পেলাব পাৰে নেকি? এনে মহিলাৰ শাৰীৰিক-মানসিক বা আন কোনো গুৰুতৰ সমস্যাই দেখা দিব পাৰে নেকি? এইক্ষেত্ৰত কেনে ধৰণৰ সাৱধানতা ল'লে গৰ্ভৱতী মহিলাগৰাকীৰ লগতে গৰ্ভস্থ শিশুটি সুৰক্ষিত হৈ থাকিব? এই সংক্ৰান্তত বামুণীমৈদামস্থিত ইষ্ট এণ্ড নাৰ্ছিং হোমৰ জ্যেষ্ঠ স্ত্ৰীৰোগ বিশেষজ্ঞ তথা ৰাজ্যৰ বিশিষ্ট স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ ৰাজীৱ লোচন শৰ্মাই এই সন্দৰ্ভত কয় যে ক'ৰ'না এবিধ অতি সংক্ৰামক ৰোগ। বয়সীয়া মানুহ, গৰ্ভৱতী মহিলা, যি মানুহ আন ৰোগতো আক্ৰান্ত হৈ আছে যেনে উচ্চ ৰক্তচাপ, মধুমেহ ৰোগ আদি বা যি মানুহৰ সংক্ৰমণ প্ৰতিৰোধ ক্ষমতা কম তেনে লোক এই ভাইৰাছৰ দ্বাৰা সততে আক্ৰান্ত হোৱাৰ থল বেছি। কোনো এজন ক'ৰ'না ৰোগীৰ সংস্পৰ্শলৈ অহা ব্যক্তিৰ সাধাৰণতে ১৪ দিনৰ ভিতৰত এই ৰোগৰ লক্ষণসমূহে দেখা দিয়ে। প্ৰায়ভাগৰে দেহত ১-৬ দিনৰ ভিতৰত লক্ষণসমূহ দেখা যায়। এজন ব্যক্তি সংক্ৰমিত হ'লেও ক'ৰ'নাৰ লক্ষণসমূহ দেখা নিদিব পাৰে। জ্বৰ, শুকান কাঁহ, ভাগৰ লগা, অৱশ ভাব, ডিঙিৰ সুৰ-সুৰণি, মূৰৰ বিষ, মাংসপেশীৰ বিষ, ঠাণ্ডা লগা, বমি ভাব, পাতল শৌচ, চকু ৰঙা পৰা, তেজ বমি আদি এই ভাইৰাছজনিত বেমাৰৰ লক্ষণ। বহুকেইখন চিকিৎসা সম্বন্ধীয় গ্ৰন্থৰো ৰচক ডাঃ শৰ্মাই জনোৱা মতে গৰ্ভৱতী মহিলাসকলৰ ক্ষেত্ৰত ক'ৰ'নাৰ সংক্ৰমণ গুৰুতৰ হ'ব পাৰে। গৰ্ভাৱস্থাৰ আৰম্ভণিতে ইয়াৰ দ্বাৰা আক্ৰান্ত হ'লে গৰ্ভপাতৰ আশংকা থকাৰ দৰে পিছৰফালে হ'লে আগতীয়া প্ৰসৱ হোৱাৰ আশংকা থাকে। আগতীয়াকৈ প্ৰসৱ হোৱাৰ ফলত অপৈণত শিশুৰ জন্ম হ'ব। গৰ্ভজাত শিশুটি গৰ্ভত থাকোঁতে বা জন্মৰ সময়ত বা জন্মৰ পিছত মাকৰদ্বাৰা সংক্ৰমিত হোৱাৰ আশংকা থাকে। সেয়ে গৰ্ভাৱস্থাত কেইবাটাও দিশৰ ওপৰত সাৱধানতা লোৱাৰ প্ৰয়োজন বুলি কয় বিশিষ্ট চিকিৎসকজনে। ডাঃ শৰ্মাই জনোৱা অনুসৰি চৰকাৰৰদ্বাৰা প্ৰচাৰিত সাধাৰণ মানুহৰ বাবে পালন কৰিবলগীয়া নিয়মসমূহ গৰ্ভৱতী মহিলাই নিষ্ঠাৰে পালন কৰিব লাগে। সঘনাই চাবোনেৰে হাত ধোৱা, কাহিলে-হাচিয়ালে মুখ ঢাকি লোৱা, তাৰ পিছত পুনৰাই চাবোনেৰে ভালকৈ হাত ধুব লাগে। যদিহে ওচৰৰ কাৰোবাৰ ক'ৰ'নাৰ লক্ষণসমূহ যেনে— জ্বৰ, শুকান কাহ দেখা যায়, তেনে লোকৰপৰা আঁতৰি থকা, অন্ততঃ ১ মিটাৰ দূৰত্ব বৰ্তাই ৰাখিব লাগে। জনসমাগমৰপৰা আঁতৰি থকা, ৰাজহুৱা বাহন ব্যৱহাৰৰপৰা আঁতৰি থকা, বিয়া-সবাহৰপৰা আঁতৰি থকা আদি আন কেতবোৰ ল'বলগীয়া সতৰ্কতা। ইয়াৰ উপৰি অনবৰত নাক আৰু মুখ আবৰি থকাকৈ মাস্ক ব্যৱহাৰ কৰিব লাগে। প্ৰতিদিনে নতুন মাস্ক ব্যৱহাৰ কৰিব লাগে। যদিহে সম্ভৱ হয় কৰ্মৰত গৰ্ভৱতী মহিলাসকলে ঘৰৰপৰাই কাম কৰিব পাৰিলে ভাল। ফোন, ইণ্টাৰনেট এই ক্ষেত্ৰত সহায়ক হ'ব। কোনোবা গৰ্ভৱতী মহিলাৰ যদিহে জ্বৰ, কাহ হয়, লগে লগে নিজকে ১৪ দিনৰ বাবে ঘৰৰ বাকী মানুহৰপৰা আঁতৰাই ৰাখিব লাগে। চিকিৎসকৰ লগত আলোচনা কৰি পৰীক্ষা কৰোৱাই বিহিত ব্যৱস্থা ল'ব লাগে। প্ৰয়োজন নহ'লে চিকিৎসালয়লৈ নোযোৱাই ভাল। যদিহে যোৱাটো অতিকৈ প্ৰয়োজন, তেতিয়া চিকিৎসকৰপৰা ফোনেৰে আগতীয়া অনুমতি লৈহে চিকিৎসকৰ ওচৰ চাপিব লাগে। ডাঃ শৰ্মাই লগতে কয় যে গৰ্ভৱতী মহিলাসকলে চিকিৎসালয়ত কেতবোৰ নিয়ম পালন কৰিব লাগে। ঘাইকৈ ক'ৰ'নাত আক্ৰান্ত গৰ্ভৱতী মহিলাৰ প্ৰসৱ ক'ৰ'নাৰ বাবে নিৰ্মিত বিশেষ চিকিৎসালয়তহে কৰোৱাব লাগে। গৰ্ভৱতী মহিলাগৰাকীয়ে অনবৰতে নাক, মুখ ঢাকি মাস্ক ব্যৱহাৰ কৰিব লাগে। প্ৰসৱৰ গোটেই সময়জুৰি মাস্ক পৰিধান কৰিব লাগে। প্ৰসৱ সাধাৰণ বা অস্ত্ৰোপচাৰৰ জৰিয়তে হ'ব পাৰে। সাধাৰণ নে অস্ত্ৰোপচাৰ হ'ব তাক চিকিৎসকগৰাকীয়ে নিৰূপণ কৰিব। প্ৰসৱৰ পিছত মাস্ক পিন্ধি, হাত চাবোনেৰে ধুইহে কেঁচুৱাক গাখীৰ খুৱাব লাগে। এনে কৰিলে মাকৰপৰা সন্তান সংক্ৰমিত হোৱাৰ আশংকা কমি যায়। অৱশ্যে কেঁচুৱাটিক মাকৰ গাখীৰ খুওৱাত কোনো বাধা নাই বুলি কয় স্ত্ৰীৰোগ বিশেষজ্ঞগৰাকীয়ে। মাক আৰু সদ্যোজাত শিশুটিক নিয়ম অনুসাৰে ১৪ দিনৰ বাবে আছুতীয়াকৈ (কোৱাৰেণ্টাইন) ৰাখিব লাগে। ডাঃ শৰ্মাই কয় যে যিহেতু কোনো ভেকচিন এই মুহূৰ্তত নাই, কোনো চিকিৎসা নাই, সাৱধানতাই ইয়াৰ মূল চিকিৎসা। পৰিষ্কাৰ-পৰিচ্ছন্নতা, মাস্ক পৰিধান কৰা, সামাজিক দূৰত্ব ১ মিটাৰ বৰ্তাই ৰখাই এই ৰোগৰপৰা পৰিত্ৰাণৰ মূল উপায়।



ছবি ঃ ইণ্টাৰনেট

# গুৱাহাটী ঃ চৰকাৰ আৰু নাগৰিকৰ উদাসীনতাই সমস্যা বঢ়াইছে


নাগৰিকৰ কথা

▷▶ তপন কুমাৰ শৰ্মা

প্ৰায় তিনি হাজাৰ বছৰ পুৰণি ঐতিহ্যৰে মহিমামণ্ডিত তাহানিৰ প্ৰাগজ্যোতিষপুৰ আৰু আজিৰ গুৱাহাটী মহানগৰীৰ প্ৰাকৃতিক সৌন্দৰ্যত মুগ্ধ হৈ ১৯৫১ চনতে ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে কৈছিল যে গুৱাহাটী বিশ্বৰ ভিতৰতে এখন চহকী নগৰ হিচাপে গঢ় লৈ উঠাৰ সম্ভাৱনা আছে। সঁচা কথা গুৱাহাটীক ভালদৰে সজাই-পৰাই ল'ব পৰা হ'লে তথা জীৱন-জীৱিকা আৰু অৰ্থনৈতিক ক'ৰিডৰৰূপে গঢ়ি-পিটি ল'ব পৰা হ'লে গুৱাহাটী ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অঞ্চল হিচাপে চিহ্নিত হ'লহেঁতেন।

গুৱাহাটীক পৰ্যটন নগৰী হিচাপে গঢ়ি তোলাৰো অলেখ সম্ভাৱনা আছে। উদাহৰণস্বৰূপে ৰাজ্যপালৰ বাসভৱনৰপৰা ভৰলুলৈকে এই বৃহত্তৰ নৈপৰীয়া অঞ্চলটো বিজ্ঞানসন্মতভাৱে আৰু পৰ্যটকৰ বাবে আকৰ্ষণীয় ৰূপত সজাই তুলিব পৰা হ'লেও গুৱাহাটীৰ স্বকীয় সৌন্দৰ্য প্ৰকাশ পালেহেঁতেন। আচল কথা হ'ল গুৱাহাটীক লৈ চৰকাৰ আৰু স্থানীয় প্ৰশাসনৰো এৰা-ধৰা চিন্তা। লগতে মহানগৰীৰ নাগৰিকসকলো প্ৰায়েই নিৰ্বিকাৰ। এনেবোৰ কাৰণতে মহানগৰীৰ প্ৰকৃত সমস্যাবোৰে গেঁঠেলা মাৰি থাকে।

অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে দুৱাৰমুখস্বৰূপ গুৱাহাটীৰ সৌন্দৰ্য ভাৰতবৰ্ষৰ আন মহানগৰীৰ তুলনাত অনন্য আৰু তুলনাবিহীন। গুৱাহাটীৰ সকলো আছে। কিন্তু সকলো থাকিও গুৱাহাটীৰ সাধাৰণ কিছুমান সমস্যা আজিও সমাধান নহৈ পৰি আছে। বাট-পথৰ কথাই ধৰকচোন। আজিও মহানগৰীৰ প্ৰধান প্ৰধান বাট-পথ প্ৰয়োজনমতে আহল-বহল নহয়। পথবোৰৰ নিৰ্মাণত বিসংগতিৰ বাবেই ছমাহ অথবা এবছৰৰ মূৰে মূৰে পথৰ পুনৰ নিৰ্মাণৰ প্ৰয়োজন হয়। পথবোৰ বহল কৰাৰো কোনো বাস্তৱসন্মত আঁচনি, সুযোগ নাই। উদাহৰণস্বৰূপে গুৱাহাটী ক্লাবৰপৰা বাৰোৱাৰী-উজানবজাৰ হৈ যিটো পথ কাছাৰীত সংযোগ হৈছে সেইটো পথেৰে কোনোমতেহে দুখন গাড়ী পাৰ হ'ব পাৰে। আনহাতে, গুৱাহাটী ক্লাবৰপৰা চানমাৰি বাছ আস্থানলৈ এইছোৱা পথৰ আয়তনো তেনেই কম। এইছোৱা পথত সঘনে যান-জঁটৰ সৃষ্টি হয়। আন এটি তেনে পথ হ'ল হাতীগাঁও-সিজুবাৰী পথ। ঠিক সেই দৰে ৰিহাবাৰী-লালগণেশ-লখৰা পথ, কাহিলিপাৰা পথ আদিৰ কথা উল্লেখ কৰিব পাৰি।



ছবি ঃ ইণ্টাৰনেট



ছবি ঃ ইণ্টাৰনেট

গুৱাহাটীৰ অইন এটা মূল সমস্যা হৈছে কৃত্ৰিম বান। কৃত্ৰিম বান। কৃত্ৰিম বান ৰোধৰ বাবে ভৰলু নদী, বাহিনী নদী আদি পাৰ্যমানে খান্দি দুয়োপাৰ পকীৰে বান্ধিব লাগিব। আনহাতে, ভৰলু আৰু বাহিনীৰ জমা হোৱা অতিৰিক্ত পানী পশ্চিমৰ কুলসী নদীত পেলাই দিয়াব লাগিব। কিয়নো বাৰিষাকালত ব্ৰহ্মপুত্ৰৰ জলপৃষ্ঠ ভৰলুতকৈ ওপৰত অৱস্থান কৰা হেতুকে ভৰলুৰ পানী ব্ৰহ্মপুত্ৰই নলয়। আনহাতে, মহানগৰীৰ বশিষ্ঠ নদীৰেও বাৰিষাৰ অতিৰিক্ত পানী প্ৰৱাহিত হয়। গতিকে, বশিষ্ঠ আৰু ভৰলুক মৰা ভৰলুজানৰদ্বাৰা সংযোগ কৰি দীপৰ বিলত পৰিবলৈ নিদিয়াকৈ পশ্চিমৰ কুলসী নদীত পেলাব পাৰিলে মহানগৰীৰ অতিৰিক্ত পানী ওলাই যোৱাৰো অধিক সুচল হ'ব।

কৃত্ৰিম বান সৃষ্টি হোৱাৰ আন এটি কাৰণ হৈছে মহানগৰীৰ পাহাৰৰ ক্ষয়কাৰ্য। মহানগৰীৰ পাহাৰবোৰৰপৰা নামি অহা বোকা মিহলি পানীয়ে নলা-নৰ্দমা তথা বাট-পথ পুতি পেলায়। পাহাৰবোৰত বাস কৰা লোকে জধে-মধে, সময়ে-অসময়ে পাহাৰ কাটি ঘৰ সজা, গছ-গছনি কটাৰ ফলত বৰষুণ দিলেই পাহাৰ খহি আৰু পাহাৰবোৰৰ মাটি, গেদ-বোকা আদি তললৈ নামি আহে। ফলত নলা-নৰ্দমাৰে পানীৰ স্বাভাৱিক গতি বন্ধ হৈ পৰে। পানী পথৰ ওপৰলৈ আহে। আচলতে নলা-নৰ্দমাবোৰো পৰ্যাপ্ত দ নোহোৱাত বৰষুণৰ পানী ধৰি ৰাখিব নোৱাৰে। এনে পৰিস্থিতিত জধে-মধে পাহাৰ কাটি ঘৰ-দুৱাৰ সজা অচিৰে বন্ধ কৰিব লাগিব। পাহাৰৰ গছ কটা বন্ধ কৰি অধিক গছ ৰোপণ কৰাত গুৰুত্ব দিব লাগে প্ৰশাসন আৰু বাসিন্দাসকলে।

গুৱাহাটীৰ আন এটা মৌলিক সমস্যা হৈছে খোৱাপানীৰ সমস্যা। আজিও মহানগৰীৰ নাগৰিকে খোৱাপানীখিনিৰ বাবে হাহাকাৰ কৰি থাকিব লাগে। কোনো এখন চৰকাৰে গুৱাহাটীৰ প্ৰয়োজনীয় খোৱা পানীখিনি সুলভ কৰি তুলিব পৰা নাই। যান-জঁটৰ সমস্যা আছে, পৰিবহনৰ সমস্যা আছে, মহানগৰীৰ প্ৰধান পথ আৰু উপ-পথবোৰত বৈদ্যুতিক পোহৰৰ উপযুক্ত ব্যৱস্থা নাই। সকলোবোৰ সমস্যা সমাধান কৰিবলৈ এক উমৈহতীয়া প্ৰচেষ্টাৰো দৰকাৰ। এনে প্ৰচেষ্টাৰ অংশীদাৰ হ'ব লাগিব চৰকাৰ আৰু মহানগৰীৰ সমূহ নাগৰিক।

**খাৰঘুলি, গুৱাহাটী**



ছবি ঃ ইণ্টাৰনেট

# মহানগৰীত একাংশৰ লক্‌ডাউনৰ নিৰ্দেশনা নমনা প্ৰৱণতা বাঢ়িছে

▷▶ মুন্নী বেগম

সমগ্ৰ বিশ্বজুৰি বনজুইৰ দৰে বিয়পি পৰা মাৰাত্মক ক'ৰ'না ভাইৰাছে বৰ্তমান ৰাজ্যত সংহাৰী ৰূপ ধাৰণ কৰিছে। এই ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে সমগ্ৰ দেশজুৰি লক্‌ডাউনৰ ঘোষণা কৰিছিল। বৰ্তমান এই লক্‌ডাউনৰ চতুৰ্থ পৰ্যায় চলি আছে। এই লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্য চৰকাৰে নতুন নীতি-নিৰ্দেশনা জাৰি কৰি অঞ্চলভেদে লক্‌ডাউন কিছু শিথিল কৰিছে, যদিও সঘনাই চাবোনেৰে হাত ধোৱা, হেণ্ড ছেনিটাইজাৰ ব্যৱহাৰ কৰা, সামাজিক দূৰত্ব মানি চলাৰ লগতে প্ৰত্যেকগৰাকী ব্যক্তিয়ে মাস্ক, হাতমোজা আদি পৰিধান কৰা বাধ্যতামূলক বুলি ঘোষণা কৰিছিল। কিন্তু অতি পৰিতাপৰ কথা যে ৰাজধানী চহৰ গুৱাহাটী মহানগৰীৰ একাংশ অসচেতন লোকে লক্‌ডাউনৰ এই নীতি-নিৰ্দেশনাক অংগুষ্ঠ প্ৰদৰ্শন কৰি দৈনিক লক্‌ডাউনৰ নিয়ম সম্পূৰ্ণৰূপে উলংঘা কৰি অহা পৰিলক্ষিত হৈছে। মহানগৰীৰ বৃহত্তৰ ছয়মাইল, ভি আই পি ৰোড, বাঘৰবৰী, সাতগাঁও, নৰাপাৰা, বতাহঘুলি, বেলতলা, গণেশগুৰি, খানাপাৰা, হাতীগাঁও, ভেটাপাৰা, বাক্ৰাপাৰা আদি অঞ্চলতো একাংশ লোকে বিনা কাৰণত বাহিৰলৈ ওলাই আহি লক্‌ডাউনৰ নিয়ম উলংঘা কৰি থকা দেখা গৈছে। একাংশ সচেতন লোকৰ অভিযোগ অনুসৰি 'মহানগৰীত লক্‌ডাউন থকা, নথকা পাৰ্থক্য নোহোৱা হৈছে। কিয়নো একাংশ লোকে দৈনিক বজাৰ অথবা বিভিন্ন কাৰণত বাহিৰলৈ ওলাই আহি ফল-মূল, শাক-পাচলি, গেলামাল আদিৰ দোকানৰ লগতে বিভিন্ন স্থানত ব্যাপক হাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। লক্‌ডাউনৰ সময়তো যেন বহু ব্যস্ত প্ৰত্যেকগৰাকী ব্যক্তি। দোকানৰপৰা সামগ্ৰী ক্ৰয় কৰিবলৈ শাৰী পাতি ৰৈ থাকিবলৈ কাৰোৰে সময় নাই। যেন দোকানৰপৰা প্ৰথমে সামগ্ৰী ক্ৰয় কৰাৰ প্ৰতিযোগিতাহে চলিছে। দুই-এখন দোকানৰ সন্মুখত গ্ৰাহকসকলে এক মিটাৰ দূৰত্বত শাৰী পাতি সামাজিক দূৰত্ব মানি চলিছে যদিও অধিকাংশ দোকানতে সামাজিক দূৰত্ব মানি চলা নাই গ্ৰাহকসকলে। দোকানৰ সন্মুখত গ্ৰাকসকল থিয় হোৱাৰ বাবে এক মিটাৰ দূৰত্বত বৃত্ত অংকন কৰা আছে যদিও বৃত্তবোৰলৈ মন নকৰি জথে-মধে হেতা-ওপৰা কৰি সামগ্ৰী ক্ৰয় কৰাত ব্যস্ত হৈ পৰে বহু লোক। আনহাতে, গ্ৰাহকসকলৰ লগতে একাংশ ব্যৱসায়ীয়ে লক্‌ডাউনৰ নিয়ম উলংঘা কৰিছে। কিয়নো মাস্ক, হেণ্ড ছেনিটাইজাৰ, হাতমোজা পৰিধান নকৰি গ্ৰাহকক সামগ্ৰী যোগান ধৰি আহিছে একাংশ ব্যৱসায়ীয়ে। যিসকলে মাস্ক পৰিধান কৰিছে, সেয়া কেৱল নামতহে। কিয়নো অধিকাংশই মুখৰ পৰিৱৰ্তে ডিঙিতহে ওলমাই ৰাখে মাস্কবোৰ। তদুপৰি দোকানৰ সন্মুখত নাই ছেনিটাইজাৰ অথবা হাত ধোৱাৰ কোনো ধৰণৰ ব্যৱস্থা। ফলত বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি আহি গ্ৰাহকে পোনপটীয়াকৈ দোকানত প্ৰৱেশ কৰি সামগ্ৰী ক্ৰয় কৰি আহিছে। ফলত এই ভাইৰাছৰ সংক্ৰমণ হোৱাৰ আশংকাই ভয়াৱহ ৰূপ ধাৰণ কৰিছে। তদুপৰি একাংশই আকৌ বিনা কাৰণত বাহিৰলৈ ওলাই আহি মহানগৰীৰ পথ, উপ-পথবোৰৰ লগতে ভিতৰুৱা অঞ্চলবোৰত দিনৰপৰা নিশা পৰ্যন্ত আড্ডা পাতি আহিছে। ৩-৪জনকৈ লোক একে ঠাইতে গোট খাই মাস্ক অবিহনে তথা এক মিটাৰ ব্যৱধানৰ দূৰত্ব ৰক্ষা নকৰি গাতে গা লগাই আড্ডা পাতি লক্‌ডাউন উলংঘা কৰি আহিছে। যাৰ বাবে এই অঞ্চলবোৰত লক্‌ডাউন অব্যাহত থকা নথকা সমান হৈ পৰিছে। সেয়েহে এনে একাংশ অসচেতন লোকৰ কাণ্ডজ্ঞানহীনতাৰ বাবে সৰ্বসাধাৰণ ৰাইজে ক'ৰ'না ভাইৰাছ ৰোগত আক্ৰান্ত হোৱাৰ আশংকাত ভুগিছে।





ছবি ঃ ইণ্টাৰনেট

# সমবায় সমিতিৰ সচিবক গ্ৰেপ্তাৰ

**নিজা বাতৰি দিওঁতা**

**ভুৰাগাঁও, ২৩ মে' ঃ** ৰাজহুৱা এক গোচৰৰ ভিত্তিত মিকিৰভেটা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকাৰ নেতৃত্বত আৰক্ষীৰ এটা দলে কালি চৰাইবাহী সমবায় সমিতি লিমিটেডৰ সচিব হেমন্ত কুমাৰ নাথক গ্ৰেপ্তাৰ কৰে। উল্লেখযোগ্য যে বিগত কেইটামান বছৰ ধৰি সমবায় সমিতিৰ ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ নামত অহা কেৰাচিন তেলৰ একাংশ হৰলুকি কৰি ক'লা বজাৰত বিক্ৰী কৰা আৰু চৰকাৰী নিৰ্দিষ্টতকৈও অধিক দামত গ্ৰাহক ৰাইজক বিক্ৰী কৰি চৰকাৰী নীতি-নিয়ম ধোঁৱাচাঙত তুলি অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছিল সচিব নাথৰ বিৰুদ্ধে। আনকি দুৰ্নীতিৰ বাতৰি কেইবাখনো বাতৰি কাকতত প্ৰকাশৰ পিছৰেপৰা আৰক্ষী বিষয়া মৃদুল হাজৰিকাই তদন্ত অব্যাহত ৰাখিছিল আৰু তদন্তৰ অন্তত কালি সমবায় সমিতিৰ কাৰ্যালয়ৰপৰাই ১৪২/২০২০ নম্বৰৰ গোচৰৰ ভিত্তিত সচিবগৰাকীক গ্ৰেপ্তাৰ কৰে।

# ৰাজ্যত অব্যাহত থাকিব বৰষুণ

দুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ জলস্তৰ বৃদ্ধি পোৱাৰ লগতে ঠাইবিশেষে বানৰ সৃষ্টি হৈছে। অহা দিনকেইটাত ৰাজ্যৰ বান পৰিস্থিতি অধিক জটিল হোৱাৰ সম্ভাৱনা আছে। ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ আজিৰ পূৰ্বানুমান অনুসৰি, ৰাজ্যখনত অহা কেইদিনমানলৈ বৰষুণ অব্যাহত থাকিব। আম্ফানৰ প্ৰভাৱ ৰাজ্যখনত এতিয়া নাই যদিও প্ৰাক্ মৌচুমীৰ বৰষুণ অব্যাহত থাকিব। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৭ মে' পৰ্যন্ত দিয়া বতৰৰ আগলি বতৰা অনুসৰি এই সময়ছোৱাত অসম, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ অঞ্চল বিশেষে প্ৰবলৰ পৰা অতি প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত অত্যধিক বৰষুণ হৈছে। যোৱা ২৪ ঘণ্টাত ৰাজ্যখনত হোৱা বৰষুণৰ পৰিমাণ আছিল ২১.৯ মিঃমিঃ। আনহাতে, যোৱা ১৪ মে'ৰপৰা ২০ মে' পৰ্যন্ত ৰাজ্যখনত হোৱা বৰষুণৰ পৰিমাণ আছিল ৬১.৯ মিঃ মিঃ।

# ৰমাকান্ত দেউৰীৰ বিৰুদ্ধেহে তদন্তৰ

মুখ্য কাৰ্যবাহী সদস্যগৰাকীয়ে এই সমগ্ৰ দুৰ্নীতিত বৰ্তমানৰ মৰিগাঁও সমষ্টিৰ বিধায়ক তথা পৰিষদৰ তদানীন্তন মুখ্য কাৰ্যবাহী সদস্য ৰমাকান্ত দেউৰীয়ে জড়িত থকাৰ গুৰুতৰ অভিযোগ তুলি ৩০ টাৰো অধিক গোচৰ ন্যায়ালয়ৰ বিচাৰাধীন হৈ থকাৰ কথা অৱগত কৰে। লগতে নিৰ্মাণ সমিতি গঠনৰ সিদ্ধান্ত ৰমাকান্ত দেউৰীয়ে আছিল বুলি উল্লেখ কৰি তেওঁ ২০১০ চনৰপৰাই স্বায়ত্ত শাসিত পৰিষদখনৰ সকলো কাম-কাজৰ তদন্তৰ আহ্বান জনায়। আনকি দেউৰীৰ অভিষ্ট সিদ্ধি নোহোৱাৰ বাবেহে এইদৰে পৰিকল্পিতভাৱে পৰিষদৰ উন্নয়ন স্থবিৰ কৰাৰ লগতে তিৱা কিংবদন্তি জোঙাল বলহুৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ নামতো ৬৬ কোটি টকা আত্মসাৎ কৰাৰো অভিযোগ তোলে মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তাই। উল্লেখ্য যে নিৰ্মাণ সমিতি গঠনৰ জৰিয়তে পৰিষদলৈ আবণ্টিত ধনৰ ক্ষেত্ৰতো মুখ্য কাৰ্যবাহী সদস্য পৱন মান্তা আৰু তদানীন্তন সচিব জুৰি গগৈয়ে ব্যাপক দুৰ্নীতি সংঘটিত কৰাৰ অভিযোগ তুলি পৰিষদৰ ৫ নং কানফলা সমষ্টিৰ সদস্য বলোৰাম বৰদলৈয়ে গুৱাহাটী উচ্চ ন্যায়ালয়ত এক গোচৰ তৰিছিল। অৱশ্যে কিছুদিন পূৰ্বে বলোৰাম বৰদলৈৰ মৃত্যু হোৱাত বাবুল বৰদলৈয়ে ২০১৭-১৮ বৰ্ষত পৰিষদৰ উন্নয়নমূলক কাম-কাজৰ বাবে ৰাজ্য চৰকাৰে মোকলাই দিয়া ৩৬ কোটি টকা ২৫০ খনকৈ ভুৱা নিৰ্মাণ সমিতিৰ জৰিয়তে আত্মসাৎ কৰাৰ অভিযোগ তুলি গোচৰটো চলাই আছিল। ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ আদালতে পৰিষদৰ দুৰ্নীতিৰ তদন্ত এগৰাকী উচ্চ পৰ্যায়ৰ আৰক্ষী বিষয়াৰদ্বাৰা কৰিবলৈ মৰিগাঁৱৰ আৰক্ষী অধীক্ষকক নিৰ্দেশ দিছে। দীৰ্ঘদিন ধৰি তিৱা স্বায়ত্ত পৰিষদৰ দুৰ্নীতিৰ সন্দৰ্ভত উঠা অভিযোগৰ প্ৰকৃত ৰহস্য আৰক্ষীৰ তদন্তই পোহৰলৈ অনাৰ লগতে ক্ষমতাকেন্দ্ৰিক যুঁজৰ বাবে সুদীৰ্ঘকাল অস্থিৰ হৈ থকা পৰিষদীয় ৰাজনীতি আৰু অধিক অস্থিৰ হৈ পৰিব পাৰে।

# দুৰ্যোগৰ দিনত ঈদ

সম্পূৰ্ণ এটা মাহ ৰোজা পালনৰ পিছত বিশ্বৰ বিভিন্ন দেশত, বিভিন্ন প্ৰান্তত ইছলাম ধৰ্মাৱলম্বী লোকসকলে পৱিত্ৰ ঈদ-উল ফিটৰ পালন কৰিবলৈ লৈছে। ৰমজান মাহত ৰোজা পালন কৰি উপবাসে থকাৰ অৰ্থ কেৱল সূৰ্যোদয়ৰপৰা সূৰ্যাস্তলৈকে পানাহাৰৰপৰা বিৰত থকাটোৱে নুবুজায়। প্ৰকৃততে ৰোজা পালন কৰাৰ মূল লক্ষ্য হ'ল— আত্মসংযম। ষড়ৰিপু— কাম, ক্ৰোধ, লোভ, মোহ আদিৰপৰা নিজকে মুক্ত কৰাটোৱেই হ'ল ৰোজা পালন কৰাৰ মূল লক্ষ্য। ঈদ-উল ফিটৰৰ সৈতে ফিৎৰা আৰু জাকাতৰ দৰে দান কৰাৰ নিয়মো জড়িত আছে। সকলো লোকেই যাতে ঈদৰ আনন্দ সমভাৱে উপভোগ কৰিব পাৰে আৰু সমাজৰপৰা দৰিদ্ৰতা দূৰ কৰিব পাৰি তাৰবাবেই এনে ব্যৱস্থা মুছলমানসকলৰ বাবে বাধ্যতামূলক কৰা হৈছে।

ঈদ আনন্দৰ উৎসৱ। সমতাৰ উৎসৱ। স্বাভাৱিক পৰিস্থিতিত ঈদৰ দিনাখন ধনী-দুখীয়া, ৰজা-প্ৰজা সকলোৱে মিলি ঈদগাহত একেলগ লৈ সৃষ্টিকৰ্তাৰ আৰাধনা কৰে, হিংসা-দ্বেষ পাহৰি ইজনে-সিজনক বুকুত সাবটি লয়। ৰোজা আৰু ঈদ হ'ল সকলোৱে সৈতে সুখ-দুখ ভগাই লোৱাৰ উৎসৱ। মানৱৰ সৈতে মানৱৰ মিলনৰ উৎসৱ। পূৰ্বেই কোৱা হৈছে যে ঈদ হ'ল ধনী-দুখীয়াৰ মাজত থকা বিভেদ দূৰীকৰণৰ উৎসৱ। হজৰত মহম্মদ (ছাঃ)-এ ঈদৰ নামাজ পঢ়িবলৈ গৈছিল এটা ৰাস্তাৰে, নামাজৰপৰা উভতি আহিছিল অইন এক ৰাস্তাৰে। ইয়াৰ মূল কাৰণ আছিল ঈদগাহলৈ অহা বাটত কোনোবা দৰিদ্ৰ লোক থিয় হৈ আছে নেকি তেওঁ যেনেকৈ পৰীক্ষা কৰিছিল, যোৱা বাটতো তেনেকৈ কোনোবা অভাৱী লোক আছে নেকি, সেয়া লক্ষ্য কৰি তেওঁলোকৰ দুখ মোচনৰ ব্যৱস্থা কৰিছিল।

কোভিড-১৯ৰ আক্ৰমণৰ ফলত আমাৰ দেশ তথা ৰাজ্যখনত সৃষ্টি হোৱা ভয়াৱহ পৰিস্থিতিৰ ফলত ইছলামৰ এনে শিকনিৰ প্ৰাসংগিকতা আজি বহু গুণে বৃদ্ধি পাইছে। লক্‌ডাউনৰ ফলত দুমাহৰো অধিক কাল স্বাভাৱিক কাম-কাজ বন্ধ হৈ থকাত শ্ৰমিকসকলৰ অৱস্থা শোচনীয় হৈ পৰিছে। দেশৰ বিভিন্ন প্ৰান্তৰ আলিবাটবোৰত দেখা গৈছে অনাহাৰী, অৰ্দ্ধাহাৰী শ্ৰমিকৰ শাৰী। বহিঃৰাজ্যত কৰ্মৰত লাখ লাখ শ্ৰমিকে ধনৰ অভাৱত স্বগৃহলৈ উভতি আহিব পৰা নাই। অনেকেই শ শ কিলোমিটাৰ পদব্ৰজে ঘৰলৈ আহি থকাৰ বাতৰি আমি প্ৰতিদিনে প্ৰত্যক্ষ কৰি আছোঁ। আমাৰ ওচৰে-পাঁজৰেও হয়তো অনেক প্ৰব্ৰজিত শ্ৰমিক আবদ্ধ হৈ আছে। খেতিয়কসকলেও তেওঁলোকৰ উৎপাদিত শস্য বিশেষকৈ শাক-পাচলি ৰাজ্যখনৰ কেতবোৰ অঞ্চলত হয় পেলাই দিবলগীয়া হৈছে নতুবা পানীৰ দামত বিক্ৰী কৰিবলগীয়া হৈছে। এইবাৰৰ ফিৎৰা জাকাতৰ ধন আমি এনে দুৰ্দশাগ্ৰস্ত শ্ৰমিক-কৃষকৰ বাবেই খৰচ কৰিব লাগিব। বহুতো লোকে এনে লোকৰ বাবে জাকাত-ফিৎৰাৰ ধন খৰচ কৰাটো আমাৰ দৃষ্টিগোচৰ হৈছে। ইছলামে আমাৰ পিতৃ-মাতৃ আৰু পৰিয়ালৰ পিছতে আমাৰ ওচৰ-চুবুৰীয়াসকলৰ সুখ-দুখৰ প্ৰতি লক্ষ্য ৰাখিবলৈ আমাক দায়িত্ব প্ৰদান কৰিছে। এনে দায়িত্ব পালন কৰাৰ সময় এতিয়া আহি পৰিছে। এইবাৰৰ ঈদ আমাৰ বাবে অকল আনন্দ কৰাৰ ঈদ নহয়। এইবাৰৰ ঈদৰ আনন্দ আমি ত্যাগৰ মাজেৰেহে লাভ কৰিব লাগিব। ঈদগাহত সকলোৱে সমৱেত হৈ নামাজ পঢ়াটো নিষিদ্ধ কৰা হৈছে— সমগ্ৰ বিশ্বতে ক'ৰ'না ভাইৰাছৰপৰা নিজৰ লগতে নিজৰ পৰিয়াল তথা সমাজখনক মুক্ত কৰি ৰাখিবলৈ। এনে নিৰ্দেশ লংঘন কৰাটো অকল আইনৰ দৃষ্টিতে নহয়, মানৱতাৰ ফালৰ পৰাও এক মহাপৰাধ হ'ব।

দুখ আৰু পৰিতাপৰ কথা, শাৰীৰিক ব্যৱধান বৰ্তাই ৰাখিবলৈ বাৰে বাৰে অনুৰোধ জনোৱাৰ পিছতো অসমৰ একাংশ মুছলমানে ঈদৰ বজাৰ-সমাৰ কৰিবলৈ, নতুন কাপোৰ কিনিবলৈ অযথা ভিৰ কৰা দেখা গ'ল। অথচ ঈদৰ দিনাখন নতুন কাপোৰ পিন্ধাটো ইছলামৰ মতে বাধ্যতামূলক নহয় বা নতুন কাপোৰ পিন্ধিলে পুণ্যলাভ হ'ব— এনে কথাও কোৰান-হদিছত কোৱা হোৱা নাই। ঈদৰ নামাজ এইবাৰ সকলোৱে নিজৰ ঘৰতে পঢ়িব লাগিব। তাৰবাবে কোনেও আক্ষেপ কৰি লাভ নাই। জীয়াই থাকিলে ঈদৰ নামাজ সমূহীয়াভাৱে আদায় কৰাৰ সুযোগ বহুবাৰ পাব। এই মুহূৰ্তত কোভিড-১৯ৰ সংক্ৰমণৰপৰা নিজৰ লগতে সমাজখনকো ৰক্ষা কৰাটোহে মূল কথা। সেয়ে অসমৰ মুছলমান জনগণে সামাজিক ব্যৱধান ৰক্ষা কৰি অনাড়ম্বৰভাৱেই নিজ নিজ গৃহত ঈদৰ নামাজ পঢ়ক। সৃষ্টিকৰ্তাৰ ওচৰত আমি শুদ্ধচিত্তে কৰা প্ৰাৰ্থনাৰহে মূল্য আছে, অযথা বিলাসিতা বা আনন্দৰ কোনো মূল্য পৰম করুণাময়ৰ ওচৰত নাই, এই কথা এইবাৰ ঈদৰ দিনত পাহৰি গ'লে নচলিব।

*লেখক চৰ-চাপৰি সাহিত্য পৰিষদ, অসমৰ সভাপতি*

# ডিমা হাছাওত সাতগৰাকী

ত্ৰিপুৰাৰপৰা অহা উৎপল মিশ্ৰ নামৰ লোকজন যোৱা ১৯ মে'ৰপৰা হাফলংস্থিত হাফলং হোটেলত কোৱাৰেণ্টাইনত আছিল। আজি আটাইকেইগৰাকীৰ দেহত ক'ৰ'নাৰ উপস্থিতি নিশ্চিত হোৱাৰ লগে লগে আক্ৰান্ত আটাইকেইগৰাকীকে হাফলং কোভিড-১৯ কেন্দ্ৰ আৰু হাফলং অসামৰিক চিকিৎসালয়লৈ স্থানান্তৰিত কৰা হৈছে। ইফালে, পাৰ্বত্য জিলাখনত একেদিনাই সাতজনকৈ লোক ক'ৰ'নাত আক্ৰান্ত হোৱাৰ বাতৰিয়ে জিলাখনত আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে। বিশেষকৈ হাফলং চহৰৰ মাজ মজিয়াতে থকা হাফলং হোটেলত কোৱাৰেণ্টাইন হৈ থকা এজন লোক আক্ৰান্ত হোৱাৰ বাতৰিয়ে আতংক বৃদ্ধি কৰিছে। আজি জিলাখনত সাতজনকৈ লোক কোভিড-১৯ পজিটিভ নিশ্চিত হোৱাৰ লগে লগে প্ৰশাসনে হাফলং চহৰৰ সকলো দোকান বন্ধ কৰি দিয়াৰো বাতৰি পোৱা গৈছে।

**নলবাৰীত আন দুজনৰ দেহত কোভিড-১৯**

**নলবাৰীৰ জিলাৰ বাতৰি দিওঁতা ঃ** নলবাৰীত আজি নতুনকৈ দুজন লোকৰ দেহত কোভিড-১৯ ৰোগ ধৰা পৰাৰ পিছত জিলাখনত এই পৰ্যন্ত আক্ৰান্ত লোকৰ সংখ্যা দহলৈ বৃদ্ধি পাইছে। জিলাখনৰ বানেকুছিৰ জৱাহৰ নৱোদয় বিদ্যালয় কোৱাৰেণ্টাইন কেন্দ্ৰত থকা এই লোক দুজনক পুতুল আলী (২৮) আৰু ইমৰাণ হুছেইন (২১) বুলি জানিব পৰা গৈছে। উত্তৰ প্ৰদেশত শ্ৰমিক হিচাপে কাম কৰা দুয়োজন লোকে যোৱা ২০ মে'ত বাছেৰে আহি নলবাৰীত উপস্থিত হোৱাৰ পিছত জিলা প্ৰশাসনে কোৱাৰেণ্টাইন কৰাৰ ব্যৱস্থা কৰিছিল। এই দুয়োজন শ্ৰমিক ঘগ্ৰাপাৰ অঞ্চলৰ বুলি জানিব পৰা গৈছে। আজি বিয়লি লোক দুজন কোভিড-১৯ ৰোগত আক্ৰান্ত হোৱাৰ তথ্য প্ৰকাশ কৰা হৈছে। দুয়োজনকে ইতিমধ্যে নলবাৰীৰ শ্বহীদ মুকুন্দ কাকতি অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। অৱশ্যে দুয়োজন লোকৰ দেহত এই পৰ্যন্ত কোনো বিশেষ লক্ষণ দেখা পোৱা নাই। নলবাৰী জিলাৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে জানিবলৈ দিয়া মতে, চিকিৎসালয়খনত ইতিমধ্যে চিকিৎসাধীন হৈ থকা আন চাৰিজন কোভিড-১৯ আক্ৰান্তৰ দেহতো এই পৰ্যন্ত কোনো লক্ষণ দেখা পোৱা হোৱা নাই। তেওঁ জানিবলৈ দিয়া মতে, জিলাখনলৈ বহিঃৰাজ্যৰপৰা উভতি অহা ২৮২ জন লোকক জৱাহৰ নৱোদয় বিদ্যালয় কোৱাৰেণ্টাইন কেন্দ্ৰ আৰু দুখন হোটেলত ৰখা হৈছে। আজি নিশাৰ ভাগলৈ আৰু বহুসংখ্যক লোক জিলাখনলৈ উভতি অহাৰ সম্ভাৱনা আছে।

**কাছাৰৰ মহিলা, শিশু আক্ৰান্ত**

**শিলচৰৰ নিজা বাতৰি দিওঁতা ঃ** শিলচৰৰ অৰ্চনা নন্দী (৬৫) নামৰ এগৰাকী মহিলা কোভিড-১৯ পজিটিভ বুলি চিনাক্ত হোৱাৰ পিছত তীব্ৰ আতংকৰ সৃষ্টি হৈছে। জানিব পৰা মতে, শিলচৰৰ তাৰাপুৰৰ ই এণ্ড ডি কল'নীৰ সুকান্ত লেনৰ বাসিন্দা অৰ্চনা নন্দীৰ কোনো ধৰণৰ 'ভ্ৰমণ বৃত্তান্ত' নাই। তেওঁৰ এজন পুত্ৰ ৰাজু নন্দী তাৰাপুৰ ই এণ্ড ডি কল'নী এলেকাৰ ফাৰ্মাচিয়া নামৰ এখন দৰবৰ দোকানৰ কৰ্মচাৰী। এই তথ্যক লৈ শংকিত হৈ পৰিছে শিলচৰবাসী। ইপিনে, উদাৰবন্দ সমষ্টিৰ সাত বছৰীয়া এটি শিশুৰ শৰীৰত কোভিড-১৯ ধৰা পৰিছে। উল্লেখ্য, কালি বৰাক উপত্যকাত ৯জন লোকৰ দেহত ক'ৰ'নাৰ সংক্ৰমণ ধৰা পৰিছে। ইয়াৰ ভিতৰত ৬জন কাছাৰ জিলাৰ। দুজন হাইলাকান্দিৰ আৰু এজন কৰিমগঞ্জৰ।

ইপিনে, কালি কোভিড-১৯ আক্ৰান্ত কৰিমগঞ্জ জিলাৰ এংলাৰ বজাৰৰ খলিলুৰ ৰহমান (৪৫)ৰ কোনো ধৰণৰ ভ্ৰমণ বৃত্তান্ত নাছিল। খলিলুৰ অন্য অসুস্থতাৰ চিকিৎসাৰ বাবে শিলচৰ মেডিকেল কলেজ হাস্পতালত ভৰ্তি হৈছিল।

# আগষ্টৰ পূৰ্বে আন্তঃৰাষ্ট্ৰীয়

আন্তঃৰাষ্ট্ৰীয় বিমানৰ চলাচল আৰম্ভ কৰিব পাৰিম।'— ফেচবুক লাইভত এনেদৰে কয় পুৰীয়ে। উল্লেখ্য যে বিশ্বজুৰি ক'ৰ'নাৰ সংহাৰৰ প্ৰতি লক্ষ্য ৰাখি যোৱা ২৫ মাৰ্চৰপৰা সকলো বাণিজ্যিক যাত্ৰীবাহী বিমানৰ চলাচল বন্ধ কৰিছিল কেন্দ্ৰীয় চৰকাৰে। 'আন্তঃৰাষ্ট্ৰীয় বিমানসেৱা আৰম্ভ কৰাৰ ক্ষেত্ৰত নিৰ্দিষ্ট দিন মই এতিয়াই ক'ব নোৱাৰিম, কিন্তু যদিহে মোক কোনোবাই সোধে যে আগষ্ট বা ছেপ্টেম্বৰত নোৱাৰিম নেকি? তেতিয়া মই ক'ম যে নোৱৰাৰ কোনো কাৰণেই নাই, পৰিস্থিতি অনুসৰি আমি তাৰ আগেয়েই হয়তো আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা আৰম্ভ কৰিব পাৰিম।'— কেন্দ্ৰয় মন্ত্ৰীগৰাকীয়ে কয়। আন্তঃৰাষ্ট্ৰীয় বিমানসেৱা আৰম্ভ কৰাৰ ক্ষেত্ৰত এয়াৰপ'ৰ্ট অথ'ৰিটী অব্ ইণ্ডিয়া সম্পূৰ্ণৰূপে সাজু বুলিও কয় তেওঁ। ঘৰুৱা বিমানসেৱা ২৫ মে'ৰপৰা আৰম্ভ হ'ব বুলি ইতিমধ্যে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰিছে। ইয়াৰ বাবে প্ৰয়োজনীয় নীতি-নিৰ্দেশনাও জাৰি কৰিছে।

# দিল্লী চৰকাৰৰ বিজ্ঞাপনত

চৰকাৰৰ চিভিল ডিফেন্স কৰ্পছৰ স্বেচ্ছাসেৱকৰ বাবে বাতৰি কাকতত প্ৰকাশিত বিজ্ঞাপনত এই গুৰুতৰ ভুল হয়। এই বিজ্ঞাপনত মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰো ছবি আছে। ইয়াৰ পিছতে বিৰোধী বিজেপিয়ে কয় যে যি সময়ত চীনে ছিকিমৰ ওপৰত দৃষ্টি নিবদ্ধ কৰিছে, সেই সময়ত কেজৰিৱাল চৰকাৰে দেশক প্ৰতাৰণা কৰিছে আৰু এই বিজ্ঞাপন প্ৰকাশ কৰি দেশদ্ৰোহ কৰিছে। সীমান্তৰ লাডাখ আৰু ছিকিমত চীনা সেনাৰ সৈতে ভাৰতীয় সেনাৰ সংঘাতৰ মাজতে এই বিজ্ঞাপনে ছিকিমতো প্ৰতিক্ৰিয়া সৃষ্টি কৰিছে। ছিকিমৰ মুখ্য সচিব বিজয় কুমাৰ দেৱে দিল্লী চৰকাৰলৈ পত্ৰ লিখি প্ৰতিবাদ জনাইছে। ১৯৭৫ৰ ১৬ মে'ত ভাৰতৰ ২২ সংখ্যক ৰাজ্য হিচাপে আৰু দেশৰ নাগৰিক হিচাপে গৌৰৱ কৰা ছিকিমৰ ৰাইজক এনে কাণ্ডই দুঃখিত কৰিছে বুলি তেওঁ মন্তব্য কৰে আৰু শীঘ্ৰে এই বিজ্ঞাপন প্ৰত্যাহাৰ কৰি ছিকিমৰ ৰাইজৰ আৱেগক সন্মান জনাই এক বিবৃতি দিবলৈ আহ্বান জনায়। ইপিনে, মুখ্যমন্ত্ৰী কেজৰিৱালে আজি এই ঘটনাৰ বাবে দুখ প্ৰকাশ কৰি এই বিজ্ঞাপন প্ৰত্যাহাৰ কৰাৰ লগতে সংশ্লিষ্ট বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা লোৱা হ'ব বুলি প্ৰতিশ্ৰুতি দিছে। ইতিমধ্যে চিভিল ডিফেন্সৰ এজন জ্যেষ্ঠ বিষয়াক নিলম্বন কৰা হৈছে।

# শিক্ষাবৰ্ষৰ নতুন সময় ঃ জুনৰ প্ৰথম

পাৰোঁ নেকি ভাবি আছোঁ। সামাজিক ব্যৱধান ৰক্ষা কৰি, এটা শাখাক ভাগ ভাগ কৰি দশম শ্ৰেণীৰ তিনি দিন, দ্বাদশ শ্ৰেণীৰ তিনি দিন পাঠদান কৰিব পাৰি নেকি চিন্তা কৰি আছোঁ। দশম, দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ ক্ষতি হ্ৰাস কৰাৰ বাবে ভবা হৈছে। আমি ভাৰত চৰকাৰক কৈছোঁ। সিদ্ধান্ত ল'ব ভাৰত চৰকাৰে।' আজি শিক্ষামন্ত্ৰী ড° শৰ্মাই অহা ২৭ মে'ৰপৰা উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে শিক্ষানুষ্ঠানৰপৰা কিতাপ ল'ব পাৰিব বুলিও জনাইছে। জ্ঞানবৃক্ষ নামৰ এটা নতুন শৈক্ষিক টিভি চেনেলো আজি মুকলি কৰে শিক্ষামন্ত্ৰীজনে। প্ৰথমৰপৰা দ্বাদশ শ্ৰেণী পৰ্যন্ত বিভিন্ন বিষয় পাঠদান হ'বলগীয়া চেনেলটো কেব্‌ল টিভিৰ জৰিয়তে চাব পাৰিব। ছেবা আৰু অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পাঠ্যক্ৰম, অসমীয়া মাধ্যমৰ বাবে 'জ্ঞানবৃক্ষ'ৰ জৰিয়তে দেখুওৱা হ'ব বুলিও জানিবলৈ দিছে শিক্ষামন্ত্ৰীজনে। মন্ত্ৰীজনে ইতিমধ্যে আৰম্ভ কৰা বিশ্ববিদ্যা নামৰ ইউটিউব চেনেল আৰু এপ্, দীক্ষা নামৰ এপটোৰ প্ৰসংগও উল্লেখ কৰে। তেওঁ শিক্ষাৰ্থীসকলৰ মাজত আৰম্ভ কৰা বিভিন্ন প্ৰতিযোগিতাৰ কথা উল্লেখ কৰি কয়— 'লক্‌ডাউনৰ পিছত আমি ১০ হেজাৰ ল'ৰা-ছোৱালীক পুৰস্কৃত কৰিম।' বেচৰকাৰী স্কুলসমূহলৈ চৰকাৰে যি নিৰ্দেশনা দিছিল সেয়া পালন নকৰাৰ তথ্যসহ অভিযোগ পালে তেনে বিদ্যালয়ৰ বিৰুদ্ধে ব্যৱস্থা ল'ব বুলিও জনালে মন্ত্ৰীজনে। প্ৰয়োজন হ'লে দ্বিতীয় নিৰ্দেশনা দিয়া হ'ব বুলিও কয় মন্ত্ৰীজনে। নৱম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে কেৰিয়াৰ গাইডেন্স প'ৰ্টেলো ইউনিচেফৰ সহযোগত আৰম্ভ কৰা হৈছে। ভৱিষ্যতে ৰাজ্যৰ শিক্ষা বিভাগে ব্যৱসায়-বাণিজ্যক লৈ বৃত্তিমুখী পাঠদান আৰম্ভ কৰা, জৈৱ বৈচিত্ৰ্য, সংস্কৃতি, ইতিহাস, অধিকাৰ আদি বিষয়ৰ সজাগতামূলক বিষয়ৰ পাঠদান আদিৰো চিন্তা-চৰ্চা কৰি আছে।

# অৰ্থনৈতিকভাৱেও আগুৱাই যাব লাগিব

কৰা কোৱাৰেণ্টাইন কেন্দ্ৰত উপস্থিত হয় আৰু পৰিস্থিতিৰ বুজ লয়। কোৱাৰেণ্টাইন কেন্দ্ৰত ইতিমধ্যে বহিঃৰাজ্যৰপৰা অহা সাতজন লোকক কালিৰপৰা ৰখা হৈছে আৰু বাকী ১৬ জন আজি আহি পাব বুলি জিলা প্ৰশাসনে জানিবলৈ দিছে। আনহাতে, মুখ্যমন্ত্ৰীগৰাকীয়ে কোৱাৰেণ্টাইন কেন্দ্ৰটো পৰিদৰ্শন কৰাৰ পিছতে জোনাই আৱৰ্ত ভৱনত জিলাখনৰ বৰ্তমান পৰিস্থিতি সন্দৰ্ভত ধেমাজি জিলাৰ উপায়ুক্ত তথা মহকুমা প্ৰশাসনৰ উপৰি বিভিন্ন বিভাগৰ বিষয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকত অংশ লৈ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত মত বিনিময় কৰে। তাৰ পিছতে সাংবাদিকসকলক সম্বোধন কৰি কোভিড-১৯ সংক্ৰমণ অসমত বৃদ্ধি হ'লেও আতংকিত নহ'বলৈ জনসাধাৰণক আহ্বান জনায় আৰু চৰকাৰে বান্ধি দিয়া নীতি-নিৰ্দেশনাসমূহ সকলোৱে মানি চলি সমাজখন ৰক্ষা কৰিব লাগিব বুলি কয়। বহিঃৰাজ্যত আবদ্ধ হৈ থকা লোকসকলক অসমলৈ ইতিমধ্যে ঘূৰাই অনাৰ ব্যৱস্থা কৰা আৰু চৰকাৰী নীতি-নিৰ্দেশনা মতে পৰীক্ষা কৰি অসমৰ বিভিন্ন জিলাত কোৱাৰেণ্টাইন কৰা হৈছে বুলি উল্লেখ কৰি কোৱাৰেণ্টাইন কেন্দ্ৰত থকা সকলো লোকে চৰকাৰী নিয়ম-শৃংখলা কঠোৰভাৱে মানিব লাগিব বুলি উল্লেখ কৰে। ইতিমধ্যে, আক্ৰান্ত লোকসকলক চৰকাৰে উন্নত চিকিৎসা সেৱা আগবঢ়োৱাৰ ব্যৱস্থা কৰা বুলি জানিবলৈ দিয়ে মুখ্যমন্ত্ৰী সোণোৱালে। ইপিনে, ক'ৰ'না ভাইৰাছৰ বিৰুদ্ধে যুঁজ আৰু আনপিনে অৰ্থনৈতিক যুঁজ দুয়োটাকে, সমান্তৰালভাৱে সমাজৰ উন্নয়নৰ হকে আগুৱাই লৈ যাব লাগিব বুলিও তেওঁ মন্তব্য কৰে। তদুপৰি ক'ৰ'না ভাইৰাছৰ বিৰুদ্ধে সন্মুখৰপৰা যুঁজ দিয়া চিকিৎসক, নাৰ্ছ আৰু অন্যান্য চিকিৎসাকৰ্মী তথা আৰক্ষী, খাদ্য আৰু অসামৰিক যোগান বিভাগ, কৃষি, শক্তি বিভাগৰ বিষয়া-কৰ্মচাৰীসকলক প্ৰশংসা কৰাৰ উপৰি এই যুঁজখনত চৰকাৰী প্ৰশাসনৰ সমানে সমানে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰে দায়িত্ব পালন কৰা সাংবাদিকসকলকো ভূয়সী প্ৰশংসা কৰে। জোনাইৰ কোৱাৰেণ্টাইন কেন্দ্ৰ পৰিদৰ্শনৰ সময়ত জোনাইৰ বিধায়ক ভুৱন পেগু, ধেমাজিৰ বিধায়ক ডাঃ ৰণোজ পেগু, ধেমাজি জিলাৰ উপায়ুক্ত, জোনাইৰ মহকুমাধিপতি আৰু বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে সহযোগ কৰে।

# ক'ৰ'নাৰ প্ৰতিষেধক প্ৰস্তুত হ'ল চীনত !

আলোচনীখনৰ অধ্যয়নৰ ভিত্তিত প্ৰকাশিত বাতৰি অনুসৰি, প্ৰথম পৰ্যায়ৰ পৰীক্ষা বিভিন্ন গৱেষণাগাৰত ১৮ৰ পৰা ৬০ বছৰৰ ভিতৰৰ ১০৮ গৰাকী লোকৰ দেহত সম্পন্ন কৰা হৈছে। এবাৰ প্ৰতিষেধক লোৱাসকলৰ দেহত দুসপ্তাহৰ ভিতৰত টি-চেল নামৰ নিৰ্দিষ্ট ৰোগ প্ৰতিৰোধী কোষ উৎপাদন হৈছে আৰু ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বাবে প্ৰয়োজনীয় এণ্টিবডী ২৮ দিনৰ পিছত শক্তিশালী হৈ উঠিছে। যি সময়ত প্ৰায় ১০০ প্ৰতিষেধক প্ৰকল্পত বিভিন্ন চৰকাৰ আৰু গৱেষকে কাম কৰি আছে, সেই সময়ত বহু বিশেষজ্ঞই ভৱিষ্যদ্বাণী কৰিছে যে এই প্ৰতিষেধক প্ৰস্তুতৰ বাবে ১২ৰ পৰা ১৮ মাহ লাগিব পাৰে। চীনত প্ৰস্তুত হোৱা প্ৰতিষেধক এ ডি-৫ নামৰ এক বিষাণুৰে প্ৰস্তুত হৈছে। মানৱ কোষত জেনেটিক নিৰ্দেশনা পালনৰ বাবে এই বিষাণুত কিছু সালসলনি কৰা হৈছে। এই কোষে এক ক'ৰ'না ভাইৰাছ প্ৰ'টিন প্ৰস্তুত কৰে, প্ৰতিৰোধ ক্ষমতাই এই প্ৰ'টিন চিহ্নিত কৰি ইয়াক আক্ৰমণ কৰে। সূত্ৰ অনুসৰি, ইয়াৰদ্বাৰা ক'ৰ'না ভাইৰাছ থিতাপি লোৱাত ব্যৰ্থ হয়। অহা ছমাহৰ ভিতৰত এই পৰীক্ষাৰ চূড়ান্ত ফলাফলৰ মূল্যায়ন কৰা হ'ব। বেইজিং ইনষ্টিটিউট অব্ বায়'টেকন'লজীৰ ৱেই চেনে এই ফলাফলক মাইলৰ খুঁটি আখ্যা দিছে। অৱশ্যে বাতৰিটোৰ মতে, কেৱল একাংশ লোকৰ দেহতহে এই পৰীক্ষা সফল হৈছে। ৪৫ৰ পৰা ৬০ বছৰৰ লোকৰ মাজত যুৱক-যুৱতীসকলতকৈ কম শক্তিশালী প্ৰতিৰোধ ক্ষমতা গঢ় লৈছে। লগতে এই পৰীক্ষাৰ ফলাফল কম সময়ৰ তথ্যৰ ভিত্তিত প্ৰকাশ কৰা হৈছে আৰু ইয়াৰ প্ৰভাৱ কিমানদিন বৰ্তি থাকিব সেয়া স্পষ্ট নহয়। পৰীক্ষাত অংশ লোৱা লোকৰ দেহত বিভিন্ন উপসৰ্গয়ো দেখা দিছে। বেছি পৰিমাণৰ প্ৰতিষেধক লোৱাসকলৰ বেছি পাৰ্শ্বক্ৰিয়া হৈছে। ৮০ শতাংশৰে অন্ততঃ এটা পাৰ্শ্বক্ৰিয়া হৈছে। আধা সংখ্যকেই জ্বৰ, ভাগৰ লগা, মূৰৰ বিষত আক্ৰান্ত হৈছে। পাঁচজনৰ ভিতৰত এজনৰ মাংসপেশীৰ বিষ হৈছে। গৱেষণাত জড়িত বিজ্ঞানীসকলে অধিক গৱেষণাৰ প্ৰয়োজন হ'ব বুলি মন্তব্য কৰিছে। উল্লেখ্য যে অলপতে মাৰ্কিন যুক্তৰাজ্যৰ মডাৰ্ণক নামৰ সংস্থাটোৱে ইয়াৰ প্ৰতিষেধক সুৰক্ষিত আৰু ফলপ্ৰসূ বুলি দাবী কৰিছিল।

# প্ৰধানমন্ত্ৰীলৈ জাতীয়-জনগোষ্ঠীয়

ধ্বংস কৰিবলৈ বিচৰা এই হঠকাৰী সিদ্ধান্ত তৎকালে বাতিল কৰিবলৈ দাবী উত্থাপন কৰিছে। দিহিং-পাটকাইত কয়লা খননৰ বিৰোধিতা কৰি টাই-আহোম যুৱ পৰিষদ, অনুসূচিত জাতি যুৱ পৰিষদ, সদৌ অসম নাথ-যোগী ছাত্ৰ সন্থা, স্বৰাজ অসম, জীপাল কৃষক শ্ৰমিক সংঘ, সদৌ অসম গৰীয়া পৰিষদ, সদৌ অসম একত্ৰিত যুৱ পৰিষদ, দুৰ্নীতিবিৰোধী মানৱ অধিকাৰ সুৰক্ষা মঞ্চ, বৃহত্তৰ অসমীয়া যুৱ মঞ্চ, টাই-আহোম মহিলা পৰিষদ, সদৌ অসম উন্নয়ন পৰিষদ, সদৌ কলিতা সন্থাসহ বাৰটা জাতীয়-জনগোষ্ঠীয় সংগঠনে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে। আনহাতে, কেন্দ্ৰীয় চৰকাৰৰ দিহিং-পাটকাই ধ্বংসৰ বিৰুদ্ধে অসম প্ৰদেশ কংগ্ৰেছে ৰাষ্ট্ৰজোৰা জনমত গঠনৰ অভিযান আৰম্ভ কৰিছে। জাতীয়-জনগোষ্ঠীয় সংগঠনসমূহে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰক-পত্ৰত চালেকী সংৰক্ষিত বনাঞ্চলৰ বনভূমিক ধ্বংস কৰি ক'ল ইণ্ডিয়া লিমিটেডৰ প্ৰস্তাৱিত কয়লা খননৰ সিদ্ধান্ত ৰদ কৰিবলৈ দাবী জনায়। এই কয়লা খননৰ ফলত প্ৰভাৱিত হ'ব পৰা সকলো গোটক লৈ অঞ্চলটোৰ জনসাধাৰণ, বন্যপ্ৰাণী আৰু জৈৱ-বৈচিত্ৰ্যৰ ওপৰত পৰিব পৰা প্ৰভাৱ সন্দৰ্ভত অধ্যয়ন কৰিবলৈ ৰাজহুৱা শুনানিৰ ব্যৱস্থা কৰিবলৈ দাবী জনোৱা হৈছে। দিহিং-পাটকাইকে ধৰি সকলো সংৰক্ষিত অঞ্চলত চলি থকা কয়লা, তেল আৰু গেছৰ অবৈধ খনন সন্দৰ্ভত উচ্চ তদন্তকাৰী সংস্থাৰদ্বাৰা তদন্ত কৰি সকলো দোষীৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী উত্থাপন কৰে।

আনহাতে, দিহিং-পাটকাই বনাঞ্চলত মুক্ত কয়লা খনন চলাবলৈ গ্ৰহণ কৰা সিদ্ধান্তৰ বিৰুদ্ধে অসম প্ৰদেশ কমিটীয়ে তীব্ৰ বিৰোধিতা কৰাৰ লগতে এই সন্দৰ্ভত দেশজুৰি জনমত গঠন কৰাৰ অভিযান আৰম্ভ কৰিছে। 'ছেভ দিহিং-পাটকাই' নামেৰে টুইটাৰত কালিৰেপৰা আৰম্ভ কৰা এই অভিযানত কেইবাখনো ৰাজ্যৰ লগতে সমাজৰ বিভিন্ন ক্ষেত্ৰৰ সৈতে জড়িত ব্যক্তিৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছে। বৃহৎ পুঁজিপতিৰ স্বাৰ্থত গ্ৰহণ কৰা এই সিদ্ধান্ত তৎকালে বাতিল কৰিবলৈ দাবী জনাই আজি এক বিবৃতিত অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক তথা মুখপাত্ৰ অপূৰ্ব কুমাৰ ভট্টাচাৰ্যই কয় যে গোলকীয় উষ্ণতা বৃদ্ধি ৰোধৰ বাবে বিশ্বজুৰি পৰিৱেশ সংৰক্ষণৰ ওপৰত সজাগতা বৃদ্ধি পোৱাৰ সময়ত কেন্দ্ৰৰ এনে হঠকাৰী সিদ্ধান্ত কেতিয়াও গ্ৰহণযোগ্য নহয়। উত্তৰ-পূব ভাৰতৰ আমাজন হিচাপে পৰিচিত, বিভিন্ন ধৰণৰ বন্যপ্ৰাণীৰ বাসভূমি, অৰ্কিডখ্যাত বৰ্ষাৰণ্য দিহিং-পাটকাইত মুক্ত কয়লা খনন চলাবলৈ কেতিয়াও দিয়া নহ'ব বুলি প্ৰদেশ কংগ্ৰেছে কেন্দ্ৰ তথা ৰাজ্যৰ বিজেপি চৰকাৰক সকীয়াই দিছে।

# বানত বুৰ গৈছে লখিমপুৰৰ বহু গাঁও

এক নং পাঁচনৈ, দুই নং পাঁচনৈ আদি গাঁওসমূহ জলমগ্ন হৈ পৰিছে। বাঢ়নী পানীয়ে উত্তৰ লখিমপুৰ ৰাজহ চক্ৰৰ তেলাহী মৌজাৰ দুৱাৰপাৰ, বনগাঁও, হলমাৰী, মলুৱাল, শান্তিপুৰ, শালমৰা আদি বহুকেইখন গাঁও বুৰাই পেলোৱাত অঞ্চলটোৰ ৰাইজে মথাউৰিৰ লগতে ওখ ঠাইত আশ্ৰয় গ্ৰহণ কৰিছে। উল্লেখ্য যে তেলাহী মৌজাৰ অঞ্চলটোৰ সুৰক্ষাৰ বাবে থকা বনগাঁও দুৱাৰপাৰ গাইড বান্ধটো ২০১৭ চনত ৰঙানদীৰ প্ৰলয়ংকৰী বানত ছিগাৰ পিছত আজিলৈকে পুনৰ নিৰ্মাণ নকৰাত উন্মুক্ত হৈ থকা অংশৰে ৰঙানদীৰ বাঢ়নী পানী সোমোৱাত ৰাইজে হাহাকাৰ কৰিবলগীয়া হৈছে।

নীপকোৱে আগতীয়া কোনো জাননী নিদিয়াকৈ ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত ৰঙানদীপৰীয়া পাঁচনৈবাসীয়ে আজি প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ নামনি অংশত লখিমপুৰ জিলাত বহু ঠাইত জিলা প্ৰশাসনে আগতীয়াকৈ চাইৰেন বজাই ৰাইজক সতৰ্ক কৰাৰ বাবে সংকেত ধ্বনি দিয়া যন্ত্ৰ স্থাপন কৰিছিল যদিও এই যন্ত্ৰবোৰ দীৰ্ঘদিন ধৰি বিকল হৈ থকাৰ বিষয়ে গাঁওবাসীয়ে জানিবলৈ দিছে। কোনো জাননী নিদিয়াকৈ নীপকোৱে জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়াত প্ৰতিবাদমুখৰ হৈ পৰিছে অসমীয়া যুৱ মঞ্চৰ লখিমপুৰ জিলা সমিতি। যুৱ মঞ্চৰ কেন্দ্ৰীয় সাংগঠনিক সচিব অনুপম শইকীয়াসহ জিলা সমিতিৰ বিষয়ববীয়াসকলে স্থানীয় ৰাইজৰ সহযোগত বগলীজানৰ সমীপত ৰঙানদী মথাউৰিত নীপকোৰ এনে কাৰ্যৰ বিৰুদ্ধে হাতে হাতে প্লে-কাৰ্ড লৈ প্ৰতিকূল বতৰকো নেওচি সামাজিক দূৰত্ব বৰ্তাই ৰাখি তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। নীপকোৱে মইমতালি বন্ধ কৰক, পানী এৰাৰ আগেয়ে বাধ্যতামূলক জাননী দিয়ক, নীপকোৱে ৰাইজৰ ক্ষয়-ক্ষতিৰ বোজা বহন কৰক আদি শ্ল'গানেৰে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰে। অসমীয়া যুৱ মঞ্চৰ কেন্দ্ৰীয় সাংগঠনিক সচিব অনুপম শইকীয়াই কয় যে নীপকোৱে জলবিদ্যুৎ প্ৰকল্পৰপৰা পানী এৰাৰ বাবেই বছৰি হৈ অহা বানত ৰঙানদীপৰীয়া ৰাইজৰ ধন-জনৰ বিস্তৰ ক্ষতি সাধন হৈছে। এনে পৰিস্থিতিত নীপকোৱে ৰাইজৰ ক্ষয়-ক্ষতিৰ দায়িত্ব বহন কৰিব লাগে বুলি তেওঁ দাবী জনায়।

**ধেমাজিৰ বান পৰিস্থিতি ক্ৰমাৎ জটিল**

**ধেমাজিৰ জিলাৰ বাতৰি দিওঁতা ঃ** ধেমাজি আৰু অৰুণাচল প্ৰদেশত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ধেমাজি জিলাখনৰ সকলো নদীৰ জলপৃষ্ঠ বিপদসীমাৰ দিশে গতি কৰিছে। জোনাইত চিয়াং আৰু ব্ৰহ্মপুত্ৰ নদীৰ বাঢ়নী পানীয়ে ৩০খন গাঁৱত খহনীয়া আৰম্ভ কৰাত ৰাইজ আতংকিত হৈছে। ইফালে জীয়াধলৰ বাঢ়নী পানীয়ে পশ্চিম ধেমাজিৰ ১৫খন গাঁও আজি দ্বিতীয় দিনৰ বাবেও বুৰ গৈ আছে। জীয়াধলৰ পানী দ্ৰুতগতিৰে বাঢ়ি আছে। গাই, চিমেন আৰু সোৱণশিৰি নদীৰ পানী বিপদসীমাৰ ওপৰেৰে বৈ থকাৰ লগতে ব্ৰহ্মপুত্ৰৰ পানীও দ্ৰুতগতিৰে বৃদ্ধি পোৱাত ধেমাজি জিলাৰ বান পৰিস্থিতি জটিল হোৱাৰ আশংকা প্ৰকট হৈ পৰিছে। আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে বিধায়ক ভুৱন পেগুৰ সৈতে জোনাই ভ্ৰমণ কৰি ধেমাজিৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক, জোনাইৰ মহকুমাধিপতি আৰু জলসম্পদ বিভাগৰ অভিযন্তাসকলৰ সৈতে জিলাখনৰ বান পৰিস্থিতি সম্পৰ্কে আলোচনা কৰে। মুখ্যমন্ত্ৰীয়ে বানে ভঙা বান্ধবোৰৰ মেৰামতি ৩১ মে'ৰ ভিতৰত অন্ত পেলোৱাৰ বাবে ঠিকাদাৰসকলক কাম কৰিবলৈ বিশেষ ব্যৱস্থা কৰিবলৈও নিৰ্দেশ দিয়ে। আনহাতে, জোনাই আৰু ধেমাজিত ২৪ ঘণ্টীয়া বান নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰিবলৈ তেওঁ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে বান সাহায্যৰ বাবে চাউলৰ মজুত আৰু শিবিৰ পতা সম্পৰ্কেও বুজ লয়। এই সভাতে মুখ্যমন্ত্ৰীয়ে আফ্ৰিকান স্বোৱাইন ফিভাৰত মৃত্যু হোৱা গাহৰিৰ পালকৰ তালিকা প্ৰস্তুত কৰিবলৈও নিৰ্দেশ দিয়ে। সভাত উপস্থিত থকা বেংক বিষয়াক কৃষি ফাৰ্মৰ বাবে ঋণ দিয়াৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে। আনহাতে, এইবাৰ জোনাই মহকুমাত অভিলেখ পৰিমাণৰ গোমধান উৎপাদন হোৱা তথ্য কৃষি বিভাগে উত্থাপন কৰি জোনাইত গোমধান প্ৰছেচিং উদ্যোগ এটা স্থাপনৰ বাবে কৃষি বিভাগৰ ফালৰপৰা অনুৰোধ জনায়। মুখ্যমন্ত্ৰীৰ সৈতে জোনাইৰ বিষয়াসকলৰ সভাত জোনাইৰ বিধায়ক ভুৱন পেগু আৰু ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনো উপস্থিত আছিল।

**বান্দৰদেৱাৰ নিজা বাতৰি দিওঁতা ঃ** নীপ্‌কোৱে কালি পুনৰ ৰঙানদী জলবিদ্যুৎ প্ৰকল্পৰ পানী এৰি দিয়ে। ৰঙানদীয়ে অতিৰিক্ত জলভাগ বহন কৰিব নোৱৰাত ডিক্ৰং নদীত পেলোৱাৰ ফলত কালি বিয়লিৰপৰাই ডিক্ৰং নদী ওফন্দি উঠিছে। ডিক্ৰং নদীৰ দাঁতিকাষৰীয়া শতাধিক গাঁৱলৈ ভাবুকি অহাত ত্ৰস্তমান হৈ পৰিছে নদী কাষৰীয়া ৰাইজ। নীপকোৱে অতিৰিক্ত পানী এৰি দিয়াৰ ফলত ৰঙানদী, ডিক্ৰুঙৰ লগতে উপনদীসমূহৰ পানী ফেনে-ফোটোকাৰে বৃদ্ধি পাইছে। জলবিদ্যুৎ প্ৰকল্পৰ ব্যৱহৃত পানী প্ৰতি ছেকেণ্ডত ৪০৪.৪ ঘনমিটাৰকৈ কালি বিয়লি এৰি দিয়াত ডিক্ৰং নদীৰ পাৰ্শ্বৱৰ্তী এলেকাসমূহলৈ তীব্ৰ ভাবুকি আহিছে। কালি বিয়লি এৰা ৰঙানদীৰ বান্ধৰ পানীৰ বাবে হাৰমতী গাঁও পঞ্চায়ত এলেকাৰ মেৰবিল শিলিখাগুৰি, দীঘলীপাৰ, পাৰ্বতীপুৰ, বান্দৰদেৱা, বালিগাঁও, বক্সি গাঁও, লক্ষণাবাৰী, পথালিপাহাৰ গাঁও পঞ্চায়তৰ ১ নং ডিক্ৰং চাপৰি, দিলীপপুৰ, বৈষ্ণৱপুৰ, সোণোৱালগাঁও আদিৰ লগতে ডিক্ৰং গাঁও পঞ্চায়তৰ দণ্ডিবিল, বিষ্ণুপুৰ, তালচীবাৰী, তেতেলীগুৰি, পুৰণা ডিক্ৰং ঘাট আদি গাঁওসমূহলৈ তীব্ৰ ভাবুকি আহিছে।

# লক্‌ডাউনৰ বাবেই ২ লক্ষাধিকৰ জীৱন

কেন্দ্ৰীয় পৰিসংখ্যা আৰু আঁচনি ৰূপায়ণ মন্ত্ৰণালয়ৰ সচিবে কালি কৈছিল যে পাব্লিক হেল্‌থ ফাউণ্ডেচন অব্ ইণ্ডিয়া (পি এইচ এফ আই)ৰ তথ্য অনুসৰি সময়ত লক্‌ডাউন ঘোষণা কৰা বাবেই প্ৰায় ৭৮,১৮৩জন লোকক নিৰ্ঘাত মৃত্যুৰ পৰা ৰক্ষা কৰিব পৰা গ'ল। লক্‌ডাউনৰ সুফলক লৈ কেন্দ্ৰীয় চৰকাৰে এই দাবী কৰাৰ বিপৰীতে আজিলৈকে সমগ্ৰ দেশতে ৬,৬৫৪জন লোক নতুনকৈ ক'ৰ'নাত আক্ৰান্ত হোৱাৰ বাতৰি পোৱা গৈছে। আজি পুৱালৈকে লাভ কৰা ক'ৰ'না আক্ৰান্তৰ এই পৰিসংখ্যা এতিয়ালৈকে সৰ্বাধিক হিচাপে পৰিগণিত হৈছে। নতুনকৈ আক্ৰান্ত হোৱা এইসকল লোককে ধৰি সমগ্ৰ দেশতে ক'ৰ'না আক্ৰান্তৰ সংখ্যা ১,২৭,৩০৬লৈ বৃদ্ধি হৈছে। মৃত্যুমুখত পৰিছে ৩৭৫৪ আক্ৰান্ত। আজি বিয়লিলৈকে দেশত ২৮ ক'ৰ'না আক্ৰান্ত মৃত্যুমুখত পৰে। ইয়াৰে সৰ্বাধিক ২৩জন দিল্লীৰ। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ তথ্য অনুসৰি বৰ্তমান ৬৯ হেজাৰৰো অধিক লোক চিকিৎসাধীন হৈ আছে আৰু ৫১ হেজাৰৰো অধিক লোকে আৰোগ্য লাভ কৰিছে। দেশৰ ভিতৰত মহাৰাষ্ট্ৰতে সৰ্বাধিক লোক ক'ৰ'নাত আক্ৰান্ত হৈছে। মহাৰাষ্ট্ৰত এতিয়ালৈকে ক'ৰ'না আক্ৰান্তৰ সংখ্যা হৈছে ৪৪,৫৮২। মহাৰাষ্ট্ৰৰ পিছতেই আছে তামিলনাডু (১৩,৯৬৭) আৰু গুজৰাট (১২,৯০৫)।

ইফালে, ঘৰুৱা বিমান সেৱা আৰম্ভ কৰাক লৈ বিভিন্ন ৰাজ্যই ভিন্ন মত প্ৰকাশ কৰিছে। কৰ্ণাটক চৰকাৰে ইতিমধ্যে ঘোষণা কৰিছে যে বিমানেৰে মহাৰাষ্ট্ৰ, ৰাজস্থান, দিল্লী, গুজৰাট, তামিলনাডু আৰু মধ্যপ্ৰদেশৰপৰা অহা যাত্ৰীসকলক সাদিনৰ বাবে কোৱাৰেণ্টাইন কৰা হ'ব। আনহাতে, আন ৰাজ্যৰপৰা বাছ অথবা ৰেলেৰে অহা লোকক ১৪ দিনৰ বাবে কোৱাৰেণ্টাইন কৰি যাৱতীয় পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি ঘোষণা কৰিছে জম্মু-কাশ্মীৰ প্ৰশাসনে।

**১৭ শতাংশ জিলাত সংক্ৰমণ**
**১০০ শতাংশ বৃদ্ধি**

প্ৰব্ৰজিত শ্ৰমিকৰ বাবেই দেশৰ বহু ৰাজ্যত বাঢ়িছে ক'ৰ'নাৰ সংক্ৰমণ। দেশৰ ১৬ শতাংশ জিলাত এসপ্তাহৰ ভিতৰত ক'ৰ'নাৰ সংক্ৰমণ ১০০ শতাংশলৈকে বৃদ্ধি হোৱা পৰিলক্ষিত হৈছে। প্ৰব্ৰজিত শ্ৰমিকৰ প্ৰত্যাৱৰ্তনেই ইয়াৰ মূল কাৰণ বুলি এটা সমীক্ষাত প্ৰকাশ পাইছে। 'ইণ্ডিয়া টুডে'ৰ ডাটা ইণ্টেলিজেন্স উইং (ডি আই ইউ)-এ যোৱা ২০ মে'লৈকে দেশৰ ৭১৭খন জিলাৰ ক'ৰ'না আক্ৰান্তৰ পৰিসংখ্যা বিশ্লেষণ কৰি এই তথ্য লাভ কৰিছে। ইণ্ডিয়া টুডেৰ সমীক্ষাটোতে একাংশ বিশেষজ্ঞ আৰু স্বাস্থ্য বিষয়াই সদৰি কৰিছে যে মুম্বাই, দিল্লী আৰু চেন্নাইৰপৰা প্ৰব্ৰজিত শ্ৰমিকৰ বাবেই দেশৰ বিভিন্ন ৰাজ্যত আক্ৰান্তৰ সংখ্যা অভাৱনীয়ভাৱে বাঢ়িবলৈ লৈছে।

### ভয়ংকৰ বিপদৰ দিশে গোৱালপাৰাৰ নৈপৰীয়া ৰাইজ

# মথাউৰি খহাই নিছে ব্ৰহ্মপুত্ৰই কামো সম্পূৰ্ণ কৰা নাই ঠিকাদাৰে

নিজা বাতৰি দিওঁতা

**গোৱালপাৰা, ২৩ মে' ঃ** বাৰিষা সমাগত যদিও গোৱালপাৰা জিলাৰ ব্ৰহ্মপুত্ৰৰ খহনীয়া ৰোধৰ কাম সম্পূৰ্ণ হৈ নুঠিল। হৈ নুঠিল ভগ্ন মথাউৰি মেৰামতিৰ কাম। শংকা-ভয়ত আতংকিত নৈপৰীয়া ৰাইজ। গোৱালপাৰা জিলাৰ লক্ষীপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত কাঠুৰীৰপৰা চিলাৰভিটালৈকে ব্ৰহ্মপুত্ৰই মথাউৰিৰপৰা মাত্ৰ ৪০/৫০ মিটাৰ আঁতৰেৰে বৈ যোৱাত দিনক দিনে খহি আহিছে মথাউৰি। বাৰিষাৰ প্ৰৱল বৰষুণত ব্ৰহ্মপুত্ৰৰ খহনীয়াই যিকোনো মুহূৰ্ততে মথাউৰিটো খহাই নিলে সৃষ্টি হ'ব পৰা ভয়ংকৰ বিপদৰ আশংকাই খেদি ফুৰিছে জনসাধাৰণক। লক্‌ডাউনৰ দুৰ্যোগৰ সময়ত ব্ৰহ্মপুত্ৰই আকৌ নতুনকৈ দুৰ্যোগ নমাই অনাৰ ভয়ত হাহাকাৰ লাগিছে ৰাইজৰ মাজত। যোৱা বছৰ ব্ৰহ্মপুত্ৰৰ খহনীয়াই অঞ্চলটোত তীব্ৰ ৰূপ ধাৰণ কৰি উছন্ন কৰিছিল খেতিপথাৰ, গৃহভূমিকে ধৰি সা-সম্পত্তি। বিগত তিনি বছৰ ধৰি ব্ৰহ্মপুত্ৰৰ সন্মুখীন হৈ জলেশ্বৰ সমষ্টিৰ চিলৰভিটা, কাঠুৰী, টাকিমাৰী, হাগুৰিপাৰা, তাৰাংগাপুৰ, নিচানপুৰ, জলেশ্বৰ আদি নৈপৰীয়া সহস্ৰাধিক পৰিয়ালে নিজৰ ভেটি-মাটি এৰি অইন ঠাইত আশ্ৰয় ল'ব লগা হৈছিল। তদুপৰি বৰ্তমান চিলাৰভিটা, কাঠুৰী অঞ্চলত খহনীয়াৰ বেগ তীব্ৰতৰ হোৱাত মথাউৰিটোৰে ব্ৰহ্মপুত্ৰৰপৰা মাথোন ৪০/৫০ মিটাৰমান দূৰত অৱস্থান কৰি আছে। যুগ যুগ ধৰি থকা বহু গাঁও, অনুষ্ঠান-প্ৰতিষ্ঠান ইতিমধ্যেই ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। বৰ্তমান সময়তো বাৰিষাৰ পূৰ্বেই ভয়ংকৰ ৰূপত বৃদ্ধি পাইছে ব্ৰহ্মপুত্ৰৰ খহনীয়া। ফলত খহনীয়াৰ তাণ্ডৱত শংকিত হৈ পৰিছে জলেশ্বৰ সমষ্টিৰ লক্ষাধিক জনসাধাৰণ। সম্প্ৰতি মথাউৰি ছিগি যোৱাৰ উপক্ৰম হৈ উঠিছে খৰমুজা বেলডুবি মথাউৰি। জলসম্পদ বিভাগে কাঠুৰীৰপৰা চিলাৰভিটালৈকে তিনি কিলোমিটাৰ ঠাইত হোৱা খহনীয়া ৰোধৰ ব্যৱস্থা কৰিছিল। সেই মতে খহনীয়া ৰোধৰ বাবে ডেৰ কোটি টকা বিভাগে ধাৰ্য কৰি ঠিকাদাৰৰপৰা নিবিদা আহ্বান কৰিছিল। পিছত ঠিকাদাৰে যোৱা ১৬ নৱেম্বৰত খহনীয়া ৰোধৰ বাবে পাৰ্কিউপাইন পেলোৱাৰ কামটো লাভ কৰে। কিন্তু কামটো ৩০ দিনৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ বিভাগে ঠিকাদাৰ নিৰ্দেশ দিছিল যদিও ঠিকাদাৰে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰত কামটো সম্পূৰ্ণ নকৰিলে। জানিব পৰা মতে, এইক্ষেত্ৰত গোৱালপাৰাৰ জলসম্পদ বিভাগে স্থানীয় লোকৰ সৈতে হোৱা আলোচনাত ঠিকাদাৰে মাত্ৰ পাৰ্কিউপাইনৰ ৫০ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি জনায়। এনে অৱস্থাত ৰাইজৰ মনলৈ আহিছে দুঃশ্চিন্তা।

# বাক্‌সাৰ বাঁহবাৰীত কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপনৰ চৰকাৰী পদক্ষেপত প্ৰতিক্ৰিয়া



নিজা বাতৰি দিওঁতা

**সৰুপেটা, ২৩ মে' ঃ** ৰাজ্যত শেহতীয়াকৈ কোভিড-১৯ সংক্ৰমণ ৰোধৰ অৰ্থে ঘৰমুৱা শ্ৰমিকসকলক কোৱাৰেণ্টাইন কৰা বিষয়টোক লৈ জিলা প্ৰশাসনসমূহৰ তৎপৰতাক সচেতন ৰাইজে প্ৰশংসা কৰিছে যদিও সমান্তৰালকৈ অন্যান্য আনুসংগিক সমস্যায়ো চিন্তান্বিত কৰি তোলা দেখা গৈছে সচেতন ৰাইজক। বিশেষকৈ বাক্‌সা জিলাৰ বিশ্ব ঐতিহ্যক্ষেত্ৰ হিচাপে চিহ্নিত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰায় গাতে লাগি থকা মুছা ৰি ট্ৰিট, কেম্প বাফেল' ৰি ট্ৰিট, প্ৰকৃতি নীড়, দ্যা চিক্ৰী ক'টেজ, বিৰিণা, ফ্ল'ৰিকেন ক'টেজ আদিকে ধৰি ১২টাকৈ টুৰিষ্ট লজত সম্ভাব্য কোৱাৰেণ্টাইন কেম্প স্থাপনৰ বাবে বাক্‌সা জিলাৰ প্ৰশাসনে লোৱা তৎপৰতাক লৈয়েই এনে শংকা সৃষ্টি হোৱাৰ কথা জানিব পৰা গৈছে। ইতিমধ্যে অঞ্চলটোত সক্ৰিয় আছা, আছু, ভালেসংখ্যক প্ৰকৃতিপ্ৰেমী সংগঠন আৰু ব্যক্তিয়ে প্ৰশাসনৰ এই তৎপৰতাত উদ্বিগ্নতা প্ৰকাশ কৰা পৰিলক্ষিত হৈছে। এনেকি বাক্‌সাৰ জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনে উদ্ভৱ হ'ব পৰা এনে সমস্যাক লৈ নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰি অহাৰো অভিযোগ উঠিছে। উল্লেখ্য, মানাহ ৰাষ্ট্ৰীয় উদ্যান ভ্ৰমণলৈ অহা দেশী-বিদেশী পৰ্যটকসকলক সুবিধা প্ৰদান আৰু আপ্যায়নৰ নিমিত্তে উক্ত টুৰিষ্ট লজসমূহ স্থাপন কৰা হৈছে যদিও কোভিড-১৯ সংক্ৰমণৰ আশংকাত লক্‌ডাউনৰ বহু আগৰেপৰাই এই টুৰিষ্ট লজসমূহ বৰ্তমানলৈকে শূন্য হৈ থকাত মানাহ ৰাষ্ট্ৰীয় উদ্যানক কেন্দ্ৰ কৰি গঢ়ি উঠা পৰ্যটন উদ্যোগটোৰ ওপৰতো এই লক্‌ডাউনে প্ৰচণ্ড মাধমাৰ শোধাইছে। ইতিমধ্যে বহিঃৰাজ্যৰপৰা নিজ গৃহলৈ ওভতাৰ কাৰণে প্ৰায় ১৬,০০০ শ্ৰমিকেই বাক্‌সাৰ জিলা প্ৰশাসনৰ ওচৰত নিজৰ নাম পঞ্জীভুক্ত কৰাৰ বিষয়ে জানিব পৰা গৈছে। ৰাজ্যখনৰ ভিতৰতে প্ৰব্ৰজিত শ্ৰমিকসকলৰ এয়া এক বৃহৎ সংখ্যা বুলি জানিব পৰা গৈছে। আনহাতে, সচেতন ৰাইজৰ মতে, ভৌগোলিকভাৱে উক্ত টুৰিষ্ট লজসমূহ উদ্যানখনৰ নিচেই সমীপতে অৱস্থিত হোৱা বাবে উদ্যানখনৰ ভিতৰৰপৰা বিশেষকৈ নল গাহৰি, বান্দৰ, কেৰ্কেটুৱা, গঁড় আৰু অধিকসংখ্যক ময়ূৰ চৰাই উক্ত টুৰিষ্ট লজসমূহৰ চৌহদৰ ভিতৰত বিশেষকৈ খাদ্যৰ সন্ধানত সঘনাই টুৰিষ্ট লজসমূহৰ চৌহদত প্ৰৱেশ কৰে আৰু এনেদৰেই উক্ত জীৱ-জন্তুসমূহ পৰ্যটকসকলৰ নিকট সান্নিধ্যলৈ অহাটো এক নিয়মীয়া ঘটনাত পৰিণত হৈ আহিছে। অৱশ্যে, এইক্ষেত্ৰত টুৰিষ্ট লজসমূহৰ অধিকাংশৰে চৌহদসমূহৰ মজবুত চাৰিবেৰ নথকাৰ কথাটোলৈও আঙুলিয়াই দিছে সচেতন ৰাইজে। আনহাতে, গাহৰিৰ জৰিয়তে স্বোৱাইন ফ্লু বিয়পাৰ কথাটো প্ৰমাণ হোৱাৰ পিছতে অৰণ্যৰ জীৱ-জন্তুবোৰ বিভিন্ন কাৰণত মানুহৰ অতি নিকট সান্নিধ্যলৈ অহাৰ বাবেও মানুহৰ শৰীৰলৈ কোভিড-১৯ৰ দৰে মহামাৰী ৰোগ সংক্ৰমিত হোৱাৰ সম্ভাৱনা থকাৰ কথাটোও বিজ্ঞানী আৰু গৱেষকসকলে আঙুলিয়াই দিয়াত স্বাভাৱিকতেই স্থানীয় সচেতন ৰাইজৰ মাজত উৎকণ্ঠা বাঢ়িছে। আনহাতে, 'ঘৰৰ ল'ৰা ঘৰলৈ ঘূৰিবই' বুলি অভিমত ব্যক্ত কৰি পৰ্যটন উদ্যোগটোৰ সৈতে জড়িত কেইবাগৰাকীও ব্যক্তিয়ে উক্ত ১২টা টুৰিষ্ট লজত একেলগে মুঠ এশগৰাকী ব্যক্তিকহে ৰাখিব পৰাৰ সুব্যৱস্থা থকাৰ বিষয়ে অৱগত কৰে। মাত্ৰ এশগৰাকী ব্যক্তিক কোৱাৰেণ্টাইন কৰাৰ নামত উদ্যানখনৰ জীৱ-জন্তুৰ লগতে জনজীৱনলৈ আন এক বিপৰ্যয় নামি অহাটো বিচৰা নাই সচেতন ৰাইজে। আনহাতে, বিষয়টোত মন্তব্য দি মানাহ ৰাষ্ট্ৰীয় উদ্যানখনৰ ব্যঘ্ৰ প্ৰকল্পৰ ক্ষেত্ৰীয় সঞ্চালক অমল শৰ্মাই যথাসম্ভৱ ঠাইৰ অসুবিধা হ'লেহে উক্ত টুৰিষ্ট লজসমূহত কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপনৰ কথাটো অৱশেষত বিবেচনা কৰা হ'ব বুলি প্ৰশাসনৰ ফালৰপৰা তেওঁক অৱগত কৰাৰ বিষয়ে জানিবলৈ দিয়ে। গতিকে এতিয়াই কোনো শংকাৰ কাৰণ নাই বুলিও তেওঁ জানিবলৈ দিয়ে।

# ব্যক্তিগতকৰণ, মুক্ত খননৰ বিৰোধিতাৰে প্ৰধানমন্ত্ৰীলৈ যুৱ-ছাত্ৰ পৰিষদৰ স্মাৰক-পত্ৰ



নিজা বাতৰি দিওঁতা

**বকলীয়াঘাট, ২৩ মে' ঃ** অসমৰ তৈলক্ষেত্ৰ আৰু এ পি ডি চি এলক ব্যক্তিগত খণ্ডক গটোৱা আৰু দিহিং-পাটকাই অভয়াৰণ্যত কয়লাৰ মুক্ত খননৰ ক্ষেত্ৰত চৰকাৰে লোৱা পদক্ষেপৰ বিৰোধিতাৰে ২১ মে'ত দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰিছে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কাৰ্বি আংলং জিলা সমিতিয়ে। বোকাজানৰ মহকুমাধিপতিৰ কাৰ্যালয়ৰ জৰিয়তে প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা সংগঠনটোৰ কাৰ্বি আংলং জিলা সমিতিৰ সভাপতি-সম্পাদক ক্ৰমে জিতু ফুকন আৰু অপূৰ্ব দাস স্বাক্ষৰিত স্মাৰক-পত্ৰখনত অসমৰ আমাজানখ্যাত দিহিং পাটকাইত কয়লাৰ মুক্ত খননৰ ফলত অভয়াৰণ্যখনৰ জৈৱ-বৈচিত্ৰ্য ধ্বংস কৰাৰ লগতে ইয়াৰ ফলত সৃষ্টি হোৱা ভয়াৱহ প্ৰদূষণৰ বাবে অভয়াৰণ্যখনৰ গাতে লাগি থকা জনবসতিপূৰ্ণ এলেকাত মানুহ জীয়াই থকাটো অসম্ভৱ হৈ পৰিব বুলি স্মাৰক-পত্ৰখনৰ জৰিয়তে উদ্বেগ প্ৰকাশ কৰা হয়। চৰকাৰৰ এনে সিদ্ধান্ত হঠকাৰী বুলি অভিহিত কৰি এনে সিদ্ধান্ত অনতি বিলম্বে প্ৰত্যাহাৰ কৰাৰ দাবী জনায়। ইয়াৰ অন্যথা অনাগত দিনত ব্যাপক গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলাৰো হুংকাৰ দিয়ে সংগঠনটোৱে।

## দুৰ্ঘটনাত আহত লোকৰ চিকিৎসালয়ত মৃত্যু

নিজা বাতৰি দিওঁতা

**মুকালমুৱা, ২৩ মে' ঃ** নলবাৰী জিলাৰ মুকালমুৱা থানাৰ অন্তৰ্গত বদনি আখিয়া গাঁৱৰ ছৰিফুদ্দিন আহমেদ নামৰ এজন অসম আৰক্ষীৰ অনাতাঁৰ বিভাগৰ অৱসৰপ্ৰাপ্ত লোকৰ পথ দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন অৱস্থাত যোৱা ১৯ মে'ত মৃত্যু ঘটে। উল্লেখযোগ্য যে অসম আৰক্ষীৰ অনাতাঁৰ বিভাগৰ কৰ্মচাৰীগৰাকীক যোৱা ১১ মে'ত ঘৰৰ সমীপৰ হাজো-দৌলাশাল পথত এখন প্ৰচণ্ড বেগেৰে যোৱা বাইকে খুন্দিয়ায়। ফলত গুৰুতৰভাৱে আহত লোকজনক ততাতৈয়াকৈ ভৰ্তি কৰোৱা হৈছিল গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত। লোকজনক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল যদিও মঙলবাৰে লোকজনৰ চিকিৎসাধীন অৱস্থাতে মৃত্যু ঘটে। তেওঁ অঞ্চলটোৰ বহু সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈছিল।

## বটদ্ৰৱাৰ হাইডুবিত চুৰি গৰু উদ্ধাৰ

নিজা বাতৰি দিওঁতা

**বেবেজীয়া, ২৩ মে' ঃ** নগাঁও জিলাৰ বটদ্ৰৱা আৰক্ষী থানাৰ অন্তৰ্গত হাইডুবি গাঁৱৰপৰা ২০ মে'ত বটদ্ৰৱা আৰক্ষীয়ে এজনী চুৰি গাই গৰু উদ্ধাৰ কৰিবলৈ সক্ষম হয়। প্ৰাপ্ত খবৰ অনুসৰি, সেইদিনা নিচেই পুৱাতে বটদ্ৰৱা থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপজ্যোতি মজুমদাৰৰ নেতৃত্বত এটি আৰক্ষীৰ দলে টহল দি থকা অৱস্থাত এজনী গাইসহ এজন লোক হাইডুবি গাঁৱৰ পথাৰৰ দিশেৰে গৈ থকা অৱস্থাত তেওঁলোকৰ সন্দেহ উপজে। লগে লগে আৰক্ষীৰ লোকে খেদি যোৱাত গাইজনী এৰি চোৰে পলায়ন কৰে। পিছত চুৰি গাইজনী উদ্ধাৰ কৰি আৰক্ষীয়ে বটদ্ৰৱা আৰক্ষী থানালৈ লৈ আনে। পিছত বিচাৰ-খোচাৰ কৰাৰ অন্তত উক্ত চুৰি গাইজনী জুৰীয়া থানাৰ অন্তৰ্গত জামুগুৰি গাঁৱৰ আজাহাৰুল ইছলামৰ বুলি জানিব পৰা যায়। পিছত আজাহাৰুল ইছলামে বটদ্ৰৱা আৰক্ষীৰপৰা গাইজনী চমজি লয়।

## শব্দ-সন্ধান ঃ ৪১৩৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| ১ | | ২ | ■ | ৩ | | ৪ | | ৫ |
| | ■ | | ■ | | ■ | | ■ | |
| | ■ | ৬ | | | ■ | ৭ | | |
| | ■ | ■ | ■ | | ■ | | ■ | ■ |
| ৮ | | ৯ | | ■ | ১০ | | | ১১ |
| ■ | ■ | | ■ | ১২ | ■ | ■ | ■ | |
| ১৩ | | | ■ | ১৪ | | ১৫ | ■ | |
| | ■ | | ■ | | ■ | | ■ | |
| ১৬ | | | | | ■ | ১৭ | | |

**থিয়কৈ**

১। ফকৰা ঃ 'দুষ্টৰ একাল, সন্তৰ—।' (৫)
২। ওখলা খতম, পইচা —।' (৩)
৩। শঁকা সাপ; শঁকচূৰ। (৪)
৪। শিষ্যৰ মৃত্যুত গুৰু ঘৰলৈ আগবঢ়োৱা বস্ত্ৰ আদি কৰ। (২+৩)
৫। কৌতুক; আনন্দ; ৰং-তামাচা। (৩)
৯। এলেহুৱা; আনে আগতে নকৰিলে একো কাম নকৰা। (৫)
১১। ঔষধ হিচাপে ব্যৱহৃত এবিধ সৰু লতা গছ। (৫)
১২। নৈত মাছ ধৰা মানুহ। (৪)
১৩। নাপিত। (৩)
১৫। মৃতকৰ অৰ্থে কৰা বছৰেকীয়া শৰাধ। (৩)

**পথালিয়ে**

১। সৈনিকৰ কৱচ বা বৰ্ম। (৩)
৩। ফকৰা ঃ 'যাৰ যহত—, তাকে পাতে ভোকৰা এন্দুৰ।' (২+৩)
৬। ৰামক বনবাস দিয়াৰ বাবে কৈকেয়ীক কুমন্ত্ৰণা দিয়া দাসীজনী। (৩)
৭। খং; জঁক। (৩)
৮। ছোৱালী পোৱাৰ আশাৰে এঘৰত খাটি থকা মানুহ। (৪)
১০। ঘঁহনি খালে বা জুয়ে পুৰিলে গাত উঠা সৰু টৌ। (২+২)
১৩। ১৭টা ছিলেবলযুক্ত এবিধ জাপানী কবিতা। (৩)
১৪। চাকি; প্ৰদীপ। ভাৰতীয় সংগীতৰ এটা ৰাগ। (৩)
১৬। দক্ষিণৰপৰা বৈ অহা স্নিগ্ধ বতাহ। (৫)
১৭। আঁঠুৱা। (৩)

**শব্দ সন্ধান ঃ ৪১৩৫ৰ উত্তৰ**

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| লা | গা | ম | ■ | ম | ল | প | ■ | শ |
| ■ | ■ | ধু | নি | ■ | ■ | ন | ■ | ক |
| বি | ন | চ | ■ | প | থ | ৰু | ঘা | ট |
| ল | ■ | ন্দ্ৰি | ■ | ত্ৰ | ■ | ■ | গু | ■ |
| টি | ■ | কা | জু | বা | দা | ম | ■ | চ |
| ■ | চি | ■ | ■ | হ | ■ | ধু | ■ | মা |
| ব | ন | জা | লু | ক | ■ | সূ | তা | ৰ |
| দু | ■ | ব | ■ | ■ | হ | দ | ■ | ■ |
| ৰা | ■ | ৰি | ক্ত | তা | ■ | ন | ক্ষ | ত্ৰ |

### মিছামাৰীৰ কোভিড আক্ৰান্ত দিলীপ তাঁতীৰ পত্নীৰ সাহসী মন্তব্য

# ৰাইজক আতংকিত নহ'বলৈ আহ্বান

নিজা বাতৰি দিওঁতা

**ৰঙাপৰা, ২৩ মে' ঃ** 'আমি কোনো কাৰণতে শংকিত হোৱা নাই। ক'ৰ'না অতি সহজে নিৰাময় নহয়। ক'ৰ'নাৰ সৈতে সকলোৱে যুঁজিব লাগিব। স্বামী সুস্থ হৈ অতি সোনকালে ঘৰলৈ উভতি অহাৰ আশাত বন্দী হৈ আছে মোৰ পুত্ৰই। মহামাৰী ক'ৰ'নাত অসমবাসী ৰাইজে শংকিত নহৈ অধিক সজাগতা আৰু সামাজিক দূৰত্ব বৰ্তাই ৰাখি দিন অতিবাহিত কৰিব লাগিব'। এইদৰে সংবাদ মাধ্যমৰ আগত ২১ মে'ত মন্তব্য কৰে ক'ৰ'নাত আক্ৰান্ত মিছামাৰীৰ দিলীপ তাঁতীৰ পত্নী দিপালী তাঁতীয়ে। উল্লেখ্য যে হাৰিয়ানাৰ গুৰগাঁৱত এটা ব্যক্তিগত কোম্পানীত মিছামাৰী আৰক্ষী থানাৰ অন্তৰ্গত ভেৰভেৰি গাঁৱৰ নিৱাসী দিলীপ তাঁতী আৰু জীয়াগাভৰু গাঁৱৰ নিৱাসী প্ৰতাপ লিম্বু কৰ্মৰত হৈ আছিল। যোৱা ১৮ মে'ত মিছামাৰীৰ ব্যক্তি দুজন হাৰিয়ানাৰপৰা নিজ ৰাজ্যখনলৈ উভতি আহিছিল। তেজপুৰত ব্যক্তিদ্বয়ক স্বাস্থ্য পৰীক্ষা কৰাৰ পিছত তেজপুৰ বিশ্ববিদ্যালয়ৰ চৌহদত অৱস্থিত কোৱাৰেণ্টাইন শিবিৰত আছিল। বহিঃৰাজ্যৰপৰা অহা পোন্ধৰশ লোকৰ মাজত মিছামাৰীৰ দিলীপ তাঁতী আৰু প্ৰতাপ লিম্বুক তেজপুৰ বিশ্ববিদ্যালয় জ'নেল কোৱাৰেণ্টাইন কেন্দ্ৰত পৰীক্ষা চলোৱাৰ অন্তত কোভিড-১৯ত আক্ৰান্ত বুলি চিকিৎসকে নিশ্চিত কৰে। পাঁচদিন পূৰ্বে বিশ্বনাথৰ ইটাখোলাত এজন ব্যক্তি কোভিড-১৯ত আক্ৰান্ত হোৱাৰ পিছত পুনৰ জিলাখনত দুজনকৈ লোক এই মহামাৰী ৰোগত আক্ৰান্ত হোৱা ঘটনাই সমগ্ৰ জিলাখনতে ত্ৰাসময় পৰিস্থিতিৰ সৃষ্টি কৰিছে। ২১ মে'ত এই প্ৰতিবেদক মিছামাৰীৰ ভেৰভেৰি গাঁৱৰ দিলীপ তাঁতীৰ বাসগৃহত উপস্থিত হোৱাৰ সময়ত ৰোগীজনৰ পত্নী দিপালী তাঁতীয়ে লগতে কয় যে মহামাৰী ক'ৰ'না ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত সকলোৱে সজাগ আৰু সচেতন হৈ থাকিব লাগিব। নীতি-নিয়ম উলংঘা কৰিলে বিপদত পৰাটো নিশ্চিত। সেয়েহে ক'ৰ'না ভাইৰাছ সংক্ৰমণৰ প্ৰতি ৰাইজক অধিক শংকিত নহ'বলৈ ৰাইজক আহ্বান জনাইছে সাহসী মহিলাগৰাকীয়ে। প্ৰায় তিনিমাহ পূৰ্বৰেপৰাই ঘৰলৈ টকা পঠাব পৰা নাছিল দিলীপ তাঁতীয়ে। লক্‌ডাউনৰ সময়ত অতি কষ্টৰে দিলীপৰ পৰিয়ালটোৱে অতি কষ্টকৰ জীৱন অতিবাহিত কৰিছিল। সম্প্ৰতি কোভিড-১৯ত আক্ৰান্ত মিছামাৰীৰ ব্যক্তি দুজন তেজপুৰ চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। দুয়োটা পৰিয়ালৰ লোকে ক'ৰ'না আক্ৰান্ত ব্যক্তিদ্বয়ৰ আশু আৰোগ্য কামনা কৰিছে। ইফালে, মিছামাৰী অঞ্চলৰ প্ৰায় ২৫ হাজাৰ লোক বহিঃৰাজ্যত কৰ্মৰত হৈ আছিল। বহিঃৰাজ্যৰপৰা এজন-দুজনকৈ নিজ গৃহ অভিমুখে ৰাওনা হৈছে। মিছামাৰীবাসী ৰাইজে ক'ৰ'না ভাইৰাছ সংক্ৰমণ প্ৰতিৰোধৰ ক্ষেত্ৰত অধিক সজাগতা অৱলম্বন কৰিছে। মন কৰিবলগীয়া এই যে ভেৰভেৰি গাঁৱৰ দিলীপ তাঁতী আৰু জীয়াগাভৰু গাঁৱৰ প্ৰতাপ লিম্বুয়ে বহিঃৰাজ্যৰপৰা পোনে পোনে নিজৰ বাসগৃহলৈ অহা নাছিল। দুয়োজন ব্যক্তি বাহিৰে বাহিৰে তেজপুৰ বিশ্ববিদ্যালয়ত স্থাপন কৰা কেন্দ্ৰত কোৱাৰেণ্টাইন হৈ আছিল।

## ঈদত সমূহীয়া নামাজ বন্ধ

নিজা বাতৰি দিওঁতা

**মঙলদৈ, ২৩ মে' ঃ** ৰমজানৰ ৰোজাৰ অন্তত পালন কৰিবলগীয়া ঈদত এইবাৰ বন্ধ থাকিব সমূহীয়া নামাজ। ২১ মে'ত দৰঙৰ উপায়ুক্ত দিলীপ কুমাৰ বৰাৰে জিলাখনৰ বিভিন্ন মছজিদৰ ইমামসকলৰ অনুষ্ঠিত এক সভাত লোৱা হয় এই সিদ্ধান্ত। উপায়ুক্ত দিলীপ কুমাৰ বৰাই সমগ্ৰ বিশ্বক আক্ৰান্ত কৰা ক'ৰ'না ভাইৰাছৰ সংক্ৰমণ ৰোধৰ বাবে কেন্দ্ৰীয় চৰকাৰ তথা অসম দুৰ্যোগ প্ৰশমন বিভাগে জাৰি কৰা লক্‌ডাউনৰ নিৰ্দেশাৱলী উৎসৱ-পাৰ্বনৰ নামত কোনো কাৰণতে যাতে ভংগ কৰা নহয়, তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ আৰু লগতে নিজৰ নিজৰ এলেকাত এই সম্পৰ্কত আগতীয়াকৈ সজাগ কৰি দিবলৈ ইমামসকলৰ প্ৰতি আহ্বান জনায়। ইফটাৰ বা ঈদৰ দিনা নামাজ সমূহীয়াকৈ অনুষ্ঠিত কৰাৰপৰা বিৰত থাকি নিজৰ ঘৰে ঘৰে নামাজ পঢ়িবলৈ আৰু ইছলামধৰ্মী জনসাধাৰণৰ মাজত এই কথা পুনৰবাৰ সকীয়াই দিবলৈ ইমামসকলক অনুৰোধ জনাই উপায়ুক্তজনে কয় যে লক্‌ডাউনৰ নিৰ্দেশনাৱলী কোনোবাই ভংগ কৰিলে বা ধৰ্মীয় অনুষ্ঠানত নিৰ্দিষ্ট সংখ্যাতকৈ বেছি লোকৰ সমাগম হ'লে আইন অনুসৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। 'এই সময় একেবাৰে সুবিধাজনক নহয়। উৎসৱ-পাৰ্বন আহিব আৰু যাব। কিন্তু উৎসৱ-পাৰ্বন পালন কৰাৰ আগতে আমি সকলো সুৰক্ষিত হৈ থাকিব লাগিব। গতিকে পৰাপক্ষত ঘৰত থাকি, সামাজিক ব্যৱধান অটুট ৰাখি নিজৰ লগতে সমাজখন সুৰক্ষিত হৈ থকাত সহায় কৰক।'— উপায়ুক্তজনে ইমামসকলক উদ্দেশ্যি সভাত এইদৰে কয়।

# গাহৰি মুকলি বিচৰণত ৰাইজৰ প্ৰতিক্ৰিয়া

নিজা বাতৰি দিওঁতা

**ৰঙিয়া, ২৩ মে' ঃ** অসমৰ বিভিন্ন ঠাইত এক অচিন ৰোগত আক্ৰান্ত হৈ জাকে জাকে গাহৰিৰ মৃত্যু ঘটাৰ পিছত যি সময়ত চৰকাৰে গাহৰিৰ মুক্ত বিচৰণ আৰু ইয়াৰ মাংস বিক্ৰী নিষিদ্ধ ঘোষণা কৰিছে, তেনে সময়তে ৰঙিয়াৰ জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ সমীপত একাংশ লোকে নিজগৃহত প্ৰতিপালিত গাহৰিবোৰক ৰাজপথত মুকলিকৈ বিচৰণ কৰিবলৈ এৰি দিয়াত ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। প্ৰাপ্ত অভিযোগ অনুসৰি জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰৰ ওচৰত থকা হৰিজন কলনিৰ একাংশ বাসিন্দাক একাংশ লোকে আধি বন্দৱস্তিত গাহৰি প্ৰতিপালন কৰিবলৈ দি আহিছে। কিন্তু পৰিতাপৰ বিষয় যে হৰিজন কলনিৰ অসচেতন গাহৰিপালকসকলে নিজৰ প্ৰতিপালন কৰা গাহৰিবোৰক লৈ মুঠেই সজাগ নহয়। ৰাজ্য চৰকাৰৰ সকলো ধৰণৰ নীতি-নিৰ্দেশনাৰ প্ৰতি অংগুষ্ঠ প্ৰদৰ্শন কৰি এই



লোকসকলে নিজৰ গাহৰিবোৰক দিনৰ দিনটো মুকলিকৈ চাৰিওপিনে এৰি দি ৰখাৰ ফলত গাহৰিবোৰে পাৰ্শ্বৱৰ্তী অঞ্চলটোত সৃষ্টি কৰিছে চৰম সন্ত্ৰাস। গাহৰিবোৰে যোৱা কেইদিনত অঞ্চলটোৰ মানুহৰ ঘৰৰ চৌহদত প্ৰৱেশ কৰি পদূলিমুখ, চোতাল, বাৰীৰ পাছফাল আদি খান্দি তহিলং কৰিছে। অঞ্চলবাসী ৰাইজে গাহৰিপালকসকলক গাহৰিবোৰক মুকলিকৈ এৰি নিদিবলৈ বাৰম্বাৰ অনুৰোধ জনাই অহাৰ পিছতো গাহৰিপালকসকলে ৰাইজৰ কথাত কোনো গুৰুত্ব দিয়া পৰিলক্ষিত হোৱা নাই। আফ্ৰিকান স্বোৱাইন ফিভাৰত আক্ৰান্ত হৈ শ শ গাহৰিৰ মৃত্যু ঘটাৰ সময়ত ৰঙিয়াত এইসকল লোকৰ কাৰ্যকলাপে এতিয়া হতভম্ব কৰি তুলিছে ৰাইজক। ৰাইজে মহকুমা প্ৰশাসনক এই বেআইনী কাৰ্যৰ বিৰুদ্ধে অতি শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনাইছে।

## স্মৃতি তৰ্পণ

### জগত চন্দ্ৰ মহন্ত



আমাৰ পৰম শ্ৰদ্ধাৰ জগত চন্দ্ৰ মহন্তৰ যোৱা ১৩ মে'ত গুৱাহাটীৰ নবীন নগৰত ৮৯ বছৰ বয়সত মৃত্যু ঘটে। তেওঁৰ জন্ম হৈছিল যোৰহাট চহৰৰ সমীপত অৱস্থিত সাউদকুছি সত্ৰত। সৰুৰেপৰা পঢ়া-শুনাত মেধাৱী হোৱাৰ বাবে তেওঁ যোৰহাটৰ শংকৰদেৱ ছেমিনাৰিৰপৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ গুৱাহাটীৰ কটন কলেজত আই এছ চি পাঠ্যক্ৰমত নাম লগায়। পিছলৈ খৰগপুৰ আই আই টিৰপৰা চিভিল ইঞ্জিনীয়াৰিঙৰ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেওঁ জলসিঞ্চন বিভাগত সহকাৰী অভিযন্তাৰূপে কৰ্মজীৱন আৰম্ভ কৰি সেই একে বিভাগতে সচিব হিচাপে অৱসৰ গ্ৰহণ কৰে। আমাৰ যৌথ পৰিয়ালৰ মুঠ দহজন ল'ৰা আৰু চাৰিজনী ছোৱালীৰ মাজত মই আছিলোঁ সৰ্বকনিষ্ঠ, জগত দা আছিল তৃতীয় জ্যেষ্ঠ। সেই সুবাদতে দাদাহঁতৰ মৰম-চেনেহ আদায় কৰিবলৈ সক্ষম হৈছিলোঁ। পিছে জগত দাদাক সকলোৱে সমীহ কৰি চলিছিল। কাৰণ তেওঁ অল্পভাষী, পৰিপাটি, চাফ-চিকুণ, গহীন-গম্ভীৰ পুৰুষ আছিল। অৱশ্যে তেওঁ আমাৰ সৰুবোৰৰ লগত ধেমালিও কৰিছিল। আজি কেইমাহমানৰ আগেয়ে মই গুৱাহাটীলৈ যাওঁতে তেওঁৰ অসুস্থতাৰ খবৰ পাই দেখা কৰি আহিছিলোঁ। সেয়ে শেষ দেখা। তেওঁৰ আত্মাৰ চিৰশান্তি কামনা কৰি ইয়াৰ পৰাই সেৱা জনালোঁ।

■ প্ৰতিভা গোস্বামী (সোণ)

## মৃত্যু আৰু শোক

### ভূকন বিন ছামাদ

নিজা বাতৰি দিওঁতা

**মুছলপুৰ, ২৩ মে' ঃ** বাক্‌সা জিলাৰ নিকাছি জ্ঞানপীঠ মহাবিদ্যালয়ৰ (কনিষ্ঠ) ইংৰাজী বিভাগৰ প্ৰবক্তা তথা অহোপা নিৱাসী ভূকন বিন ছামাদৰ ২০ মে'ৰ সন্ধিয়া আকস্মিক বিয়োগ ঘটে। যোৱা কিছু বছৰ ধৰি তেওঁ উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগত আক্ৰান্ত হৈ আছিল। ১৯ মে'ৰ দিনা হঠাতে তেওঁৰ বমি হোৱাত জৰুৰীভাৱে তেওঁক গুৱাহাটীৰ জি এন আৰ চি চিকিৎসালয়লৈ পৰিয়ালে লৈ যায়। চিকিৎসকে তেওঁৰ মূৰত ৰক্তক্ষৰণ হোৱা বুলি প্ৰকাশ কৰাৰ লগতে অৱস্থা অতি সংকটজনক বুলি কয়। ২০ মে'ৰ সন্ধিয়া চিকিৎসকৰ পৰামৰ্শ মতে, মুছলপুৰৰ সমীপৱৰ্তী অহোপাৰ নিজ ঘৰলৈ অনাৰ কিছু সময় পিছতে তেওঁ মৃত্যুক সাবটি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫২ বছৰ। মৃত্যুৰ সময়ত তেওঁ পত্নীৰ লগতে এগৰাকী জীয়াৰী, এজন পুত্ৰক এৰি থৈ যায়।

### দেৱেন্দ্ৰ নাথ তালুকদাৰ

নিজা বাতৰি দিওঁতা

**তামুলপুৰ, ২৩ মে' ঃ** বাক্‌সা জিলাৰ তামুলপুৰ মহকুমাৰ কুমাৰীকাটা মৌজাৰ মৌজাদাৰ তথা আধুনিক কুমাৰীকাটাৰ নিৰ্মাণৰ আগৰণুৱা সৈনিক দেৱেন্দ্ৰ নাথ তালুকদাৰৰ ১৯ মে'ত গুৱাহাটীৰ নিজ বাসগৃহত ৮৯ বছৰ বয়সত মৃত্যু ঘটে। তেওঁ কুমাৰীকাটাৰ উন্নয়ন সমিতি, বজাৰ কমিটী, হাইস্কুল পৰিচালনা সমিতি, কুমাৰীকাটা আঞ্চলিক যুৱক সংঘ, নামঘৰ আদি বহু অনুষ্ঠানৰ সৈতে জড়িত হৈ বিভিন্ন পদবীত কাৰ্যনিৰ্বাহ কৰিছিল। তদুপৰি তেওঁ কুমাৰীকাটা কনিষ্ঠ মহাবিদ্যালয়ৰ অবৈতনিক অধ্যক্ষ হিচাপেও কিছুদিন কাৰ্যনিৰ্বাহ কৰিছিল। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ তিনি পুত্ৰ-বোৱাৰী, নাতি-নাতিনী, বিবাহিতা জীক এৰি থৈ যায়।

### আব্দুল বাৰেক

নিজা বাতৰি দিওঁতা

**মুকালমুৱা, ২৩ মে' ঃ** নলবাৰী জিলাৰ মুকালমুৱা আৰক্ষী থানাৰ অন্তৰ্গত এক নং কান্ধবাৰী (শনিৰোড) গাঁৱৰ নিৱাসী আব্দুল বাৰেক (৪৩)ৰ ২১ মে'ত মৃত্যু ঘটে। মৃত্যুৰ সময়ত তেওঁ পত্নী, কন্যা আৰু দুই পুত্ৰক এৰি থৈ যায়।

## বিষ্ণু ৰাভা নগৰত মৃতদেহ উদ্ধাৰ

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** নুনমাটি আৰক্ষী থানাৰ অন্তৰ্গত বিষ্ণু ৰাভা নগৰত আজি পুৱা ৬-৩০ বজাত এজন যুবকৰ মৃতদেহ উদ্ধাৰ হয়। ঘটনাস্থলীত নুনমাটি আৰক্ষী উপস্থিত হৈ মৃত যুৱকজন অঞ্চলটোৰ অনন্ত কুমাৰ প্ৰসাদ (৩০) বুলি চিনাক্ত কৰে। মৃতদেহটো মৰণোত্তৰ পৰীক্ষাৰ বাবে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। লগতে মৰণোত্তৰ পৰীক্ষাৰ পিছত মৃতদেহটো পৰিয়ালৰ লোকক গতাই দিয়ে আৰক্ষীয়ে। ইপিনে অত্যধিক ড্ৰাগ্‌ছ সেৱনৰ ফলত নিশা ঘৰলৈ যাব নোৱাৰি পথতে পৰি থকাৰ ফলত যুৱকজনৰ মৃত্যু হয় বুলি সন্দেহ কৰিছে আৰক্ষীয়ে।

## জালুকবাৰীত চোৰ ধৃত

**মহানগৰ বাতৰি সেৱা**

**ভৰলুমুখ, ২৩ মে’ ঃ** জালুকবাৰী আদিলশ্বাহ গলিত চুৰি কৰিবলৈ আহি হাতে লোটে ধৰা পৰিল এক চোৰ। ধৃত চোৰজন হাজোৰ ৰাজু আলী (২৮)। বৃহস্পতিবাৰে নিশা আদিলশ্বাহ গলিৰ মানুহ এঘৰত চুৰি কৰিবলৈ গৈ হাতে লোটে ধৰা পৰা চোৰজনৰ বিৰুদ্ধে জালুকবাৰী আৰক্ষী থানাত এটি গোচৰ ৰুজু কৰি তেওঁক জেললৈ প্ৰেৰণ কৰা হয়।

## অট’ৰিক্সা চালকক সাহায্য

**মহানগৰ বাতৰি সেৱা**

**ভৰলুমুখ, ২৩ মে’ ঃ** সদৌ গুৱাহাটী অট’ৰিক্সা চালক ইউনিয়নৰ উদ্যোগত আৰু বেচৰকাৰী সংস্থা এক্সন এইড, ইণ্ডিয়াৰ সহযোগত গুৱাহাটীৰ বিভিন্ন আস্থানৰপৰা ১০৫ গৰাকী অট’ৰিক্সা চালকক সাহায্য বিতৰণ কৰা হয়। চালকসকলক চাউল, দাইল, তেল, আটা, চেনি আৰু বিভিন্ন প্ৰয়োজনীয় খাদ্য সামগ্ৰীৰ লগতে কেইবিধ চাবোনৰ একোটাকৈ টোপোলা বিতৰণ কৰা হয়। উল্লেখ্য যে লক্‌ডাউন আৰম্ভ হোৱাৰ পৰা এই চালকসকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। চৰকাৰেও অট’ৰিক্সা চালককে ধৰি মটৰ শ্ৰমিক মালিকৰ বাবে এতিয়ালৈ কোনো ধৰণৰ আৰ্থিক পেকেজ ঘোষণা কৰা নাই। এনে অৱস্থাত এই সাহায্যই চালকসকলক কিছু পৰিমাণে সকাহ দিব বুলি মন্তব্য কৰে চালক ইউনিয়নৰ সভাপতি আৰু সম্পাদক ক্ৰমে নৰেন পাঠক আৰু নিৰ্মল কলিতাই।

### নৰ্দমা পৰিষ্কাৰ নকৰাত উত্তৰ গুৱাহাটীত কৃত্ৰিম বান

# পঞ্চায়ত সভাপতিয়ে ৰাইজৰ মূৰত ভাঙিলে দুই লাখটকীয়া নাৰিকল



**ৰূপক ডেকা**

**উত্তৰ গুৱাহাটী, ২৩ মে’ ঃ** সময় মতে জলনিৰ্গমনৰ কাম হাতত নোলোৱাৰ ফল ভুগিছে আমিনগাঁও কালীবাৰী, নিউক’লনীবাসী ৰাইজে। জল নিৰ্গমনৰ বাবে সুচল নলা নথকাৰ ফলত কালি নিশাৰপৰা হোৱা মুযলধাৰ বৰষুণত আমিনগাঁৱত কৃত্ৰিম বানৰ সৃষ্টি হয়। ভুক্তভোগী ৰাইজে অভিযোগ কৰা মতে, আমিনগাঁও কালীবাৰী অঞ্চলৰ পানী ওলাই যোৱাৰ নলাটো ৮০নং লাচিতগড় পঞ্চায়তৰ সভাপতি প্ৰদীপ দাসে পৰিষ্কাৰ কৰাৰ বাবে নাৰিকল ভাঙি উদ্বোধন কৰিছিল। ২ লাখ টকা ব্যয়েৰে পৰিষ্কাৰ কৰিবলগীয়া নলাটো পৰিষ্কাৰ কৰাৰ বাবে উদ্বোধন হ’ল যদিও পৰিষ্কাৰৰ নামত ফুটা কড়ি এটাও খৰচ নহ’ল। পানী ওলাই যোৱাৰ বাবে নলাটো কোনো দিনেই পৰিষ্কাৰ কৰা নহ’ল। তাৰেই ফল ভোগ কৰিছে অঞ্চলবাসীয়ে। আমিনগাঁৱৰ শ্ৰীনাথপট্টিতো একেই অৱস্থা। সময় মতে পৰিষ্কাৰ নকৰাৰ ফলত নলাৰ লেতেৰা পানীৰ লগতে কালিৰেপৰা হোৱা নেৰানেপেৰা বৰষুণৰ পানী পথটোৰ লগতে কেইবাঘৰৰ মানুহৰ ঘৰত সোমাই আহুকালৰ সৃষ্টি কৰে। তদুপৰি কদমতল, উত্তৰ গুৱাহাটী মহাবিদ্যালয় আৰু গৌৰীপুৰ সংযোগী পথ, অভয়পুৰ নাথ চুবুৰি, শিলসাঁকো ছেইণ্ট এন্থনী সংযোগী পথ, উত্তৰ গুৱাহাটী নগৰ সমিতিৰ সংযোগী পথ, ৰজাদুৱাৰৰ কৃষ্ণ চন্দ্ৰ বৰুৱা উপপথতো কৃত্ৰিম বানৰ সৃষ্টি হয়।

## মাংসৰ দোকানত নিগমৰ অভিযান

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** গুৱাহাটী পৌৰ নিগমে মহানগৰীৰ বিভিন্ন স্থানত অনুমোদিত পশু চিকিৎসকৰ হতুৱাই পৰীক্ষা নকৰোৱা ছাগলীৰ মাংস আৰু অস্বাস্থ্যকৰ পৰিবেশত কুকুৰাৰ মাংস বিক্ৰী কৰা ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান অব্যাহত ৰাখিছে। মহানগৰীৰ উজানবজাৰ, ছাৰাবভাটী, গণেশগুৰি, কছাৰীবস্তি, হেঙেৰাবাৰী ৰোড, বৰবাৰী চাৰিআলি আৰু ভি আই পি পথ, ছয়মাইল অঞ্চলত কুকুৰা আৰু ছাগলী মাংস বিক্ৰী কৰা দোকান নিৰীক্ষণ কৰে। এই অভিযানত নিগমৰ যুটীয়া আয়ুক্ত সিদ্ধান্ত গোস্বামী, কালেক্টৰ নৱদ্বীপ চাংমাই, পশু চিকিৎসক ডাঃ প্ৰদীপ মেধিৰ লগতে জি এম চিৰ আৰক্ষীয়ে সহযোগ কৰে। অভিযানকালত নিগমৰ দলটোৱে ছাৰাবভাটীৰ মেছাৰ্ছ বাবলু মাৰ্কেট শ্বপৰ এখন মাংসৰ দোকানক অনুমোদিত পশু চিকিৎসকৰ হতুৱাই ছাগলী পৰীক্ষা নকৰোৱাৰ অপৰাধত ১৫,০০০ টকা জৰিমনা বিহে। একেদৰে গণেশগুৰিৰ কছাৰীবস্তিৰ এখন কুকুৰাৰ দোকানৰ গৰাকীৰপৰা ৫০০০ টকা জৰিমনা আদায় কৰে। দলটোৱে ৬ খন ছাগলীৰ মাংসৰ আৰু ৪ খন কুকুৰাৰ মাংসৰ দোকান নিৰীক্ষণ কৰে।

## আৰু দুটা কণ্টেইনমেণ্ট জ’ন ঘোষণা

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** গুৱাহাটী মহানগৰীত দ্ৰুতগতিত বৃদ্ধি পাইছে ক’ৰ’না আক্ৰান্ত ৰোগী। বহিঃ ৰাজ্যৰপৰা আহি সৰুসজাইৰ কোৱাৰেণ্টাইন চেণ্টাৰত বাহৰ পতা লোকৰ উপৰি আন অঞ্চলতো দুই-এক ৰোগী ধৰা পৰিছে। মহানগৰীৰ তৰুণ নগৰ অঞ্চলৰ দীনেশ ওজা পথ আৰু ন-মাইলৰ চি আৰ পি এফ গ্ৰুপ চেণ্টাৰত ক’ৰ’না আক্ৰান্ত ৰোগী ধৰা পৰাৰ পিছতে আজি জিলা প্ৰশাসনে অঞ্চল দুটাক কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা কৰিছে। দীনেশ ওজা পথত ৰাজু ৰায় নামৰ এগৰাকী ব্যক্তি ধৰা পৰাৰ পিছতো জিলা প্ৰশাসনে অঞ্চলটোক কণ্টেইনমেণ্ট জ’ন হিচাপে ঘোষণা নকৰাত শুকুৰবাৰে গুৱাহাটী যুৱ আৰু নাগৰিক সমিতিয়ে ক্ষোভ প্ৰকাশ কৰিছিল আৰু জিলা প্ৰশাসনক এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণৰো দাবী জনাইছিল। এই দাবীৰ পিছতেই আজি প্ৰশাসনে পুৱা ৬ বজাৰপৰা কাৰ্যকৰী হোৱাকৈ দীনেশ ওজা পথক কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰি ইয়াৰ




চাৰিসীমাও নিৰ্দ্ধাৰণ কৰিছে। সেই অনুসৰি জ’নটোৰ উত্তৰে আশীৰ্বাদ এপাৰ্টমেণ্ট, দক্ষিণে আছাম ফ্ল’ৰ মিল কেম্পাছ (জি এছ ৰোড), পূবত এইচ পি এপাৰ্টমেণ্ট আৰু পশ্চিমত চিত্তৰঞ্জন শৰ্মা আৰু আফৰডাই বিউটী পাৰ্লাৰ। ইফালে, ৬ জনকৈ ক’ৰ’না ৰোগী ধৰা পৰাৰ পিছতে ন-মাইলৰ চি আৰ পি এফ গ্ৰুপ চেণ্টাৰ আজি দিনৰ ২ বজাৰ পৰা কাৰ্যকৰী হোৱাকৈ কণ্টেইনমেণ্ট জ’ন ঘোষণা কৰিছে কামৰূপ মহানগৰ জিলা প্ৰশাসনে। এই জ’নৰ উত্তৰে কে ভি, চি আৰ পি এফ গ্ৰুপ চেণ্টাৰ, দক্ষিণে চিকিৎসকৰ আবাস আৰু বেৰেক নং ৬ আৰু ৭, পূবত আমৰিগোগ পাহাৰ অঞ্চল আৰু পশ্চিমত ষ্টাফ কোৱাটাৰ্ছ। কণ্টেইনমেণ্ট জ’ন দুটাত অকৰ্তৃত্বশীল ব্যক্তিৰ আহ-যাহ সম্পূৰ্ণৰূপে বন্ধ কৰা হৈছে।



*পানীত বুৰিল হাতীগাঁও পথ, শনিবাৰে।*

## এজাক বৰষুণতে গুৱাহাটীৰ ঠায়ে ঠায়ে একাঁঠু পানী

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** বিগত কেইবাটাও দিন নেৰানেপেৰাকৈ হোৱা বৰষুণৰ ফলত গুৱাহাটী মহানগৰীৰ ভালেমান অঞ্চল জলমগ্ন হৈ পৰিছে। শুকুৰবাৰে নিশা হোৱা প্ৰবল বৰষুণৰ ফলত মহানগৰীৰ চানমাৰি, গান্ধীবস্তি, জু-ৰোড, অনিলনগৰ, আমবাৰী, হেদায়েৎপুৰ, ৰূপনগৰ, লাচিতনগৰ আদি অঞ্চলত কৃত্ৰিম বান সৃষ্টি হয়। লাচিতনগৰত গুৱাহাটী পৌৰ নিগমৰ পাম্পৰ দ্বাৰা উপপথত জমা হোৱা পানী বাহিৰ উলিয়াই দিয়া হয়। আনহাতে, ৰূপনগৰৰ মুক্তি যুঁজাৰু পথত এজাক বৰষুণতে একাঁঠু পৰ্যন্ত কৃত্ৰিম বান সৃষ্টি হয়। পূব গুৱাহাটী সমষ্টিৰ ১৮ নম্বৰ ৱাৰ্ডৰ অন্তৰ্গত পথটিত জমা হোৱা পানী ওলাই যোৱাৰ সুব্যৱস্থা এতিয়াও নাই। বাৰিষা অহাৰ লগে লগে স্থানীয় ৰাইজৰ দুৰ্ভোগ আৰম্ভ হয়। পথছোৱা মেৰামতি কৰি যাতায়াতৰ উপযোগী কৰাৰ লগতে পানী ওলাই যোৱাৰ ব্যৱস্থা কৰিবলৈ স্থানীয় ৰাইজে সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে।

## ভূতনাথত চুলাইৰ বেহা, ৰাইজে খাইছে তিতা-কেঁহা

**মহানগৰ বাতৰি সেৱা**

**ভৰলুমুখ, ২৩ মে’ ঃ** লক্‌ডাউনৰ সময়ছোৱাত আবকাৰী বিভাগে মহানগৰীৰ বিভিন্ন স্থানত চুলাইৰ ঘাটী উচ্ছেদ কৰি আহিছে যদিও ভূতনাথ বজাৰত মুকলিকৈ চুলাই বিক্ৰী চলি থকাৰ অভিযোগ কৰিছে স্থানীয় বাসিন্দাসকলে। অভিযোগ অনুসৰি ভৰলুমুখ আৰক্ষী থানাৰপৰা প্ৰায় এক কিলোমিটাৰ দূৰত্বত থকা ভূতনাথ বজাৰখনত পূৰ্বৰেপৰা চুলাইৰ বিক্ৰী চলি আহিছে। লক্‌ডাউনৰ সময়ছোৱাতো পুৱাৰেপৰা সেই স্থানত জুৱা, মদৰ আড্ডা বহে। বিভিন্ন স্থানৰ অচিনাক্ত লোকে ইয়াত ভিৰ কৰে। বিশেষকৈ দুপৰীয়া ৩ বজাৰপৰা সন্ধিয়া ৬ বজালৈ এইকেইদিন যথেষ্ট ভিৰ হোৱা বুলি স্থানীয় লোকে জনায়। হঠাৎ কেতিয়াবা আবকাৰী বিভাগে সেই স্থানত অভিযান চলায় যদিও অভিযান চলোৱাৰ কিছু সময়ৰ পিছতে পুনৰ চুলাইৰ বিক্ৰী আৰম্ভ হয়। কোনো ধৰণৰ সামাজিক দূৰত্ব মানি নচলি, মাস্ক পৰিধান নকৰাকৈ ভিৰ কৰাৰ ফলত সেইসকল লোকৰপৰা ক’ৰ’না ভাইৰাছৰ সংক্ৰমণ হোৱাৰ আশংকা প্ৰকাশ কৰিছে ৰাইজে। জিলা প্ৰশাসন, আৰক্ষী, আবকাৰী বিভাগ, ৰেল বিভাগক জনোৱাৰ পিছতো বজাৰখনত অবৈধভাৱে বিক্ৰী হৈ থকা চুলাইৰ ব্যৱসায় বন্ধ কৰিব নোৱাৰাৰ অৰ্থ আবকাৰী বিভাগ তথা আৰক্ষীৰ লগত বেপাৰীসকলৰ গোপন বুজাবুজি বুলি অভিযোগ কৰিছে স্থানীয় লোকসকলে।

## আৰ্তজনক ৬০ দিনে দুপৰীয়াৰ আহাৰ খুৱালে তুলতুল কছাৰীয়ে

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** ক’ৰ’না ভাইৰাছৰ সংক্ৰমণৰ বাবে চলি থকা লক্‌ডাউনৰ সময়ছোৱাত দুখীয়া, আৰ্তজনক বিভিন্ন ব্যক্তি-প্ৰতিষ্ঠানে সহায়ৰ হাত আগবঢ়াই আহিছে। ক্ষুদ্ৰ ব্যৱসায়ী তুলতুল কছাৰীয়ে গুৱাহাটীৰ বিভিন্ন প্ৰান্তৰ দুখীয়া, বিশেষভাৱে সক্ষম, পথৰ দাঁতিত থকা ৰোগাক্ৰান্তসকলক ২৫ মাৰ্চৰপৰাই দুপৰীয়াৰ আহাৰ যোগান ধৰি আহিছে। শনিবাৰে এই কাৰ্যসূচীৰ ৬০ দিন সম্পূৰ্ণ কৰিলে। আজিৰ দিনটোতো ব্যৱসায়ীজনে বৰা ছাৰ্ভিচ, ভঙাগড়, উলুবাৰীৰ উৰণীয়া সেতুৰ তলত, গণেশগুৰিৰ উৰণীয়া সেতুৰ তলত, পল্টনবজাৰ, শুক্ৰেশ্বৰ, চানমাৰি, ভৰলু আদি অঞ্চলত থকা দুখীয়া, আশ্ৰয়হীন লোকসকলক দুপৰীয়াৰ আহাৰ যোগান ধৰে।



## ব্যৱসায়িক প্ৰতিষ্ঠানৰ ট্ৰেড লাইচেন্স, অবৈধ পাৰ্কিং নিৰীক্ষণ পৌৰ নিগমৰ

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** গুৱাহাটী পৌৰ নিগমে মহানগৰীৰ পাণবজাৰ, ফাঁচীবজাৰ, মাছখোৱা আৰু আঠগাঁও অঞ্চলত অবৈধ পাৰ্কিং, বয়বস্তু বোজাই কৰা আৰু নমোৱা বাহনৰ উপৰি ব্যৱসায়িক প্ৰতিষ্ঠানৰ ট্ৰেড লাইচেঞ্চৰ আজি ব্যাপক নিৰীক্ষণ চলায়। পুৱা ৭-৩০ বজাৰপৰা বিয়লি ৪ বজালৈ চলা পৰিদৰ্শন কালত বহু বাহনে নীতি বিৰুদ্ধভাৱে জধে-মধে পাৰ্কিং কৰি মাল-বস্তু উঠোৱা-নমোৱা কৰাটো ধৰা পৰে। নিগমৰ আয়ুক্ত দেৱজ্যোতি হাজৰিকাৰ তত্বাৱধানত আৰু কালেক্টৰ নৱদ্বীপ চাংমাইৰ নেতৃত্বত মণ্ডল ভিত্তিত গঠিত তিনিটা দলে এই পৰিদৰ্শন চলায়। ইয়াৰে কেন্দ্ৰীয় মণ্ডলৰ দলে এম জি ৰোড, কেডাৰ ৰোড আৰু টি আৰ ফুকন ৰোডত ৭৯ খন দোকান, পশ্চিম মণ্ডলৰ দলে এফ এ ৰোড, এইচ বি ৰোড, কেডাৰ ৰোডত ১৯ খন দোকান আৰু দক্ষিণ মণ্ডলে এছ এছ ৰোডত ৮০ খন দোকান নিৰীক্ষণ কৰে। দলকেইটাই ঘাইকৈ দোকানসমূহত বাহনেৰে বয়-বস্তু উঠোৱা-নমোৱা, ট্ৰেড লাইচেঞ্চৰ নৱীকৰণ আৰু ডাষ্টবিন সঠিক স্থানত বহুওৱা হৈছে নে নাই পৰ্যবেক্ষণ কৰে। এছ এছ ৰোডত বহু প্ৰতিষ্ঠানে ট্ৰেড লাইচেঞ্চ নৱীকৰণ নকৰাটো ধৰা পেলায় নিৰীক্ষণ কৰা দলে।



## নেকিবুৰ ৰহমান হাজৰিকাক সম্বৰ্দ্ধনা

**মহানগৰ বাতৰি সেৱা**

**গুৱাহাটী, ২৩ মে’ ঃ** মহামাৰী ক’ৰ’না ভাইৰাছ প্ৰতিৰোধ কৰাৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে আহ্বান জনোৱা লক্‌ডাউনৰ সময়ত ঘৰতে আৱদ্ধ হৈ সীমাহীন সমস্যাৰ সন্মুখীন হোৱা ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ কেইবাশ পৰিয়ালক খাদ্য সামগ্ৰী যোগান ধৰা সমাজকৰ্মী নেকিবুৰ ৰহমান হাজৰিকাক আজি পূব গুৱাহাটী প্ৰেছ ক্লাবে সম্বৰ্দ্ধনা জনায়। এই সন্দৰ্ভত আজি সামাজিক দূৰত্ব বৰ্তাই ৰাখি প্ৰেছ ক্লাব কৰ্তৃপক্ষই নাৰেংগীৰ সৰস্বতী ডেন্স একাডেমীত আয়োজন কৰা এক অনুষ্ঠানত হাজৰিকাক গামোচা আৰু সম্বৰ্দ্ধনা পত্ৰ জ্ঞাপন কৰে। সভাত প্ৰেছ ক্লাবৰ এই কৃতজ্ঞতাৰ শলাগ লৈ ভৱিষ্যতে প্ৰেছ ক্লাবৰ ইতিবাচক কাম-কাজত সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিয়ে হাজৰিকাই।

## লক্‌ডাউনসৃষ্ট মন্দাৱস্থাত উদ্বিগ্ন ব্যৱসায়ী

**গোকুল তালুকদাৰ**

**গুৱাহাটী, ২৩ মে’ ঃ** কোভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ উদ্দেশ্যে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা লক্‌ডাউনৰ সময়ত গুৱাহাটীকে ধৰি ৰাজ্যৰ সৰ্বস্তৰতে আৰম্ভ হৈছে ব্যাপক পৰিৱৰ্তন। জনসাধাৰণৰ মাজত এফালে ক’ৰ’নাৰ আতংক, আনফালে খাটি খোৱা শ্ৰমিকৰ মাজত আৰম্ভ হৈছে অৰ্থনৈতিক সংকট। বিশেষকৈ মহানগৰীত কৰ্মৰত চৰকাৰী-বেচৰকাৰী শ্ৰমিক-কৰ্মচাৰীকে ধৰি শ্ৰমজীৱী লোকৰ মাজত দেখা দিয়া এনে মন্দাৱস্থাই সম্প্ৰতি মহানগৰীৰ ব্যৱসায়-বাণিজ্যসমূহতো ব্যাপক প্ৰভাৱ পেলাইছে। ফলত জীৱন-জীৱিকালৈ ভাবুকি নামি আহিছে একাংশ লোকৰ। তদুপৰি এনে প্ৰতিকূল সময়ৰ সুযোগ গ্ৰহণ কৰি একাংশ ব্যৱসায়ীয়ে বিভিন্ন অত্যাৱশ্যকীয় সামগ্ৰীৰ ব্যাপক মূল্যবৃদ্ধি কৰি ৰমৰমীয়া ক’লা ব্যৱসায় চলাই আহিছে। ফলত ইয়াৰ প্ৰভাৱত খুচুৰা বিক্ৰেতা আৰু সাধাৰণ গ্ৰাহকে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। পাণ দোকান, মাছ-মাংসৰ দোকান, পাচলিৰ দোকান আৰু গেলামালৰ দোকানৰপৰা পেট্ৰ’ল পাম্পলৈ সৰ্বস্তৰত মাথোঁ মূল্যবৃদ্ধিৰ জোৱাৰ। এফালে ক’ৰ’নাৰ আতংক আৰু অৰ্থনৈতিক সংকট, আনফালে ব্যাপক মূল্যবৃদ্ধি। বিহিত ব্যৱস্থা গ্ৰহণ কৰাত ব্যৰ্থ চৰকাৰী বিভাগ। এই সন্দৰ্ভত নাৰেংগীৰ মেছাৰ্চ শংকৰ ষ্ট’ৰৰ গৰাকী মৃদুল শৰ্মাই কয়, ‘নিয়মমাফিক দোকান খুলি আছোঁ যদিও গ্ৰাহকৰ সংখ্যা নিচেই তাকৰ। ২৪ মাৰ্চৰ আগলৈ প্ৰতিদিনে ৫-৬ হাজাৰ টকাৰ সামগ্ৰী বিক্ৰী কৰিছিলোঁ। কিন্তু তৃতীয়-চতুৰ্থ লক্‌ডাউনৰ সময়ত মাত্ৰ ২ হাজাৰৰপৰা ২৫০০ টকালৈহে বিক্ৰী হৈছে। লক্‌ডাউনৰ সময়ত মানুহৰ উপাৰ্জন কমিছে। আনহাতে, সামগ্ৰীৰ মূল্যবৃদ্ধি হৈছে। গতিকে গ্ৰাহকৰ সংখ্যা কমিছে। বিশেষকৈ চাউল, দাইল, আটা, চেনি, আলু, পিঁয়াজ আদি সামগ্ৰীৰ মূল্য বাঢ়িছে। ২৪ মাৰ্চৰ আগলৈ ভাল মচুৰ দাইলৰ প্ৰতি কুইণ্টলৰ মূল্য আছিল ৬৪০০ টকা। বৰ্তমান সেই দাইলৰ মূল্য যাতায়াতী খৰচসহ কুইণ্টলত ৭৫০০ টকা হৈছে। ইপিনে, ‘হৰি পাণ শ্বপ’ৰ স্বত্বাধিকাৰী হৰি ডেকাই কয়— ‘২৪ মাৰ্চৰ আগলৈ আমি প্ৰতিদিনে ১২ হাজাৰ টকাৰ পৰা ১৫ হাজাৰ টকা পৰ্যন্ত পাণ বিক্ৰী কৰিছিলো। কিন্তু লক্‌ডাউনৰ সময়ত চৰকাৰী নিৰ্দেশনাৰ পিছত যেতিয়া দোকান খোলা আৰম্ভ কৰোঁ এতিয়া মাত্ৰ ২০০০ টকাৰ পৰা ২৫০০ টকাৰহে বিক্ৰী হৈ আছে। ইয়াৰে দোকানৰ ভাৰা, তিনিজন কৰ্মচাৰীৰ ১৩ জনীয়া পৰিয়ালৰ ভৰণ-পোষণ বৰ্তমান আমাৰ বাবে কঠিন হৈ পৰিছে। ইপিনে, মহানগৰীত চলাচল কৰা যান-বাহনৰ ক্ষেত্ৰতো মূল্যবৃদ্ধিৰ প্ৰভাৱ পৰিছে। এই সন্দৰ্ভত গীতানগৰৰ ‘শিৱম ছাৰ্ভিচ ষ্টেচন’ৰ মেনেজাৰ ৰাকেশ বৰুৱা আৰু কৰ্মচাৰীসকলৰপৰা জানিব পৰা মতে, বৰ্তমান পেট্ৰ’ল পাম্পত গ্ৰাহকৰ সংখ্যা অধিক হ্ৰাস পাইছে। পূৰ্বে ১৫০০ লিটাৰৰপৰা ২২০০ লিটাৰলৈ পেট্ৰ’ল প্ৰতিদিনে বিক্ৰী হৈছিল যদিও চতুৰ্থ পৰ্যায়ৰ লক্‌ডাউনৰ সময়ত বৰ্তমান প্ৰতিদিনে ৫০০ৰপৰা ৬০০ লিটাৰ পেট্ৰ’লহে বিক্ৰী হৈ আছে। কাৰণ লক্‌ডাউনৰ পূৰ্বে অৰ্থাৎ ২৪ মাৰ্চ পৰ্যন্ত প্ৰতি লিটাৰ পেট্ৰ’লৰ মূল্য আছিল ৭১.৬১ টকা। কিন্তু যোৱা ২২ এপ্ৰিলৰ নিশাৰপৰা প্ৰতি লিটাৰ পেট্ৰ’লৰ মূল্য হয় ৭৭.৪৬ টকা। ইপিনে, গুৱাহাটীকে ধৰি সমগ্ৰ দেশতে কেতিয়ালৈ পূৰ্বৰ অৱস্থা ঘূৰি আহিব, সেয়া চৰকাৰেও নিৰূপণ কৰিব পৰা নাই। গতিকে এনেবোৰ সমস্যাই বৰ্তমান চিন্তিত কৰিছে মহানগৰবাসীক।

# গাঁঠিৰ ধনেৰে হোটেলত থাকি আনৰপৰা খুজি খাইছে ভাত

## শিৱসাগৰত ঘৰৰপৰা এশ মিটাৰ দূৰৰ কোৱাৰেণ্টাইন চেণ্টাৰত থকা লোকৰ দুৰৱস্থা

নিজা বাতৰি দিওঁতা

**শিৱসাগৰ, ২৩ মে’ ঃ** কেইবাকোটি টকা ব্যয়েৰে নিৰ্মাণ কৰোৱা শিৱসাগৰ আৰবান মডেল চিকিৎসালয়ত পানী যোগান ব্যৱস্থা বিকল হৈ পৰিছে। যাৰ বাবে কোৱাৰেণ্টাইনত থকা লোকসকল ব্যাপক সমস্যাৰ সন্মুখীন হ’ব লগাত পৰিছে। চৰকাৰে হোটেলতো বিনামূলীয়াকৈ কোৱাৰেণ্টাইনৰ সুবিধা প্ৰদান কৰিছিল যদিও শিৱসাগৰত বহিঃৰাজ্যৰপৰা অহা এনে লোকে হোটেলত থকাৰ বিশেষ সুবিধা পোৱা নাই। যি দুই-এগৰাকী হোটেলত আছে তেওঁলোকেও অধিক টকা ভৰিব লগাত পৰিছে। তদুপৰি এখন হোটেলে দিবলগীয়া সা-সুবিধাৰপৰা তেওঁলোকক বঞ্চিত কৰা হৈছে। চৰকাৰে নিৰ্দ্ধাৰণ কৰি দিয়া ভাৰাতকৈ অধিক ভৰিব লগাত পৰিছে। যোৰহাটতো একেই অৱস্থা। কোভিড-১৯ পৰীক্ষাৰ ফলাফল অহাৰ পূৰ্বেই কেইবাখনো হোটেলৰ মালিকক কোভিডমুক্তৰ প্ৰমাণ-পত্ৰ লাগে। এনে প্ৰমাণ-পত্ৰ দিব নোৱৰা লোকক হোটেলত থাকিবলৈ দিয়া নাই মালিক পক্ষই। শিৱসাগৰৰ মডেল চিকিৎসালয়ত পানীৰ অভাৱত থাকিব নোৱাৰি দিলীপ দাস নামৰ এগৰাকী ব্যক্তিয়ে শেহতীয়াভাৱে হোটেলত আশ্ৰয় ল’ব লগাত পৰিছে। গয়ালৈ গৈ আবদ্ধ হৈ পৰাৰ পিছত যোৱা ১৫ মে’ৰ দিনা ৰেলযোগে তেওঁ মৰিয়নী ৰেল ষ্টেচন পোৱাৰ পিছত প্ৰশাসনে তেওঁক আমগুৰিলৈ আৰু একেদিনাই সন্ধিয়া শিৱসাগৰ চহৰৰ আৰবান মডেল চিকিৎসালয়লৈ আনি কোৱাৰেণ্টাইন কৰায়। কোৱাৰেণ্টাইন কক্ষৰপৰা দিলীপ দাসৰ ঘৰলৈ দূৰত্ব হ’ব প্ৰায় ১০০ মিটাৰ। হ’লেও স্বাস্থ্য বিভাগৰ নিৰ্দেশ পালন কৰিবলৈ তেওঁ বাধ্য। তেওঁৰ পত্নী বৰ্তমানো কলকাতাত আবদ্ধ হৈ আছে। নিজৰ ঘৰৰ চাবি তেওঁ জেপত লৈ কোৱাৰেণ্টাইন হ’ল চৰকাৰী চিকিৎসালয়খনত। কিন্তু তেওঁক বিপদে লগ নেৰিলে। কোৱাৰেণ্টাইন কক্ষত পানীৰ বিশেষ ব্যৱস্থা নাই। স্নানাগাৰ তথা প্ৰস্ৰাৱাগাৰৰ এটা টেপৰপৰা পানী সংগ্ৰহ কৰিব লাগে। টেপটোত অতি কম পানী ওলায়। তদুপৰি পানীত আইৰণৰ পৰিমাণ বেছি। পাঁচটাকৈ দিন ধৰি পানীৰ অভাৱত গা ধুব নোৱাৰি তেওঁ জিলা প্ৰশাসনক হোটেলত নিজা টকা খৰচ কৰি কোৱাৰেণ্টাইনত থাকিব বুলি জনায়। প্ৰশাসনে তেওঁক ‘ৰাজপেলেচ’ নামৰ হোটেলখনত নিজা টকা ব্যয় কৰি থকাৰ নিৰ্দেশ দিয়ে। কোৱাৰেণ্টাইন কক্ষৰপৰা তালৈ টোপোলা বান্ধি তেওঁ হোটেলৰ এটা কোঠাত প্ৰৱেশ কৰে। কিন্তু বিড়ম্বনাই যেন তেওঁৰ লগ নেৰিলে। নিশা প্ৰায় ৮ বজাত আহাৰৰ অৰ্ডাৰ দিবলৈ গৈ স্তম্ভিত হয়। হোটেলৰ কৰ্মচাৰীয়ে ৰান্ধনী নথকাৰ বাবে কোনো কাৰণতেই নিশাৰ আহাৰ যোগান ধৰিব নোৱাৰে বুলি স্পষ্ট কৰি দিয়ে। উপায়হীন হৈ তেওঁ নিশা চিনাকি ব্যক্তিলৈ ফোন কৰি আহাৰ বিচাৰে। যোৱা ১৯ মে’ৰ নিশাৰেপৰা আজি পৰ্যন্ত তেওঁ পুৱা, দুপৰীয়া আৰু নিশাৰ আহাৰ আনৰপৰা ফোন কৰি খুজি খুজি খাব লগাত পৰিছে। উল্লেখ্য যে চৰকাৰে কোৱাৰেণ্টাইনত থকা লোকৰ সমস্ত খৰচ বহন কৰিব বুলি ব্যক্ত কৰিছে। তদুপৰি হোটেলৰ ভাৰা পৰ্যন্ত নিৰ্দ্ধাৰণ কৰি দিছে। শিৱসাগৰ চহৰৰ হোটেল ব্ৰহ্মপুত্ৰ, শিৱপেলেচ আৰু সিদ্ধাৰ্থ হোটেলত থকাৰ সকলো ব্যৱস্থা থকাৰ পিছতো এই ব্যক্তিগৰাকীক ৰান্ধনী নথকা ‘ৰাজপেলেচ’ নামৰ হোটেলত থাকিবলৈ দিয়াক লৈ প্ৰশ্ন উঠিছে। একেদৰে কেইবাকোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰোৱা শিৱসাগৰ আৰবান মডেল চিকিৎসালয়ৰ পানীৰ ব্যৱস্থা কিয় উন্নত কৰিব পৰা নাই? ই হৈছে লাখটকীয়া প্ৰশ্ন। ইফালে যোৰহাটতো একাংশ হোটেল ব্যৱসায়ীয়ে এই দুৰ্যোগৰ সময়তো বিপদাপন্ন লোকৰপৰা অধিক টকা আদায় লোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। এগৰাকী ব্যক্তিয়ে বহিঃৰাজ্যৰপৰা অহাৰ পিছত চৰকাৰে তেওঁক হোটেল কিম্বা হোম কোৱাৰেণ্টাইনত থকাৰ নিৰ্দেশ দিয়ে। তদুপৰি চৰকাৰে নিজাববীয়াকৈ নিৰ্মাণ কৰোৱা কোৱাৰেণ্টাইন কক্ষতো থকাৰ সুযোগ দিয়ে।

## তিনিচুকীয়া জিলাত প্ৰথমজন কোভিড-১৯ পজিটিভ চিনাক্ত

জিলাৰ বাতৰি দিওঁতা

**তিনিচুকীয়া, ২৩ মে’ ঃ** উজনি অসমৰ তিনিচুকীয়া জিলাও কোভিড-১৯ তালিকাত সোমাল। যোৱা নিশা এজন যুৱকৰ দেহত ক’ৰ’না ভাইৰাছৰ অৱস্থিতি ধৰা পৰাৰ খবৰে জিলাখনৰ ৰাইজৰ মাজত আতংকই বিৰাজ কৰিছে। ক’ৰ’না ভাইৰাছ আক্ৰান্ত যুৱকজন হৈছে জিলাখনৰ ছৈখোৱা অঞ্চলৰ সুবন্ত দহোটীয়া (২৪)। সুবন্ত দহোটীয়াই ২০১৯ চনৰ অক্টোবৰ মাহত কৰ্মসংস্থাপনৰ বাবে তামিলনাডুলৈ গৈছিল। দেশত অব্যাহত থকা লক্‌ডাউনৰ সময়ত তামিলনাডুতো ক’ৰ’না ভাইৰাছ বৃদ্ধি পোৱাৰ বাবে শ্ৰমিক এক্সপ্ৰেছ ৰেলযোগে গুৱাহাটীত উপস্থিত হোৱাৰ পিছত ১৮ মে’ত তিনিচুকীয়া পায়। তিনিচুকীয়াত উপস্থিত হোৱাৰ পিছত মাকুম পথত থকা মানধানীয়া ভৱনত প্ৰশাসনে স্থাপন কৰা কোৱাৰেণ্টাইন কেন্দ্ৰত ৰখা হৈছিল। কালি যুৱকজনৰ শৰীৰত কোভিড-১৯ পজিটিভ হোৱাত তেওঁক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়লৈ নিয়া হয়। উল্লেখযোগ্য যে বহিঃৰাজ্যৰপৰা আহি তিনিচুকীয়াত আজি দুপৰীয়ালৈকে প্ৰৱেশ কৰা ১,২৫৪জনক স্ক্ৰীণিং কৰা হৈছে আৰু ৮৬০জনৰ লেলাউটি টেষ্টৰ বাবে নমুনা সংগ্ৰহ কৰা হৈছে। কালি কোভিড-১৯ পজিটিভ পোৱা যুৱকজন ডুমডুমা ৰাজহ চক্ৰৰ অন্তৰ্গত ছৈখোৱাৰ হাঁহখাটী অঞ্চলৰ মালভোগ গাঁৱৰ কৃষক কমল দহোটীয়াৰ পুত্ৰ।

## বটদ্ৰৱাৰ কোৱাৰেণ্টাইন কেম্পত এজন পজিটিভ

নিজা বাতৰি দিওঁতা

**বেৱেজীয়া, ২৩ মে’ ঃ** বটদ্ৰৱা সমষ্টিৰ বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ত তামিলনাডুৰপৰা অহা ৫৯জন শ্ৰমিকক কোৱাৰেণ্টাইন কৰা হৈছিল যোৱা ১৮ মে’ত। এই লোকসকলৰ নমুনাৰ ফলাফল কালি আহে। নমুনাত এজনক পজিটিভ পোৱা বুলি জানিব পৰা গৈছে। পজিটিভ যুৱকজনৰ নাম নাজিবুৰ হুছেইন বুলি জানিব পৰা গৈছে। নাজিবুৰৰ ঘৰ ধিঙৰ সূতাৰ গাঁৱত। কালি নিশা ১০-৩০ বজাত নাজিবুৰক নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ হস্তান্তৰ কৰে নগাঁও জিলা স্বাস্থ্য বিভাগ আৰু প্ৰশাসনৰ লোকে।

# শিংখাট পথৰ জিঅ’ বেগ পানীয়ে উটুৱাই নিলে



## ৰাইজে অনা দুৰ্নীতিৰ অভিযোগ প্ৰমাণ হ’ল!

নিজা বাতৰি দিওঁতা

**ছয়গাঁও, ২৩ মে’ ঃ** কামৰূপ জিলাৰ ছয়গাঁও টাউনৰ সন্মুখত থকা ছয়গাঁও শিৱ মন্দিৰ সংলগ্ন শিংখাট পথৰ এটা অংশ আজি হঠাতে খহি পৰে। ঠাইখনত কলহী নদীৰ খহনীয়া প্ৰতিৰোধ কৰিবলৈ কেইবাশ জিঅ’ বেগ ব্যৱহাৰ কৰিছিল। ছয়গাঁও উন্নয়ন খণ্ড কাৰ্যালয়ৰ জৰিয়তে এম জি এনৰেগা আঁচনিৰপৰা এই কামটোৰ বাবদ ৪,৮৩,৬০০ টকা অনুমোদন হৈছিল। এই কামটোত ভয়াৱহ দুৰ্নীতি হোৱা বুলি অভিযোগ উঠিছিল। কাম চলি থকা সময়তে স্থানীয় ৰাইজে বি ডি অ’ লীনা হাজৰিকা আৰু কনিষ্ঠ অভিযন্তা মজিবুৰ ৰহমানক এনে অভিযোগ দিছিল। চাৰিদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণত বৃদ্ধিপ্ৰাপ্ত পানীৰ সোঁতে জিঅ’ বেগবোৰ উটুৱাই লৈ যায়। খহনীয়া হোৱা এলেকাৰ ওচৰতে থকা ৰাজহুৱা শ্মশানখনৰ লগতে কেইবাটাও পৰিয়াললৈ তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। এই পথ খহি নৈত বিলীন হৈ গ’লে বহু লোকে নানা সমস্যাৰ সন্মুখীন হ’ব।

# ৰঙিয়াত ফেনে-ফোটোকাৰে বাঢ়িছে বৰলীয়া, পুঠিমাৰী, নোনা নদী

নিজা বাতৰি দিওঁতা

**ৰঙিয়া, ২৩ মে’ ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ৰঙিয়াতো যোৱা চাৰি দিন ধৰি অব্যাহত থকা নেৰানেপেৰা বৰষুণৰ ফলত ফেনে-ফোটোকাৰে বাঢ়ি আহিছে মহকুমাটোৰ বৰলীয়া, পুঠিমাৰী আৰু নোনা নদীৰ জলপৃষ্ঠ। বৰলীয়া নৈৰ বাঢ়নী পানীয়ে ইতিমধ্যে ৰঙিয়া ৰাজহ চক্ৰৰ অন্তৰ্গত পূব তৰণী, হাছানটুক, কৰৰা গড়ভিতৰ, চিকনিবাৰী, লাহাপাৰা, বিহাপাৰা, চেনিমাৰা, দ্বাৰকুছি, কেকেৰিকুছি আদিকে ধৰি কেইবাখনো গাঁৱৰ বিস্তীৰ্ণ অঞ্চল জলমগ্ন কৰিছে। ৰঙিয়াৰ বাথান, চৌমুখা, বৰকুকুৰীয়া, ধুহি (বৰলীয়াপাৰ), গোপালপুৰ আদিতো বৰলীয়াৰ বাঢ়নী পানীয়ে আতংকৰ সৃষ্টি কৰিছে। কাৰণ এই অঞ্চলবোৰত বৰলীয়াৰ মথাউৰি যথেষ্ট দুৰ্বল আৰু চাপৰ। কেইবাঠাইতো মথাউৰিৰ অৱস্থা যথেষ্ট শোচনীয়। নৈখনৰ জলপৃষ্ঠ বাঢ়ি থাকিলে মথাউৰি ছিগি প্ৰলয়ৰ সূচনা হোৱাৰ আশংকা প্ৰবল। কলমনিত নৈখনৰ বাঢ়নী পানী মথাউৰিৰ তলেৰে নিগৰিবলৈ ধৰাত আতংকৰ পৰিৱেশ সৃষ্টি হৈছে। এই অঞ্চলত ৰাইজে দিনে-নিশাই মথাউৰিত পহৰাৰ ব্যৱস্থা কৰিছে। আনহাতে, বৰলীয়াৰ কোবাল সোঁতে যোৱা নিশা চৌমুখাত কেন্দুকোণা আৰু নলবাৰী জিলাৰ মৰোৱা সংযোগী ঐতিহাসিক বগলছ ৰোডৰ অস্থায়ী বাঁহৰ দলং এখন উটুৱাই লৈ যায়। উল্লেখ্য যে এই স্থানত গড়কাপ্তানি বিভাগে এখন পকী দলং নিৰ্মাণ কৰি আছে। ইপিনে, ভুটানৰপৰা বৈ অহা পুঠিমাৰী নদীৰ জলপৃষ্ঠও বিপজ্জনকভাৱে বাঢ়ি আছে। হাঁহাৰাৰ লেচাকোণা, বৰবিলা, বগৰীবাৰী, খাতপাৰা, ধূলাবাৰী, উত্তৰ হাৰিঝোৰা, লাউতুলি, দলংঘাট, বৰদল, ভেহবাৰী আদি গাঁৱৰ ৰাইজে বানৰ আশংকাত বিনিদ্ৰ ৰজনী কটাবলগীয়া হৈছে। কেইবাঠাইতো ৰাইজে মথাউৰিত দিনে-নিশাই পহৰা দিয়াৰ ব্যৱস্থা কৰিছে।

### বৰলীয়াৰ বাঢ়নী পানীয়ে বুৰাইছে বিস্তীৰ্ণ অঞ্চল

নৈখনৰ বাঢ়নী পানীয়ে ৰঙিয়া মধকুছি গড়কাপ্তানি পথৰ জৰাজীৰ্ণ কাঠৰ দলংখন যিকোনো সময়তে উটুৱাই নিয়াৰ শংকা প্ৰকট হৈ পৰিছে। ৰাইজে সম্প্ৰতি দলংখনেৰে যাতায়াত বন্ধ কৰি দিছে। আনহাতে, ৰঙিয়াৰ পশ্চিম দিশেৰে বৈ যোৱা নোনা নৈৰ জলপৃষ্ঠ বিপজ্জনকভাৱে বৃদ্ধি পাই থকাত বটাকুছি, হাৰিয়ানডাব, নোনাপাৰ, কোঠৰা, তাৰাকুছি আদি অঞ্চলৰ ৰাইজে আতংকত নিশা কটাবলগীয়া হৈছে। ভূটান পাহাৰৰপৰা বৈ অহা কেইবাখনো নৈয়ে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে ৰঙিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত গোৰেশ্বৰ আৰু ইয়াৰ পাৰ্শ্বৱৰ্তী বিশাল অঞ্চলত। গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত অৰ্দ্ধশতাধিক গাঁৱত এতিয়া সম্ভাব্য বানৰ আশংকাত ত্ৰস্তমান ৰাইজ। ভূটানৰ পাহাৰৰপৰা হঠাৎ নামি অহা পানীৰ ধলে গোৰেশ্বৰ ৰাজহ চক্ৰৰ দেওচুঙা, বাঙালীপাৰা, মহৰিপাৰা আদি অঞ্চলৰ ভালেসংখ্যক গাঁও বুৰাই পেলাইছে। দেওচুঙা নদীৰ বাঢ়নী পানীয়ে ডোঙাৰগাঁও, বাঙালীপাৰা, অম্বৰীশ নগৰ, পিপলেনি, গাৰোবস্তি আদিত যথেষ্টসংখ্যক লোকৰ ঘৰ-বাৰীৰ ক্ষতিসাধন কৰাৰ লগতে কৃষিভূমিৰ বিস্তৰ ক্ষতি কৰিছে। ইফালে, নেৰানেপেৰা বৰষুণে ৰঙিয়া চহৰত ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। চহৰখনৰ সৰস্বতী কল’নী, মিল ৰোড, ষ্টেডিয়াম কল’নী, দীপ্তি নগৰ, দলৈ মুৰাৰা, ষ্টেচন ৰোড আদিত এতিয়া নাজল-নাথল পৰিস্থিতি। এই অঞ্চলবোৰৰ নাগৰিকৰ ঘৰৰ চোতালত এতিয়া একাঁঠু পৰ্যন্ত পানী। চহৰখনৰ দলৈ মুৰাৰা পথ, কলেজ ৰোড, নুৰুদ্দিন পথ, মিল ৰোড আদিত বিৰাজ কৰিছে পূতিগন্ধময় পৰিস্থিতি। ৰঙিয়া ৰেলৱে হাইস্কুল, ৰঙিয়া ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয় আদিৰ চোতালত একাঁঠু পৰ্যন্ত পানী। নেৰানেপেৰা বৰষুণৰ বাবে জনজীৱন হৈ পৰিছে বিঘ্নিত।

## কমলপুৰ-লেজা-বোৰ্কা পথত পানী

নিজা বাতৰি দিওঁতা

**কমলপুৰ, ২৩ মে’ ঃ** কামৰূপ জিলাৰ কমলপুৰ-লেজা-বোৰ্কা পথৰ বিধ্বস্ত অৱস্থাৰ বাবে অঞ্চলবাসী ক্ষুব্ধ হৈ পৰিছে। অৰ্দ্ধশতাধিক গাঁৱৰ যাতায়াত ব্যৱস্থাৰ একমাত্ৰ পথটো বিজেপি চৰকাৰৰ আৰম্ভণিতে মেৰামতি কৰা হৈছিল যদিও ঠিকাদাৰৰ মইমতালি আৰু গড়কাপ্টানি বিভাগৰ হেমাহিৰ বাবে মেৰামতিৰ এবছৰ নৌহওঁতেই পুনৰ বিধ্বস্ত হৈ পৰে। বৰ্তমান সম্পূৰ্ণৰূপে বিধ্বস্ত হৈ পৰা পথটোত বৰষুণৰ পানী একাঁঠু পৰ্যন্ত জমা হোৱাত যমৰ যাতনা ভোগ কৰিব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। মহাত্মা গান্ধী আদৰ্শ চিকিৎসালয়, কমলপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, কমলপুৰ উন্নয়ন খণ্ডৰ কাৰ্যালয়, কমলপুৰ থানা, কমলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, কমলপুৰ এম ভি স্কুল, কমলপুৰ শিক্ষা খণ্ড বিষয়াৰ কাৰ্যালয়কে ধৰি বিভিন্ন বিদ্যালয়, মহাবিদ্যালয়, কাৰ্যালয়লৈ অহা-যোৱা কৰা ব্যক্তিসকলে শেহতীয়াভাৱে নৰক যন্ত্ৰণা ভোগ কৰিব লগা হৈছে। বিশেষকৈ কমলপুৰৰ মাজমজিয়াৰপৰা বৰদৈপখিয়াৰ কিছু অংশলৈ থকা পথছোৱা একাংশ লোকৰ মইমতালি আৰু গড়কাপ্টানি বিভাগৰ অৱহেলাত নলাসদৃশ হৈ পৰিছে। পথটোৱে স্পৰ্শ কৰি থকা বৰদৈপখিয়াৰ উপৰি লেজা, বৰুৱাজানী তথা বোৰ্কাতো পথটোৰ বিধ্বস্ত ৰূপ। ৩১ নং ৰাষ্ট্ৰীয় পথৰ দলমা গেটৰপৰা ৰাষ্ট্ৰীয় পথটোৰ চাংসাৰিলৈ সহজে অহা-যোৱা কৰিব পৰা বিকল্প পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ পিছতো গড়কাপ্টানি বিভাগৰ ৰঙিয়া সংমণ্ডলে সম্পূৰ্ণ নিৰ্লিপ্ত ভূমিকা গ্ৰহণ কৰিছে।

## আজিৰ ৰাশিফল

১০ জেঠ, দেওবাৰ; ২৪ মে’

**মেষ ঃ** কৰ্মত অনুৰাগ বৃদ্ধি পাব। মনোবল উন্নত। শুভ ৰং ৰঙা। পাৰিবাৰিক চিন্তা থাকিব। মাংগলিক তৎপৰতা। দুৰ্যোগপূৰ্ণ স্থান ত্যাগ কৰক। ভ্ৰমণ। শুভ সংখ্যা আঠ।

**বৃষ ঃ** কামত বেমেজালি। কোনো লোকে কটু বাক্যবাণ প্ৰয়োগ কৰিব। শুভ ৰং মাখন। ৰক্তচাপ বাঢ়িব পাৰে। ভ্ৰমণত সমস্যা। পাৰিবাৰিকত লক্ষ্য ৰাখক। শুভ সংখ্যা ছয়।

**মিথুন ঃ** উত্তম দ্ৰব্য লাভৰ সম্ভাৱনা। পাৰিবাৰিক শান্তি। শুভ ৰং আকাশী নীলা। অন্যমনষ্ক নহ’ব। ব্যস্ততা বৃদ্ধি। আলহীৰ আগমন। ভ্ৰমণত কষ্ট। শুভ সংখ্যা চাৰি।

**কৰ্কট ঃ** কাৰোবাৰ সৈতে বন্ধুত্ব গঢ়ি উঠিব। ভ্ৰমণত সুখ। শুভ ৰং ৰঙা। সৎ লোকৰ আগমন। স্বাস্থ্যৰ প্ৰতি নজৰ ৰাখক। আৱেগ বৰ্জন কৰক। অৰ্থ নাশ। শুভ সংখ্যা দুই।

**সিংহ ঃ** মানসিক সন্তুষ্টি। আয় বৃদ্ধি পাব। শুভ ৰং গোলাপী। পাৰিবাৰিক শান্তি। ভ্ৰমণত কষ্ট। আলহীৰ আগমন। ৰোগৰ প্ৰতি ভয় বৃদ্ধি। শুভ সংখ্যা আঠ।

**কন্যা ঃ** মানসিক চিন্তাই অশান্তি কৰিব পাৰে। সততা ৰক্ষা পৰিব। শুভ ৰং ৰঙা। মধুমেহ ৰোগত ভুগিব পাৰে। খং কমাওক। শত্ৰু কমিব। অৰ্থ নাশ। শুভ সংখ্যা ছয়।

**তুলা ঃ** পাৰিবাৰিক সমস্যা সমাধান। প্ৰতাৰণাৰ ভয়। শুভ ৰং গোলাপী। আনক লোভ নেদেখুৱাব। সামাজিক দিশত উন্নতি। প্ৰেমত কষ্ট বৃদ্ধি। শুভ সংখ্যা আঠ।

**বৃশ্চিক ঃ** আকস্মিক ভয়। ৰোগৰপৰা সতৰ্ক থাকক। শুভ ৰং আকাশী নীলা। বন্ধুৰ বিচ্ছেদ। শত্ৰুক দুৰ্বল গণ্য নকৰিব। সামাজিক দিশত উন্নতি। ব্যয়। শুভ সংখ্যা দুই।

**ধনু ঃ** মনৰ স্থিৰতা বাঢ়িব। আনৰ তোষামোদত ভোল নাযাব। শুভ ৰং কমলা। আলহীৰ আগমন। সময়ৰ অপচয়। যান-বাহনত সাৱধান। ব্যয়। শুভ সংখ্যা পাঁচ।

**মকৰ ঃ** সমস্যা সমাধান। বিবাহৰ সংযোগ। শুভ ৰং গোলাপী। আনৰ কথা লৈ মূৰ নঘমাব। সামগ্ৰী লাভ। আনে বদনাম দিব পাৰে। ভ্ৰমণ। শুভ সংখ্যা চাৰি।

**কুম্ভ ঃ** ঘৰুৱা সমস্যা সমাধান। সুখাদ্য ভোজনত আগ্ৰহী। শুভ ৰং আকাশী নীলা। দুষ্ট লোকে সন্মান হানি কৰিব পাৰে। আকস্মিক ভয়। দ্ৰব্য লাভ। শুভ সংখ্যা ছয়।

**মীন ঃ** মনৰ সুস্থিৰতা বৃদ্ধি। ভ্ৰমণত সুখ। শুভ ৰং কমলা। আনৰ কথা লৈ মূৰ নঘমাব। ভাতৃ-ভগ্নীক শত্ৰু জ্ঞান নকৰিব। প্ৰেমত উৎকণ্ঠা। ব্যয় বৃদ্ধি। শুভ সংখ্যা দুই।

**আজিৰ দিনটো ঃ** সূৰ্যোদয় ঘঃ ৪-৪২-১, সূৰ্যাস্ত ঘঃ ৫-৫৭-১। তিথি— শুক্লা দ্বিতীয়া, দং ৪৮-০-৩৭ ৰাঘ ১১-৫৪-১৬। নক্ষত্ৰ— ৰোহিনী, দং ১-৩২-১০ প্ৰাতঃ ঘ ৫-২২-৫৩। জন্ম— বৃষ ৰাশি, শূদ্ৰবৰ্ণ, মতান্তৰে বৈশ্যবৰ্ণ, মনুষ্যগণ, সাপৰ অস্থি, মাহেন্দ্ৰযোগ, অ ৰবি, বিং চন্দ্ৰৰ দশা, প্ৰাতঃঘ ৫-২২-৫৩ যোৱাত দেৱগণ, কুকুৰৰ অস্থি। শুভকৰ্ম— গৰ্ভাধান, পঞ্চামৃত, সাধভক্ষণ, জাতকৰ্ম, নামকৰণ, দোকান-নাট্যাৰম্ভ। গ্ৰহপূজা-শান্তিস্বস্ত্যয়ন। (গণনা মতে)

## ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয়ত মাচুল আদায়ৰ জাননীক লৈ প্ৰতিক্ৰিয়া

নিজা বাতৰি দিওঁতা

**ৰঙিয়া, ২৩ মে’ ঃ** লক্‌ডাউনৰ পৰিপ্ৰেক্ষিতত যোৱা ২৪ মাৰ্চৰপৰাই সকলো শৈক্ষিক কৰ্মসূচী তথা পাঠদান বন্ধ থকা সত্ত্বেও ৰঙিয়া কেন্দ্ৰীয় বিদ্যালয় কৰ্তৃপক্ষই এপ্ৰিল, মে’ আৰু অহা জুন মাহৰ মাচুল আদায় দিবলৈ নিৰ্দেশ দিয়া কাৰ্যই সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্যমতে বিদ্যালয়খনৰ কৰ্তৃপক্ষই প্ৰতিজন অভিভাৱকলৈ এইবুলি জাননী প্ৰেৰণ কৰিছে যে অহা ২১ জুনৰ ভিতৰত মাহেকত ছশ টকাকৈ তিনিমাহৰ মুঠ ওঠৰশ টকা মাচুল আদায় দিব লাগিব। ইয়াৰ অন্যথা প্ৰতিদিনে পাঁচ টকাকৈ জৰিমনা ভৰিব লাগিব। এই নিৰ্দেশে স্বাভাৱিকতে অভিভাৱকসকলক ক্ষুণ্ণ কৰি তুলিছে।

## ৰঙাপৰাত বানে উটুৱাই নিলে জৰাসৰ নদীৰ দলং

নিজা বাতৰি দিওঁতা

**ৰঙাপৰা, ২৩ মে’ ঃ** অৰুণাচল প্ৰদেশৰপৰা বৈ অহা জৰাসৰ নদীত স্থানীয় ৰাইজে নিৰ্মাণ কৰা বাঁহৰ দলংখনৰ এটা অংশ আজি পুৱা প্ৰথমটো বাঢ়নী পানীয়ে উটুৱাই লৈ যায়। ফলত শোণিতপুৰ জিলাৰ ৰঙাপৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত চাৰিখন গাঁৱৰ ৰাইজ গাঁওখনত বন্দী হ’বলগীয়া হয়। নৈখনত সজা বাঁহৰ দলংখন আজি পুৱা বাঢ়নী পানীয়ে উটুৱাই নিয়াত মোলানগাঁও, মোলানগাঁও কছাৰী, ভোবোলা বঙালী আৰু উপৰ মোলানগাঁৱৰ পাঁচ সহস্ৰাধিক লোকৰ যাতায়াত ব্যাহত হয়। উল্লেখ্য যে ২০০৫-০৬ বৰ্ষত ৰাজ্য চৰকাৰে জৰাসৰ নদীত এখন কাঠৰ দলং নিৰ্মাণ কৰিছিল। ফুলবাৰী-মোলানগাঁও সংযোগী পথছোৱাত থকা একমাত্ৰ কাঠৰ দলংখন ২০১৩ চনৰ ২৭ আগষ্টত অহা বানে নিমিষতে উটুৱাই নিছিল। যোৱা ২৯ ফেব্ৰুৱাৰীত ৰঙাপৰা ফুলগুৰিত মন্ত্ৰী পীযুষ হাজৰিকা আৰু তেজপুৰ লোকসভা সমষ্টিৰ সাংসদ পল্লৱলোচন দাসৰ উপস্থিতিত স্বাস্থ্যমন্ত্ৰী মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফুলবাৰী চাহ বাগিচা-মোলান গাঁও সংযোগী পথত জৰাসৰ নদীত পকী দলং এখনৰ আধাৰশিলা স্থাপন কৰিছিল।



# ঈদত সমূহীয়া নামাজৰপৰা বিৰত থকাৰ আহ্বান আমছুৰ

জিলাৰ বাতৰি দিওঁতা

**নগাঁও, ২৩ মে’ ঃ** ৰমজানৰ এমাহ ৰোজাৰ অন্তত ইছলামীধৰ্মীসকলে আনন্দৰ উৎসৱ ঈদ-উল-ফিটৰ উদ্‌যাপন কৰিব। ক’ৰ’না ভাইৰাছৰ ভয়াৱহতাৰ বাবে দেশজুৰি চলা লক্‌ডাউনৰ এইবাৰ পোন প্ৰথমবাৰৰ বাবে ঈদগাহ ময়দানত সমূহীয়া নামাজ পঢ়া নহ’ব। সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ উপদেষ্টা আজিজুৰ ৰহমান, সভাপতি ৰেজাউল কৰিম সৰকাৰ, কাৰ্যকৰী সভাপতি আইনুদ্দিন আহমেদ, সাধাৰণ সম্পাদক ক্ৰমে আব্দুৰ ৰহমান বিশ্বাস, ইমতিয়াজ হুছেইন আৰু মোশ্বাৰফ হুছেইন কবিৰে ইছলাম ধৰ্মাৱলম্বী লোকৰ লগতে সমগ্ৰ অসমবাসীক পৱিত্ৰ ঈদ-উল-ফিটৰৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছে। আজি এটা বিবৃতিত আমছুৰ কেন্দ্ৰীয় কমিটীৰ বিষয়ববীয়াসকলে কয় যে ক’ৰ’না ভাইৰাছৰ ভয়াৱহতা তথা চৰকাৰে ঘোষণা কৰা লক্‌ডাউনে মানুহক আৰ্থিক আৰু মানসিকভাৱে জুৰুলা আৰু দুৰ্বল কৰা সময়তে উদ্‌যাপিত হ’ব লগা ঈদ-উল-ফিটৰে সমাজৰ লোকৰ মনত সাহস, প্ৰেৰণা, মনোবল তথা ভাতৃত্ববোধ বৃদ্ধি কৰিব বুলি আমছুৰ নেতৃত্ব আশাবাদী। ঈদ-উল-ফিটৰৰ আনন্দোৎসৱে সমাজ তথা দেশৰপৰা অসূয়া-অমংগল দূৰ কৰাৰ কামনা কৰাৰ লগতে সকলো ইছলামধৰ্মী লোকক লক্‌ডাউনৰ প্ৰতিটো নিৰ্দেশনা আখৰে আখৰে পালন কৰি ঈদ উৎসৱত অংশগ্ৰহণ কৰিবলৈ আমছুৰ নেতৃত্বই আহ্বান জনায়। লক্‌ডাউনৰ নীতি-নিৰ্দেশনাক অমান্য নকৰিবলৈ আৰু সকলোকে বিষয়টোত নজৰ ৰাখিবলৈ আৰু মছজিদ অথবা ঈদগাহ ময়দানত চৰকাৰী নিয়মানুসৰি ৫-৬জন লোকেহে সমৱেত হৈ ঈদৰ নামাজ পঢ়িবলৈ বিবৃতিটোত কোৱা হৈছে। আনসকলক নিজৰ নিজৰ ঘৰত ঈদৰ নামাজ আদায় কৰিবলৈ কোৱা হৈছে। আনহাতে, ঈদৰ দিনা মছজিদ অথবা ঈদগাহ ময়দানৰ সন্মুখত পৰম্পৰাগতভাৱে যি বজাৰ বা দোকান পোহাৰৰ ভিৰ হয় সেয়া এইবাৰৰ ঈদৰ সময়ত হ’ব দিব নালাগে। মছজিদ অথবা ঈদগাহ পৰিচালনা কমিটীয়ে কঠোৰ হৈ এনে বজাৰসমূহ যাতে নবহে তাৰ বাবে আগতীয়াকৈ ব্যৱস্থা লওক। ইপিনে, ঈদৰ শুভেচ্ছা জনাইছে জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতি, জাতীয়তাবাদী যুৱ পৰিষদ, সদৌ অসম সাংবাদিক সন্থাৰ নগাঁও জিলা সমিতি, সংখ্যালঘু সংগ্ৰাম পৰিষদকে ধৰি বিভিন্ন সংগঠনে।

### ৰঙিয়াত আড়ম্বৰহীন ঈদ

**ৰঙিয়াৰ নিজা বাতৰি দিওঁতা ঃ** ৰঙিয়াতো ঈদৰ সমূহীয়া নামাজ বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ইছলামধৰ্মী লোকসকলে এইবেলি নিজৰ ঘৰতে ঈদ-উল-ফিতৰৰ নামাজ সমাপন কৰিব। ৰঙিয়া কেন্দ্ৰীয় ঈদগাহ ময়দান, হাইৱে চ’ক ঈদগাহ ময়দানৰ উপৰি কাউৰবাহা, উদিয়ানা, মৰাণজানা, খন্দিকৰ, কনিহা, তুলসীবাৰী আদি সকলো ঈদগাহ ময়দানতে সমূহীয়া ঈদৰ নামাজ এইবেলি বাতিল কৰা হৈছে। লক্‌ডাউনৰ পৰিপ্ৰেক্ষিতত এইবেলি ঈদত নাই কোনোৰকমৰ আড়ম্বৰ তথা বজাৰ-সমাৰ কৰাৰ উথপ্‌থপ্। তথাপি ইয়াৰ মাজতে একাংশ উৎসাহী লোকে দিনৰ ভাগত ৰঙিয়াৰ বজাৰত ভিৰ কৰা পৰিলক্ষিত হৈছে। লক্‌ডাউনৰ বিধি ভংগ কৰি এইসকল লোকে দোকানে দোকানে ঘূৰি ফুৰি ক্ৰয় কৰিছে পোছাক-পৰিচ্ছদ। ৰঙিয়া হাইৱে চ’ক ঈদ উদ্‌যাপন সমিতিৰ সম্পাদক আব্দুল মজিদে সমূহ ইছলামধৰ্মী লোকক পৱিত্ৰ ঈদৰ শুভেচ্ছা জনোৱাৰ লগতে লক্‌ডাউনৰ বিধি উলংঘা নকৰাকৈ শান্তিপূৰ্ণভাৱে ঈদ উদ্‌যাপন কৰিবলৈ আহ্বান জনাইছে।

### লক্‌ডাউনৰ নীতি-নিয়মৰ মাজেৰে ঈদ উদ্‌যাপন কৰিবলৈ সংখ্যালঘু ছাত্ৰৰ আহ্বান

**ডুমডুমাৰ নিজা বাতৰি দিওঁতা ঃ** তিনিচুকীয়া জিলা সংখ্যালঘু (আমছু) সমিতিৰ সম্পাদক ফিৰুজোৰ ৰহমানে সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা বিবৃতিযোগে ঈদ-উল-ফিটৰৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে লক্‌ডাউনৰ সকলো নীতি-নিৰ্দেশনা মানি উদ্‌যাপন কৰিবলৈ জিলাখনৰ লগতে ইছলামধৰ্মীসকললৈ অনুৰোধ জনাইছে।

### আত্মহত্যা

মুম্বাইৰপৰা ঘূৰি আহি হোম কোৱাৰেণ্টাইনত থকা উত্তৰ প্ৰদেশৰ এজন প্ৰব্ৰজিত শ্ৰমিকে কালি আত্মহত্যা কৰে। সুনীল (১৯) নামৰ যুৱকজনে শ্ৰমিক বিশেষ ৰেলেৰে পাঁচদিন পূৰ্বে স্বগৃহলৈ উভতি আহিছিল। মুম্বাইত ষ্টীল কোম্পানীত কাম কৰিছিল সুনীলে।

### প্ৰভাৱ

দেশৰ ৬০ শতাংশ পৰিয়ালৰ উপাৰ্জনত নেতিবাচক প্ৰভাৱ পৰিছে ক'ৰ'নাৰ। নিয়েলছনে ১২খন চহৰত চলোৱা এক অধ্যয়নত এই তথ্য পোৱা গৈছে। ১০জনৰ আঠজনৰে ভ্ৰমণ বা ক্ৰয় কৰিবলগীয়া পৰিকল্পনা পিছুৱাবলগীয়া হোৱা বুলিও সমীক্ষাটোত প্ৰকাশ পাইছে।

### অপৰাধ

মহামাৰীৰ প্ৰাদুৰ্ভাৱৰ সময়ত বৃদ্ধি পাইছে চাইবাৰ অপৰাধ। সম্প্ৰতি প্ৰায় ৬০০ শতাংশ 'মেলিচিয়াছ' ই-মেইল বঢ়া বুলি তথ্য দিছে ৰাষ্ট্ৰসংঘই। কালি ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ অনানুষ্ঠানিক বৈঠকত ইজুমি নাকামিট্জুৱে কয় যে প্ৰতি ৩৯ ছেকেণ্ডত এটাকৈ চাইবাৰ আক্ৰমণ হ'বলৈ লৈছে।



ৰেল যাত্ৰাৰ বাবে শাৰী, বেংগালুৰুত।

### আক্ৰান্ত

চীনত কালিৰ দিনটোত এজনো নতুনকৈ ক'ৰ'না আক্ৰান্ত চিনাক্ত হোৱা নাই। দেশখনৰ ৰাষ্ট্ৰীয় স্বাস্থ্য আয়োগে জনোৱা মতে, চীনত শূন্য সংক্ৰমণ এয়াই প্ৰথম। পূৰ্বে দৈনিক ধৰা পৰিছিল ক'ৰ'না সংক্ৰমিত ব্যক্তি।

# ৰেল-বাছেৰে স্ব-গৃহলৈ ৭৫ লাখ প্ৰব্ৰজিত শ্ৰমিক

## কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ তথ্য

**নতুন দিল্লী, ২৩ মে' ঃ** দেশৰ বিভিন্ন প্ৰান্তত প্ৰায় চাৰি কোটি প্ৰব্ৰজিত শ্ৰমিকে কাম কৰে। ইয়াৰে ৭৫ লাখ শ্ৰমিকে ৰেল-বাছেৰে স্বগৃহলৈ যাবলৈ সক্ষম হৈছে। কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ যুটীয়া সচিব পি এছ শ্ৰীবাস্তৱে এক সংবাদমেলযোগে এই তথ্য সদৰি কৰি কয় যে এই শ্ৰমিকসকলক নিজ গৃহলৈ পঠিয়াবলৈ পহিলা মে'ৰপৰা ২৬০০খন শ্ৰমিক বিশেষ ৰেলৰ ব্যৱস্থা কৰা হৈছে। তেওঁ সংবাদমেলত কয়— 'বিগত লোকপিয়লৰ তথ্য মতে, সমগ্ৰ দেশত আছে চাৰি কোটি প্ৰব্ৰজিত শ্ৰমিক।' লক্‌ডাউনৰ সময়ত ৩৫ লাখ প্ৰব্ৰজিত শ্ৰমিকে শ্ৰমিক বিশেষ ৰেলেৰে আৰু ৪০ লাখে বাছেৰে গন্তব্য স্থান পোৱা বুলিও তথ্য দাঙি ধৰে শ্ৰীবাস্তৱে। তেওঁ সদৰি কৰা অনুসৰি, প্ৰব্ৰজিত শ্ৰমিকক নিৰীক্ষণৰ বাবে ২৪×৭ কণ্ট্ৰ'ল ৰূমৰ ব্যৱস্থা কৰিছে গৃহ মন্ত্ৰণালয়ে। লক্‌ডাউনৰ সময়ত শ্ৰমিকৰ খাদ্য আৰু আশ্ৰয়ৰ বাবেও ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ চৰকাৰলৈ গৃহ মন্ত্ৰণালয়ে নিৰ্দেশ জাৰি কৰিছে। পিছত এই শ্ৰমিকসকলক স্বগৃহলৈ পঠিওৱাৰ বাবে ব্যৱস্থা লৈছে কেন্দ্ৰই।



ৰেল ষ্টেচনত তাপমান পৰীক্ষা যাত্ৰীৰ, পাটনাত শনিবাৰে।

### ৰেল মন্ত্ৰণালয়লৈ পত্ৰ মুখ্য সচিবৰ

## ২৬ মে'লৈ ৰেল নপঠিয়াবলৈ অনুৰোধ পশ্চিমবংগ চৰকাৰৰ



**কলকাতা, ২৩ মে' ঃ** ২৬ মে'লৈকে শ্ৰমিক বিশেষ ৰেল নপঠিয়াবলৈ অনুৰোধ জনাই ৰেল মন্ত্ৰণালয়লৈ পত্ৰ প্ৰেৰণ কৰিছে মমতা বেনাৰ্জী নেতৃত্বাধীন পশ্চিমবংগ চৰকাৰে। ৰেল ব'ৰ্ডৰ অধ্যক্ষ ভি কে যাদৱলৈ প্ৰেৰণ কৰা পত্ৰখনত মুখ্য সচিব ৰাজীৱ সিন্‌হাই কৈছে যে ঘূৰ্ণী আম্ফানৰ বাবে বৃহৎ ক্ষতিৰ সন্মুখীন হৈছে পশ্চিমবংগ। কেইবাখনো জিলাত প্ৰশাসনে সাহায্য আৰু পুনঃসংস্থাপনৰ কাম-কাজ অব্যাহত ৰাখিছে। সেয়ে পৰৱৰ্তী কেইটামান দিনত বিশেষ ৰেল গ্ৰহণ কৰাটো সম্ভৱ নহ'ব।' ২৬ মে'লৈ ৰাজ্যখনলৈ কোনো ৰেল নপঠিয়াবলৈ অনুৰোধ জনোৱা হ'ল।'— এইদৰে পত্ৰযোগে ৰেল মন্ত্ৰণালয়ক অনুৰোধ জনাইছে সিন্‌হাই। উল্লেখ্য, আম্ফানৰ প্ৰকোপত পশ্চিমবংগত মৃত্যু হোৱা লোকৰ সংখ্যা ৮৫লৈ বৃদ্ধি পাইছে। তিনিদিনে স্বাভাৱিক অৱস্থা ঘূৰাই অনাত বিফল প্ৰশাসনৰ বিৰুদ্ধে কলকাতাত কেইবাটাও এলেকাত পথ অৱৰোধেৰে জনতাই প্ৰতিবাদ কৰিছে। চৰকাৰী তথ্য অনুসৰি, এই ঘূৰ্ণীত ৰাজ্যখনত ১.৫ কোটি লোক প্ৰত্যক্ষভাৱে ক্ষতিৰ সন্মুখীন হৈছে আৰু দহ লাখৰো অধিক গৃহ ধ্বংস কৰিছে আম্ফানে। কলকাতাৰ কিছু ঠাইত বিজুলী আৰু ম'বাইল সেৱা আৰম্ভ হৈছে যদিও উত্তৰ আৰু দক্ষিণ ২৪-পৰগনা জিলাৰ বহু এলেকা এতিয়াও অন্ধকাৰত ডুব গৈ আছে।

### সীমান্তত উত্তেজনা

## পৰিস্থিতি পৰ্যালোচনাৰ বাবে লাডাখত স্থলসেনাৰ মুৰব্বী



**নতুন দিল্লী, ২৩ মে' ঃ** ইণ্ডো-চীন সীমান্তত উত্তেজনা অব্যাহত থকাৰ মাজতে কালি দেশৰ স্থলসেনাৰ মুৰব্বী এম এম নাৰাৱণে লাডাখৰ লেহত উপস্থিত হৈ নিৰাপত্তাৰ দিশ পৰ্যালোচনা কৰে। তেওঁ লাডাখৰ সেনাৰ মুখ্য কাৰ্যালয়ত শীৰ্ষ বিষয়াৰে বৈঠকত মিলিত হৈ সীমান্তত দেখা দিয়া সাম্প্ৰতিক পৰিস্থিতি সম্পৰ্কে আলোচনা কৰে। সেনাৰ শীৰ্ষ বিষয়াবৰ্গই তেওঁক শেহতীয়া পৰিস্থিতি সম্পৰ্কে অৱগত কৰে। অৱশ্যে এই বৈঠকৰ বিশদ তথ্য বা ফটো সৈন্য বাহিনীয়ে প্ৰকাশ কৰা নাই। উল্লেখ্য, চীন সীমান্তত উভয় ৰাষ্ট্ৰৰ সেনাৰ মাজত শেহতীয়াকৈ বৃদ্ধি পাইছে আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা। পূব লাডাখৰ নিয়ন্ত্ৰণ ৰেখাৰ সৈতে থকা পাংয়ঙৰ উত্তৰ পাৰ, ডেমচক আৰু গালৱান উপত্যকাত দুয়ো পক্ষৰ সেনাৰ মাজত হতাহতি লাগে ৫-৬ মে'ত। ৯ মে'ত ছিকিম ছেক্টৰৰ নাকুলা পাছতো অনুৰূপ ঘটনাৰ পুনৰাবৃত্তি ঘটে। এই ঘটনাত দুয়ো পক্ষৰ কমেও দহ জোৱান আহত হয়। চীন-ভাৰতৰ সেনাৰ মাজত পঞ্চমলানি আলোচনাৰ পিছতো এনে পৰিস্থিতি এতিয়ালৈ শাম কটা নাই।

### বিশ্বত ২১ লক্ষাধিক আৰোগ্য

**ৱাশ্বিংটন/লণ্ডন, ২৩ মে' ঃ** সমগ্ৰ বিশ্বত ক'ৰ'নাৰ সংহাৰ এতিয়াও অব্যাহত আছে। আজি পৰ্যন্ত বিশ্বত ৫৩ লাখৰো অধিক লোক ক'ৰ'নাত আক্ৰান্ত হৈছে। মৃত্যু হৈছে ৩,৪০,৭৩৫গৰাকী লোকৰ। ইতিবাচক দিশটো এয়ে যে বৰ্তমানলৈ ২১ লাখৰো অধিক আক্ৰান্ত সুস্থ হৈ উঠিছে। মাৰ্কিন যুক্তৰাজ্যত মৃতকৰ সংখ্যা ৯৭ হেজাৰৰো অধিক। ৰুছিয়াত নতুনকৈ ৯ হেজাৰৰো অধিক লোক ক'ৰ'নাত আক্ৰান্ত হৈছে। ব্ৰাজিলত আক্ৰান্ত বৃদ্ধি পাইছে ৩.৩৪ লাখলৈ। দেশখনত ২১,২১৫গৰাকী আক্ৰান্তৰ মৃত্যু হৈছে। ইৰাণ, ছৌদি আৰব, মেক্সিকো, পাকিস্তান, বাংলাদেশ, ইণ্ডোনেছিয়া, কুৱেইট আদি দেশত নতুনকৈ আক্ৰান্তৰ সংখ্যা বৃদ্ধি পায়েই আছে।


### উত্তৰ প্ৰদেশত আম্বেদকাৰৰ মূৰ্তি লণ্ডভণ্ড

**লক্ষ্ণৌ, ২৩ মে' ঃ** উত্তৰ প্ৰদেশৰ ভাদহী জিলাৰ লক্ষমনা গাঁৱত বি আৰ আম্বেদকাৰৰ মূৰ্তি অচিনাক্ত দুৰ্বৃত্তই লণ্ডভণ্ড কৰাক লৈ অঞ্চলটোত উত্তেজনা অব্যাহত আছে। গাঁওখনৰ দলিত বস্তিত স্থাপন কৰা ছফুট উচ্চতাৰ মূৰ্তিটো আজি পুৱাৰ ভাগত ভঙা অৱস্থাত উদ্ধাৰ হোৱাৰ পিছতে ঘটনাস্থলীলৈ জনতাৰ সোঁত বয়। খবৰ পাই ঘটনাস্থলীত উপস্থিত হয় আৰক্ষীৰ দল। স্থানীয় ৰাইজৰ অভিযোগৰ ভিত্তিত আৰক্ষীয়ে এটা গোচৰ ৰুজু কৰি ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। গাঁওখনত পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে অতিৰিক্ত আৰক্ষী মোতায়েন কৰা হৈছে।

## ঘূৰ্ণীবিধ্বস্ত এলেকালৈ যোৱাত বিজেপি নেতাক বাধা

**কলকাতা, ২৩ মে' ঃ** ঘূৰ্ণীবিধ্বস্ত এলেকাত সাহায্য বিতৰণ কৰিবলৈ গৈ আজি বাধাৰ সন্মুখীন হয় পশ্চিমবংগ বিজেপিৰ সভাপতি দিলীপ ঘোষ। আনকি ইয়াকে লৈ দক্ষিণ ২৪-পৰগনা জিলাত বিজেপি আৰু শাসকীয় কংগ্ৰেছ নেতা-কৰ্মী তৰ্কযুদ্ধত লিপ্ত হয়। ঘোষে আম্ফানত ক্ষতিগ্ৰস্ত কেনিং আৰু বাসন্তী এলেকাৰ লোকৰ মাজত সাহায্য বিতৰণৰ বাবে গৈ থাকোঁতে গৰীয়া এলেকাৰ ধালাই দলঙত আৰক্ষীয়ে বাধা দিয়ে। আৰক্ষীৰ আচৰণত ক্ষুব্ধ বিজেপি নেতাজনে কয়, 'ঘূৰ্ণীবিধ্বস্ত এলেকালৈ যোৱাত মোক কিয় বাধা দিছে সেয়া বুজি পোৱা নাই। সেইবোৰ ঠাইলৈ তৃণমূল কংগ্ৰেছৰ নেতাই গৈছে আৰু সাহায্য বিতৰণ কৰিছে। আৰক্ষীয়ে তেওঁলোকক বাধা দিয়া নাই। বিজেপি নেতাৰ বাবেহে নিয়ম সলনি হয়।' ক্ষতিগ্ৰস্ত এলেকালৈ যাবলৈ অনুমতি নিদিলে ধৰ্মঘট আৰম্ভ কৰিব বুলিও সকীয়নি দিয়ে ঘোষে। তেওঁ কয়, 'যদিহে ৰাজ্য চৰকাৰে সাহায্যক লৈ ৰাজনীতি কৰে, তেওঁলোকে আমাৰ কৰ্মীৰপৰা সমুচিত প্ৰত্যুত্তৰ পাব।'

## উপাসনা অত্যাৱশ্যকীয়! গীৰ্জা খোলাৰ অনুমতি মাৰ্কিন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ



**ৱাশ্বিংটন, ২৩ মে' ঃ** মাৰ্কিন যুক্তৰাজ্যত গীৰ্জাকে ধৰি সকলো ধৰ্মীয় উপাসনাস্থলী খোলাৰ অনুমতি দিছে ৰাষ্ট্ৰপতি ট্ৰাম্পে। কালি তেওঁ কয় যে উপাসনা অত্যাৱশ্যকীয় আৰু সেয়ে গীৰ্জা আৰু আন উপাসনাস্থলী চলিত উইকেণ্ডত খুলিব পাৰিব। গৱৰ্ণৰসকলক এই বিষয়ত পদক্ষেপ ল'বলৈ তেওঁ নিৰ্দেশ দিয়ে। হোৱাইট হাউছত তাৎক্ষণিকভাৱে এখন সংবাদমেল আয়োজন কৰি ধৰ্মীয় উপাসনাস্থলী খুলিবলৈ অনুমতি দিয়াত বিষয়টো সৰ্বত্ৰ চৰ্চিত হৈছে। ট্ৰাম্পে তেওঁৰ খ্ৰীষ্টান সমৰ্থকসকলক সন্তুষ্ট কৰিবলৈ এনে সিদ্ধান্ত লোৱা বুলি একাংশ লোকে সন্দেহ প্ৰকাশ কৰিছে। ট্ৰাম্পৰ ঘোষণাৰ পিছতে ৰোগ নিয়ন্ত্ৰণ আৰু প্ৰতিৰোধ কেন্দ্ৰই উপাসনাস্থলীত অংশগ্ৰহণৰ নতুন নিৰ্দেশাৱলী প্ৰকাশ কৰিছে। সেই অনুসৰি, সীমিতসংখ্যক লোকহে একত্ৰিত হৈ প্ৰাৰ্থনাত অংশ ল'ব পাৰিব। তদুপৰি গীৰ্জাৰ বা ধৰ্মীয় অনুষ্ঠানৰ বাহিৰত খোলা ঠাইত লোকসকলক একত্ৰিত হোৱাৰ নিৰ্দেশ দিয়া হৈছে। স্বাস্থ্য বিভাগে ইতিমধ্যে দহজনতকৈ অধিক লোক একগোট নহ'বলৈ পৰামৰ্শ দিছে। লগতে ছয় ফুট দূৰত্ব বৰ্তাই ৰাখিবলৈ সকলোকে আহ্বান জনোৱা হৈছে। একাংশ এলেকাত এতিয়া লক্‌ডাউন কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছে।

### পাকিস্তানৰ বিমান দুৰ্ঘটনা

## মৃতদেহ চিনাক্তকৰণৰ বাবে ডি এন এ পৰীক্ষাৰ ব্যৱস্থা



**কৰাচী, ২৩ মে' ঃ** বিমান দুৰ্ঘটনাত বেয়াকৈ জ্বলি যোৱা মৃতদেহ চিনাক্তকৰণৰ বাবে পাকিস্তানী কৰ্তৃপক্ষই ডি এন এ পৰীক্ষাৰ ব্যৱস্থা কৰিছে। চৰকাৰী তথ্য মতে, জিন্না আন্তঃৰাষ্ট্ৰীয় বিমানকোঠৰ সমীপত সংঘটিত এই দুৰ্ঘটনাত ৯৭গৰাকী লোকৰ প্ৰাণহানি হৈছে। পাকিস্তান ইণ্টাৰনেচনেল এয়াৰলাইনছৰ বিমানখনত ৯১গৰাকী যাত্ৰী আৰু আঠগৰাকী বিমান কৰ্মী আছিল। ইয়াৰে মাত্ৰ দুগৰাকী যাত্ৰীৰ জীৱন কথমপি ৰক্ষা পৰে। এই দুই যাত্ৰীৰ এগৰাকী বেংক অব পঞ্জাবৰ সভাপতি জাফাৰ মাছুদ আৰু আনগৰাকী এজন মেকানিকেল ইঞ্জিনীয়াৰ। আৰক্ষী সূত্ৰই জনোৱা অনুসৰি, মাত্ৰ পাঁচগৰাকী লোকহে চিনাক্ত কৰা হৈছে। কৰাচী বিশ্ববিদ্যালয়ৰ ফৰেণচিক ডি এন এ লেব'ৰেটৰীত ডি এন এ পৰীক্ষাৰ পিছতহে বাকী লোকসকলৰ মৃতদেহ চিনাক্ত হ'ব। যাত্ৰীসকলৰ পৰিয়ালৰ লোকক নমুনাৰ 'ক্ৰছ মেটচ'ৰ বাবে মতা হৈছে। মৰ্গৰ বাহিৰত বহু আত্মীয়ই লানি পতা দেখা গৈছে।

## ভৱিষ্যদ্বাণী ফলিয়ালে শিল্পাৰ মাতৃৰ

**মুম্বাই, ২৩ মে' ঃ** শিল্পা শেট্টী সম্পৰ্কে মাতৃয়ে কৰা ভৱিষ্যদ্বাণী আখৰে আখৰে ফলিয়ালে বুলি অভিনেত্ৰীগৰাকীয়ে নিজে সদৰি কৰিছে। 'পিংকভিলা'ক দিয়া এটা সাক্ষাৎকাৰত তেওঁ শৈশৱৰ কথা সুঁৱৰি কয়— 'মোৰ মা আচলতে এগৰাকী জ্যোতিষী আছিল। তেওঁ এই বিদ্যা শিকা নাছিল, ঈশ্বৰপ্ৰদত্ত আছিল। মোৰ এতিয়াও মনত আছে— যেতিয়া মই দহ বছৰীয়া আছিলো, তেওঁ মোক অভিনেত্ৰী হ'ম বুলি কৈছিল। মই স্কুলৰ কিছুমান প্ৰতিযোগিতাত হাৰিছিলো। মই ভাবিছিলো মই কুৰূপা। তেতিয়া মই ওখ আৰু দুৰ্বল আছিলোঁ।' মাকে তেওঁক দৈহিক গঠনক লৈ দুখ নকৰিবলৈ কৈ এদিন তেওঁ বলীউডত 'ৰাজহংস'ৰ দৰে উজলিব বুলি ভৱিষ্যদ্বাণী কৰিছিল। শিল্পাৰ মতে, মাতৃ তেওঁৰ কাম-কাজৰ বিশেষ সমালোচক। এতিয়াও সাজ-পাৰ, অভিনয়ক লৈ প্ৰথমেই মাতৃয়ে কৰা মন্তব্যক তেওঁ গুৰুত্ব দিয়ে।






ঘূৰ্ণীত ক্ষতিগ্ৰস্তৰ সহায়ৰ আহ্বানেৰে শিল্পী সুদৰ্শন পাটনায়কৰ বলুকা ভাস্কৰ্য, পুৰীৰ সাগৰ তীৰত।

## ডি এম কেৰ সাংসদক গ্ৰেপ্তাৰ

**চেন্নাই, ২৩ মে' ঃ** ঘৃণা বিয়পোৱাৰ অভিযোগত আজি চেন্নাই আৰক্ষীয়ে নিজ বাসগৃহৰপৰা গ্ৰেপ্তাৰ কৰে ৰাজ্য সভাৰ সাংসদ তথা ডি এম কেৰ সাংগঠনিক সম্পাদক আৰ এছ ভাৰতীক। চলিত বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীত ন্যায়াধীশ আৰু অনুসূচিত জাতিৰ বিৰুদ্ধে ভাষণৰ জৰিয়তে ঘৃণা বিয়পোৱাৰ অভিযোগত তেওঁৰ বিৰুদ্ধে আৰক্ষীক অভিযোগ দিছিল এছ চি সম্প্ৰদায়ে। গ্ৰেপ্তাৰৰ পিছতে ডি এম কে নেতাজনক আদালতে জামিন মঞ্জুৰ কৰে। ভাৰতীয়ে সাংবাদিকক জনোৱা মতে, তেওঁৰ ভাষণক ছ'চিয়েল মিডিয়াত বেলেগকৈ প্ৰচাৰ কৰা হৈছে। তেওঁৰ গ্ৰেপ্তাৰ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলিও কয় ভাৰতীয়ে। তামিলনাডুৰ উপ-মুখ্যমন্ত্ৰীৰ দুৰ্নীতিৰ বিৰুদ্ধে অভিযোগ দাখিল কৰা বাবেই তেওঁ ৰাজনৈতিক ৰোষৰ বলি হোৱা বুলি দাবী কৰে।



আম্ফানত বিধ্বস্ত কলকাতাৰ এখন ছবি।

## মুম্বাইত সুৰাৰ 'হোম ডেলিভাৰী'ৰ অনুমতি

**মুম্বাই, ২৩ মে' ঃ** মুম্বাইত লক্‌ডাউনৰ সময়ত সুৰাৰ 'হোম ডেলিভাৰী'ৰ বাবে অনুমতি দিয়া হৈছে। চি এম চিয়ে কালি মাজনিশাৰপৰা কাৰ্যকৰী হোৱাকৈ সুৰাৰ হোম ডেলিভাৰীৰ অনুমতি দিয়ে। অৱশ্যে দেওবাৰৰ পৰাহে ব্যৱসায়ীসকলে সুৰাৰ হোম ডেলিভাৰী দিব পাৰিব। কাৰণ ইয়াৰ পূৰ্বে তেওঁলোকে কৰ্মচাৰীৰ বাবে আবকাৰী পাছ, বাহন আৰু চলন-ফুৰণৰ বাবে উপায়ুক্তৰপৰা অনুমতি-পত্ৰ ল'ব লাগিব। সুৰা বিপণীয়ে ই-কমাৰ্চ কোম্পানীৰ সৈতেও মিলা-মিছা কৰি ব্যৱসায় চলাব পাৰে। সুৰা ব্যৱসায়ী সংস্থাৰ সভাপতি অৰৱিন্দ মিস্কিনে জনোৱা মতে, তেওঁলোকে এতিয়াই ই-কমাৰ্চ প্ৰতিষ্ঠানৰে হাত মিলোৱা কথা ভবা নাই। 'হোম ডেলিভাৰী'ৰ ফলত সুৰা বিপণীত হোৱা ভিৰ বহুলাংশে হ্ৰাস পাব আৰু আবকাৰী বিভাগে লাভ কৰিব বৃহৎ পৰিমাণৰ ৰাজহ। মাৰ্চ আৰু এপ্ৰিলত আবকাৰী বিভাগে প্ৰায় ১৮০০ কোটি টকা ৰাজহ লাভৰপৰা বঞ্চিত হৈছে। মহাৰাষ্ট্ৰত একাংশ এলেকাত ই-টোনে ব্যৱস্থাৰেও সুৰা বিক্ৰী কৰা হৈছে। তদুপৰি ফোনযোগে যোগাযোগ কৰিও বিপণীৰপৰা সুৰা ক্ৰয় কৰিছে একাংশ গ্ৰাহকে। আবকাৰী বিভাগে সুৰাৰ হোম ডেলিভাৰীৰ ক্ষেত্ৰত কৰ্মচাৰীয়ে মাস্ক পিন্ধা আৰু ছেনিটাইজাৰ ব্যৱহাৰ কৰাটো বাধ্যতামূলক বুলি নিৰ্দেশ জাৰি কৰিছে। লগতে ডেলিভাৰী কৰ্মচাৰীজনে সুস্থ বুলি চিকিৎসকে দিয়া প্ৰমাণ-পত্ৰ আৰু পৰিচয়-পত্ৰ লগত ৰখাটোও বাধ্যতামূলক কৰা হৈছে।



# মন্ত্ৰী ফণীভূষণ চৌধুৰীৰ বিৰুদ্ধে এজাহাৰ

নিজা বাতৰি দিওঁতা

**বঙাইগাঁও, ২৩ মে’ ঃ** পি এম-কিষাণ আঁচনিৰ কেলেংকাৰীক লৈ সৰৱ হোৱা বঙাইগাঁও জিলাৰ ঢালিগাঁও পঞ্চায়ত এলেকাৰ দুটা স্থানীয় সংগঠনৰ বিষয়ববীয়াই অৱশেষত কালি নিশা স্থানীয় বিধায়ক তথা মন্ত্ৰী ফণীভূষণ চৌধুৰীকে ধৰি মুঠ সাতজন লোকৰ বিৰুদ্ধে নিউ বঙাইগাঁও আৰক্ষী পহৰা চকীত এখন এজাহাৰ দাখিল কৰাত জিলাখনত মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। প্ৰাপ্ত তথ্য মতে ঢালিগাঁও সচেতন মঞ্চ আৰু ঢালিগাঁও পথাৰ পৰিচালনা সমিতিৰ ফালৰপৰা যোৱা ১১ মে’ত ঢালিগাঁও পঞ্চায়তৰ সভাপতিক পি এম কিষাণ আঁচনিৰ ৰূপায়ণৰ নামত পঞ্চায়ত এলেকাত হোৱা অনিয়ম আৰু দুৰ্নীতিৰ তদন্ত বিচাৰি স্মাৰক-পত্ৰ দিয়া হৈছিল। পথাৰ পৰিচালনা সমিতিয়ে উপায়ুক্তকো একেটা দাবী জনাই পৃথকে এখন স্মাৰক-পত্ৰ দিছিল। কিন্তু, তেওঁলোকৰ দাবী মৰ্মে প্ৰশাসনে কোনো ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ কৰিছে দুয়ো সংগঠনৰ বিষয়ববীয়াই। উল্লেখ্য যে স্মাৰক-পত্ৰত দুয়োটা সংগঠনে এলেকাটোৰ কেইজনমান পঞ্চায়ত আৰু জিলা পৰিষদৰ প্ৰতিনিধিৰ নাম উল্লেখ কৰিছিল কেলেংকাৰীত জড়িত থকাৰ অভিযোগত। সেয়ে কালি হঠাতে অভিযুক্ত পঞ্চায়ত প্ৰতিনিধিৰ পৰিয়ালৰ সদস্য জয়ন্ত সিংহই ঢালিগাঁও সচেতন মঞ্চৰ সভাপতি মনোজ কুমাৰ বৰুৱা আৰু সাধাৰণ সম্পাদক দিগম্বৰ বৰ্মণৰ উপৰি ঢালিগাঁও কৃষি পথাৰ পৰিচালনা সমিতিৰ সভাপতি ৰাম কিশোৰ দিহিদাৰ আৰু সম্পাদক গকুল মেধিৰ বিৰুদ্ধে নিউ বঙাইগাঁও আৰক্ষী পহৰাচকীত এখন এজাহাৰ দাখিল কৰে। ইয়াৰ প্ৰতিক্ৰিয়াত উক্ত দুয়ো সংগঠনৰ বিষয়ববীয়া চাৰিজনে মন্ত্ৰী চৌধুৰী, স্মাৰক-পত্ৰত উল্লেখ থকা পঞ্চায়ত/জিলা পৰিষদৰ কৰ্মী আৰু কৃষি বিভাগৰ বিষয়া-কৰ্মচাৰীক সাঙুৰি মুঠ সাতজন লোকৰ বিৰুদ্ধে একেখন আৰক্ষী চকীত কালি নিশা এখন এজাহাৰ দিয়ে। অৱশ্যে তদন্তৰ পিছতহে এজাহাৰ দুখনৰ ভিত্তিত গোচৰ পঞ্জীয়ন হ’ব পাৰে বুলি এগৰাকী আৰক্ষী বিষয়াই জানিবলৈ দিয়ে।

ইফালে, বঙাইগাঁৱৰ উপায়ুক্তই পি এম কিষাণ আঁচনিৰ সুবিধা লোৱা ভুৱা হিতাধিকাৰীক আঁচনিৰ ধন উভতাই দিবলৈ এখন জাননীযোগে আহ্বান জনাইছে। কিন্তু উপায়ুক্তৰ এই আহ্বান আইনসংগত নহয় বুলি মন্তব্য কৰি স্থানীয় এচাম অধিবক্তাই কয় যে ভুৱা পৰিচয় দি আঁচনিৰ ধন লোৱা কাৰ্য এক অপৰাধ, সেয়ে এনেধৰণৰ বে-আইনী কাৰ্যত লিপ্তসকলৰ বিৰুদ্ধে উপায়ুক্তই প্ৰথমতে, এজাহাৰ দিব লাগে। উল্লেখ্য যে বঙাইগাঁও জিলাৰ অধিকাংশ গাঁও পঞ্চায়ত এলেকাত পি এম-কিষাণ আঁচনিৰ হিতাধিকাৰীৰ তালিকাত ৰাজনৈতিক দলৰ নেতা-কৰ্মী আৰু তেওঁলোকৰ আত্মীয়ৰ নাম দেখা পোৱা গৈছে। যিহেতু তেওঁলোকৰ অধিকাংশই খেতিয়ক নহয়, সেয়ে তেওঁলোকৰ বিৰুদ্ধে আঁচনিখনৰ ধন আত্মসাৎ কৰাৰ অভিযোগ উঠিছে। সেয়ে, ৰাজনৈতিক শক্তিয়ে প্ৰশাসনক ভুৱা হিতাধিকাৰীৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ নকৰাৰ বাবে হেঁচা প্ৰদান কৰা বুলি বিৰোধী দলৰ নেতা-কৰ্মীয়ে অভিযোগ উত্থাপন কৰিছে।

## নক’লৈও নহয়.......




## তৈলক্ষেত্ৰ ব্যক্তিগতকৰণৰ বিৰুদ্ধে শিৱসাগৰত প্ৰতিবাদ

নিজা বাতৰি দিওঁতা

**গৌৰীসাগৰ, ২৩ মে’ ঃ** লক্‌ডাউনৰ মাজতেই চৰকাৰৰ বিৰুদ্ধে আজি শিৱসাগৰত আছুকে ধৰি কেবাটাও দল-সংগঠনে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সাতখনকৈ তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীক গতাই দিয়াৰ প্ৰতিবাদত শিৱসাগৰ জিলা ছাত্ৰ সন্থা আৰু মটক যুৱ-ছাত্ৰ সন্মিলনে প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰি অসম সংগ্ৰামী মঞ্চই সংবাদমেল আৰু আই পি এফ এছে সংবাদ মাধ্যমলৈ প্ৰেছ বিবৃতি প্ৰেৰণ কৰি তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ তথা দিহিং-পাটকাই অভয়াৰণ্যত কয়লা খননৰ অনুমতি প্ৰদানৰ তীব্ৰ বিৰোধিতা কৰে।

উল্লেখ্য যে কেন্দ্ৰীয় পেট্ৰ’লিয়াম মন্ত্ৰালয়ে অ’ এন জি চি অসম সম্পদৰ অধীনৰ সাতখনকৈ তৈলক্ষেত্ৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদত মুখৰ হৈছে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থা। আজি জিলা ছাত্ৰ সন্থাৰ আহ্বানত শিৱসাগৰ মহকুমা ছাত্ৰ সন্থাই শিৱসাগৰত অ’ এন জি চি খনন সেৱাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত, নাজিৰা মহকুমা ছাত্ৰ সন্থাই অ’ এন জি চি অসম সম্পদৰ নাজিৰাৰ মুখ্য কাৰ্যালয়ৰ সন্মুখত আৰু চৰাইদেউ মহকুমা ছাত্ৰ সন্থাই সোণাৰিত প্ৰতিবাদ সাব্যস্ত কৰে। অ’ এন জি চি অসম সম্পদৰ অধীনৰ শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ অন্তৰ্গত দিচাংমুখ, ডিমুৰাল গাঁও-লাখমণি, চাংমাই গাঁও, সোণাৰি, চফ্ৰাই, পানীদিহিং, নাহৰহাবি তৈলক্ষেত্ৰ কোভিড-১৯ মহামাৰীৰ প্ৰতিৰোধমূলক ব্যৱস্থাৰে



দেশজুৰি বলৱৎ হৈ থকা লক্‌ডাউনৰ সময়তে ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবলৈ লোৱা সিদ্ধান্তত ক্ষুণ্ণ ‘আছু’ৰে ৰাজপথৰ সংগ্ৰাম আৰম্ভ কৰি এই সিদ্ধান্তৰ বিৰুদ্ধে প্ৰৱল প্ৰতিৰোধ গঢ়ি তোলা হ’ব বুলি হুংকাৰ দিয়ে। আজি প্ৰতিবাদকাৰীসকলে সামাজিক দূৰত্ব অৱলম্বনেৰে হাতে হাতে প্লে’কাৰ্ড লৈ ‘তৈলক্ষেত্ৰ ব্যক্তিগতকৰণৰ সিদ্ধান্ত বাতিল কৰক’, ‘সম্পদৰ ওপৰত অধিকাৰ এৰি দিয়া নহ’ব’, ‘ব্যক্তিগতকৰণৰ সিদ্ধান্ত মানি লোৱা নহ’ব’, ‘কেন্দ্ৰীয় পেট্ৰ’লিয়াম মন্ত্ৰালয় হায় হায়’, ‘বিজেপি মুৰ্দাবাদ’, ‘অসম বিৰোধী চক্ৰ হুঁচিয়াৰ’, ‘জাতি-মাটি-ভেটিৰ কথা কোৱা বিজেপি মুৰ্দাবাদ’, ‘অসমক মাহী আইৰ দৃষ্টিৰে চোৱা বন্ধ কৰক’, ‘অ’ এন জি চি হুঁচিয়াৰ’ আদি শ্ল’গান দিয়ে। প্ৰতিবাদস্থলীৰ পৰাই ‘আছু’ৰ নেতৃত্বই দৈনিক ৫০০ কিউবিক মিটাৰতকৈ অধিক খাৰুৱা তেল উৎপাদন হৈ থকা আৰু প্ৰচুৰ উৎপাদনৰ সম্ভাৱনা থকা তৈলক্ষেত্ৰসমূহক ব্যক্তিগতকৰণৰ সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহ’ব বুলি কয়।

**মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ জুমুঠি দাহ**

আনহাতে, কেন্দ্ৰীয় পেট্ৰ’লিয়াম মন্ত্ৰালয়ে অ’ এন জি চি অসম সম্পদৰ অধীনৰ সাতখনকৈ তৈলক্ষেত্ৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিবলৈ লোৱা সিদ্ধান্তৰ বিৰুদ্ধে আজি শিৱসাগৰত প্ৰতিবাদ সাব্যস্ত কৰে মটক যুৱ ছাত্ৰ সন্মিলনীয়ে। নগৰৰ জেঙনিকটিয়াৰ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত মটক যুৱ ছাত্ৰ সন্মিলনীয়ে ৰূপায়ণ কৰা প্ৰতিবাদী কাৰ্যসূচীত পেট্ৰ’লিয়াম দপ্তৰৰ মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ জুমুঠি দাহ কৰি তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ বাতিল কৰিবলৈ সংশ্লিষ্ট পক্ষক দাবী জনোৱাৰ লগতে এই সিদ্ধান্ত কোনোপধ্যেই মানি নলয় বুলি স্পষ্ট কৰি দিয়ে নেতৃবৰ্গই।

ইফালে, তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীক গতাই দিয়া আৰু দিহিং-পাটকাই অভয়াৰণ্যত কয়লা খননৰ অনুমতি প্ৰদানৰ বিৰোধিতা কৰি অসম সংগ্ৰামী মঞ্চই এখন সংবাদ মেলৰ আয়োজন কৰে। সংগ্ৰামী মঞ্চৰ সভাপতি দিগন্ত কোঁৱৰে সংবাদ মেলত কেন্দ্ৰীয় বিজেপি নেতৃত্বাধীন চৰকাৰখনে অসমৰ জনগণৰ স্বাৰ্থৰ বিপক্ষেই সদায় কাম কৰি আহিছে বুলি অভিযোগ উত্থাপন কৰে। প্ৰসংগক্ৰমে নাগৰিকত্ব (সংশোধনী) আইন প্ৰৱৰ্তন কৰাকে ধৰি শেহতীয়াভাৱে অ’ এন জি চিৰ তৈলক্ষেত্ৰ ব্যক্তিগত কোম্পানীৰ হাতলৈ হস্তান্তৰ কৰা আৰু দিহিং-পাটকাই অভয়াৰণ্যত কয়লা খননৰ অনুমতি দিয়াৰ ঘটনা উল্লেখ কৰে তেওঁ। চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায় অসম সংগ্ৰামী মঞ্চৰ সভাপতিগৰাকীয়ে।

## ‘নট চন্দ্ৰ’ ৰবীন্দ্ৰ ৰাভাৰ ১০৭ বছৰ বয়সত মৃত্যু

নিজা বাতৰি দিওঁতা



**ছয়গাঁও, ২৩ মে’ ঃ** কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ একান্ত সহযোগী ৰবীন্দ্ৰ ৰাভা ওৰফে কেশৰী ৰাভাৰ আজি নিজ বাসগৃহত মৃত্যু হোৱাৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। কামৰূপ জিলাৰ ছয়গাঁও থানা এলেকাৰ জাৰুৱাগাঁৱত থকা নিজ বাসগৃহতে আজি দুপৰীয়া প্ৰায় ১-৩০ বজাত মৃত্যু হয় চিৰকুমাৰ ৰবীন্দ্ৰ ৰাভাৰ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ১০৭ বছৰ। এসময়ৰ জনপ্ৰিয় খেলুৱৈ হিচাপে পৰিচিত আছিল ৰাভা। যাত্ৰা জগতৰ শিল্পী তথা নৃত্য প্ৰশিক্ষক হিচাপেও তেওঁ বিখ্যাত আছিল। কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাই ফণী শৰ্মাক নটসূৰ্য কোৱাৰ দৰে এইগৰাকী শিল্পীকো সেই সময়তে ‘নট চন্দ্ৰ’ উপাধিৰে অভিহিত কৰিছিল। তেওঁৰ মৃত্যুৰ খবৰ শুনি বিষ্ণু ৰাভাৰ পুত্ৰ পৃথ্বিৰাজ ৰাভাই শোক প্ৰকাশ কৰাৰ লগতে ছয়গাঁও শ্ৰীমন্ত শংকৰদেৱ কলা-কৃষ্টি বিকাশ কেন্দ্ৰ, ছয়গএ্যা লোক উৎসৱ, কামৰূপ জিলা পৰিষদৰ সদস্য বিউটী ৰাভাই শোক প্ৰকাশ কৰে।

## হাতীৰ গছকত মহিলাৰ মৃত্যু

নিজা বাতৰি দিওঁতা

**বকলীয়াঘাট, ২৩ মে’ ঃ** অসম-নগালেণ্ড সীমাৱৰ্তী এলেকা খটখটীৰ টিলাবস্তিত আজি নিচেই পুৱা বনৰীয়া হাতীৰ আক্ৰমণত এগৰাকী মহিলাৰ মৃত্যু হোৱাৰ বাতৰি পোৱা গৈছে। হাতীৰ আক্ৰমণত নিহত হোৱা মহিলাগৰাকী কুলচোমা বেগম (৫৫) বুলি চিনাক্ত কৰা হৈছে। ঘটনাৰ বিৱৰণি অনুসৰি আজি পুৱা প্ৰায় পাঁচ বজাত ঘৰ মোচাৰ বাবে গোবৰ আনিবলৈ যাওঁতে বাটতে এটা হাতীৰ জাকে মহিলাগৰাকীক আক্ৰমণ কৰি নিহত কৰে।

## ভৱানীপুৰত দুৰ্ঘটনাত এজন নিহত

নিজা বাতৰি দিওঁতা

**সৰুপেটা, ২৩ মে’ ঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত হৰিপুৰত ৩১ নং ৰাষ্ট্ৰীয় ঘাইপথত সংঘটিত এটা পথ দুৰ্ঘটনাত আজি এজন যুৱকৰ মৃত্যু হয়। জানিব পৰা মতে, ভৱানীপুৰ নহাটীৰ দিগন্ত তালুকদাৰ (২৪) নামৰ যুৱকজন এ এছ ১৫ পি-৯৪৫৭ নম্বৰৰ এখন স্কুটীৰে হৰিপুৰত ৰাষ্ট্ৰীয় ঘাইপথ অতিক্ৰম কৰাৰ সময়তে পশ্চিম দিশৰ পৰা অহা এ এছ ০১ ই-এ-৯১৮৯ নম্বৰৰ তীব্ৰবেগী এক্স ইউ ভি বাহন এখনে খুন্দা মাৰে। ফলত যুৱকজন গুৰুতৰভাৱে আহত হয়। তাৰ পিছতেই ততাতৈয়াকৈ সংকটজনক অৱস্থাত যুৱকজনক ভৱানীপুৰ সামূহিক স্বাস্থ্যকেন্দ্ৰলৈ প্ৰাথমিক চিকিৎসা প্ৰদানৰ বাবে লৈ যোৱা হয় যদিও পৰিস্থিতিৰ অৱনতি ঘটাত অধিক উন্নত চিকিৎসাৰ বাবে যুৱকজনক বৰপেটা মেডিকেল কলেজ হাস্পতাললৈ লৈ যোৱা হয়। কিন্তু হাস্পতাল পোৱাৰ আগতেই যুৱকজনৰ মৃত্যু হয়। সৰবৰহী যুৱকজনৰ মৃত্যুত অঞ্চলটোত ইতিমধ্যে শোকৰ ছাঁ বিয়পি পৰিছে।

**তৈলক্ষেত্ৰ হস্তান্তৰ, দিহিং-পাটকাইত কয়লাৰ খনন**

## মটক যুৱ-ছাত্ৰ সন্মিলনৰ প্ৰতিবাদ

নিজা বাতৰি দিওঁতা

**লাহোৱাল, ২৩ মে’ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো অব্যাহত আছে চতুৰ্থ পৰ্যায়ৰ লক্‌ডাউন। লক্‌ডাউনৰ সময়ত কেন্দ্ৰীয় চৰকাৰে অসমৰ ৮ খনকৈ উৎপাদনক্ষম লাভজনক তৈলক্ষেত্ৰ আৰু পূবৰ আমাজন ৰূপে চিহ্নিত দিহিং পাটকাই বৰ্ষাৰণ্যত কয়লাৰ মুক্ত খননৰ বাবে ব্যক্তিগত খণ্ডক গতাই দিয়াৰ বাবে লোৱা সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে মটক যুৱ-ছাত্ৰ সন্মিলনে। আজি ডিব্ৰুগড় জিলাৰ ডিকম ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত অসমৰ তৈলক্ষেত্ৰ ব্যক্তিগত খণ্ডক গতাই দিয়াৰ উপৰি দিহিং-পাটকাই বৰ্ষাৰণ্যত কয়লাৰ মুক্ত খননৰ বাবে ব্যক্তিগত খণ্ডক গতাই দিবলৈ বিচৰা কাৰ্যৰ হাতে হাতে প্লে কাৰ্ড লৈ সদৌ অসম মটক যুৱ-ছাত্ৰ সন্মিলনৰ ডিকম আঞ্চলিক সমিতিয়ে প্ৰতিবাদ সাব্যস্ত কৰে। মটক যুৱ-ছাত্ৰ সন্মিলনে অসমৰ তৈলক্ষেত্ৰ ব্যক্তিগতকৰণ আৰু চিৰসেউজ বন্যপ্ৰাণী সংৰক্ষিত দিহিং-পাটকাই বৰ্ষাৰণ্যত মুক্ত কয়লা খননৰ সিদ্ধান্তৰ বিৰুদ্ধে সকলোকে মাৰ বান্ধি থিয় হ’বলৈ আহ্বান জনায় সন্মিলনৰ ডিকম আঞ্চলিক সমিতিয়ে। তদুপৰি, কেন্দ্ৰীয় পৰিৱেশ মন্ত্ৰণালয়ৰ অধীনৰ নেচনেল ব’ৰ্ড ফৰ ৱাইল্ড লাইফে ক’ল ইণ্ডিয়া লিমিটেডক দিহিং পাটকাই অভয়াৰণ্যৰপৰা কয়লা খননৰ অনুমতি প্ৰদান কাৰ্য প্ৰকৃতি বিৰোধী, পৰিৱেশ বিৰোধী আৰু দুষ্প্ৰাপ্য প্ৰজাতিৰ অৰ্কিড আৰু বন্য জন্তুক হত্যা কৰাৰ এক হঠকাৰী আৰু অমানৱীয় সিদ্ধান্ত বুলি অভিহিত কৰি অসমবাসীৰ ভৱিষ্যৎ বিপদাপন্ন হোৱাৰ আগজাননী বুলি সংগঠনটোৱে গভীৰ শংকা ব্যক্ত কৰি কেন্দ্ৰীয় চৰকাৰক শীঘ্ৰে এই সিদ্ধান্ত প্ৰত্যাহাৰ কৰিবলৈ দাবী জনাইছে।

## ওদালগুৰিত বৃহৎ পৰিমাণৰ মাৰণাস্ত্ৰ উদ্ধাৰ

নিজা বাতৰি দিওঁতা

**ওদালগুৰি, ২৩ মে’ ঃ** ওদালগুৰিত যোৱা নিশা উদ্ধাৰ হয় বহু পৰিমাণৰ মাৰণাস্ত্ৰ। গোপন সূত্ৰৰ খবৰৰ ভিত্তিত ওদালগুৰি আৰক্ষী থানাৰ অন্তৰ্গত ১ নম্বৰ গৰৈবাৰীত আৰক্ষীৰ এটা বৃহৎ দলে অভিযান চলায়। অভিযানকালত আৰক্ষীৰ দলটোৱে অঞ্চলটোৰ এখন হাবিৰ মাজত মাটিত পুতি থোৱা অৱস্থাত উদ্ধাৰ কৰে অস্ত্ৰখিনি। নিশা ১ বজা মানত চলোৱা এই অভিযান কালত আৰক্ষীৰ দলটোৱে উদ্ধাৰ কৰে এটা এ কে-৫৬ ৰাইফলসহ ১৬টা গুলী, ৮টা খালী কাৰ্ট্ৰিজ, এটা মেগজিন, এটা হস্তনিৰ্মিত পিষ্টল, পইণ্ট ৩২ পিষ্টলৰ ৫টা গুলী, ৯ এম এম পিষ্টলৰ ৬টা গুলী, এটা চাইনীজ গ্ৰেণেড। ঘটনা সন্দৰ্ভত অভিযানকাৰী আৰক্ষীৰ দলটোৱে কোনো লোকক আটক কৰা নাই যদিও ওদালগুৰি আৰক্ষী থানাত ভাৰতীয় দণ্ডবিধিৰ ২৫ (এ-১) আৰু অস্ত্ৰ আইনৰ ৩/৪ ই এছ ধাৰাৰ অধীনত ১১৯/২০২০ নম্বৰত এক গোচৰ ৰুজু কৰিছে। কোন সংগঠনে উক্ত অস্ত্ৰখিনি লুকাই থৈছে সেয়া জানিব পৰা হোৱা নাই যদিও আৰক্ষীয়ে বিষয়টো সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে বিগত তিনিটা মাহত চাৰিবাৰকৈ ওদালগুৰিৰ বিভিন্ন প্ৰান্তৰ পৰা অবৈধ অস্ত্ৰ উদ্ধাৰ কৰা হৈছে। ইয়াৰে ভিতৰত বিগত ৯ মাৰ্চত জিলাখনৰ খাওৰাঙত মাটিত পুতি থোৱা অৱস্থাত উদ্ধাৰ হৈছিল এটা এছ এল আৰ বন্দুকসহ ৬টা গুলী, এটা পইণ্ট ৭৫ পিষ্টলসহ দুটা গুলী, এটা চাইনীজ গ্ৰেণেড আৰু এটা ৱাকিটকি। ১৭ মাৰ্চত ১ নম্বৰ বান্দৰগুৰি গাঁৱত হাবিৰ মাজত পুতি থোৱা অৱস্থাত উদ্ধাৰ হৈছিল এটা এ কে-৫৬ ৰাইফলসহ ১২টা গুলী, এটা ৰকেট লাঞ্চাৰসহ ৫টা ৰকেট, ৪০টা উচ্চ প্ৰাবল্যৰ গ্ৰেণেড ১১২ ডাল ডিটনেটৰ আৰু সংযোগী তাঁৰ। ১০ মে’তো অনুৰূপ ধৰণে নিৰাপত্তাৰক্ষীয়ে



একেখন আৰক্ষী থানাৰ অন্তৰ্গত ফুহুৰাবাৰী অঞ্চলত এখন শ্মশানৰ সমীপত মাটিত পুতি ৰখা অৱস্থাত উদ্ধাৰ কৰিছিল এটা বিদেশত নিৰ্মিত ৭.৬৫ পিষ্টলসহ তিনিটা গুলীৰ লগতে এ কে ৪৭ পিষ্টলৰ পাঁচটা গুলী। বিগত চাৰিটা ঘটনালৈ লক্ষ্য কৰিলে দেখা যায় যে জিলাখনৰ উত্তৰাঞ্চলত এটাৰ পিছত আনটো অবৈধ অস্ত্ৰ উদ্ধাৰৰ ঘটনা সংঘটিত হৈছে যদিও উদ্ধাৰ হোৱা অস্ত্ৰসমূহ কাৰ, সেয়া আজি পৰ্যন্ত পোহৰলৈ অহা নাই।

১ পৃষ্ঠাৰ পৰা

## বৰপেটা, বাক্‌সাৰ বহু খেতিপথাৰ

ওপৰেৰে বৈ আছিল যদিও আজি পুৱা আঠ বজাৰ জলসম্পদ বিভাগৰ তথ্যানুসৰি বেঁকী নদীৰ পানী বিপদসীমাৰ ক্ৰমান্বয়ে সামান্য তলেৰে ববলৈ ধৰিছে। কালিৰেপৰা বেঁকী নদীৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত নৈ কাষৰীয়া বিস্তীৰ্ণ অঞ্চলৰ বহু খেতিপথাৰ পানীত বুৰ যোৱা পৰিলক্ষিত হৈছে। বেঁকীৰ বাঢ়নী পানীৰ বাবে বৰনগৰ, কলগাছিয়া, জনিয়া, বাঘবৰ, সৰুপেটা আৰু পাটাছাৰকুছি অঞ্চলৰ বহু ঠাইত পানী উঠিছে। সাগৰীয় ঘূৰ্ণী বতাহ আম্ফানৰ প্ৰভাৱত হৈ থকা মুষলধাৰ বৰষুণৰ প্ৰভাৱত জিলাখনৰ মাজেৰে বৈ যোৱা নৈ, উপনৈসমূহৰ পানী বাঢ়িবলৈ ধৰিছে। ইপিনে, চুবুৰীয়া ৰাষ্ট্ৰ ভূটানে দেশখনৰ কুৰিশ্বু জলবিদ্যুৎ প্ৰকল্পৰ অতিৰিক্ত পানীভাগ প্ৰথম পৰ্যায়ত ৮০০ ঘন মিটাৰ এৰি দিয়াত বেঁকীকে ধৰি আন আন নৈৰ জলস্তৰ অভাৱনীয়ভাৱে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কালি বিয়লি বেঁকী নদী বিপদসীমাৰ ওপৰেৰে বৈ আছিল যদিও আজি পুৱা বেঁকীৰ পানী বিপদসীমাৰ তলেৰে বৈ আছে আৰু ক্ৰমান্বয়ে কমিবলৈ ধৰিছে। নদীত মাছমৰীয়াসকলক মাছ মৰা কাৰ্যত বাধা দিয়াৰ লগতে নাও চলাচল বন্ধ কৰিছে প্ৰশাসনে। বিগত তিনিদিন মান ধৰি বৰষুণৰ বাবে বৰপেটা জিলাৰ মাজেৰে বৈ যোৱা ব্ৰহ্মপুত্ৰ নদীৰ পানী বাঢ়িয়েই আছে। ঠিক তেনেদৰে আজি পুৱা জলসম্পদ বিভাগৰ পৰা পোৱা তথ্য মতে মানাহ, নখান্দা, মৰাচাউলখোৱা, ভেলেঙী, পহুমাৰা আৰু কালদিয়া নদীৰ পানী বাঢ়ি আছে। বাঢ়নী পানীয়ে জিলাখনৰ বহু অঞ্চলৰ কৃষিক্ষেত্ৰ বুৰাই পেলাইছে। ইপিনে, বাঘবৰৰ মৰাভাজ নামৰ গাঁওখনলৈ বেঁকীৰ খহনীয়াই তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছে। বৰপেটা জিলাৰ বহৰি, ভোগেৰপাৰ, ডক্ৰেশ্বৰ আদি অঞ্চলতো পানী বাঢ়ি আছে বুলি জানিব পৰা গৈছে।

**ক্ৰমাৎ বৃদ্ধি পাইছে ভূটানৰপৰা বৈ অহা নৈৰ জলপৃষ্ঠ ঃ চিন্তিত ৰাইজ ঃ শস্যপথাৰ পানীৰ তলত**

**তামুলপুৰৰ নিজা বাতৰি দিওঁতা ঃ** ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলত একেৰাহে হৈ থকা বৰষুণৰ ফলত ক্ৰমাৎ ওফন্দি উঠিছে নৈসমূহৰ জলপৃষ্ঠ। ভূটানৰপৰা বৈ অহা বৰলীয়া, পুঠিমাৰী, বাল্টি, মটঙা, কালা নৈৰ পানী বৃদ্ধি পোৱাত চিন্তিত হৈ পৰিছে নৈপৰীয়া ৰাইজ। বিগত দুই-তিনিদিন ধৰি দি থকা বৰষুণৰ ফলত নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত শংকিত হৈ পৰিছে কাউলী, গুৱাবাৰী, নাগ্ৰীজুলি, নাৰায়ণপুৰ, ভালুকজাৰকে আদি কৰি বহু অঞ্চলৰ লোক। খহনীয়াপ্ৰৱণ অঞ্চলসমূহত পুনৰ সৃষ্টি হৈছে ভাবুকি। পুঠিমাৰী নদীৰ বাঢ়নী পানীত বুৰ গৈছে গান্ধীবাৰী অঞ্চলৰ কৃষক ৰাইজৰ শস্যপথাৰ। জিকা, ভেণ্ডী, তিয়হ, পটল, তিতাকেৰেলা আদি শস্যৰ গছবোৰ পানীৰ তলত ডুবি থকাত মূৰে-কপালে হাত দিছে অঞ্চলটোৰ খেতিয়কসকলে। লক্‌ডাউনৰ কাৰণে খেতিয়কসকল বৃহৎ ক্ষতিৰ সন্মুখীন হোৱাৰ পিছত প্ৰথমটো বানতে এনেদৰে দক্ষিণ গান্ধীবাৰী, উত্তৰ গান্ধীবাৰীৰ খেতিয়কসকলৰ শস্যবোৰ অনিষ্ট হোৱাত ব্যাপক ক্ষতিৰ সন্মুখীন হ’ব লগা হ’ল খেতিয়কসকল। অঞ্চলটোৰ শতাধিক খেতিয়কৰ খেতিপথাৰ পুঠিমাৰী নদীৰ বাঢ়নী পানীয়ে বুৰাই পেলাইছে। পানী কমিলে শস্যবোৰ ৰঙা পৰি মৰহিবলৈ ধৰিব।

## বহিঃৰাজ্যৰ লোকক লৈ বিভ্ৰান্তি

জনাইছে। ৰেলেৰে অহা লোকৰ সংক্ৰমণ দ্ৰুতগতিত বৃদ্ধি হোৱাত মন্ত্ৰী শৰ্মাৰ মন্তব্য তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। কিন্তু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰৰ কিছুমান সিদ্ধান্তই অৱশ্যে পৰিস্থিতি অধিক জটিলহে কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে যোৱা ২১ মে’ত ৰেলৱে ব’ৰ্ডে (নং টি চি II/২০০৩/২০২০ ৰিফাণ্ড ক’ৰ’না) জাৰি কৰা এখন জাননীক লৈ এই সময়ত ৰাজ্য চৰকাৰে নজৰ দিয়াৰ প্ৰয়োজন হৈছে। ৰেলৱে ব’ৰ্ডে ৰেলৰ বিষয়ালৈ জাৰি কৰা জাননীখনত কোৱা হৈছে যে মহাৰাষ্ট্ৰ চৰকাৰে আন্তঃজিলা ভ্ৰমণ নিষিদ্ধ কৰিছে। সেয়ে মহাৰাষ্ট্ৰ চৰকাৰে তেওঁলোকৰ ৰাজ্যৰ মাজেৰে বিশেষ ৰেল প্ৰৱেশ কৰিবলৈ নিদিয়ে। সেয়ে বিশেষ ৰেলৰ বাবে যিসকলে টিকট ক্ৰয় কৰিছিল সেইসকলৰ টিকটৰ ধন ঘূৰাই দিব লাগে। লক্ষণীয় যে মহাৰাষ্ট্ৰত দ্ৰুতগতিত কোভিড-১৯ ৰোগীৰ সংখ্যা বৃদ্ধি হোৱাৰ পৰিপ্ৰেক্ষিতত মহাৰাষ্ট্ৰ চৰকাৰে ৰেলৱে ব’ৰ্ডক বিশেষ ৰেল প্ৰৱেশ কৰিবলৈ দিয়া নহ’ব বুলি জনাই দিয়াৰ পিছত ব’ৰ্ডে তেনে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। মন কৰিবলগীয়া যে বিশেষ ৰেলসমূহত সামাজিক দূৰত্বৰ নিয়ম প্ৰযোজ হোৱা নাই। অসমলৈ ৰেলেৰে অহা কেইবাজনো লোকে ‘দৈনিক অসম’ক কয় যে ৰেলৰ পাঁচজনীয়া আসনত পাঁচজনকে বহিবলৈ দিয়া হৈছে। ফলত সামাজিক দূৰত্বৰ নিয়ম বলৱৎ হোৱা নাই। বিশেষ ৰেলসমূহত এনে অৱস্থা হোৱাত মহাৰাষ্ট্ৰ চৰকাৰে বিশেষ ৰেলৰ প্ৰৱেশত বাধা দিয়াত ৰেলৱে ব’ৰ্ডে তেনে সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। কিন্তু অসম চৰকাৰে কি কৰিছে?

অসমত যেতিয়া কোভিড-১৯ ৰোগীৰ সংখ্যা ৩০জনো অতিক্ৰম কৰা নাছিল তেতিয়া স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বহিঃৰাজ্যত থকা লোকে আহিব পাৰে বুলি সদৰি কৰিছিল। মাতৃভূমিলৈ আহিবলৈ বিচৰাসকলক আমি বাধা নিদিওঁ। অৱশ্যে সমান্তৰালকৈ মন্ত্ৰী শৰ্মাই বহিঃৰাজ্যত থকা লোকৰ একাউণ্টত ২০০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছিল। চৰকাৰৰ এনে সিদ্ধান্তক সকলোৱে আদৰণি জনাইছে। কিন্তু ইয়াৰ পৰৱৰ্তী সময়ত লোৱা কিছুমান সিদ্ধান্ত মন কৰিবলগীয়া। বহিঃৰাজ্যৰপৰা অহা প্ৰতিজন লোকৰ খোৱা বা অন্য খা-খৰচৰ বাবদ গড়ে ১৩,০০০ টকাকৈ খৰচ কৰা হ’ব বুলি মন্ত্ৰী শৰ্মাই সদৰি কৰিছে। বহিঃৰাজ্যৰপৰা অহা প্ৰতিজনৰ বাবদ ১৩,০০০ টকাকৈ খৰচ কৰিব বুলি ঘোষণা কৰা মন্ত্ৰী শৰ্মাই এতিয়া কৈছে যে বাহিৰৰপৰা আৰু কোনো লোক আহিব নালাগে। পৰিস্থিতি অতি ভয়ংকৰ হৈছে। ৰোগীৰ সংখ্যা বৃদ্ধি হ’লে নিয়ন্ত্ৰণ কৰিব পৰা নাযাব। লক্ষণীয় যে যদি বহিঃৰাজ্যৰপৰা অহা এজন লোকৰ বাবে ১৪ দিনত চৰকাৰে ১৩,০০০ খৰচ কৰিবই পাৰে, তেতিয়া হ’লে সেইসকলক বহিঃৰাজ্যৰপৰা এতিয়াই আহিবলৈ নিদি চলিবৰ বাবে অধিক টকা দিয়াৰ ব্যৱস্থা নকৰিলে কিয়? চৰকাৰে মাহে ২০০০ টকাকৈ হ’লেও দি বহিঃৰাজ্যত থকা প্ৰতিজন শ্ৰমিকক ৬-৭ মাহ সহায় কৰিব পাৰিলেহেঁতেন। তাকে নকৰি প্ৰথমে ৰেলেৰে আহিবলৈ দিলে আৰু এতিয়া পৰিস্থিতিৰ অৱনতি হোৱাত নাহিবলৈ আহ্বান জনাইছে। অৰ্থাৎ চৰকাৰে সমগ্ৰ বিষয়টোক লৈ অযথা বিভ্ৰান্তিৰ সৃষ্টি কৰিছে। কোৱাৰেণ্টাইনত থকা এজনৰ নামত গড়ে ১৩,০০০ টকাকৈ খৰচ কৰিব পৰা চৰকাৰে বহিঃৰাজ্যৰপৰা আহিবলৈ বিচৰাসকলক কেইমাহমান অৰ্থসাহায্য দি কৰ্মস্থলীতে ৰখাৰ ব্যৱস্থা কৰিব পাৰিলেহেঁতেন। মহাৰাষ্ট্ৰ চৰকাৰে যদি কেন্দ্ৰক হেঁচা দি সকলো কৰিব পাৰে অসম চৰকাৰে নোৱাৰাৰ প্ৰশ্ন নাহে। ইয়াৰ বিপৰীতে এদিন আহিবলৈ বিচাৰিলে আহক আৰু এদিন নাহিবলৈ আহ্বান জনোৱা হৈছে। ফলত ৰাইজৰ লগতে বহিঃৰাজ্যত থকা লোকো বিভ্ৰান্ত হৈছে।

## বিদেশত কেনে আছে অসমীয়া

ৰূপকথাৰ দৰেই। আমি মানে মই, মোৰ পত্নী গীতিকা আৰু একমাত্ৰ কন্যা অগ্ৰতা, ডুবাইত আজি ৭ বছৰ ধৰি আছোঁ। মই পেছাত অভিযন্তা আৰু জাৰ্মানীৰ বহুৰাষ্ট্ৰীয় কোম্পানী ‘ছীমেনছ’ৰ বৈদ্যুতিক বিভাগত কৰ্মৰত।

সেয়া হ’লেও কোভিড-১৯ৰ গ্ৰাসৰপৰা মুক্ত হ’ব পৰা নাই ডুবাই। ইয়াত ধৰা পৰা প্ৰথম ৰোগীজন চীনৰপৰা অহা লোক আছিল। প্ৰকৃততে সমগ্ৰ মধ্যপ্ৰাচ্যৰে প্ৰথম আক্ৰান্ত আছিল তেওঁ। যোৱা ২৯ জানুৱাৰীত চিনাক্ত হোৱা ৭৩ বছৰীয়া এই ৰোগীগৰাকী পিছত আৰোগ্যও হৈছিল। ডুবাই পৰ্যটকৰ মুখ্য আকৰ্ষণৰ স্থল হোৱা সূত্ৰে ইয়াত যে কোভিড বিয়পিব, সেই কথা ইয়াৰ চৰকাৰে ভালদৰে বুজিছিল আৰু তেওঁলোকে তাক প্ৰতিৰোধ কৰিবলৈ আগৰে পৰাই সাজু হৈছিল। ২০ মাৰ্চত প্ৰথম দুগৰাকী ৰোগীৰ মৃত্যুৰ পিছত চৰকাৰ কোভিডৰ বিৰুদ্ধে অধিক সক্ৰিয় হৈ পৰিল। ২২ মাৰ্চৰপৰা সমগ্ৰ দেশত চৰকাৰে ১১ দিনীয়া ‘ষ্টেৰিলাইজেচন কেম্পেইন’ আৰম্ভ কৰে। তাৰ চাৰিদিন পিছতে নৈশ সান্ধ্য আইন ঘোষণা কৰে। অৱশ্যে চৰকাৰে সকলো স্কুল-কলেজ, বিনোদন কেন্দ্ৰ, শ্বপিং মল, চিনেমা হল ইত্যাদি ২৩ মাৰ্চৰ পৰাই বন্ধৰ নিৰ্দেশ দিয়ে। বিশ্বৰ প্ৰথম স্থানত থকা এমিৰেট্‌ছ এয়াৰলাইনছে যোৱা ২৫ মাৰ্চৰপৰা সকলো বিমান সেৱা বাতিল কৰে। ষষ্ঠ শ্ৰেণীত পঢ়া অগ্ৰতাৰ এই সময়ত বছৰেকীয়া পৰীক্ষা চলি আছিল। কিন্তু পৰীক্ষাও বাতিল হয়। ২৯ মাৰ্চৰপৰা হ’বলগীয়া বসন্ত-বিৰতি ৮ মাৰ্চৰপৰাই আৰম্ভ হয়। দশম আৰু দ্বাদশ শ্ৰেণীৰ পৰীক্ষাসমূহ কটকটীয়া নিয়মৰ মাজেৰে শেষ কৰাৰ নিৰ্দেশ দিয়া হয়। আমাকো অফিচৰপৰা জাননী দি সকলো কাম-কাজ ঘৰৰ পৰাই কৰাৰ নিৰ্দেশ দিয়ে। আনকি মছজিদৰ পৰিৱৰ্তে ঘৰতে সকলোকে নামাজ পঢ়িবলৈ আহ্বান জনোৱা হয়। ইউ এ ইৰ দৰে এখন ইছলামধৰ্মীয় দেশৰ বাবে ই অতিকে তাৎপৰ্যপূৰ্ণ কথাই।

ইপিনে, পৰিৱেশ অপৰিৱৰ্তিত হোৱাত ৪ এপ্ৰিলত চৰকাৰে ২৪ ঘণ্টীয়া সান্ধ্য আইন জাৰি কৰে। অবিৰত আৰু সদ্য যৌৱনা ডুবাইৰ গতিত যেন যতি পৰে। এই সময়ছোৱাত যদি কোনোবাই আইন ভংগ কৰে, সেইসকলে ব্যাপক জৰিমনা ভৰিব লাগিব। জৰিমনা দহ হাজাৰ টকাৰপৰা যাৱজ্জীৱন কাৰাদণ্ড পৰ্যন্ত। মই এটা কথা কওঁ— ইয়াত পৃথিৱীৰ সকলো ঠাইৰে মানুহ আছে, কিন্তু নীতি-নিৰ্দেশনা সকলোৱে খুব সুন্দৰকৈ মানি চলে। হয়তো বৃহৎ জৰিমনাও তাৰ এটা কাৰণ হ’ব পাৰে। যি কি নহওক, সৰ্বসাধাৰণৰ অসুবিধা নোহোৱাকৈ চৰকাৰে গেলামাল, ফাৰ্মাচী খুলি ৰখাৰ লগতে এটা অনলাইন এপৰো ব্যৱস্থা কৰে; যাৰ জৰিয়তে পৰিয়ালৰ এজন সদস্য গৈ যাৱতীয় ৰেচন পাতি আনিব পাৰে। লক্ষণীয়ভাৱে এই সময়ছোৱাত আমি কোনোধৰণৰ সামগ্ৰীৰ নাটনি দেখা নাই। আটাইতকৈ ডাঙৰ কথা, চৰকাৰী বিষয়াসকলৰ তীক্ষ্ণ নজৰৰ বাবে দোকানসমূহে সামগ্ৰীৰ দাম বৃদ্ধি কৰিব নোৱাৰিলে। ইতিমধ্যে বেছিভাগ হাস্পতালকে কোভিড-১৯ৰ লগত এঘড়ী যুঁজ দিবৰ বাবে গঢ়ি তোলা হৈছিল। আজিৰ দিনত ৰোগীৰ পৰীক্ষাৰ ক্ষেত্ৰত সংযুক্ত আৰব এমিৰেট্‌ছ বিশ্বৰ ভিতৰত প্ৰথম ১০টা স্থানৰ ভিতৰত আছে। আজি ২৩ মে’লৈ সংযুক্ত আৰবত কোভিড-১৯ ৰোগীৰ সংখ্যা ২৭,৮৯২। ইয়াৰে ১৩,৭৯৮ ৰোগী আৰোগ্য হৈছে (প্ৰায় ৫০ শতাংশ) আৰু ২৪১ গৰাকীয়ে প্ৰাণ হেৰুৱালে। মে’ মাহৰ মাজভাগৰপৰা যেতিয়া পৱিত্ৰ ৰমজান মাহ আৰম্ভ হ’ল, সান্ধ্য আইন ২৪ ঘণ্টাৰ পৰিৱৰ্তে নিশা ১০ বজাৰপৰা পুৱা ৬ বজালৈ কৰা হয়। তথাপি সকলো নাগৰিকক আহ্বান জনোৱা হয়, যদিহে বিশেষ দৰকাৰ নাই, তেনেহ’লে ঘৰতে থাকে যেন। বিশেষ অনুমতি লৈ মই ৪-৫ দিনমান কাৰ্যালয়লৈ গৈছিলোঁ কেইটামান অত্যাৱশ্যকীয় কামৰ কাৰণে। তাৰ পিছত আকৌ ঘৰৰপৰা কাম কৰি আছোঁ। অগ্ৰতাই অনলাইন স্কুল কৰি আছে। স্কুলৰ ৰুটিনো সাধাৰণ ৰুটিনৰ দৰে— পুৱা ৮ বজাৰপৰা আবেলি ২ বজালৈকে। সামাজিক দূৰত্ব পালন কৰি আমিও বন্ধুবৰ্গৰ ঘৰলৈ যোৱা নাই বা তেওঁলোকো অহা নাই। এইখিনিতে উল্লেখ কৰোঁ যে সংযুক্ত আৰব এমিৰেট্‌ছত অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰায় তিনি শতাধিক লোক আছে। আমি প্ৰত্যেক বছৰে আড়ম্বৰপূৰ্ণভাৱে ৰঙালী বিহু পালন কৰোঁ। কিন্তু এইবাৰ পালন কৰিব নোৱাৰাত মনটো সেমেকি উঠিছে। আজি ৰমজানৰ শেষৰ ৰোজা আৰু কালিলৈ পৱিত্ৰ ঈদ। কিন্তু মছজিদত ঈদৰ নামাজো নহ’ব— তাক লৈ কাৰো আক্ষেপ নাই। মাথোঁ সকলোৱে হেঁপাহেৰে বাট চাই আছে একে উলাহেৰে আকৌ যাতে ঈদ, বিহু, দীপান্বিতাকে ধৰি সকলো উৎসৱ পালন কৰিব পাৰি।

এই সময়ছোৱাত মোৰ দৰে ব্যস্ত কৰ্মোৎসাহীসকলে এটা কথা বুজি পালে যে যিমানেই ব্যস্ত নাথাকক বা যিমানেই কেৰিয়াৰৰ পিছত দৌৰ নিদিয়ক, বিপদৰ সময়ত কেৱল নিজৰ পৰিয়ালটোহে নিজৰ লগত। কোভিড-১৯এ পৰিয়াল তথা বন্ধন কি, তাক হাড়ে-হিমজুৱে শিকালে।ময়ো জীৱনত নকৰা ভালেমান ঘৰুৱা কাম কৰাৰ তথা শিকাৰ সুবিধা পালো। গীতিকাৰ হাতৰ সুস্বাদু ব্যঞ্জনৰ আনন্দ পালোঁ। নিজৰ পৰিয়ালৰ সৈতে এক গুণগত সময় পাৰ কৰাৰ সুবিধা পালোঁ। তদুপৰি বন্ধু দিব্যজ্যোতি লিখকৰ অনলাইন গ্ৰুপ ‘লক্‌ডাউন ডায়েৰী’ৰ সক্ৰিয় সদস্য হৈ, বিভিন্ন ধৰণৰ মনোৰঞ্জনমূলক প্ৰতিযোগিতাৰ আয়োজন কৰাত সহযোগ কৰিলোঁ।

স্পষ্টতঃ আজি ঈদৰ প্ৰাক্‌ক্ষণত ভগৱানৰ ওচৰত এয়াই প্ৰাৰ্থনা, কোভিড-১৯ৰ অন্ত পৰক আৰু সমগ্ৰ বিশ্ব আগৰ দৰে আনন্দময় হৈ পৰক। যেতিয়ালৈকে কোনো প্ৰতিষেধক নোলায় বা ভাইৰাছটোৰ প্ৰকোপ নিজে নিজে শেষ নহয়, সকলো ঘৰতে থাকক, পৰিয়ালৰ লগত সময় অতিবাহিত কৰক। চৰকাৰে জাৰি কৰা নিয়ম-নিৰ্দেশনা মানি চলক। মনত ৰাখিব, সৰ্বসাধাৰণৰ সহযোগ নহ’লে চৰকাৰ, আৰক্ষী আৰু স্বাস্থ্যকৰ্মীসকলে একো কৰিব নোৱাৰে। সদৌ শেষত সকলো অসমবাসীলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। ‘অসম আমাৰ ৰূপহী, গুণৰো নাই শেষ’।

(মানস প্ৰতিম দত্ত, ছীমেন্‌ছ-মিডিল ইষ্ট নৰ্থ আফ্ৰিকাৰ বিক্ৰয় সঞ্চালক হিচাপে সংযুক্ত আৰব এমিৰেট্‌ছৰ ডুবাইত কৰ্মৰত। ই-মেইল ঃ manash.alstom@gmail.com)

# টেষ্ট ক্ৰিকেট খেলিবলৈ কমেও দুমাহৰ প্ৰস্তুতি লাগিব বলাৰক ঃ আই চি চি

**মুম্বাই, ২৩ মে' ঃ** ক'ৰ'না ভাইৰাছ লকডাউনৰ পিছত টেষ্ট ক্ৰিকেট আৰম্ভ কৰিবলৈ বলাৰক কমেও দুইৰপৰা তিনি মাহৰ প্ৰস্তুতিৰ প্ৰয়োজন হ'ব বুলি অনুভৱ কৰে আই চি চিয়ে। কোভিড-১৯ মহামাৰীৰ বাবে মাৰ্চৰপৰাই বিশ্বত বন্ধ হৈ আছে ক্ৰিকেট খেল। কিন্তু চৰকাৰে লকডাউনৰ নীতি-নিয়ম কিছু শিথিল কৰি দিয়া বাবে কিছুমান দেশে নীতি-নিৰ্দেশনাৰ মাজেৰে ক্ৰিকেটৰ প্ৰত্যাৱৰ্তনৰ পথ মুকলি কৰাৰ চেষ্টা কৰিছে। ইংলেণ্ডৰ ক্ৰিকেটাৰে ইতিমধ্যে অনুশীলন আৰম্ভ কৰিছে। জুলাইত ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে টেষ্ট ছিৰিজ খেলাৰ লক্ষ্যৰে প্ৰস্তুতি আৰম্ভ কৰিছে ইংলেণ্ডে। আনহাতে, আগষ্টত পাকিস্তান ক্ৰিকেট দলে তিনিখন টেষ্ট আৰু সমসংখ্যক টী-২০ আন্তঃৰাষ্ট্ৰীয় মেচ খেলিবলৈ ইংলেণ্ড ভ্ৰমণ কৰাৰ কথা। অৱশ্যে সকলো খেল দৰ্শকবিহীন বন্ধ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আই চি চিয়ে কয়, 'দীঘলীয়া বিৰতিৰ পিছত প্ৰত্যাৱৰ্তন কৰিলে বিশেষভাৱে বলাৰে আঘাত পোৱাৰ সম্ভাৱনা থাকে।' বিশ্ব ক্ৰিকেটৰ সৰ্বোচ্চ সংস্থাটোৱে ডাঙৰ দল ব্যৱহাৰ কৰাৰ পৰামৰ্শ দিছে। বলাৰৰ কামৰ বোজাৰ ওপৰত দৃষ্টি ৰাখিবলৈও কোৱা হৈছে। আই চি চিৰ মতে, টেষ্ট ক্ৰিকেট খেলিবলৈ আঠৰপৰা ১২ সপ্তাহৰ প্ৰস্তুতিৰ প্ৰয়োজন হ'ব আৰু অন্তিম চাৰি-পাঁচ সপ্তাহ মেচ খেলাৰ দৰে বলিং অনুশীলন কৰিব লাগিব। ইফালে, ৫০ অভাৰ আৰু টুৱেণ্টী-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটলৈ প্ৰত্যাৱৰ্তনৰ বাবে বলাৰক ছসপ্তাহ প্ৰস্তুতি চলোৱাৰ পৰামৰ্শ দিছে আই চি চিয়ে। অনুশীলন আৰু প্ৰতিযোগিতালৈ খেলুৱৈসকলে যাতে সুকলমে প্ৰত্যাৱৰ্তন কৰিব পাৰে, তাৰ বাবে সংশ্লিষ্ট ক্ৰিকেট ব'ৰ্ডসমূহক চিকিৎসা উপদেষ্টা বা জৈৱ-নিৰাপত্তা বিষয়া নিযুক্তিৰ কথা বিবেচনা কৰিবলৈ আই চি চিয়ে পৰামৰ্শ দিছে। খেলুৱৈ আৰু আম্পায়াৰে সামাজিক দূৰত্বৰ নিয়ম মানি চলিব লাগিব। খেলুৱৈসকলক অপ্ৰয়োজনত পৰস্পৰৰ কাষ নাচাপিবলৈ সকীয়াই দিছে আই চি চিয়ে। আম্পায়াৰ আৰু সতীৰ্থ খেলুৱৈলৈ টুপী, টাৱেল, ছানগ্লাছ আদি বস্তু হস্তান্তৰ নকৰিবলৈকো কোৱা হৈছে।


## লেলাউটিৰ প্ৰয়োগ বন্ধ কৰাটো কঠিন হ'ব ঃ ব্ৰেট লী



**মুম্বাই, ২৩ মে' ঃ** ক্ৰিকেট বলত লেলাউটিৰ প্ৰয়োগ নিষিদ্ধ কৰিবলৈ আই চি চি ক্ৰিকেট কমিটীয়ে দিয়া পৰামৰ্শক আদৰণি জনাইছে ব্ৰেট লীয়ে। অষ্ট্ৰেলিয়াৰ পূৰ্বৰ বেগী বলাৰজনৰ মতে সাম্প্ৰতিক সময়ত খেলুৱৈৰ নিৰাপত্তা নিশ্চিত কৰাটো অতি জৰুৰী হৈ পৰিছে। কিন্তু কাৰ্যক্ষেত্ৰত লেলাউটিৰ প্ৰয়োগ বন্ধ কৰাটো যথেষ্ট কঠিন হ'ব বুলি অনুভৱ কৰে লীয়ে। ষ্টাৰ স্প'ৰ্টছক লীয়ে কয়, '৮, ৯, ১০ বছৰ বয়সৰপৰা যিটো কাম কৰি অহা হৈছে, সেইটো কাম এৰাতিৰ ভিতৰতে বন্ধ কৰিব পৰা নাযায়। মোৰ মতে এইক্ষেত্ৰত কেইবাটাও পৰ্যায় থাকিব। আই চি চিও আৰম্ভণিতে হয়তো অলপ নৰম হ'ব। প্ৰথমতে হয়তো সতৰ্ক কৰি দিয়া হ'ব। এইটো এটা ডাঙৰ পদক্ষেপ, কিন্তু ৰূপায়ণ কৰাটো কঠিন হ'ব। ক্ৰিকেটাৰসকলে গোটেই জীৱনজুৰি এই কাম কৰি আহিছে।' উল্লেখ্য যে অষ্ট্ৰেলিয়াৰ বেগী বলাৰ জচ হেজলউডে পূৰ্বেই লীৰ দৰে মন্তব্য কৰিছে। বলত লেলাউটিৰ প্ৰয়োগ নিষিদ্ধ কৰাটো কঠিন হ'ব বুলি হেজলউডেও অনুভৱ কৰে। কিন্তু কোভিড-১৯ মহামাৰীৰ ব্যাপক সংক্ৰমণৰ প্ৰতি লক্ষ্য ৰাখিহে আই চি চি ক্ৰিকেট কমিটীয়ে এই পৰামৰ্শ দিছে।

## মেক্সিকান ফুটবল ছিজন বাতিল

**মেক্সিকো চিটী, ২৩ মে' ঃ** মেক্সিকোৰ ফুটবল লীগ— লীগা এম এক্সৰ ২০২০ ছিজনৰ অৱশিষ্ট খেলসমূহ বাতিল কৰা হৈছে। অৰ্থাৎ পুৰুষ আৰু মহিলা উভয়ৰে ফুটবল ছিজন আধৰুৱা অৱস্থাতে শেষ হোৱা বুলি ধৰি লোৱা হৈছে। লীগৰ কৰ্মকৰ্তাই শুকুৰবাৰে এই কথা ঘোষণা কৰে। কোভিড-১৯ মহামাৰীৰ বাবেই লীগ কৰ্তৃপক্ষই এই সিদ্ধান্ত ল'বলগীয়া হয়। ২০২০ ছিজনৰ লীগ চেম্পিয়ন হিচাপে কোনো দলক স্বীকৃতি দিয়া নহয়। ১৫ মাৰ্চৰপৰা বন্ধ হৈ থকা লীগ পুনৰ আৰম্ভ কৰা বাবে স্বাস্থ্য বিভাগৰ সৈতে আলোচনা কৰা হৈছিল। কিন্তু লীগ পুনৰ আৰম্ভ কৰাটো নিৰাপদ নহ'ব বুলি শেষত সিদ্ধান্ত লোৱা হয়।



আসন্ন এক ট্ৰাইথলন ইভেণ্টৰ বাবে চাইক্লিংৰ অনুশীলন কৰা দেখা গৈছে অষ্ট্ৰেলিয়ান ক্ৰিকেটাৰ পিটাৰ ছিডলক, মেলবৰ্ণত শনিবাৰে।

### অসম চাইক্লিং সন্থাৰ সম্পাদকৰ আদৰণি

## বিহাৰৰ জ্যোতি কুমাৰীক অনুশীলনৰ বাবে আমন্ত্ৰণ ৰাষ্ট্ৰীয় ফেডাৰেচনৰ

**গুৱাহাটী, ২৩ মে' ঃ** মহামাৰী ক'ৰ'না ভাইৰাছৰ বাবে বিশ্বজুৰি অচলাৱস্থা সৃষ্টি হোৱাৰ মাজতে বিহাৰৰ জ্যোতি কুমাৰী নামৰ এগৰাকী ছোৱালীয়ে বাতৰিৰ শিৰোনাম দখল কৰিছে। অসুস্থ পিতৃক গুৰুগ্ৰামৰপৰা ১২০০ কিলোমিটাৰ চাইকেলত উঠাই বিহাৰৰ স্বগৃহত উপস্থিত হোৱাৰ পিছত তেওঁক লৈ আগ্ৰহী হৈ উঠিছে ভাৰতীয় চাইক্লিং ফেডাৰেচনো। মাৰ্কিন যুক্তৰাজ্যৰ প্ৰেছিডেণ্ট ড'নাল্ড ট্ৰাম্পৰ কন্যা ইভাংকাই টুইটাৰৰ জৰিয়তে প্ৰশংসা কৰা জ্যোতিক এতিয়া ভাৰতীয় চাইক্লিং ফেডাৰেচনে অনুশীলনৰ বাবে আমন্ত্ৰণ জনাইছে যাতে তেওঁ এজন সফল চাইক্লিষ্ট হ'ব পাৰে। অসম চাইক্লিং সন্থাৰ সম্পাদক ড° তপন দাসেও ফেডাৰেচনৰ এই তৎপৰতাক আদৰণি জনোৱাৰ লগতে তেওঁক সহায় কৰাৰ বাবেও পদক্ষেপ লৈছে।

## আই অ' এৰ শিক্ষা কমিটীত লক্ষ্য কোঁৱৰ

**গুৱাহাটী, ২৩ মে' ঃ** ভাৰতীয় অলিম্পিক সন্থাই (আই অ' এ) আই অ' এ অলিম্পিক শিক্ষা আৰু অন্যান্য বিদ্যায়তনিক বিষয়ক কমিটীৰ সদস্য হিচাপে মনোনীত কৰিছে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰক। ২০২০-২১ চনৰ বাবে গঠন কৰা এই সাতজনীয়া কমিটীত অধ্যক্ষ হিচাপে আছে প্ৰশান্ত কুছৱাহা। আনহাতে, অহা ৬০ দিনৰ ভিতৰত হ'বলগীয়া ছিকিম অলিম্পিক সন্থাৰ নিৰ্বাচন প্ৰক্ৰিয়াত আই অ' এৰ পৰ্যৱেক্ষক হিচাপে দায়িত্ব অৰ্পণ কৰা হৈছে লক্ষ্য কোঁৱৰকে।

### অদূৰ ভৱিষ্যতে আন্তঃৰাষ্ট্ৰীয় টুৰ্ণামেণ্ট নহয় ঃ ৰিজিজু

## দৰ্শকবিহীন ষ্টেডিয়ামত খেল অনুষ্ঠিত হোৱা কথাৰ সৈতে খাপ খুৱাই ল'ব লাগিব ক্ৰীড়াপ্ৰেমীয়ে

**নতুন দিল্লী, ২৩ মে' ঃ** মহামাৰী কোভিড-১৯ৰ বাবে সম্প্ৰতি বিধ্বস্ত সমগ্ৰ বিশ্ব। ইয়াৰ প্ৰভাৱ পৰিছে ক্ৰীড়াক্ষেত্ৰতো। আজি কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰী কিৰেণ ৰিজিজুৱে এইটো স্পষ্ট কৰি দিছে যে এই পৰিস্থিতিত অদূৰ ভৱিষ্যতে ভাৰতে কোনো ধৰণৰ আন্তঃৰাষ্ট্ৰীয় টুৰ্ণামেণ্ট আয়োজন নকৰে আৰু ক্ৰীড়াপ্ৰেমীয়ে কোভিড মহামাৰীৰ পিছত দৰ্শকবিহীন ষ্টেডিয়ামত খেল অনুষ্ঠিত হোৱাৰ কথাটোৰ সৈতে নিজকে খাপ খুৱাই ল'ব লাগিব। ৰিজিজুৰ এই মন্তব্যই অনিৰ্দিষ্ট কাললৈ স্থগিত হৈ থকা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগত (আই পি এল) প্ৰভাৱ পেলাব বুলি ধাৰণা কৰা হৈছে। উল্লেখ্য যে আই চি চি টী-২০ বিশ্বকাপ বাতিল হ'লে বি চি চি আয়ে অক্টোবৰ-নৱেম্বৰত আই পি এল আয়োজন কৰাৰ কথা গুণা-গঁথা কৰি আছে। 'আমি কিছুদিন ধৰি ক্ৰীড়া সম্পৰ্কীয় কাৰ্যসূচী আৰম্ভ কৰাৰ ক্ষেত্ৰত কাম কৰি আছোঁ। কিন্তু তাৰ আগেয়ে আমি অনুশীলন আৰু প্ৰশিক্ষণ আৰম্ভ কৰাৰ কথা ভাবিব লাগিব। এতিয়াই আমি টুৰ্ণামেণ্ট আৰম্ভ কৰাৰ পৰিস্থিতিত নাই।'— এইদৰে এক সাক্ষাৎকাৰত কয় ৰিজিজুৱে। কেন্দ্ৰীয় ক্ৰীড়ামন্ত্ৰীগৰাকীয়ে লগতে কয়, 'আমি এতিয়া দৰ্শকবিহীন ষ্টেডিয়ামত খেল অনুষ্ঠিত হোৱা কথাটোৰ সৈতে খাপ খুৱাই ল'ব পাৰিব লাগিব।' আনহাতে, আই পি এলৰ ত্ৰয়োদশ সংস্কৰণ সন্দৰ্ভত ক্ৰীড়ামন্ত্ৰীজনে কয় যে দেশত যিকোনো ধৰণৰ টুৰ্ণামেণ্ট আয়োজন কৰা সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ বিশেষ অধিকাৰ আছে চৰকাৰৰ। 'ভাৰতত চৰকাৰে এইক্ষেত্ৰত সিদ্ধান্ত ল'ব। পৰিস্থিতি চালিজাৰি চাই এইক্ষেত্ৰত সিদ্ধান্ত লোৱা হ'ব। আমি জনসাধাৰণৰ স্বাস্থ্যৰ



কথাটো আওকাণ কৰি কোনোধৰণৰ টুৰ্ণামেণ্ট আয়োজন কৰিব নোৱাৰোঁ। আমাৰ প্ৰধান লক্ষ্য হ'ল কোভিড-১৯ৰ বিৰুদ্ধে যুঁজা আৰু একে সময়তে পৰিস্থিতি স্বাভাৱিক কৰাৰ বাবেও চেষ্টা অব্যাহত ৰখা হৈছে। এই মুহূৰ্তত কেতিয়াকৈ টুৰ্ণামেণ্ট অনুষ্ঠিত হ'ব, সেয়া নিশ্চিতকৈ কোৱাটো কঠিন। কিন্তু এটা কথা ঠিক যে চলিত বৰ্ষত কিছু টুৰ্ণামেণ্ট দেশত অনুষ্ঠিত হ'ব।'— এইদৰে কয় ৰিজিজুৱে।



জুভেণ্টাছৰ তাৰকা খেলুৱৈ ক্ৰিষ্টিয়ানো ৰোণাল্ডোক দেখা গৈছে অনুশীলনৰ সময়ত টুৰিনত।

## টীম ইণ্ডিয়াৰ ভ্ৰমণক লৈ আশাবাদী ক্ৰিকেট অষ্ট্ৰেলিয়া

**মেলবৰ্ণ, ২৩ মে' ঃ** এই বছৰৰ শেষৰফালে ভাৰতীয় ক্ৰিকেট দলে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিব বুলি ক্ৰিকেট অষ্ট্ৰেলিয়া আশাবাদী। কোভিড-১৯ মহামাৰীৰ বাবে চাৰিখন টেষ্টৰ ছিৰিজটোক লৈ অনিশ্চয়তাৰ উদ্ভৱ হৈছে। কিন্তু ক্ৰিকেট অষ্ট্ৰেলিয়াৰ মুখ্য কাৰ্যবাহী কেভিন ৰবাৰ্টছে অনিশ্চয়তাৰ কথা ক'ব নিবিচাৰে। সম্ভাৱনাৰ ফালৰপৰা টীম ইণ্ডিয়াৰ অষ্ট্ৰেলিয়া ভ্ৰমণক ১০ৰ ভিতৰত ৯ নম্বৰ দিব বিচাৰে ৰবাৰ্টছে। আৰ্থিক দিশত ক্ৰিকেট অষ্ট্ৰেলিয়া বৰ্তমান সমস্যাৰে জৰ্জৰিত। সেয়েহে ভাৰত-অষ্ট্ৰেলিয়াৰ ছিৰিজটো তেওঁলোকে যিকোনো প্ৰকাৰে আয়োজন কৰিব বিচাৰে। এই ছিৰিজ অনুষ্ঠিত হ'লে সম্প্ৰচাৰ স্বত্ব বিক্ৰীৰপৰাই ক্ৰিকেট অষ্ট্ৰেলিয়াই ৩০০ নিযুত অষ্ট্ৰেলিয়ান ডলাৰ লাভ কৰিব। ভাৰতে নৱেম্বৰৰপৰা জানুৱাৰীলৈকে অষ্ট্ৰেলিয়া ভ্ৰমণ কৰাৰ কথা। ৰবাৰ্টছে কয়, 'মই ভাবোঁ যে বিশ্বত বৰ্তমান নিশ্চয়তা বুলি এনে কোনো কথা নাই যে মই সম্ভাৱনা ১০ৰ ভিতৰত ১০ বুলিয়েই ক'ব পাৰোঁ। কিন্তু সম্ভাৱনা ১০ৰ ভিতৰত ৯ বুলি মই ক'ব বিচাৰোঁ। দৰ্শক আমি পাম নে নাই মই নাজানো, কিন্তু ভাৰতে অষ্ট্ৰেলিয়া ভ্ৰমণ নকৰিলে মই আচৰিত হ'ম। ছিৰিজৰ আৰম্ভণিৰপৰাই ষ্টেডিয়াম দৰ্শকে ভৰি পৰাটোও মই আশা নকৰোঁ। কথাবোৰ কেনেদৰে আগবাঢ়ে চাই ল'ব লাগিব।'



লিভাৰপুলৰ গ'লৰক্ষক এলিছন বেকাৰক অনুশীলনৰ সময়ত দেখা গৈছে মেলউড ট্ৰেইনিং গ্ৰাউণ্ডত, শনিবাৰে।

## ইংলেণ্ড ক্ৰিকেটৰ শ্ৰীবৃদ্ধিত বৰঙণি আছে আই পি এলৰ ঃ জছ বাটলাৰ

**লণ্ডন, ২৩ মে' ঃ** ইণ্ডিয়ান প্ৰিমিয়াৰ লীগে ইংলেণ্ড ক্ৰিকেটৰ শ্ৰীবৃদ্ধিত সহায় কৰা বুলি অনুভৱ কৰে বেটছমেন জছ বাটলাৰে। আই পি এলক বিশ্বকাপৰ পিছতে বিশ্বৰ শ্ৰেষ্ঠ টুৰ্ণামেণ্ট বুলিও বাটলাৰে অভিহিত কৰিছে। এই বছৰৰ আই পি এলত খেলিবলৈ ব্যাকুল হৈ থকা বুলিও স্বীকাৰ কৰিছে ইংলেণ্ডৰ ক্ৰিকেটাৰজনে। উইকেটকীপাৰ বেটছমেনজনে আই পি এলত দুটা ফ্ৰেন্সাইজীক প্ৰতিনিধিত্ব কৰিছে। ২০১৬-১৭ ছিজনত মুম্বাই ইণ্ডিয়ানছৰ হৈ খেলাৰ পিছত ২০১৮ত তেওঁ ৰাজস্থান ৰয়েলছত যোগ দিয়ে। বাটলাৰে বি বি চিক কয়, 'সন্দেহ নাই যে আই পি এলে ইংলেণ্ড ক্ৰিকেটৰ শ্ৰীবৃদ্ধিত সহায় কৰিছে। শেহতীয়া কেইবছৰমান আই পি এলৰ সৈতে জড়িত হৈ ইংলেণ্ডৰ বহুকেইজন ক্ৰিকেটাৰ উপকৃত হৈছে। ডুছৰা খেলিবলৈ মই ব্যাকুল হৈ আছিলোঁ। বিশ্বকাপক বাদ দি আই পি এল বিশ্বৰ শ্ৰেষ্ঠ টুৰ্ণামেণ্ট।' আই পি এলক ফেণ্টাছী ক্ৰিকেটৰ সৈতে তুলনা কৰে বাটলাৰে। বিশ্ব ক্ৰিকেটৰ তাৰকাসকলৰ সৈতে এটি শিশুৰ দৰে খেলা যেন অনুভৱ কৰে বাটলাৰে। তেওঁ কয়, 'শিশু



এটি যেতিয়া ডাঙৰ হ'বলৈ আৰম্ভ কৰে সি ফেণ্টাছী ক্ৰিকেট খেলিব বিচাৰে। আটাইকেইটা দল লগ লগালে বিৰাট কোহলী আৰু এ বি ডিভিলিয়াৰ্ছে একেলগে খেলাৰ দৰে হ'ব।' বাটলাৰে লগতে কয়, 'ইংলেণ্ড ক্ৰিকেটৰ সৈতে আই পি এলৰ আমোদজনক ইতিহাস আছে। কেভিন পিটাৰছনৰ ওপৰত নিৰ্মিত তথ্যচিত্ৰ আৰু কেনেকৈ তেওঁ আই পি এলৰ সৈতে জড়িত হ'ব বিচাৰিছিল আৰু তেওঁ কেনেধৰণৰ বাধাৰ সন্মুখীন হৈছিল, এইবোৰ ইতিহাস। পিটাৰছনেই আমাৰ বহুতৰ বাবে আই পি এলৰ দুৱাৰ মুকলি কৰিলে। পিটাৰছন আমাৰ পথ প্ৰদৰ্শক। তেওঁৰ বাবেই আমি বুজি পাইছোঁ ক্ৰিকেটক আগবঢ়াই নিয়াত আই পি এলৰ গুৰুত্ব কিমান।'

## হেৰথা বাৰ্লিনৰ একেৰাহে দ্বিতীয় জয়

### বুণ্ডেছলীগা

**বাৰ্লিন, ২৩ মে' ঃ** মহামাৰী কোভিড-১৯ৰ মাজতে পুনৰায় আৰম্ভ হোৱা বুণ্ডেছলীগাত একেৰাহে দ্বিতীয় জয় সাব্যস্ত কৰিছে হেৰথা বাৰ্লিনে। শুকুৰবাৰে অনুষ্ঠিত খেলখনত হেৰথা বাৰ্লিনে ইউনিয়ন বাৰ্লিনক ৪-০ গ'লত পৰাস্ত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। প্ৰথমাৰ্দ্ধ গ'লশূন্যভাৱে শেষ হোৱাৰ পিছত দ্বিতীয়াৰ্দ্ধত বিজয়ী দলটোৰ হৈ গ'লকেইটা দিয়ে ক্ৰমে ভেদাব ইবিছেভিচ, ড'ডি লুকচাকিঅ', মেথিউছ কুনহা আৰু ডেডৰিক ব'য়টাই। ইয়াৰ আগেয়ে হেৰথা বাৰ্লিনে যোৱা শনিবাৰে হ'ফেন হেইমক হৰুৱাইছিল ৩-০ গ'লত। এই জয়েৰে ২৭খন মেচৰপৰা ৩৪ পইণ্ট অৰ্জন কৰি টেবলৰ দশম স্থানলৈ আগবাঢ়িছে হেৰথা বাৰ্লিন। আনহাতে, ৩০ পইণ্টেৰে দ্বাদশ স্থানত আছে ইউনিয়ন বাৰ্লিন।



বুণ্ডেছলীগাত হেৰথা বাৰ্লিন আৰু ইউনিয়ন বাৰ্লিনৰ মাজৰ খেলৰ এক মুহূৰ্ত, বাৰ্লিনত।

## ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ অসম আৰোগ্য নিধিলৈ সাহায্য

ক্ৰীড়া সংবাদদাতা

**ডিব্ৰুগড়, ২৩ মে' ঃ** ডিব্ৰুগড় জিলা কাৰাটে ডো সন্থাই বিশ্বত সংহাৰী ৰূপ ধাৰণ কৰা কোভিড-১৯ৰ বিৰুদ্ধে যুঁজিবলৈ অসম আৰোগ্য নিধিলৈ আজি ২০ হেজাৰ টকাৰ আৰ্থিক সাহায্য আগবঢ়াইছে। আজি বিয়লি ডিব্ৰুগড় জিলাৰ উপায়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা কাৰাটে সন্থাৰ সভাপতি ধৰ্মেন্দ্ৰ দুৱৰা, সম্পাদক নিৰেন ফুকন, উপদেষ্টা তথা জ্যেষ্ঠ ক্ৰীড়া সাংবাদিক শশীন্দ্ৰলাল ভূএগ, উপ-সভাপতি অঞ্জন চেতিয়া, যুটীয়া সম্পাদক বিশ্বজিৎ সোণোৱাল, কাৰ্যবাহী সদস্য গীতিমণি বৰা গগৈ আৰু নিতুল গগৈয়ে ডিব্ৰুগড় জিলা কাৰাটে সন্থাৰ হৈ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ হাতত উক্ত ধনৰাশি প্ৰদান কৰে। আৰোগ্য নিধিলৈ অনুদান আগবঢ়োৱা উক্ত অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক ৰিতুপৰ্ণ বৰুৱা, সাংসদ তপন গগৈ, জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা প্ৰমুখ্যে কেইবাগৰাকী বিষয়াবৰ্গ উপস্থিত থাকে।


## প্ৰশিক্ষকৰ মৃত্যুত শোক প্ৰকাশ এ চি এৰ

**গুৱাহাটী, ২৩ মে' ঃ** প্ৰাক্তন ক্ৰিকেটাৰ তথা প্ৰশিক্ষক উৎপল কলিতাৰ অকাল মৃত্যুত শোক প্ৰকাশ কৰিছে অসম ক্ৰিকেট সন্থাই। শুকুৰবাৰে গুৱাহাটীৰপৰা গোৱালপাৰালৈ গৈ থাকোঁতে এক শোকাৱহ গাড়ী দুৰ্ঘটনাত মৃত্যু হয় প্ৰশিক্ষকগৰাকীৰ। গোৱালপাৰাৰ বাপুজী নগৰৰ বাসিন্দা কলিতাৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৩৬ বছৰ। মৃত্যুৰ সময়ত তেওঁ ইহ সংসাৰত মাতৃৰ লগতে জ্যেষ্ঠ ভাতৃ আৰু ভগ্নীক এৰি থৈ গৈছে। এ চি এৰ অসম ক্ৰিকেট একাডেমীৰ প্ৰশিক্ষকৰ দায়িত্বত থকা কলিতাৰ মৃত্যুত সন্থাৰ সভাপতি ৰমেন দত্ত আৰু সম্পাদক দেৱজিৎ শইকীয়াই গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়াললৈ সমবেদনা জনাইছে। আজি এ চি এই কাৰ্যালয়ত এক শোকসভা আয়োজন কৰি শোক প্ৰকাশ কৰে।

## পূজাৰাক আউট কৰাৰ লক্ষ্য কামিন্ছৰ

### ভাৰত-অষ্ট্ৰেলিয়াৰ টেষ্ট ছিৰিজ





**মেলবৰ্ণ, ২৩ মে' ঃ** এই গ্ৰীষ্মৰ ঘৰুৱা ক্ৰিকেট ছিৰিজত ভাৰতৰ মিডল অৰ্ডাৰ বেটছমেন চেতেশ্বৰ পূজাৰাক আউট কৰাই প্ৰধান লক্ষ্য হ'ব অষ্ট্ৰেলিয়াৰ পেচ বলাৰ পেট কামিন্ছৰ। পূজাৰাৰ সামৰ্থ্যৰ বিষয়ে কামিন্ছ ভালদৰে অৱগত। পূজাৰাক প্ৰতিহত কৰিবলৈ অষ্ট্ৰেলিয়াই বিশেষ ৰণনীতি যুগুতাব লাগিব বুলিয়েই ভাবে পেচবলাৰজনে। ২০১৮-১৯ত ভাৰতৰ ছিৰিজ জয়ত পূজাৰাৰ দুৰ্দান্ত বেটিং এতিয়াও কামিন্ছৰ মনত সজীৱ হৈ আছে। আগন্তুক ছিৰিজত ইয়াৰ পুনৰাবৃত্তি একেবাৰে আশা নকৰে বলাৰজনে। ভাৰতে ২০১৮-১৯ত অষ্ট্ৰেলিয়াত ২-১ ব্যৱধানত ছিৰিজ জয় কৰিছিল। পূজাৰাই তিনিটা চেঞ্চুৰী আৰু এটা হাফ চেঞ্চুৰীসহ ৭৪.৪২ গড়ে চাৰিখন টেষ্টত ৫২১ ৰাণ কৰিছিল। কামিন্ছে কয়, ২০১৮-১৯ত পূজাৰাই ভাৰতৰ বাবে এটা ডাঙৰ ছিৰিজ খেলিলে। তেওঁ এনে এজন খেলুৱৈ, যি নিজৰ ভাল সময় নিৰ্দ্ধাৰণ কৰিব পাৰে। তেওঁ নিজৰ ক্ষুদ্ৰ জগতখনত থাকে আৰু কোনো কথাতে বেছি বিচলিত নহয়। যোৱাবাৰৰ দৰে বেটিং কৰিলে আমি পূজাৰাক প্ৰতিহত কৰাৰ উপায় উলিয়াব লাগিব। সেইবাৰ পীট্চত বিশেষ একো নাছিল যে আমি বিশেষ কিবা কৰিব পাৰোঁ। মই ভাবো যে এইবাৰ আমি আমাৰ ঔষধ অলপ বেছি পৰিমাণে ল'ব লাগিব, যাতে পূজাৰাক ব্যৰ্থ কৰিব পাৰোঁ।' কামিন্ছৰ মতে, অষ্ট্ৰেলিয়াৰ পৰিৱেশে এইবাৰ ঘৰুৱা দলটোক সহায় কৰিব। কিন্তু ভাৰতক প্ৰতিহত কৰিবলৈ পূজাৰাক তেওঁৰ সুবিধাজনক পৰিসীমাৰ বাহিৰত ৰাখিব লাগিব বুলি ভাবে কামিন্ছে। তেওঁ কয়, 'আমি সময় অহালৈ অপেক্ষা কৰিম। উইকেটত এইবাৰ বাউন্স থাকিব বুলি আশা কৰিছোঁ। গতিকে আমাৰ সন্মুখত কেইবাটাও বিকল্প পথ থাকিব। ব্যক্তিগতভাৱে প্ৰত্যেকবাৰে টেষ্ট খেলোতে মই মোৰ নিজৰ বলিঙৰ বিষয়ে অলপ শিকিব পাৰোঁ। ভাৰতৰ বিৰুদ্ধে ছিৰিজৰ পিছত মই সম্ভৱতঃ ১০-১৫খন টেষ্ট খেলিছোঁ আৰু প্ৰতিটো ছিৰিজতে মই অলপ উন্নতি কৰিব পৰা বুলিয়েই অনুভৱ হয়। মই বহুত শিক্ষা লৈছোঁ। টেষ্ট ক্ৰিকেট কিমান নিৰ্দয় হ'ব পাৰে, সেইটো মই শিকা প্ৰথম পাঠ। তেওঁলোকে প্ৰথম দিনটো বেটিং কৰিব পাৰে। উইকেট দখল কৰিব নোৱাৰিলে দ্বিতীয় দিনটোও বেটিং কৰিব। ভাৰতে কেইবাবাৰো এনে কৰিছে। বিশ্বৰ শ্ৰেষ্ঠ দল হ'বলৈ তুমি কি হ'ব লাগিব, কেনে পৰ্যায়ৰ হ'ব লাগিব, সেই কথা ভাৰতে আমাক শিকাইছে। এইবাৰ ভাৰতৰ সন্মুখীন হ'বলৈ আমি সাজু হৈ থাকিম।'

দৈনিক অসম প্ৰাইভেট লিমিটেডৰ হৈ চন্দন কুমাৰ চৌহানৰ দ্বাৰা দা ট্ৰিবিউন প্ৰেছ, ট্ৰিবিউন বিল্ডিং, পোঃ অঃ আছাম ট্ৰিবিউন, মণিৰাম দেৱান পথ, চানমাৰি, গুৱাহাটী-৭৮১০০৩ত মুদ্ৰিত আৰু প্ৰকাশিত। টেলিফোন ঃ ০৩৬১-২৬৬০১০২, ২৬৬১৩৫৯, ২৬৬৮৮০৮, ফেক্স ঃ ০৩৬১-২৬৬০২০৫, ২৬৬৮৮১০। ই-মেইল ঃ dainikasam@gmail.com

কাৰ্যবাহী সম্পাদক ঃ মুনীন বায়ন সম্পাদক ঃ প্ৰফুল্ল গোবিন্দ বৰুৱা

# কাজিৰঙাৰ কাষৰীয়া গাঁও আৰু চাপৰিত পশুধনক প্ৰতিষেধক প্ৰদান অভিযান

নিজা বাতৰি দিওঁতা

**বোকাখাত, ২৩ মে' ঃ** ৰাজ্যত গাহৰিৰ মাজত দেখা দিয়া আফ্ৰিকান স্বোৱাইন ফিভাৰৰ সংক্ৰমণৰ মাজতে কাজিৰঙাৰ বন্যপ্ৰাণী যাতে কোনো কাৰণতে কোনো ৰোগৰদ্বাৰা সংক্ৰমিত নহয়, তাৰ বাবে সদা সতৰ্ক কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ। কাজিৰঙাৰ কৰ্তৃপক্ষই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া পশুধনৰ কল্যাণ আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ বাবে জনসাধাৰণৰ পশুধনৰ ৰোগ প্ৰতিষেধক প্ৰদানৰ কাম কৰি আহিছে। বিগত বৰ্ষৰ দৰে এই বছৰো ১ মে'ৰপৰা এই কাৰ্য আৰম্ভ কৰিছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই। কাজিৰঙাত কৰ্মৰত বেচৰকাৰী সংগঠন আৰণ্যক, বিশ্ব প্ৰকৃতি নিধি, ৱাইল্ড লাইফ ট্ৰাষ্ট অব্ ইণ্ডিয়া, ভূমি আৰু কৰবেট ফাউণ্ডেচনৰ সহযোগত আৰম্ভ কৰা পশুধনৰ প্ৰতিষেধক প্ৰদান অভিযান ইতিমধ্যেই ৰাষ্ট্ৰীয় উদ্যানখনৰ বোকাখাত বনাঞ্চলত সম্পূৰ্ণ হৈছে। বোকাখাত বনাঞ্চলত কাষৰীয়া গাঁৱৰ পশুধনৰ প্ৰতিষেধক প্ৰদান অভিযানেৰে ব্ৰহ্মপুত্ৰ নদীৰ ৫টা চাপৰি আৰু ৩ খন গাঁৱৰ মুঠ ৩,৩৭৬টা গৰু-ম'হক প্ৰতিষেধক প্ৰদান কৰে। বোকাখাত মহকুমা পশু চিকিৎসা বিভাগৰ বিশেষ সহযোগত বোকাখাত বনাঞ্চলৰ ভক্তে চাপৰিত ২৪২টা, গাভৰু চাপৰিৰ ৭২৭টা, লালুং চাপৰিৰ ৭৪৪টা, বিলতীয়া চাপৰিৰ ৩৬৬টা, চহলা গাঁৱৰ ৪২১টা, শিশুবাৰীৰ ৫২২টা আৰু ধোবাআটী গাঁৱৰ ৩৫৪টা গৰু-ম'হক প্ৰতিষেধক প্ৰদানৰ কাম সমাপ্ত কৰিছে উদ্যান কৰ্তৃপক্ষই। নদীৰ চাপৰিবোৰত নিশা কটাই প্ৰতিষেধক প্ৰদানৰ কাম সম্পাদন কৰা দলটোত বোকাখাত মহকুমা পশু চিকিৎসা বিভাগৰ ডাঃ জানমণি শ্যাম, ডাঃ চৈয়দ মেহতাজ, ডাঃ বিশ্বজিৎ বৰুৱা, ডাঃ প্ৰণিতা কোঁৱৰ, ডাঃ দেৱব্ৰত ফুকন, ডাঃ অম্লান ফুকন আৰু দীপজ্যোতি হাঞ্চেৰ লগতে বিভাগটোৰ ক্ষেত্ৰ সহায়ক, গোপাল মিত্ৰ আৰু মৈত্ৰী সেৱকসকলে সহযোগ কৰে। সমন্বয়ক হিচাপে দলটোৰ নেতৃত্ব দিয়ে গোলাঘাট জিলাৰ অনাৰেৰী ৱাইল্ড লাইফ ৱাৰ্ডেন তথা বোকাখাত প্ৰেছ ক্লাবৰ সম্পাদক উত্তম শইকীয়াই। জনসাধাৰণৰ পশুধন কল্যাণৰ বাবে সম্পূৰ্ণ বিনামূলীয়াকৈ কৰা এই প্ৰতিষেধক প্ৰদানৰ বাবে বিশ্ব প্ৰকৃতি নিধিৰ তৰফৰপৰা ঔষধৰ যোগান ধৰা হয়। ট্ৰায়'ভেক নামৰ এই ঔষধে বাত, গল ফুলা নামৰ ৰোগৰপৰা পশুধনক প্ৰতিৰক্ষা দিব বুলি বিভাগীয় তথ্যত প্ৰকাশ। উল্লেখ্য যে ২০১৭ চনৰপৰা ধাৰাবাহিকভাৱে কাজিৰঙাৰ কাষৰীয়া গাঁও আৰু চাপৰিবোৰত এই অভিযান চলাই আহিছে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ কৰ্তৃপক্ষই। ইয়াৰদ্বাৰা কাজিৰঙাৰ বন্যপ্ৰাণীৰ সুৰক্ষাই নহয়, কাষৰীয়া গাঁৱৰ জনসাধাৰণৰ পশুধনো সংক্ৰমিত ৰোগৰপৰা সুৰক্ষিত হৈছে বুলি জনাইছে কাজিৰঙাৰ ডি এফ অ' ৰমেশ কুমাৰ গগৈয়ে।

# ভাৰতীয় চাহ মজদুৰ সংঘৰ মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ



নিজা বাতৰি দিওঁতা

**ডুমডুমা, ২৩ মে' ঃ** ভাৰতীয় চাহ মজদুৰ সংঘ (বি এম এছ)ৰ ডুমডুমা চাৰ্কোল সমিতিয়ে ডুমডুমা ৰাজহ চক্ৰ বিষয়াৰ যোগেদি ২২ মে'ত ৫টা দাবী সম্বলিত এখন স্মাৰক-পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰে। স্মাৰক-পত্ৰৰ দাবীসমূহ হৈছে ক্ৰমে শ্ৰমিকসকলৰ বাবে নিৰ্দ্ধাৰণ কৰা ১২ ঘণ্টাৰ কামৰ সময় অতি শীঘ্ৰে বাতিল কৰা, চাহ বাগিচা সমন্বিতে সকলো শ্ৰমিকক যোৱা মাৰ্চ আৰু এপ্ৰিল মাহ দুটাৰ সম্পূৰ্ণ মজুৰি আদায় দিয়া, প্ৰব্ৰজিত শ্ৰমিকসকলক আহাৰ, আশ্ৰয়, স্বাস্থ্যসেৱা, যাতায়াতীৰ সুবিধা, নিয়োজন আদিৰ ব্যৱস্থা কৰা, ছাব-ষ্টাফৰ মজুৰি বৃদ্ধি কৰা আৰু চাহ বাগিচাসমূহৰ প্ৰতিটো চেকচনত মহিলা শ্ৰমিকসকলৰ বাবে টয়লেটৰ ব্যৱস্থা কৰা। উল্লিখিত দাবীসমূহ পূৰণ নহ'লে আন্দোলনৰ পথ বাচি ল'ব বুলিও স্মাৰক-পত্ৰখনত স্বাক্ষৰকাৰী বি এম এছৰ ডুমডুমা চাৰ্কোলৰ সভাপতি জিমদাৰ তাঁতী আৰু সম্পাদক হৰেন ৰাজপুত-এ মুখ্যমন্ত্ৰীক সকীয়াই দিয়ে।

## লাহোৱালত অবৈধ সুৰাৰ ৰমৰমীয়া বেহা নীৰৱ আবকাৰী বিভাগ

নিজা বাতৰি দিওঁতা

**লাহোৱাল, ২৩ মে' ঃ** ডিব্ৰুগড় জিলাৰ বৃহত্তৰ লাহোৱাল অঞ্চলৰ বিভিন্ন স্থানত দীৰ্ঘদিন ধৰি একাংশ অসাধু ব্যৱসায়ীয়ে সুযোগ গ্ৰহণ কৰি চুলাই মদৰ ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। এইক্ষেত্ৰত আবকাৰী বিভাগৰ নীৰৱ ভূমিকাই সুৰাৰ ব্যৱসায়ীসকলক উৎসাহিত কৰি অহাহে পৰিলক্ষিত হৈছে। আমাৰ হাতলৈ অহা তথ্য অনুসৰি দীৰ্ঘদিন ধৰি লাহোৱাল আৰক্ষী থানাৰ অন্তৰ্গত লাহোৱাল ৰেল গেটৰ সমীপৰ নিজ লাহোৱাল গাঁৱৰ চৰকাৰী গাঁওবুঢ়া নীলকান্ত চুতীয়াৰ বাসগৃহৰ ওচৰতে বহুতে অবৈধভাৱে চুলাই মদৰ বেহা চলাই আহিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি সুৰাপান কৰিবলৈ অহা লোকসকলে অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰাৰ লগতে চুলাইৰ গেদ আদিয়ে পৰিৱেশটো দুৰ্গন্ধময় কৰি তুলিছে। এইক্ষেত্ৰত স্থানীয় ৰাইজে আবকাৰী বিভাগক উচিত ব্যৱস্থা গ্ৰহণ কৰি অবৈধ সুৰাৰ ঘাটিসমূহৰ বিৰুদ্ধে অভিযান চলাবলৈ আহ্বান জনাইছে।

# গহপুৰত পঞ্চায়তে পঞ্চায়তে কোৱাৰেণ্টাইন শিবিৰ স্থাপনৰ ব্যৱস্থা

নিজা বাতৰি দিওঁতা

**গহপুৰ, ২৩ মে' ঃ** ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি গহপুৰ মহকুমাৰ অন্তৰ্গত গহপুৰ নগৰকে ধৰি মহকুমাটোৰ ৩৪ খন গাঁও পঞ্চায়তত প্ৰয়োজন অনুসৰি কোৱাৰেণ্টাইন শিবিৰ স্থাপন কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। স্থানীয় বিধায়ক উৎপল বৰা আৰু গহপুৰ মহকুমা প্ৰশাসনৰ নেতৃত্বত আৰু খণ্ড উন্নয়ন বিষয়া, স্বাস্থ্য বিভাগ, জিলা পৰিষদৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি, আঞ্চলিক সদস্য, ৱাৰ্ড মেম্বাৰ, চৰকাৰী গাঁওবুঢ়া আৰু গাঁওৰক্ষী বাহিনীৰ উদ্যোগত স্থাপনৰ ব্যৱস্থা কৰা প্ৰায়বোৰ কোৱাৰেণ্টাইন শিবিৰ ইতিমধ্যে সাজু হৈ উঠিছে মহকুমাটোত। কোভিড-১৯ৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপৰ অংশ হিচাপে পঞ্চায়ত ভিত্তিত স্থাপন কৰা কোৱাৰেণ্টাইন শিবিৰ পৰিচালনাৰ বাবে ছয়দুৱাৰ উন্নয়ন খণ্ড আৰু পূব ছয়দুৱাৰ উন্নয়ন খণ্ড ভিত্তিত বিধায়ক উৎপল বৰাৰ নেতৃত্বত পৰিচালনা সমিতি গঠন কৰাৰ বিপৰীতে পঞ্চায়ত ভিত্তিত ভিলেজ লেভেল কোৱাৰেণ্টাইন মেনেজমেণ্ট কমিটী গঠন কৰা হৈছে। বহিঃৰাজ্যত থকা লোকসকল নিজ নিজ গৃহলৈ আহিবলৈ লোৱাৰ বাবে সেইসকল লোকক আছুতীয়াকৈ ৰখাৰ ব্যৱস্থা কৰিবলৈ স্থাপন কৰা কোৱাৰেণ্টাইন শিবিৰসমূহত স্বাস্থ্য বিভাগৰ গাইড লাইন অনুসৰি প্ৰতিজন ব্যক্তি ১৪ দিনলৈকে থাকিব লাগিব। মহকুমাটোৰ হেলেম আৰক্ষী থানাৰ অন্তৰ্গত গমিৰি হাইস্কুলত স্থাপন কৰা কোৱাৰেণ্টাইন শিবিৰত ২০ মে'ত প্ৰথমগৰাকী আৱাসীৰ প্ৰৱেশ ঘটে। অঞ্চলটোৰ প্ৰথমগৰাকী কোৱাৰেণ্টাইন শিবিৰৰ আৱাসী হিচাপে প্ৰৱেশ ঘটা আৱাসীগৰাকী গমিৰিৰ এগৰাকী ছাত্ৰী। তেওঁ কলকাতাত উচ্চ শিক্ষা গ্ৰহণ কৰি আছিল। সাম্প্ৰতিক পৰিস্থিতিৰ বাবে কলকাতাৰপৰা গমিৰিৰ গধৰীয়া বস্তিৰ ঘৰলৈ উভতি অহা ছাত্ৰীগৰাকী গমিৰি মিনি প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ ৰিতুৰাজ হাতীকাকতি, হেলেম আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া অজিত কুমাৰ ভূএগ আৰু হেলেম (খ) জিলা পৰিষদৰ সদস্য ৰেণু ভৰালীৰ উপস্থিতিত উক্ত কোৱাৰেণ্টাইন শিবিৰত প্ৰৱেশ কৰে।

# দৈগ্ৰোঙত নিয়ম ভংগ কৰা মাছমৰীয়াৰ বিৰুদ্ধে মৎস্য মিত্ৰ আৰু আৰক্ষীৰ অভিযান

নিজা বাতৰি দিওঁতা

**দৈগ্ৰোং, ২৩ মে' ঃ** গোলাঘাট জিলাৰ মৰঙি মৌজাৰ দৈগ্ৰোঙৰ জাঠীপতিয়াত ধনশিৰি নদীত অবৈধভাৱে একাংশ দুষ্টচক্ৰই কণীলগা মাছ ধৰি অহাৰ তথ্য লাভ কৰি অঞ্চলটোৰে মনোজ দত্ত নামৰ মীন বিভাগৰ মৎস্য মিত্ৰজনে নুমলীগড় আৰক্ষীৰ সহযোগত এক অভিযান চলায়। অভিযানৰ সময়ত উক্ত অঞ্চলত বহু জাল আৰু পছা লৈ একাংশ লোকে কণীলগা মাছ ধৰি থকা হাতে-লোটে ধৰা পেলায়। মৎস্য মিত্ৰজনে আৰক্ষীৰ সহযোগত নিজে নদীত নামি জাল আৰু বৰশী জব্দ কৰাৰ লগতে বহু শেল আৰু মাছ ধৰা পছা জাতীয় সামগ্ৰী জব্দ কৰিবলৈ সক্ষম হয়। ইফালে, নদীত মৎস্য মিত্ৰই জাল জব্দ কৰাৰ সময়ত অবৈধভাৱে মাছ ধৰা মাছমৰীয়াই হাতত দা লৈ খেদি আহে যদিও নুমলীগড় আৰক্ষীৰ তৎপৰতাত পলাই-পত্ৰং দিয়ে দুষ্কৃতিকাৰী মাছমৰীয়াৰ দল। নিজৰ জীৱনকো তুচ্ছ কৰি একপ্ৰকাৰৰ মাছমৰীয়াৰ লগত সংঘাতৰ সন্মুখীন হৈও মৎস্য মিত্ৰজনে নিজ কৰ্তব্যৰ পালন কৰাত সচেতন লোকে প্ৰশংসা কৰিছে। নুমলীগড় আৰক্ষীয়ে মাছ ধৰা সঁজুলি জব্দ কৰি এনে কাৰ্যৰপৰা বিৰত থাকিবলৈ সকীয়নি প্ৰদান কৰে। ইফালে, এইসকল মাছমৰীয়াৰ ঘাট জাল আৰু বান্ধ উচ্ছেদ কৰিবৰ বাবে গোলাঘাট জিলা প্ৰশাসনক দাবী জনাইছে স্থানীয় ৰাইজে।

## ন-আলিত উপপথ নিৰ্মাণৰ দাবী আছুৰ

নিজা বাতৰি দিওঁতা

**যোৰহাট, ২৩ মে' ঃ** আছুকে ধৰি যোৰহাটবাসীৰ দীৰ্ঘদিনীয়া দাবীৰ ফলত শেহতীয়াকৈ অতি মন্থৰ গতিৰে হ'লেও আৰম্ভ হোৱা যোৰহাটৰ ন-আলিত উৰণীয়া সেঁতুৰ নিৰ্মাণ কাৰ্যৰ নামত ন-আলি পথটো সম্পূৰ্ণৰূপে আবদ্ধ কৰি সাধাৰণ ৰাইজৰ যাতায়াত ব্যাহত হোৱাত ক্ষুব্ধ হৈ পৰিছে যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা। শীঘ্ৰে উপপথ নিৰ্মাণ কৰি ন-আলিয়েদি যাতায়াতৰ ব্যৱস্থা কৰাৰ বাবে যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অৰ্জুনমণি ভূএগ, সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম বৰাই জিলা প্ৰশাসনক দাবী জনাইছে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা প্ৰেছ বিবৃতিত যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা বিজয় শংকৰ বৰদলৈয়ে কয়, অতি মন্থৰ আৰু শামুকীয়া গতিৰে এই নিৰ্মাণকাৰ্য চলি আছে। আৰু ইমান এটা ব্যস্ততাপূৰ্ণ পথ, যিটো পথত কাৰ্যালয়, শিক্ষানুষ্ঠানকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আছে, তেনেস্থলত সম্পূৰ্ণ পথটো আবদ্ধ কৰি ৰখাৰ ফলত সমগ্ৰ ন-আলিবাসী ৰাইজৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। গতিকে তেনেস্থলত নিৰ্মাণকাৰ্যৰ নিবিদা লাভ কৰা ঠিকাদাৰজনে কি ভিত্তিত বা কাৰ সাহসত সমগ্ৰ ন-আলিটো আবদ্ধ কৰি ৰাখিছে সেইটো অতি আশ্চৰ্যজনক বিষয়। এইক্ষেত্ৰত জিলা প্ৰশাসনৰ মৌনতাকো ছাত্ৰ সন্থাই সমালোচনা কৰিছে। বৰদলৈয়ে লগতে কয়, অতি শীঘ্ৰে উপপথৰ ব্যৱস্থা কৰি ন-আলি হৈ ৰাইজৰ যাতায়াতৰ সুবিধা কৰিবলৈ জিলা প্ৰশাসনে ব্যৱস্থা গ্ৰহণ কৰিব লাগে আৰু কোনো ঠিকাদাৰৰ মৈমতালি মতে যোৰহাটত এনেদৰে যধে-মধে পথ আবদ্ধ কৰি নিৰ্মাণকাৰ্য চলোৱা ঘটনাক ছাত্ৰ সন্থাই কেতিয়াও সহ্য নকৰে।

# মৰাণত ট্ৰেক্টৰ বিতৰণ কাৰ্যসূচী



নিজা বাতৰি দিওঁতা

**মৰাণ, ২৩ মে' ঃ** উদ্যোগ প্ৰশমন মন্ত্ৰী যোগেন মহনে ২১মে'ত মৰাণত কৃষকৰ মাজত ট্ৰেক্টৰ বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে কৃষকৰ মাজত এখন ডাঙৰ ট্ৰেক্টৰসহ ৪৯ খন পাৱাৰটিলা বিতৰণ কৰে। চৰাইদেউ জিলাত অনিয়ম হোৱা প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ ১৪ হাজাৰ টকা ইতিমধ্যে অকৃষকে ঘূৰাই দিয়া বুলিও তেওঁ সদৰি কৰে।

## ধেমাজিত ৭০০জন কোৱাৰেণ্টাইনত

জিলাৰ বাতৰি দিওঁতা

**ধেমাজি, ২৩ মে' ঃ** ধেমাজি জিলা প্ৰশাসনে স্থাপন কৰা চাৰিটা কোৱাৰেণ্টাইন কেন্দ্ৰত ৭০০ লোক ৰখা হৈছে। ধেমাজি তেলিজান বাছ টাৰ্মিনাছ, বিষ্ণুপুৰত থকা ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়, চিলাপথাৰ নগৰৰ ৰেচিডেনচিয়েল হায়াৰ ছেকেণ্ডাৰী আৰু জোনাইত কোৱাৰেণ্টাইন কেন্দ্ৰ স্থাপন কৰা হৈছে।

# নিষ্ঠা প্ৰশিক্ষণৰ ৰাজ্যিক আৰু বিশেষ সমল ব্যক্তিৰ প্ৰাপ্য মজুৰি অনাদায় ঃ প্ৰতিক্ৰিয়া

নিজা বাতৰি দিওঁতা

**লখিমপুৰ, ২৩ মে' ঃ** ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদ (এন চি ই আৰ টি)ৰ উদ্যোগত বিদ্যালয় প্ৰধান আৰু শিক্ষকসকলৰ সামগ্ৰিক অগ্ৰগতিৰ বাবে লোৱা ৰাষ্ট্ৰীয় পদক্ষেপ চমুকৈ 'নিষ্ঠা' আঁচনিৰ লখিমপুৰ জিলাৰ কৰ্মসূচীৰ চলিত বৰ্ষৰ মাৰ্চ মাহতে সামৰণি পৰে যদিও প্ৰশিক্ষণৰ ৰাজ্যিক আৰু বিশেষ সমল ব্যক্তিসকলক অদ্যাপি প্ৰাপ্য মজুৰি আদায় নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰণালয়ৰ অধীনত দেশৰ সকলো শিক্ষকক একে সময়তে একে পাঠ্যক্ৰমেৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ শেহতীয়া শিক্ষণ-শিকন সামগ্ৰী আৰু কৌশল প্ৰয়োগেৰে প্ৰদান কৰা অত্যাধুনিক প্ৰশিক্ষণটোত ৰাজ্যিক আৰু বিশেষ সমল ব্যক্তিসকলে অন্তঃকৰণেৰে কৰ্মশালাটো আগুৱাই নিছিল। সৰ্বশিক্ষা অভিযানে অসমত সফলতাৰে ৰূপায়ণ কৰা প্ৰশিক্ষণসমূহৰ ভিতৰত ই আছিল অন্যতম সফল প্ৰশিক্ষণ। সমগ্ৰ দেশৰ শিক্ষা ব্যৱস্থাক এই প্ৰশিক্ষণে এক সুকীয়া পৰিচয় দিবলৈ সক্ষম হোৱাৰ মূলতে আছিল সমল ব্যক্তিসকলে নিঃস্বাৰ্থভাৱে কৰা শ্ৰম আৰু অধ্যাৱসায়। কম্পিউটাৰ, প্ৰজেক্টৰ, ইণ্টাৰনেটকে ধৰি শিক্ষণৰ শেহতীয়া আৰু অত্যাধুনিক সামগ্ৰীৰ প্ৰয়োগ কৰোঁতে একাংশ সমল শিক্ষকসকলে ব্যক্তিগতভাৱেও কিছু খৰচ-পাতি কৰিছিল বুলি জানিব পৰা গৈছে। অসমৰ প্ৰায়বোৰ জিলাতে সমল শিক্ষকসকলৰ প্ৰাপ্য মজুৰি মাৰ্চ মাহৰ ভিতৰতে আদায় দিয়া হ'ল যদিও লখিমপুৰ জিলাৰ কোনো এটা উন্নয়ন খণ্ডত এই ধন আদায় দিয়া হোৱা নাই। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (ডায়েট), সৰ্বশিক্ষা অভিযান আৰু প্ৰাথমিক শিক্ষা বিভাগে পৰিচালনা কৰা প্ৰশিক্ষণৰ সমল ব্যক্তিসকলৰ অধিকাংশই ডায়েটৰ প্ৰবক্তা, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰৰ প্ৰশিক্ষক, হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, চি আৰ চি চি আৰু উচ্চ আৰু নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান, সহঃ শিক্ষক আছিল বুলি জানিব পৰা গৈছে। তিনি মাহ ধৰি চলা দীঘলীয়া প্ৰশিক্ষণটোৰ মজুৰি আদায় নিদিয়াত বিশেষকৈ অৱসৰপ্ৰাপ্ত শিক্ষকসকল আৰ্থিক অসুবিধাৰ সন্মুখীন হৈছে। প্ৰশিক্ষণ সমন্বয়কগৰাকীৰ সদিচ্ছাৰ অভাৱতে ৰাজ্যৰ প্ৰায়বোৰ জিলাতে আদায় দিয়াৰ পিছতো লখিমপুৰ জিলাৰ সমল শিক্ষকসকল বঞ্চিত হৈ থাকিব লগা হৈছে বুলি সমল ব্যক্তিসকলে অভিযোগ উত্থাপন কৰিছে।

## চাহ উদ্যোগৰ সৈতে জড়িতসকললৈ মুখ্যমন্ত্ৰীৰ শুভেচ্ছা

জিলাৰ বাতৰি দিওঁতা

**তিনিচুকীয়া, ২৩ মে' ঃ** আন্তঃৰাষ্ট্ৰীয় চাহ দিৱস উপলক্ষে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে ২১ মে'ত চাহ উদ্যোগৰ সৈতে জড়িত শ্ৰমিক, কৰ্মচাৰীক আন্তৰিক ধন্যবাদ জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে অসমৰ চাহ উদ্যোগে বিশ্বত সুখ্যাতিৰে দখল কৰাৰ কথাও দোহাৰে। অসমৰ চাহ উন্নত মানলৈ নিয়াৰ ক্ষেত্ৰত মূৰৰ ঘাম মাটিত পেলাই অধিক কষ্ট কৰা চাহ শ্ৰমিকসকলৰ প্ৰতি মুখ্যমন্ত্ৰীগৰাকীয়ে কৃতজ্ঞতা জনাইছে। আনহাতে, চাহ জনগোষ্ঠীয় সন্তান ৰাজ্যৰ শ্ৰম আৰু চাহ জনজাতি কল্যাণ মন্ত্ৰী সঞ্জয় কিষাণেও বিশ্ব চাহ দিৱসৰ দিনটোত চাহ উদ্যোগৰ সৈতে জড়িত ৰাজ্যখনৰ শ্ৰমিক, কৰ্মচাৰীসকলৰ প্ৰতি শুভেচ্ছা জনায়। মন্ত্ৰী সঞ্জয় কিষাণে চাহ শ্ৰমিকৰ লগতে বাগিচাত কৰ্মৰত সকলোকে মহামাৰীৰ ৰূপ ধাৰণ কৰা মাৰাত্মক কোভিড-১৯ প্ৰতিৰোধৰ ক্ষেত্ৰত চৰকাৰে বান্ধি দিয়া নিয়ম পালন কৰিবলৈ আহ্বান জনায়। চাহ বাগিচাৰ শ্ৰমিক, কৰ্মচাৰীয়ে কৰ্তব্যৰ সময়ত মাস্ক পৰিধান কৰা, ছেনিটাইজ কৰা আৰু সকলোৱে নিজৰ সুৰক্ষাৰ বাবে দূৰত্ব বৰ্তাই ৰখাটো অতি আৱশ্যক বুলিও উল্লেখ কৰে। উল্লেখযোগ্য যে শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণে ইতিমধ্যে লক্‌ডাউনৰ সময়ছোৱাত ৰাজ্যৰ সৰহসংখ্যক চাহ বাগিচাত উপস্থিত হৈ চাহ শ্ৰমিকসকলে কাম কৰাৰ সময়ত কেনেদৰে সুৰক্ষিত হৈ থাকিব পাৰিব তাৰ বাবে পৰামৰ্শ প্ৰদানৰ কামতো নিজকে ব্যস্ত ৰাখিছে বুলি জানিব পৰা গৈছে। আনহাতে, উজনি অসমৰ বহুকেইখন চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক দিশৰ প্ৰতি লক্ষ্য ৰাখি লক্‌ডাউনৰ সময়ত কেনেদৰে পঢ়াৰ ক্ষেত্ৰত আগবাঢ়িব পৰা যাব সেই ধৰণৰ চিন্তাৰে স্থানীয় শিক্ষিত যুৱক-যুৱতীৰ জৰিয়তে শিক্ষা প্ৰদানৰ ব্যৱস্থাত গুৰুত্ব দিয়ংাও পৰিলক্ষিত হয়। মন্ত্ৰী সঞ্জয় কিষাণে ইতিমধ্যে চাহ বাগিচাৰ শ্ৰমিকৰ মাজত ক'ৰ'না ভাইৰাছ প্ৰতিৰোধৰ বাবে মাস্ক, ছেনিটাইজাৰ বিতৰণো কৰিছে।

## শিল্পীৰ পৰিয়াললৈ খাদ্য-সামগ্ৰী বিতৰণ

নিজা বাতৰি দিওঁতা

**গৌৰীসাগৰ, ২৩ মে' ঃ** শিৱসাগৰৰ ৰংঘৰৰ বাকৰিত কালি প্ৰতিকুল বতৰৰ মাজতো উপস্থিত হৈ এক অনুষ্ঠানত শিৱসাগৰ নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলৰ ৫০ গৰাকী শিল্পীৰ পৰিয়ালক অসমৰ ভ্ৰাম্যমাণ জগতৰ অন্যতম থিয়েটাৰ গোষ্ঠী বৃন্দাবন থিয়েটাৰ আৰু জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ তৰফৰপৰা সাহায্য সামগ্ৰী বিতৰণ কৰা হয়। লক্‌ডাউনৰ ফলত অসুবিধাৰ সন্মুখীন হোৱা শিল্পীসকলৰ পৰিয়ালক এনেদৰে সাহায্য প্ৰদান কৰিবলৈ বৃন্দাবন থিয়েটাৰৰ বংকিম ৰয় মেধি, জয়ন্ত কাকতিৰ নেতৃত্বত অহা সাহায্যকাৰী দলটোৱে যোৱা দুটা দিনত সোণাপুৰ, যোৰহাট আদিকে ধৰি অসমৰ বিভিন্ন ঠাইত ২৫০টা শিল্পীৰ পৰিয়ালক সাহায্য প্ৰদান কৰি অহাৰ কথা জানিবলৈ দিয়ে।

## পুৰণি বৰপথাৰত ডাম্পাৰৰ খুন্দাত হতাহত ২

নিজা বাতৰি দিওঁতা

**ধনশিৰি, ২৩ মে' ঃ** ধনশিৰি মহকুমাৰ সমীপৰ কাৰ্বি আংলং জিলাৰ পুৰণা বৰপথাৰত কালি আবেলি সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোকৰ মৃত্যু হয়। শিলনীজানৰ দিশে তীব্ৰ গতিত গৈ থকা এখন ডাম্পাৰে বিপৰীত দিশৰপৰা দুজন আৰোহীৰে সৈতে গৈ থকা এখন স্কুটীত প্ৰচণ্ড জোৰেৰে খুন্দা মৰাৰ ফলতেই উক্ত শোকাবহ দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাটোত স্কুটী আৰোহী ২নং হলৌখোৱাৰ পুতুল চহৰীয়া আৰু শান্তিপুৰৰ ৰঞ্জিত ৰংহাং গুৰুতৰভাৱে আহত হয়। আহত দুজনক ততাতৈয়াকৈ সৰুপথাৰৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও ৰঞ্জিৎ ৰংহাংক চিকিৎসকে মৃত বুলি ঘোষণা কৰে।

ইপিনে, কাৰ্বি আংলং জিলাৰ বৰপথাৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ ঘটনাৰ তদন্ত কৰাৰ লগতে ঘটনা সংঘটিত কৰা ডাম্পাৰখনৰ সন্ধান তীব্ৰতৰ কৰি তুলিছে। অঞ্চলটোত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰা ডাম্পাৰ চালকৰ অতপালি শীঘ্ৰে ৰোধৰ ব্যৱস্থা নকৰিলে, অদূৰ ভৱিষ্যতে আৰু বহু লোকে জীৱন হেৰুৱাব লগা হ'ব পাৰে।

# মাস্ক-ছেনিটাইজাৰ বিতৰণ শিৱসাগৰ মিলিত শিল্পী সমাজৰ

নিজা বাতৰি দিওঁতা

**গৌৰীসাগৰ, ২৩ মে' ঃ** কোভিড-১৯ৰ ৰণৰ লগত জড়িত শিৱসাগৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত জৰুৰীকালীন সেৱাত নিয়োজিত একাংশ লোকক ২১ মে'ত কিছু সামগ্ৰী বিতৰণ কৰে শিৱসাগৰ নগৰৰ অগ্ৰণী সামাজিক-সাংস্কৃতিক অনুষ্ঠান মিলিত শিল্পী সমাজে। ১৯৬০ চনতে স্থাপিত হোৱা মিলিত শিল্পী সমাজে শিৱসাগৰ পৌৰসভাৰ ১২৪ জন চাফাই কৰ্মী, শিৱসাগৰ নগৰৰ প্ৰায় ৫৮ জন সাংবাদিক, ২০০ জন গাঁও সুৰক্ষা বাহিনীৰ লোক, ছেপ স্বেচ্ছাসেৱী সংস্থাৰ বিষয়ববীয়াসকল আৰু গাঁওবুঢ়াসকলক মাস্ক, হেণ্ড চেনিটাইজাৰ, হেণ্ড গ্লোবছ আদি বিতৰণ কৰে। মিলিত শিল্পী সমাজৰ সাংস্কৃতিক সম্পাদক সমীৰ গগৈয়ে উদ্দেশ্য ব্যাখ্যা কৰা এই কাৰ্যসূচীত শিৱসাগৰ জিলাৰ উপায়ুক্ত লক্ষীনন্দন গগৈ, জিলা আৰক্ষী অধীক্ষক অমিতাভ সিনহা, জিলা উন্নয়ন আয়ুক্ত নাৱাব আল আজহাৰ আলি, মিলিত শিল্পী সমাজৰ সভাপতি মুন বৰুৱা প্ৰমুখ্যে বহুসংখ্যক বিশিষ্ট লোক উপস্থিত থাকে। নগৰৰ পিক'লো হোটেলত আজি দিনৰ ১১ বজাৰ পৰা সামাজিক দূৰত্ব বৰ্তাই ৰাখি উক্ত অনুষ্ঠান সম্পন্ন কৰা হয়। সভাত জিলা উপায়ুক্তই ক'ৰ'না মহামাৰীৰ এই যুঁজত সন্মুখৰ পৰা অৱতীৰ্ণ হোৱা চিকিৎসক, নাৰ্চ, চাফাই কৰ্মী, সাংবাদিকসকলৰ লগতে জৰুৰীকালীন সেৱাত নিয়োজিত লোকসকলৰ ভূয়সী



প্ৰশংসা কৰাৰ লগতে ধন্যবাদ জ্ঞাপন কৰে। লগতে উপায়ুক্তগৰাকীয়ে কয় যে শিৱসাগৰত ইতিমধ্যে পৰীক্ষা কৰা ৫৩০ জন লোকৰ কোভিড-১৯ৰ ফলাফল নিগেটিভ পোৱা গৈছে। কিন্তু সামাজিক ব্যৱধান মানি চলি সদা সতৰ্কতা অৱলম্বন কৰিলেহে জিলাবাসী সুৰক্ষিত হৈ থাকিব। দেশৰ প্ৰধানমন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী, স্বাস্থ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই যি কষ্ট স্বীকাৰ কৰিছে তাৰো শলাগ লয় তেওঁ। চৰকাৰে বহিঃৰাজ্যত আৱদ্ধ হৈ থকা লোকসকললৈ আগবঢ়োৱা দুহেজাৰকৈ টকাৰ মাননি শিৱসাগৰৰ মুঠ ৭১২০ গৰাকী লোকক সন্নিৱিষ্ট কৰা হৈছে বুলিও সদৰি কৰে জিলা উপায়ুক্ত লক্ষীনন্দন গগৈয়ে।

**প্ৰেছ ক্লাবলৈ মাস্ক আৰু ছেনিটাইজাৰ প্ৰদান 'জ্ঞানম' আৰু বিশিষ্ট ব্যৱসায়ীৰ**

ইফালে, অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ অনুদানত আমগুৰিৰ বে-চৰকাৰী সংগঠন 'জ্ঞানম'ৰ সহযোগত যুৱ সমাজসেৱী পংকজ গগৈৰ তত্বাৱধানত ২১ মে'ত জাঁজী আৰু হাঁহচৰা প্ৰেছ ক্লাবলৈ মাস্ক আৰু ছেনিটাইজাৰ প্ৰদান কৰা হয়। 'জ্ঞানম'ৰ হৈ গগন বৰুৱা আৰু চম্পক দত্তই অংশগ্ৰহণ কৰা অনুষ্ঠানত জাঁজী প্ৰেছ ক্লাবৰ হৈ সম্পাদক ৰাজীৱ দত্ত, প্ৰসেনজিৎ গগৈ, পংকজ দত্ত আৰু দিগন্ত শৰ্মাৰ লগতে হাঁহচৰা প্ৰেছ ক্লাবৰ হৈ ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য আৰু মদনমোহন পাগবন্ধাই অংশগ্ৰহণ কৰে। আনহাতে, কালি জামুগুৰিৰ মহিলা বস্ত্ৰ ব্যৱসায়ী জুৰি শইকীয়াই জাঁজী প্ৰেছ ক্লাব, স্থানীয় কেইবাজনো দৰিদ্ৰ ব্যক্তি আৰু শাক-পাচলি বিক্ৰী কৰি জীৱন নিৰ্বাহ কৰা স্থানীয় লোকসকলক নিজে তৈয়াৰ কৰা মাস্ক বিতৰণ কৰে।

**শ্ৰীশ্ৰী শংকৰদেৱ সমাজৰ সাহায্য**

শিৱসাগৰ চহৰৰ মজিয়াত অৱস্থিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰী শংকৰদেৱ সমাজে জিলা আৰোগ্য নিধি পুঁজিলৈ সাহায্য প্ৰদান কৰে। শ্ৰীশ্ৰী শংকৰদেৱ সমাজৰ হৈ জিলা উপায়ুক্তৰ কাৰ্যালয়ত উপায়ুক্ত লক্ষীনন্দন গগৈৰ হাতত ১৯ মে'ত ২০,০০০ টকাৰ এখন চেক প্ৰদান কৰে সমাজৰ সহকাৰী সাধাৰণ সম্পাদকদ্বয় বুবুল মহন্ত আৰু প্ৰবীণ বৰদলৈয়ে।

দৈনিক অসম


# দেওবৰীয়া চ'ৰা

DAINIK ASAM, 24 MAY, 2020



২ প্ৰশান্ত বৰগোহাঁইৰ গল্প 'এটা ধূসৰ আবেলি'

৪ 'বাস্টাৰ' কিটনৰ বিষয়ে বিনয় মোহন শইকীয়া



## সংঘাতৰ সন্ধিক্ষণ

# দুঃসময়ৰ প্ৰতিচ্ছবি

এই সময় ।। ড° দেৱজ্যোতি ভট্টাচাৰ্য

এটি আঠ বছৰীয়া কণমানি ল'ৰা। নাম ব্ৰুনো। পিতৃ-মাতৃ আৰু বায়েকৰ সৈতে ব্ৰুনোৱে বাস কৰিছিল জাৰ্মানীৰ বাৰ্লিনত। সময় তেতিয়া ভয়াৱহ আছিল। দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকাৰ মাজতেই অব্যাহত আছিল হিটলাৰৰ নাজী বাহিনীয়ে ইহুদিৰ ওপৰত কৰা অমানৱীয় অত্যাচাৰ। ব্ৰুনোৰ পিতৃ আছিল নাজী বাহিনীৰেই সামৰিক বিষয়া। কৰ্মত পদোন্নতিৰ সূত্ৰে পিতৃ জাৰ্মানী সীমান্তৰ এঠাইলৈ বদলি হোৱাৰ পিছতেই জীৱন পৰিৱৰ্তন হয় ব্ৰুনোৰ। নতুন পৰিৱেশত এজন ঘৰুৱা শিক্ষক তথা চৌপাশৰ দুই-এজনৰ সংস্পৰ্শই ব্ৰুনোৰ বায়েকৰ মনত জন্ম দিছিল হিটলাৰপ্ৰীতি তথা ইহুদিৰ প্ৰতি ঘৃণাৰ ভাবে। কিন্তু ব্ৰুনোৰ কুমলীয়া মনে এইসমূহ বুজি পাবলৈ সক্ষম হোৱা নাছিল। সি দেখা একমাত্ৰ ইহুদিজন আছিল এজন বৃদ্ধ, যিজন নিয়োজিত হৈছিল সিহঁতৰ ঘৰৰ বনকৰা মানুহ হিচাপে আৰু বিনিময়ত লাভ কৰিছিল কেৱল দুৰ্ব্যৱহাৰ। সমনীয়াৰ অভাৱত ভোগা ব্ৰুনোৱে এদিন ঘৰৰ আন সদস্যৰ অজ্ঞাতে ঘৰৰ পাছফালৰ বাটেৰে গৈ উপস্থিত হয় এখন কাঁইটীয়া তাঁৰৰ বেৰৰ সন্মুখত। এই বেৰা আছিল এটা ইহুদি শিবিৰৰ, য'ত আছিল অসংখ্য ইহুদি বন্দী। তেনেতেই ব্ৰুনোৰ চকুত পৰে শিবিৰৰ বেৰৰ কাষত অকলশৰীয়াকৈ মন মাৰি বহি থকা এজন সমবয়সীয়া কণমানি। স্মুৰেল নামৰ এই ইহুদি কণমানিজনৰ লগত ব্ৰুনোৰ বন্ধুত্ব স্থাপন হয়। সমাজৰ অজ্ঞাতে কোনো ঘৃণা বিভেদ আদিৰ স্থান নথকা এই বন্ধুত্ব ক্ৰমান্বয়ে অধিক দৃঢ় হৈ পৰে। আনহাতে, পতিৰ বিভাগীয় দায়িত্ব তথা চৌপাশৰ পৰিৱেশৰ হিংস্ৰতাই নিজৰ সন্তানক বিপথে পৰিচালিত কৰিব পৰাৰ ভয়ে বাধ্য কৰে ব্ৰুনোৰ মাকক দুই সন্তানসহ সেই স্থান ত্যাগ কৰাৰ। শেষবাৰলৈ নিজ বন্ধুক দেখা কৰিবলৈ গৈ ব্ৰুনোৱে গম পাই যে স্মুৰেলৰ দেউতাক নিখোজ হৈছে। বন্ধুৰ পিতৃক বিচৰাৰ স্বাৰ্থত নিজৰ কাপোৰ সেই বেৰৰ কাষতেই খুলি কাঁটা তাঁৰৰ তলেৰেই স্মুৰেলে অনা ইহুদি কাপোৰ পিন্ধি ব্ৰুনো সোমাই যায় এই শিবিৰৰ ভিতৰলৈ। কিছুসময় ঘূৰা-পকা কৰি



পৰিচালক মাৰ্ক হাৰমান

কোনো সুফল নোপোৱাৰ পিছতেই অতৰ্কিতে সৈন্যবাহিনীৰ এক আদেশৰ অধীনত অসংখ্য ইহুদিৰ মাজত সোমাই পৰি কোনো এক অজান ঠাইলৈ আগবাঢ়িবলগীয়া হয় দুই বন্ধু। ইতিমধ্যে নিজ পুত্ৰক বিচাৰি নাপাই পাগলৰ দৰে হৈ পৰা ব্ৰুনোৰ পিতৃ-মাতৃৰ লগতেই কেইবাজনো নামি পৰে তাৰ সন্ধানত। শেষত যেতিয়া সেই বেৰৰ কাষত কণমানি ব্ৰুনোৰ খুলি থৈ যোৱা কাপোৰ দেখে, তেতিয়া আৰু দেউতাকৰ বুজিবলৈ বাকী নাথাকিল। পুত্ৰৰ চিন্তাত বিতত হৈ ব্ৰুনোৰ নাম চিঞৰি চিঞৰি যেতিয়া তেওঁ ইহুদি কাৰাগাৰৰ মাজত সোমাই, তেতিয়ালৈ বহু পলম হৈ গৈছিল। দোপালপিটা বৰষুণৰ মাজতেই মানৱতাৰ চৰম নৃশংসতাৰ পৰিচয়েৰে অনেক কয়দীৰ মাজতে সেই দুই বন্ধুক লৈ বন্ধ হৈ গৈছিল বলিশালৰূপী গেছ চেম্বাৰৰ দুৱাৰ। ওপৰৰপৰা পেলোৱা হৈছিল বিষাক্ত ৰাসায়নিক দ্ৰব্য আৰু লাহে লাহে সকলো শেষ হৈ গৈছিল। হাতত হাত ধৰি নোহোৱা হৈ গৈছিল সেই দুই অবুজ শিশু, যি দুজনে হয়তো জনা নাছিল যুদ্ধৰ প্ৰকৃত সংজ্ঞা।

এক শিহৰণকাৰী আৰু অত্যন্ত হৃদয়বিদাৰক পৰিসমাপ্তি ঘটা এই কাহিনীটোৰ উৎস হৈছে ২০০৮ চনতেই নিৰ্মিত এখন কথাছবি। নাম আছিল 'দ্য বয় ইন দ্য ষ্ট্ৰাইপ্‌ড পাইজামাছ' (The Boy in the Striped Pyjamas)। ২০০৬ চনত দ্বিতীয় বিশ্বযুদ্ধৰ ওপৰত ভিত্তি কৰি জ'ন বইনে ৰচনা কৰা একে নামৰ উপন্যাসখনৰ আধাৰত মাৰ্ক হাৰমানে পৰিচালনা কৰিছিল এই ছবিখন। বক্স অফিচৰ সফলতা, সমালোচকৰ মন্তব্য আদি নিলগাই ৰাখি সহজ অৰ্থত চালে দেখা যাব যে দৰ্শকৰ আগত ছবিখনে দাঙি ধৰিবলৈ সক্ষম হৈছে যুদ্ধৰ ভয়াৱহতাৰ এখন জ্বলন্ত প্ৰতিচ্ছবি। শান্তি স্বাৰ্থৰ আলম লৈ সংঘটিত কৰা যুদ্ধই প্ৰকৃততে নিজৰ লক্ষ্যত উপনীত হ'বলৈ কেতিয়াবা বাৰু সমৰ্থ হয়নে? শান্তিৰ বিপৰীতে সদায়েই ই মানৱ জাতিক দি যায় এনে কিছু ভয়াৱহ অভিজ্ঞতা, যাৰ বীভৎস ছায়াই বছৰৰ পিছত বছৰ ধৰি আমাৰ পিছ নেৰে। সেয়া লাগিলে জাপানৰ ওপৰত কৰা পাৰমাণৱিক আক্ৰমণেই হওক, চীন-ভাৰতৰ যুদ্ধই হওক অথবা হওক ছিৰিয়াৰ গৃহযুদ্ধ।


ইতিহাসেই সাক্ষী যে মানৱ জাতিৰ মাজত থকা ঈৰ্ষা, হিংসা, বিদ্বেষ আদি অনেক নেতিবাচক কাৰকৰ দাবানলেই কালক্ৰমত অধিক গাঢ় হৈ যুদ্ধৰ ৰূপ লয়গৈ। ক্ষমতাৰ লিপ্সা আৰু স্বসুৰক্ষাৰ স্বাৰ্থই তাত অধিক ইন্ধন যোগায়। প্ৰগতিৰ জখলাত আমি দোপতদোপে বগুৱা বাই আগবাঢ়িছোঁ সঁচা। কিন্তু এই হিংস্ৰতাৰ হাতোৰাৰপৰা আমি আজিও মুক্ত হ'ব পৰা নাই। নিজৰ মাজতেই দ্বন্দ্বত লিপ্ত আমি এবাৰ ভাবি চাইছোনে যে নিজৰ ওপৰত গৰ্বিত সমগ্ৰ মানৱ জাতিকে আজি প্ৰত্যাহ্বান জনাইছে মাত্ৰ এটি ক্ষুদ্ৰ ভাইৰাছে। এই ভাইৰাছে দেশসমূহৰ মাজত ৰখা নাই কোনো ধনী-দুখীয়া, ক্ষুদ্ৰ-বৃহৎ আদি বিভেদ। নিজৰ স্বাৰ্থৰ খাতিৰত সদাব্যস্ত মানৱ জাতিক আজি অহৰহ ব্যথিত তথা লজ্জিত কৰিছে এই ক্ষুদ্ৰ অণুজীৱই। বিশ্বৰ ভিতৰতেই দেশৰ সুৰক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক ব্যয় কৰা আমেৰিকাও আজি ব্যৰ্থ এই পৰিস্থিতিৰ মোকাবিলা কৰাত। এই ভাইৰাছে আমাক যেন বুজাই দিছে— 'মানৱঘাতী হাজাৰ সুৰক্ষা অস্ত্ৰ মজুত থাকিলেও মোৰ ওচৰত তোমালোক নগণ্য। সেই অস্ত্ৰৰে তোমালোকে ধ্বংস কৰিব পাৰিবা নিজকহে।' এনেধৰণৰ পাঠ সময়ে সময়ে আমাক প্ৰদান কৰিছে আমাৰ প্ৰকৃতিয়েও। তথাপি সকলো পাহৰি জীৱশ্ৰেষ্ঠই জন্ম দিয়ে যুদ্ধৰ।

মহামাৰীৰ এই বিভীষিকাৰ মাজতেই আমাৰ দেশৰ সীমান্তত সন্ত্ৰাসবাদীৰে হোৱা সংঘৰ্ষত শ্বহীদ হৈছে আমাৰ কেইবাজনো বীৰ সৈনিক। কোনোবা বিভেদগামী শক্তিয়ে নিজৰ ন্যস্ত স্বাৰ্থ পূৰণৰ বাবে যোগোৱা উচটনিত ভোল গৈ সহজেই সন্ত্ৰাসৰ প্ৰতি সমৰ্পিত হয় অনেকজন। কোনো বয়সৰ সীমা নমনা এনে পথত আশ্চৰ্যকৰভাৱে ভৰি দিয়ে একাংশ শিক্ষিতই। অজ্ঞাত প্ৰাপ্তিৰ তাড়নাত হাতত অস্ত্ৰ তুলি লোৱা এইসকলে মুহূৰ্তৰ ভিতৰতেই কাঢ়ি লয় কোনোজনৰ প্ৰাণ। তাৰ ফলাফলৰ কথা চিন্তা কৰাৰ মানসিকতা প্ৰায় শেষ হৈ যায় এইসকলৰ। এনে সন্ত্ৰাসেই পৰৱৰ্তী কালত পৰিণত হ'বগৈ পাৰে ভয়ংকৰ যুদ্ধত। কিন্তু তেতিয়ালৈ সংশোধনৰ সময় নাথাকেগৈ আৰু শেষ হৈ যায় সকলো।

সংঘাতেৰে বিধ্বস্ত এখন ঠাই পাছপৰি যায় বহু বছৰ ধৰি। খাদ্য, বস্ত্ৰ, আশ্ৰয়, শিক্ষা, স্বাস্থ্য আদি সকলো অভাৱেই দেখা দিয়ে এনে ঠাইত। তাৰ ফলত বিপথগামী হ'ব পাৰে প্ৰজন্মৰ পিছত প্ৰজন্ম। আৰম্ভণিতেই উল্লেখ কৰা ছবিখনত ব্ৰুনোৱে ঘৰৰপৰা মনে মনে লৈ অহা খাদ্যসমূহক স্মুৰেল নামৰ কণমানি ল'ৰাটোৱে যিদৰে গোগ্ৰাসে খাবলৈ ধৰে, তাক নেদেখাজনে উপলব্ধি কৰা কঠিন। যুদ্ধ আৰু ঘৃণাই অনাহকতেই প্ৰাণ কাঢ়ি নিয়ে এই দুটি নিৰীহ শিশুৰ। বন্ধুত্বৰ শিকলিৰে বান্ধ খাই মুক্ত মনে মুকলি আকাশৰ তলত বিচৰণ কৰাৰ হাবিয়াহ আৰু সিহঁতৰ পূৰণ নহয়। এনেদৰে লিখি শেষ কৰিব নোৱৰা উদাহৰণ হয়তো অনেক আছে। তথাপি আজি শান্তিৰ অন্বেষণত অব্যাহত আছে প্ৰাণনাশী যুদ্ধ। অত্যাধুনিক অস্ত্ৰৰে নিজক টনকিয়াল কৰাৰ বাবদ আগশাৰীৰ দেশসমূহে ব্যয় কৰিছে এক বিশাল পুঁজি অথচ একে সময়তে আন কিছু দুখীয়া দেশৰ অগণন লোকে দিনে-নিশাই সহ্য কৰিছে ক্ষুধাৰ জালা। ভৌগোলিক সুৰক্ষা ৰক্ষা প্ৰতিখন দেশৰে কৰ্তব্য। কিন্তু সুৰক্ষাৰ অচিলাৰে প্ৰয়োজনাধিক অস্ত্ৰ প্ৰদৰ্শনেৰে আনক ভীতিগ্ৰস্ত কৰা, সন্ত্ৰাসক প্ৰশ্ৰয় দিয়া অথবা অনাহকত যুদ্ধৰ বাট বোলা জৰুৰী নহয়। লগতে কেৱল এয়াই এখন দেশৰ শক্তি পৰিচয়ৰ মাপকাঠী হ'ব নালাগে। ব্ৰুনো আৰু স্মুৰেলৰ চৰিত্ৰ দুটিয়ে যেন দৰ্শাই যুদ্ধই মষিমূৰ কৰা সম্ভাৱনাপূৰ্ণ এটি প্ৰজন্মৰ কথা। লগতেই সোঁৱৰাই দিয়ে বিখ্যাত লেখক এইচ জি ৱেল্‌ছৰ এশাৰী বাক্য— 'আমি যদি যুদ্ধ শেষ নকৰোঁ, যুদ্ধই এদিন আমাক শেষ কৰিব' (If we don't end war, war will end us)। ■



ভ্ৰাম্যভাষ ঃ ৮৬৩৮৪-৭৫৬৩৩



# কিতাপ পঢ়াৰ প্ৰথম সোৱাদ

ৰোমন্থন ।। কে টেৰণ

সঠিককৈ মনত পেলাব নোৱাৰিলেও প্ৰথমবাৰৰ বাবে কিতাপ পঢ়াৰ আগ্ৰহ আৰু সোৱাদটো মই হোমেন বৰগোহাঞিৰ 'মই যেতিয়া ক্লান্ত হওঁ' গ্ৰন্থখনৰপৰা পাইছোঁ বুলি ভাবোঁ। এতিয়াও মনত আছে কিমান আগ্ৰহ, কৌতূহল, উৎসাহেৰে প্ৰতিদিনে এটা এটা অধ্যায় পঢ়ি শেষ কৰি স্বস্তিৰ নিশ্বাস এৰিছিলোঁ। যদিও তেতিয়া মই প্ৰায়বোৰৰ কথাই বুজি পোৱা নাছিলোঁ। হোমেন বৰগোহাঞিৰ আত্মাভিজ্ঞতাৰ ভিত্তিত লিখা প্ৰায়খিনি প্ৰবন্ধৰ কিতাপ পঢ়িলোঁ। কিন্তু 'মই যেতিয়া ক্লান্ত হওঁ' কিতাপখনৰ স্থান মোৰ মনত সুকীয়াকৈ আছে। এই গ্ৰন্থখন পঢ়ি উঠাৰ পিছৰ অনুভৱ অনন্য। যিখন কিতাপ পঢ়াৰ স্মৃতি পাহৰিব নোৱাৰি।

অতি ভিতৰুৱা পৰিৱেশত ডাঙৰ-দীঘল হোৱাৰ বাবে বহুতো জ্ঞান, অভিজ্ঞতাৰপৰা বঞ্চিত আছিলোঁ। গাঁৱত বা ওচৰে-পাঁজৰে শিক্ষিত লোক তাকৰ হোৱাৰ বাবে বাতৰি কাকত, বিভিন্ন কিতাপ-পত্ৰৰ মুখো কেতিয়াবা কাচিৎহে দেখিছিলোঁ। ঘৰতো মা-দেউতা নিৰক্ষৰ লগতে পৰিয়ালৰ সকলোৱে উচ্চ শিক্ষাৰপৰা বহুযোজন দূৰত। গতিকে কিতাপ পঢ়াৰ পৰিৱেশ নথকাটোৱেই স্বাভাৱিক। সেয়ে গাঁওখনত কিতাপৰ মুখ দেখিবলৈ নাই আৰু বাতৰি কাকত আদিৰ ব্যৱস্থাও নাই। গতিকে তেতিয়াৰ মোৰ আগ্ৰহী মনটোৱে প্ৰথমবাৰৰ বাবে কিতাপৰ মুখ দেখিলে গোগ্ৰাসে গিলি দিয়াৰ উপক্ৰম হয়। তেতিয়া মই এম ই স্কুলৰপৰা সপ্তম শ্ৰেণীত উত্তীৰ্ণ হৈ হাইস্কুলৰ অষ্টম শ্ৰেণীত নামভৰ্তি কৰিছিলোঁ। চৰকাৰী বিদ্যালয়ত পঢ়াৰ আৰু ঘৰত অভিভাৱক নিৰক্ষৰ; গতিকে মোৰ পঢ়াৰ অৱস্থা সহজে অনুমান কৰিব পাৰি। অসমীয়া লিখিত ভাষাটো কোনোমতে দুই-এটা বুজি পাওঁ আৰু ইংৰাজী দুই-এটা পঢ়িব পাৰোঁ কিন্তু একো বুজি নাপাওঁ। তেনেকৈয়ে মধ্য ইংৰাজী বিদ্যালয়ৰ তিনিটা বছৰ (৫ম, ৬ষ্ঠ, ৭ম শ্ৰেণী) কাটিছিল।

হাইস্কুলত ভৰ্তি হৈ মনত অন্য এক অদম্য উৎসাহ এটা বাঢ়ি গ'ল— ভালকৈ পঢ়াৰ, ভাল ৰিজাল্ট কৰা আৰু ভাল ল'ৰা হোৱাৰ। অৱশ্যে এইক্ষেত্ৰত মোৰ জীৱনৰ দিশ সলনি কৰা শিক্ষাগুৰু হেমচন্দ্ৰ গোস্বামীছাৰৰ কথা ক'বই লাগিব। ছাৰৰ কথাতে মই মন দি পঢ়িছিলোঁ, নতুন নতুন কথা শিকাৰ আগ্ৰহ আৰু উৎসাহ পাইছিলোঁ। হাইস্কুলৰ সেই তিনিটা বছৰ জীৱনৰ অতি মনোৰম আৰু অমূল্য দিন বুলি আজিও ভাবি সন্তুষ্টিৰ হাঁহি এটা মাৰোঁ।

হাইস্কুলৰ প্ৰথমটো বছৰ অষ্টম শ্ৰেণীত নামভৰ্তি কৰিয়েই গোস্বামীছাৰৰ সংস্পৰ্শলৈ আহি পঢ়া-শুনাৰ প্ৰতি মন বহিছিল। শ্ৰেণীৰ কিতাপবোৰ পঢ়াৰ লগে লগে ভিন্ন জ্ঞানৰ কিতাপৰ প্ৰতি মোৰ ধাউতি বাঢ়িল। আগতে এম ই স্কুলত পঢ়ি থাকোঁতে দাদাহঁতে কেতিয়াবা সাপ্তাহিক বজাৰৰপৰা কিনি অনা মাহেকীয়া আলোচনী 'বিস্ময়', 'ৰহস্য' আদিৰ পাতত ৰঙীণ ছবিবোৰ চোৱাৰ লগতে সৰু-সুৰা দুই-এটা লেখা ছেগা-চোৰোকাকৈ পঢ়িছিলোঁ; একো ভালকৈ বুজি নোপোৱাকৈয়ে পঢ়ি গৈছিলোঁ। তাৰ পিছত আলেকজেণ্ডাৰ ডোমাছৰ বিখ্যাত উপন্যাসৰ অসমীয়া ভাঙনি 'দা কাউণ্ট অব্ মণ্টেক্ৰিষ্ট' পঢ়িছিলোঁ। এতিয়াও মনত পৰে তেতিয়া বিজুলীবাতিৰ ব্যৱস্থা নথকা আমাৰ গাঁওখনত ৰাতি হ'লে কেনেকৈ ঘনঘোৰ এন্ধাৰেৰে ছানি ধৰে। সেই এন্ধাৰ পৰিৱেশত শীতকালত পৰিয়ালৰ চবেই ভাত খাই উঠি বাঁহৰ খৰিৰে জুই পুৱাওঁ। সেই জুই পুওঁৱাৰ আড্ডাত বিভিন্ন ধৰণৰ কথা ওলায়— সাধুকথা, দেশ-বিদেশৰ কথা, আমাৰ কাৰ্বি জনজাতিৰ বিভিন্ন লোকগাথা ইত্যাদি ইত্যাদি কথাৰ মিছিল। আৰু সেই বাঁহৰ খৰিৰ জুই পোহৰত মই 'দ্য কাউণ্ট অব্ মণ্টেক্ৰিষ্ট' পঢ়িছিলোঁ। ডাঙৰ ডাঙৰকৈ মাত উলিয়াই পৰিয়ালৰ চবকে পঢ়ি শুনাইছিলোঁ। আটায়ে নীৰৱে পীৰাত বহি মই পঢ়া শুনিছিল, একো বুজি নোপোৱাকৈয়ে। মই বৰ উৎসাহ পাইছিলোঁ ডাঙৰ ডাঙৰকৈ পঢ়াৰ আৰু তলে তলে গৌৰৱ অনুভৱো কৰিছিলোঁ আটায়ে মই পঢ়া শুনি থকা দেখি।

অষ্টম শ্ৰেণীৰ বছৰেকীয়া পৰীক্ষাত মই শ্ৰেণীৰ ভিতৰতে আটাইতকৈ সৰহ নম্বৰ পাবলৈ সক্ষম হৈছিলোঁ আৰু সেইমতে নৱম শ্ৰেণীৰ মোৰ ৰোল নং ১ হৈছিল। সেই বছৰত বিদ্যালয়ৰ পৰিচালনা সমিতিয়ে আয়োজন কৰা বাৰ্ষিক সম্বৰ্দ্ধনা অনুষ্ঠানত পৰীক্ষাত প্ৰথম হোৱাৰ বাবে এখন কিতাপ আৰু গামোচাৰে সম্বৰ্দ্ধনা জনাইছিল। সম্বৰ্দ্ধনাত পোৱা সেই কিতাপখনেই আছিল মোৰ জীৱনৰ প্ৰথম কিতাপ, যিখন মোৰ হ'ল— সম্পূৰ্ণ মোৰ কিতাপ। ভাবিছিলোঁ— কিতাপখন আজিৰপৰাই পঢ়িম। এনেকৈ পঢ়ি পঢ়ি এসপ্তাহত পঢ়ি শেষ কৰিছিলোঁ। এটা অধ্যায় পঢ়ি হোৱাৰ পিছত অলপ ভাবিছিলোঁ। কিতাপ পঢ়াৰ ৰস আস্বাদনত অলপ সফলতাৰ ৰেঙণি পাই মাজে মাজে পুলকিতও হৈছিলোঁ। পঢ়ি হোৱাৰ পিছতো আকৌ আজৰি পৰত পঢ়ি চাইছিলোঁ, প্ৰতিবাৰেই বুজিবলৈ চেষ্টা কৰিছিলোঁ; শব্দবোৰ লেখাবোৰ হৃদয়ংগম কৰিবলৈ চেষ্টা কৰিছিলোঁ। সম্বৰ্দ্ধনা অনুষ্ঠানত পোৱা সেই কিতাপখনেই হ'ল হোমেন বৰগোহাঞিৰ 'মই যেতিয়া ক্লান্ত হওঁ'।



হোমেন বৰগোহাঞিৰ বহুকেইটা প্ৰবন্ধতে তেওঁৰ অন্য লেখনি, গ্ৰন্থ আদিৰ উল্লেখ থাকে (প্ৰায়বোৰ লেখকে উল্লেখ কৰে)। সেইবোৰৰ উল্লেখে আন আন প্ৰবন্ধাদি বিচাৰি পঢ়াত আগ্ৰহী কৰি তোলে। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ মহাবিদ্যালয়ত একাদশ শ্ৰেণীৰ বাবে নামভৰ্তি কৰিলোঁ। ভিতৰুৱা ঠাইৰপৰা কিতাপৰ পোহৰপৰা ঠাই এখনত ৰুমভাৰা কৰি থাকিবলৈ ল'লোঁ। মহাবিদ্যালয়ৰ কেন্দ্ৰীয় গ্ৰন্থাগাৰত জ্ঞানামৃত পিবলৈ যৎপৰোনাষ্টি চেষ্টা চলালোঁ। তেনেকৈয়ে এখন-দুখনকৈ প্ৰতিদিনে পুথিভঁৰালৰপৰা নিজৰ পাঠ্যপুথিৰ লগতে ভিন্নস্বাদৰ গ্ৰন্থও পঢ়িবলৈ ল'লোঁ। এতিয়ালৈকে মোৰ জীৱনত সেই দুটা বছৰ (একাদশ আৰু দ্বাদশ শ্ৰেণী)ত মই সৰ্বাধিক গ্ৰন্থ পঢ়িছিলোঁ। ভাৰাঘৰৰ প্ৰতিদিনৰ পুৱা, আবেলি নাইবা ৰাতি আৰু কেতিয়াবা বন্ধৰ দিনত বিভিন্ন ধৰণৰ গল্প, উপন্যাস, প্ৰবন্ধ, কবিতা আদিৰে পাৰ কৰিছিলোঁ। ঢেৰ কিতাপ পঢ়িলেও কেইখনমানৰ কথাহে মনত বিশেষকৈ, বহুদিনলৈ থাকি যায়। তেনেদৰেই হোমেন বৰগোহাঞিৰ লেখাবোৰে মনত দকৈ সাঁচ বহুৱায়। তেওঁৰ লেখা আজিও ফেচবুকৰ পাতত পালে এখন্তেক ৰৈ পঢ়োঁ। সেয়ে মোৰ প্ৰিয় গদ্য লেখক বুলি ক'লে হোমেন বৰগোহাঞিৰ কথাই ক'ব লাগিব। কাৰণ স্মৃতিৰ মণিকোঠাত, পোনপ্ৰথমবাৰৰ বাবে কিতাপ পঢ়াৰ উৎসাহ, সোৱাদটো পাইছিলোঁ 'মই যেতিয়া ক্লান্ত হওঁ' গ্ৰন্থখনৰপৰা। ■

ভ্ৰাম্যভাষ ঃ ৮৪৭১৮৭৭৭২৩

দৈনিক অসম
দেওবৰীয়া চ'ৰা
DAINIKASAM, 24 MAY, 2020

গল্প

# এটা ধূসৰ আৱেলি

প্ৰশান্ত বৰগোহাঁই

মৃণালৰ অনুৰোধক্ৰমে, নহয় দাবী অনুসৰি লিখিবলৈ আৰম্ভ কৰা গল্পটোৰ সৈতে বহু চেষ্টা কৰিও মৌচুমী একাত্ম হ'ব পৰা নাই। বৰঞ্চ এনেকৈ ভাবিলেও হয়তো ভুল নহ'ব— বাৰীৰ সিটো মূৰত হাজিৰা কাম কৰি থকা বয়োজ্যেষ্ঠ মানুহজনৰপৰা তাই চকু আঁতৰাই আনিব নোৱৰাৰ বাবেহে গল্পটো সম্পূৰ্ণ হোৱাত এটা বাধা আহি পৰিছে। বেলেগ বেলেগ দিশৰপৰা খিৰিকীৰে মানুহজনক তাই লক্ষ্য কৰিছে— ক'ত দেখিছে তেওঁক, ক'ত লগ পাইছে! কামৰ মাজে মাজে তাইৰ ভায়েকৰ সৈতে কথা পাতিছে তেওঁ। বাৰীত ইফালৰপৰা সিফাললৈ খোজ কাঢ়িছে, কথা পাতোঁতে হাতৰে অংগি-ভংগী কৰিছে— সেয়াও দেখোন তাইৰ তেনেই চিনাকি!

দৈনিক বাতৰি কাকত 'জনতাৰ সংবাদ'ৰ সহঃ সম্পাদক অৰ্থাৎ তাইৰ কলেজীয়া বন্ধু মৃণালৰ দাবী— শাৰদীয় সংখ্যাৰ বাবে গল্প এটা দিব লাগে। যোৱাবাৰ তাই দিব নোৱাৰিলে, সেয়ে এইবাৰ সোনকালে বিচাৰিছে। তাই খিৰিকীৰ কাষলৈ চকী-টেবুলযোৰ চোঁচৰাই আনি গল্প এটা লিখাৰ চেষ্টা চলাইছে। আজি তাই দেওবাৰটোৰ সুবিধা এটা ল'ব খুজিছে। অফিচ খোলা বাৰত তাই অফিচৰপৰা আহিয়েই ভৰি-হাত ধুই বিচনাতহে পৰে— ভাগৰে একেবাৰে হেঁচা মাৰি ধৰে। টোপনি নাহে, এনেয়েহে পৰি থাকে চকু দুটা মুদি। তাৰ পিছতহে চাহ একাপ খায়। তাইৰ মাকৰ ঘৰ এইখন। পিছে ক'বলৈহে মাকৰ ঘৰ— তাইৰ মাক-দেউতাক কোনো এতিয়া ইহসংসাৰত নাই। সমবায় বিভাগত পঞ্জীয়কৰ চাকৰি কৰা দেউতাকে পৰিয়ালটোৰে অকণো অসুবিধা নোপোৱাকৈ সকলো কৰি থৈ গৈছে। একমাত্ৰ ভায়েকটোৱেই এতিয়া পৈতৃক সম্পত্তিৰ গৰাকী। সি বৰকৈ চিন্তা কৰিবলগীয়া হোৱা নাই। ভাৰাঘৰৰ টকাৰেই সি তাৰ সৰু পৰিয়ালটো অকণো খোকোজা নলগাকৈ চলাই নিব পাৰিছে। পিছে সি অলপ এলেহুৱা হৈ পৰিছে। বিঘা হিচাপে ঘৰটোতে লাগি থকা মাটি টুকুৰাত সি পাচলি এটা কৰি খোৱাৰ কথাও কেতিয়াও ভবা নাই— যি টুকুৰা মাটিত কিবা পুলি এটা গোঁজ মাৰি দিলেই লহ্‌পহকৈ বাঢ়ি আহে। তাই যোৱা তিনি মাহৰপৰা তাক কুটুৰি কুটুৰি আজিহে হাজিৰা মানুহ এজন অনোৱাব পাৰিছে। বাৰীখনৰ এচুকতে অকণমান চিকুণাই তাই সাৰ নিদিয়া পাচলি কেইটামান খোৱাৰ পৰিকল্পনা বহুদিনৰ। কিন্তু ইমান বয়সস্থ মানুহজন আনিলে সি— দিনটোৰ ভিতৰত হিচাপৰ কামখিনিকে কৰিব পাৰে নে নাই সন্দেহ! তাইৰ বেয়াও লাগে ভাবিলে, কিহৰ দুখত বা এইটো বয়সত হাজিৰা কাম কৰিবলৈ আহিছে।

এইখন চহৰৰপৰা পুনৰ বদলি নোহোৱালৈকে তাই নিজৰ ঘৰতে থাকিব। চৰকাৰী কোৱাৰ্টাৰত থকাৰ কথা কেতিয়াও ভাবিব নোৱাৰে, তাকো অকলে। ভাই-বোৱাৰীজনীও ভাল, মৰমিয়াল। সিহঁতৰ তিনি বছৰীয়া কণমানিটোৱেও ঘৰখন একেবাৰে গম্‌গমীয়া কৰি ৰাখে। চৰকাৰী চাকৰি কৰা ককায়েকে গুৱাহাটী মহানগৰীত ফ্লেট লৈ পৰিয়ালৰ সৈতে সুখে-সন্তোষে আছে। ইয়াতেই তাই শৈশৱ-কৈশোৰ-যৌৱনৰ ৰঙীণ সময়ছোৱা কটাইছে। উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতহে তাই শিক্ষা গ্ৰহণৰ বাবে চহৰখনৰপৰা আঁতৰি আছিল— তাই যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ত পঢ়িছিল। স্নাতক ডিগ্ৰী লোৱাৰ পিছত পুনৰ স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে তেজপুৰ বিশ্ববিদ্যালয়লৈ— তাৰ পিছতহে তাই কিছুদিন নিজৰ চহৰখনলৈ ঘূৰি আহিছিল। দুটা বছৰৰ পিছত তাইৰ চাকৰি, পিছৰ বছৰটোত বিয়া— একেবাৰে তড়িৎ গতিত। বিভিন্ন ঠাইলৈ বদলি, পদোন্নতি— বৰ্তমান তাই স্থানীয় বিদ্যুৎ উপ-কেন্দ্ৰটোৰ উপ-প্ৰবন্ধক। দুঘণ্টা গাড়ীৰে গ'লেই তাইৰ স্বামীৰ ঘৰখন। ল'ৰা-ছোৱালী ডাঙৰ হ'ল— কলেজত। মন গ'লেই তাই যায় অথবা তেওঁলোকো আহে। সেইফালৰপৰা তাই নিশ্চিন্ত।

তাই মৃণালৰ লগত দুবছৰ একেলগে পঢ়িছিল— হায়াৰ ছেকেণ্ডেৰীলৈকে। সিহঁতৰ বেটছটোত বিজ্ঞানৰ শিক্ষাৰ্থী হৈয়ো লেখা-মেলা কৰি ভালপোৱা মাত্ৰ তাই আৰু মৃণালেই আছিল। স্নাতকোত্তৰ ডিগ্ৰী লৈ কলেজত সোমোৱাৰ পিছতো সি বাতৰি কাকতৰ চাকৰিহে ভাল পালেগৈ। ঘৰৰ হাজাৰ বাধা আওকাণ কৰি সি 'জনতাৰ সংবাদ'ত জইন কৰিছিলগৈ। মৃণালক কথা ক'বলৈ অকণো সংকোচ নকৰে তাই। সেয়েহে গল্প বিচাৰোতে কৈয়েই দিলে— 'তহঁত কাকতৰ মানুহবোৰে বলিয়া কৰিবি দেই, এই জুলাই মাহতে শাৰদীয় সংখ্যাৰ বাবে গল্প বিচাৰিছ। পূজাটো পাৰ হয় কি নহয়, মাঘ বিহুৰ বাবে বিচাৰিবিয়েই। ব'হাগ বিহুৰ কথা নকওঁৱেই।' সি বিভিন্ন অজুহাত দেখুৱায়। কথাবোৰ তাই বুজে, নুবুজা নহয়— কয়হে তাক জ্বলাই চাবলে'।

সৰুৰেপৰাই তাইৰ লিখাৰ অভ্যাস এটা গঢ় লৈ উঠিছিল। কেতিয়াবা মাকে, কেতিয়াবা দেউতাকে ওচৰৰ দুই-এজনৰ আগত কৈছিল— 'আমাৰ বংশত লিখা-মেলা কৰা কোনো নাই, এইজনীহে জানো ক'ৰপৰা কবি-সাহিত্যিক ওলালেহি।' প্ৰথমে ঘৰত কোনেও গম পোৱা নাছিল, স্কুলৰ আলোচনীত কবিতা এটা দেখিহে ঘৰত বু বু-বা বা। ককায়েকে তাইক জোকায়— 'তই ফুলকবি নে বন্ধাকবি অ''। তোৰ চেহেৰাটো দেখি পিছে সাৰ দিয়া কবি যেনহে লাগে।' দেউতাকৰ ওচৰত মূৰ তুলি কথা কৈ নোপোৱা তাইক এদিন দেউতাকে মাতি আনি কৈছিল— 'বেয়া কথা নহয়, ভাল কথাই। কিন্তু নিজৰ পঢ়া কামটো পিছে বৰ্তাই ৰাখিবি।' আচলতে তাইৰ লিখা-মেলা কৰাৰ গুৰিতে থকা মানুহজন হৈছে হাইস্কুলৰ বিমল ছাৰ। ছাৰে একপ্ৰকাৰ হাতত ধৰি ধৰি তাইৰ লগতে আন বহুতকে সাধু-গল্প-কবিতা লিখিবলৈ শিকাইছিল। মাথোঁ সেয়াই নহয়— কেনেকৈ 'মৌচাক', 'সঁফুৰা' বা কাকতৰ অকণিৰ পৃষ্ঠালৈ লেখা পঠিয়াব লাগে, সেই সম্পৰ্কতো কৈছিল। খেলি-মেলিকৈ লেখাবোৰ পঠিয়ালে কাকত-আলোচনীৰ কাৰ্যালয়ত কি কি অসুবিধা হয়, সেইবোৰ পৰ্যন্ত ছাৰে বুজাইছিল। কিন্তু তাই যিমানদূৰ গম পাইছিল, ছাৰে কিন্তু কোনো কাকত-আলোচনীত লেখা-মেলা কৰা নাছিল। ...বিমল ছাৰ বাৰু এতিয়া ক'ত! সময়ৰ সোঁতে ক'লৈ বা উটুৱাই নিলে তেওঁক। কিন্তু এটা কথা মনত আছে, ছাৰৰ ঘৰ আমগুৰিৰ ফালে আছিল। ছাৰে সদায় বাছত আহি স্কুলৰ সন্মুখত নামিছিল।

'অ'ই পইচা দে, হাজিৰা মানুহ যাবৰ হ'ল।'— ভায়েকেনো কেতিয়া আহি তাইৰ ওচৰতে মাত দিলেহি। তাই উচাপ খাই উঠিল। ভায়েকৰ সেই সৰু কালৰ অভ্যাসটো এতিয়াও যোৱা নাই। সি ইচ্ছা কৰিলে হাজিৰাৰ পইচাটো নিজেই দিব পাৰে, কিন্তু নিদিয়ে। সৰুতেও সি তাৰ ওচৰত পইচা থাকিলে চানা-মৰ্টন খাবলৈ এটকাও উলিয়াই দিয়া মনত নাই। সি ককায়েক আৰু তাইক কয়— 'তহঁত ডাঙৰ দুটা থাকোঁতে মই কিয় দিম।'



তাই ভিতৰৰ কোঠাৰপৰা সৰু মাণিবেগটো হাতত লৈ চোতাললৈ ওলাই আহিল— উদ্দেশ্য, পইচাও দিব আৰু কিমান কাম হ'ল সেইটোও চাব। হাজিৰা কৰা বয়সস্থ মানুহজনে কান্ধৰ গামোচাখনেৰে এইমাত্ৰ ধুই অহা মুখ-হাত মচি মচি তাইক উদ্দেশ্য কৰি আহি আছে— হয়তো পইচা তায়েই দিব বুলি ভায়েকে তেওঁক ক'লে। তাই পুনৰ লক্ষ্য কৰিলে, খোজটো তেনেই চিনাকি। কোন হ'ব পাৰে বাৰু! তাইৰ তেনেই কাষ পালেহি মানুহজন। চকুযুৰি লক্ষ্য কৰিলে তাই। হয়... তাইৰ ভুল হ'বই নোৱাৰে... সেই একেই খোজ... সেই একেই চকু... 'বাইদেউ, পইচা আপুনি দিব নেকি?' ...একেই কথনভংগী... একেই মাত...।

ঃ আপুনি মোক কি বুলি মাতিলে?

ঃ বাইদেউ।

ঃ কিন্তু কিয় তেনেকৈ মাতিলে ছাৰ?

ঃ ছাৰ? কোন ছাৰ?

ঃ আপুনি মোক ফাকি দিব নোৱাৰে ছাৰ। আপুনি মোক হাতত ধৰি ধৰি গল্প-কবিতা লিখিবলৈ শিকোৱা ছাৰ, বিমল ছাৰ।

খন্তেকৰ বাবে মৌচুমীৰ 'বিমল ছাৰ'ৰ মুখমণ্ডল বিৱৰ্ণ হৈ পৰিল। সেয়া লাজ, সংকোচ নে অস্বস্তি বুজিব পৰা নগ'ল। তেওঁ তাইৰপৰা দৃষ্টি আঁতৰাই বিশাল বাৰীখনৰ সিটো মূৰত থকা বাঁহজোপালৈ চাই পঠিয়ালে। তাত পৰি থকা অচিনাকি চৰাই এটা উৰি গ'ল। তাই ভালকৈ চালে তেওঁক, হাইস্কুলত লগ পোৱা পৰিপাটি সাজপাৰ, মাৰ্জিত ব্যৱহাৰেৰে, চফল ডেকা 'বিমল ছাৰ' এতিয়া ষাঠিৰ ঊৰ্দ্ধৰ। এমুখ পকা দাড়ি, প্ৰায় চুলিবিহীন মূৰ, দৰিদ্ৰতাই পিষ্ট কৰা চেহেৰা, এটা ৰ'দে পোৱা দেহা...। ক্ষন্তেক নিৰৱতা। গামোচাখনেৰে মুখমণ্ডলৰপৰা হুৰহুৰকৈ ওলাই অহা ঘামবোৰ তেওঁ মচিলে। চকুযুৰি আংশিক ৰঙা হ'ল মুহূৰ্তৰ ভিতৰতে।

...আৰু মৌচুমীৰ চকুযুৰিক চকুলোৱে ধুঁৱলি-কুঁৱলি কৰি পেলালে। তাই সাউতকৈ বিমল ছাৰৰ ভৰি দুটা সাবটি ধৰিলে। তাৰ পিছত হুকহুকাই এসোঁতা কান্দিলে। ছাৰে তাইক তুলি নধৰিলে, সোঁহাতৰ আঙুলি তিনিটাৰে তাইৰ মূৰত স্পৰ্শ কৰিলে। নিজকে চম্ভালি তাই থিয় হৈ ছাৰলৈ চালে, কিন্তু একো নুসুধিলে। আচলতে সুধি দুখ দিব নুখুজিলে।

ছাৰে নিজেই ক'লে—

ঃ তহঁত স্কুলৰপৰা ওলাই যোৱাৰ দুটামান বছৰৰ পিছতে আমাৰ দৰমহাবোৰ বন্ধ হৈ গ'ল নহয়। চৰকাৰে আজি হ'ব, কাইলৈ হ'ব কৰি আমাক বছৰৰ পিছত বছৰ আশা দি থাকিল। নতুন চৰকাৰ আহিল, গ'ল। সকলোৰে একেই কথা। স্কুলৰ ল'ৰা-ছোৱালীৰ মোহ এৰিব নোৱাৰি স্কুলতে থাকি গ'লোঁ। একেবাৰে শেষত এখন চৰকাৰে দিয়া আমাৰ চাকৰিবোৰ আন এখন চৰকাৰে অবৈধ ঘোষণা কৰিলে। ইফালে, সাঁচতীয়া পইচাকেইটা দোকানৰ বাকী মাৰিবলৈ গৈ শেষ হ'ল। মাটি অকণমানো বিকিলোঁ। কি কৰিম। জীয়াই থকালৈকে কিবা এটা কৰিতো খাবই লাগিব। দোকানবোৰেও আমাক কামত নলয়, বয়স হৈছে যে। একমাত্ৰ ল'ৰাটোও অভাৱত পৰি স্বভাৱ নষ্ট হোৱাৰ দৰে হ'ল। মদ-পানী খাই আহি আমাকে উজটত নিব খোজে।

কাষৰ ফেক্টৰীটোৰ প্ৰকাণ্ড ছাইৰেণৰ শব্দটোৱে কৰ্মচাৰীসকলক ছুটী হোৱাৰ সংকেত দিলে।

ঃ হেৰা, ভাতখোৱা কাঁহীখনটো তুমি আওখালি থৈ আহিব লাগে। পইচাকেইটা লোৱাৰ বাহিৰে একো নাজানা নেকি?

ঃ কথাকেইটা কৈ কৈ মৌচুমীৰ ওচৰ পোৱা ভায়েকক তাই মুখতে হাতেৰে সোপা মাৰি ধৰিলে। কান্দোনমিশ্ৰিত মাতেৰে তাই চিঞৰি উঠিল— চুপ ভাইটি, এয়া আমাৰ ছাৰ হয়। ক্ষমা খোজ লগে লগে। তই বেলেগ স্কুলত পঢ়া বাবেহে চিনি পোৱা নাই।

ভায়েকে ক্ষমা নুখুজিলে। এবাৰ বায়েকলৈ, এবাৰ 'বিমল ছাৰ'লৈ অবাক চাৱনি এটা নিক্ষেপ কৰি আঁতৰি গ'ল সি।

ঃ তেওঁ একো ভুল কোৱা নাই। কিবা এটা ভাবি ভাবি মইহে পাহৰিলোঁ অ' কাঁহীখন ধুবলৈ।

মৌচুমীয়ে ছাৰৰ কথালৈ আওকাণ কৰি হাতৰ টিপতে এহেজাৰ টকা তেওঁৰ শোট-মোচ খোৱা, বৰমোহা চোলাটোৰ জেপত ভৰাই দিলে। তেওঁ বাধা নিদিলে। সেই ছেগতে মোচোকা খাই ভিতৰৰ ফালে সোমাই থকা চোলাৰ কলাৰটোও ঠিক কৰিলে তাই।

ঃ ছাৰ। আপুনি আমাৰ ঘৰলৈ নিয়মীয়াকৈ আহিব লাগিব।

ঃ কিয়? বহুত কাম আছে নেকি? মই বুঢ়া মানুহটোৱেনো কেইটা কাম কৰিব পাৰিম। তোৰ লোকচান হ'ব অ'। বেলেগ হাজিৰা মানুহ আনিবি পাৰিলে।

ঃ তেনেকৈ নক'ব ছাৰ। আপুনি বিশেষ একো কাম কৰিব নালাগে, মাথোঁ কামৰ তদাৰক কৰিলেই হ'ল। এই বাৰীখনৰ এফালে ফুলনি আৰু আনফালে পাচলিৰ বাৰী এখন পতাৰ কথা ভাবিছোঁ। আপোনাৰ বাহিৰে এই কামৰ দায়িত্ব কাকো দিব নোৱাৰো ছাৰ। আৰু আপুনি মাজে মাজে বাইদেউকো লগতে আনিব লাগিব— চিনাকি হ'ম, কথাও পাতিম। বাইদেউৱে দিনটো ঘৰত সোমাই কিজানি আমনিয়েই পায়।

ঃ কিন্তু...

ঃ কোনো কিন্তু নাই ছাৰ। আহিবই লাগিব। ...আৰু আপুনি যিজনী মৌচুমীক আঙুলিত ধৰি গল্প-কবিতা লিখিবলৈ শিকাইছিল, সেইজনী মৌচুমীৰ এখন গল্প সংকলন আপুনি অহা নৰেশ্বৰৰ গ্ৰন্থ উৎসৱত উন্মোচন কৰিব লাগিব। মোক চিনি পোৱা মানুহবোৰে আপোনাকো চিনি পাব লাগিব ছাৰ।

বিমল ছাৰে যেন ধৈৰ্য হেৰুৱাই পেলালে। শব্দহীনভাৱে কান্দিলে তেওঁ। তাই কথা কোৱা বন্ধ কৰিলে। কিবা এটা ক'ব খুজিলে ছাৰে, কিন্তু ক'ব নোৱাৰিলে। গেটখন খুলি তেওঁ কোবাকুবিকৈ ওলাই গ'ল। তাই ছাৰক ৰ'বলৈ নক'লে, দীঘল পদূলিটোৰে ওলাই যোৱা ছাৰক মাথোঁ পাছফালৰপৰা চাই থাকিল। পশ্চিম আকাশৰ বেলিটোৱে চকু ছাট মাৰি ধৰাত কেঁকুৰীটো ঘূৰি নেদেখা হোৱাৰ আগতেই ছাৰ তাইৰ চকুৰ আগৰপৰা হেৰাই গ'ল।

ফেক্টৰীটোৰ কৰ্মচাৰীসকল হয়তো কেতিয়াবাই গৈ ঘৰ পালেগৈ! কিন্তু অলপ আগয়ে বজা ছাইৰেণৰ শব্দটো ৰি-ৰিয়াই তাইৰ কাণত বাজি থাকিল। দেওবাৰৰ আবেলিটো তাইৰ বাবে এটা যেন ধূসৰ আবেলি হৈ ৰ'ল। ■

ভ্ৰাম্যভাষ ঃ ৯৬৭৮৪৬৫৭৯৩

# থুল্লা মামাৰ দুখ

দাপোন।। কিশোৰ কুমাৰ কলিতা

নৰেশ্বৰ মহন্তৰ সপোন আছিল বহুত। ভালদৰে পঢ়া-শুনা কৰি ডাক্তৰ-ইঞ্জিনীয়াৰ হ'ব। গাঁওখনৰ ভিতৰতে আটাইতকৈ ডাঙৰ ঘৰটো সজাব। চিক্‌চিকীয়া ৰঙা গাড়ী এখন তাৰ ঘৰৰ পদূলিত ৰৈ থাকিব আৰু বিয়া পাতিব চহৰৰ আটাইতকৈ দীপলিপ ছোৱালীজনীক। পিছে সপোন ডাঙৰ হ'লে হ'ব কি, নৰেশ্বৰৰ বুদ্ধি আছিল তেনেই ভোটা। তিনিবাৰকৈ মেট্ৰিকৰ ডেওনাখন পাৰ হ'বলৈ চালে যদিও নোৱাৰিলে। চহৰতো বাদেই গাঁৱৰ ছোৱালীমখাইয়ো তাৰ পিনে চাই ফিচিঙা-ফিচিঙি কৰা হ'ল। অৱশেষত লাজটোৱে তাৰ নাকত বাৰুকৈয়ে ধৰিলে।

নৰেশ্বৰৰ সমবয়সীয়া ল'ৰা-ছোৱালীৰ ঠাট্টা-মস্কৰা সহ্য কৰিব নোৱাৰি সি ঘৰৰপৰা নোলোৱা হ'ল। কথা বিষম দেখি বংশ-কুটুম্বৰ বিয়াগোম বিয়াগোম চাকৰি কৰাসকল সিহঁতৰ ঘৰত আহি হাজিৰ। সজ উপদেশটো আহিল নৰেশ্বৰৰ বৰদেউতাকৰ ল'ৰাজনৰপৰা— 'তাক এতিয়াৰেপৰা মই ট্ৰেইনিং কেম্পটে ৰাখিম। সুবিধা বুজি ক'ৰবাত সুমুৱাই দিম। তাৰ যিটোহে চেহেৰা! সি আৰু ক'ত অস্ত্ৰধাৰী হ'ব পাৰিব। চাওঁ কি কৰিব পাৰোঁ।' বৰদেউতাকৰ ল'ৰাজনৰ দীৰ্ঘম্যাদী হুমুনিয়াহটোৰ লগত উপস্থিত সকলোৱে ভাগ ল'লে আৰু নৰেশ্বৰৰ ডাক্তৰ-ইঞ্জিনীয়াৰ হোৱাৰ সপোনটোৰো তাতে অন্ত পৰিল।

তাৰ পিছত আৰম্ভ হ'ল ঘৰ ঝাৰু দিয়া, বাচন-বৰ্তন ধোৱা, অফিচাৰৰ চেম্বাৰ চাফা কৰাৰ নতুন জীৱন। এইবাৰ সপোনৰ সলনি তাৰ মূৰত সোমাল খং, ৰাগ আৰু আক্ৰোশৰ কিছু নতুন পৰিকল্পনা। 'যেতিয়াই পৰিব হাতত দাণ্ডা, তেতিয়াই কৰি দিম সকলোকে ঠাণ্ডা' নৰেশ্বৰ মহন্তৰ জীৱনৰ বাণী হৈ পৰিল। পিছে দাণ্ডা লোৱাৰ সুযোগ নাহে হে নাহে। অৱশেষত চকীদাৰীৰপৰা দাণ্ডা লোৱাৰ সুযোগ আহিল ক'ৰ'নাৰ সময়ত। ষ্টাফ কম থকাৰ বাবে কলেজ তিনিআলিত নৰেশ্বৰক অকলশৰীয়াকৈ দায়িত্ব দিয়া হ'ল। জীৱনৰ বাণী সাৰোগত কৰি সি ঘণ্টাৰ পিছত ঘণ্টা ধৰি তিনিআলিত ডিউটী দিলে। বেলেগ কোনো এজনে তাক অলপ সময়ৰ বাবে সকাহ দিব বিচাৰিলেও সি কয়— 'পাৰিম নহয় ছাৰ। আপোনালোকে মোক এৰি দিয়ক।'

আচলতে সেই সুযোগ সি অলপ সময়ৰ বাবেও এৰি দিব বিচৰা নাছিল। কলেজ তিনিআলিৰ কাষতে আছে অসংখ্য প্ৰাইভেট হোষ্টেল আৰু ছাত্ৰ-ছাত্ৰীৰ ভাৰাঘৰ। যিসকল ল'ৰা-ছোৱালী ঘৰলৈ উভতি যাব নোৱাৰিলে সিহঁত ফচি গ'ল আৰু হৈ পৰিল নৰেশ্বৰৰ চিকাৰ।

পিছে সেই সৌভাগ্য বহু বেছি দিন নাথাকিল। চৰকাৰে ল'ৰা-ছোৱালীবোৰক নিজ ঘৰলৈ যোৱাৰ সুযোগ দিয়াৰ পিছত কলেজ তিনিআলিত টহল দিয়াৰো প্ৰয়োজন নোহোৱা হৈ পৰিল। ফলত নৰেশ্বৰৰ ডিউটীৰো সমাপ্তি ঘটিল আৰু পুনৰ আৰম্ভ হ'ল চাহ-পানী যোগান, অফিচ ঝাৰু দিয়াৰ দায়িত্ব। মনৰ দুখত সি এটা কোণত আমন-জিমনকৈ বহি থকা দেখি সমবয়ীসা মানৱ নামৰ একে বিভাগৰ লাঠীধাৰীজনে সুধিলে— 'কি হ'ল। একদম ভাঙি পৰিছ যে, কিহৰ দুখ?'

নৰেশ্বৰ মহন্তই নিজক কোৱাৰ দৰে ক'লে— 'কি ক'বি? বহু বছৰৰ ইচ্ছা পূৰণ হৈছিল এই ক'ৰ'না বাবাৰ কৃপাত। কিমান দীপলিপ গাভৰু আৰু চাল দিয়া ল'ৰাক কাণত ধৰি থিয় কৰাই ৰাখিলোঁ। চিনেমাৰ কায়দাত দাণ্ডা চলালোঁ। এতিয়া সব খটম। অ'ই, চৰকাৰৰ আৰু কাম নাছিল নে কি? সকলোবোৰ যে খুলি দিবলৈ লৈছে। কেইদিনমান সুখ পাইছিলোঁ। চালা এতিয়া সেই সুখখিনিও কাঢ়ি নিলে। এই জীৱনত আৰু কেতিয়াবা এনে সুযোগ পাম জানো...?' ■

# কবিতা

## হাঁহি

প্ৰকল্প ৰঞ্জন ভাগৱতী

হ'ব পাৰে, হ'ব পাৰে
হাঁহি মাংসপেশীৰ কিছুমান ভাঁজ,
হ'ব পাৰে, হ'ব পাৰে
হাঁহি মুখৰ অলংকাৰ;
কিন্তু ই বিলাসী নহয়।

ই কান্দোন-সামৰা শিশুৰ মুখৰ
এপাহ গোলাপ,
ই আধাপেটী মুখৰ এচমকা পোহৰ,

সেয়ে মনালিছাই তেওঁৰ ওঁঠত পিন্ধা হাঁহিটো
চেলাউৰিৰ ভাঁজত গুঁজি ল'লে।
তাকে দেখি লাফিং কেভেলিয়েৰে
তেওঁৰ মোছত পিন্ধা হাঁহিটো
কপালত আঁৰি ল'লে।

কিয়নো ভৱিষ্যতে কোনো শিল্পীয়ে
যেতিয়া এই সময়ৰ মুখা-পিন্ধা মানুহৰ
প্ৰতিকৃতি আঁকিব,
হাঁহিটো যাতে দিবলৈ নাপাহৰে।



## সুৰাগ

নৰেন মজুমদাৰ

বতাহজাকে মোক খুন্দিয়াই থাকে।

নীলা আৰু সেউজীয়াৰ মাজেৰে
বেলিৰ কিৰণ হৈ খুন্দিয়াই থকা
এইজাক বতাহ মোৰ

কাৰোবাৰ বুকুভঙা আৰ্তনাদ
ফালি-ছিৰি যোৱা গাৰ কাপোৰ
শাক-পাচলি আৰু ফল
ঘামি-জামি পচি যোৱা ক'লা জামু
তল মুৰকৈ এজাক মানুহ
ফৰিঙৰ দৰে ছিটিকি পৰে

ক'ৰবাত ৰিফ্ৰেজাৰেটৰৰপৰা
ঘাম সৰিছে
মোৰ মগজুৰে নিঃসৰিত হ'ব ওলাইছে
এটি উশাহৰ বুকু ফুলোৱা কপৌ
পথাৰৰ সীৰলু শিল হৈ পৰিছে
ধোঁৱাচ্ছন্ন আকাশত
ৰং-বিৰঙৰ মানুহৰ উশাহবোৰ
এই যেন জ্বলে এই ক'লা পৰে

পুৰণি হ'ল মানুহৰ আয়ুস বহু
বতাহে কিন্তু আজিও সেইদিন ধৰি
তোমাৰ মোৰ বুকুত সপোন ৰচে

সপোন মৰহি যায় আৰু নতুন ধৰণে
সপোনে তাৰ বাট কাটে
মোৰ বুকুত খুন্দিয়াই থকা এই বতাহজাক
সেউজীয়া আৰু পোহৰৰ সুৰাগ
মোৰ বাবে—

## এতিয়া নাই

ধীমান বৰ্মন

কোনোবাই চুই দিলেই তেজ বঁতিয়াই মৰিম বুলি
ভয় আছিল
এতিয়া নাই

পাচলিবোৰ পচি গ'লেই পথাৰত
পচি পচি মৰিম বুলি অভাৱত
ভয় আছিল
এতিয়া নাই

তীব্ৰ ভোকে ভিতৰৰপৰাই
জ্বলাই মাৰিব বুলি
ভয় আছিল
এতিয়া নাই

যন্ত্ৰণাবোৰ নেওচি বন্দী সময় পাৰ কৰি
তোমাৰ ফুলনিত ফুলি উঠা জীৱন চাবলৈ
জী থকাৰ ভংগুৰ বাসনা
আছিল

এতিয়া নাই



## জ্যামিতিক পৰিচৰ্যা

ইছলামুদ্দিন আহমেদ

নদীয়ে তাৰ সুঁতি হেৰুৱাটো মই নিবিচাৰোঁ
সাগৰে তাৰ নমস্তে হেৰুৱাটোও নিবিচাৰোঁ
বেলিয়ে তাৰ গোলকীয় চকু হেৰুৱাটো নিবিচাৰোঁ
আৰু মোৰ অন্তৰে তাৰ বৰফৰ দুটা ঈগল
জাকুমৰ কাঁইটবোৰৰ লগত দমৰাবোৰে শিঙা-শিঙি হোৱাটো নিবিচাৰোঁ
আৰু নিবিচাৰোঁ গুণ্‌দুমখাই পোহৰত কেঁচুৱাবোৰ মৰা
নিবিচাৰোঁ, ঠিকনা বিচাৰি হালধীয়া জোনটো
মেঘৰ মোহনাত বুৰ যোৱা
মই নিনাদিত কৰোঁ সেউজীয়া ফলৰ প্ৰাৰ্থনা
পূৰ্ণ বলয়...
সময় য'ত পৰিচৰ্যা!

জাকুম ঃ দোজখৰ এজোপা গছ। কাঁটেৰে ভৰা।
গুণ্‌দুম ঃ বেহেস্তৰ ফল।

(মালিক ছাৰৰ চিৰযুগমীয়া সৃষ্টি 'মই অসমীয়া'ৰ বিকৃতকৰণ সন্দৰ্ভত)

মেগনলিয়া ফুলৰ মিঠা গোন্ধৰ মাজত হঠাৎ সেয়া পোৰা মাংসৰ গোন্ধ

# আচৰিত ফলৰ সেই অবিস্মৰণীয় গীত

আজিৰপৰা ৮১ বছৰ আগৰ এটি গীত। কিন্তু আজিও সেই গীত যেন আমেৰিকান ইতিহাসৰ অতি নৃশংস আৰু জঘন্য এক অধ্যায়ৰ স্থিৰ ৰূপক হৈ আছে। ঊনৈশ শতিকাৰ শেষভাগৰেপৰা আমেৰিকাত প্ৰচলন হৈ থকা জিম ক্ৰ' নামেৰে সৰ্বপৰিচিত কুখ্যাত আইনৰ ছত্ৰছায়াত সংঘটিত অসংখ্য আফ্ৰিকান-আমেৰিকান কৃষ্ণাংগ মানুহৰ নৃশংস হত্যাকাণ্ড হৈছে এই গীতৰ বিষয়। এই আইনে কৃষ্ণাংগ আমেৰিকানসকলক সুকীয়াকৈ ৰাখি তেওঁলোকৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰাক আইনসম্মত ভিত্তি প্ৰদান কৰিছিল। এই আইনৰ গইনা লৈ শ্বেতাংগ আমেৰিকানসকলে নিজৰ প্ৰভুত্ব আৰু শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ এনেদৰে ব্যতিব্যস্ত হৈ পৰিছিল যে মিছা অভিযোগ আনি কৃষ্ণাংগ পুৰুষ-মহিলা আৰু শিশুকো আনকি ৰাজহুৱাকৈ ফাঁচি দি সকলোৰে দেখাকৈ ওলোমাই ৰখাটো এক দস্তুৰত পৰিণত হৈছিল। বিশেষকৈ দক্ষিণৰ পিনে এনে গণহত্যা যেন আমোদজনক খেলত পৰিণত হৈছিল। জীৱন্তে জ্বলাই দি, গাড়ীৰ পাছফালে বান্ধি লৈ চোঁচোৰাই নি, জোৰকৈ দলঙৰপৰা তললৈ জঁপিয়াবলৈ বাধ্য কৰি বা ওপৰা-উপৰিকৈ গুলী কৰিও বহুতকে মৰা হৈছিল যদিও ফাঁচি দি ওলোমাই ৰখাটোৱেই আছিল আটাইতকৈ জনপ্ৰিয়। ফাঁচি দি সেই জৰীৰেই ওলোমাই ৰাখিলে মানুহৰ চকুতো পৰে সহজে আৰু ফটো তুলিবলৈও সুবিধা হয়। তেনেকুৱা বহু ফাঁচি দি ওলোমাই ৰখা শৰ আনহাতে ফটো উঠোৱা হৈছিল পেছাদাৰী ফটোগ্ৰাফাৰৰ হতুৱাই বিশেষ যতনেৰে আৰু কিছুমান ফটো পোষ্টকাৰ্ডৰূপেও বিক্ৰী কৰা হৈছিল। গোটেই আমেৰিকাৰ প্ৰায় সত্তৰ শতাংতকৈও অধিক এনেধৰণৰ কৃষ্ণাংগ গণহত্যা সংঘটিত হৈছিল কেৱল আমেৰিকাৰ দক্ষিণতে। গণহত্যা কৰি ওলোমাই থোৱা শবোৰৰ বাবে কোনো কবৰ নাছিল, গছৰ ডালত বা খুঁটিত ৰ'দ-বৰষুণ-বতাহত বিধ্বস্ত শবোৰ শেষত কাউৰী-শগুণৰ খাদ্যত পৰিণত হৈছিল।

এই নৃশংস ইতিহাসৰে জীৱন্ত মেটাফ'ৰ হৈছে আমেৰিকান কৃষ্ণাংগ পপ গায়িকা বিলী হলিডে (Billie Holiday)ৰ সেই কিম্বদন্তী গীত— 'Strange Fruit', অসমীয়াত 'আচৰিত ফল'। নিউয়ৰ্কৰ স্থানীয় ক্লাবসমূহৰ গায়িকাৰূপে সংগীত জীৱন আৰম্ভ কৰা হলিডে কেৱল এই গীতৰ ৰেকৰ্ড কৰিবলৈকে ইমানদিনে তেওঁৰ গীতৰ ৰেকৰ্ডাৰ কলম্বিয়া কোম্পানীৰপৰা চুক্তি ভংগ কৰি ওলাই আহিবলগীয়া হৈছিল। ১৯৩৯ চনত কমোডৰ কোম্পানীৰ ৰেকৰ্ডতহে তেওঁ এই গীত পৰিৱেশন কৰে আৰু লগে লগে ক'ৰবাত ক'ৰবাত নিষিদ্ধও ঘোষিত হৈ গীতটোৱে হৈ-চৈৰ সৃষ্টি কৰে। কৃষ্ণাংগ গণহত্যাৰ দৰে এক বিষয়ক লৈ বিতৰ্কিত হোৱা এই গীতেই আছিল হয়তো কোনো কৃষ্ণাংগ শিল্পীৰ প্ৰথমটি গীত। যি নহওক, আটলাণ্টিক ৰেকৰ্ডছৰ প্ৰতিষ্ঠাতা অহমেট আৰটেগানে কিন্তু লগে লগে ঘোষণা কৰিলে যে এই গীতটোৰ জৰিয়তেই যেন এখন যুদ্ধৰো ঘোষণা সম্ভৱ হৈ উঠিল। নাগৰিক অধিকাৰ আন্দোলনৰ যেন আৰম্ভণি ঘটিল এই গীতৰ মাজেৰে। মানুহৰ পৃথিৱীত বৰ্ণ-বিদ্বেষ পৰিচালিত জঘন্য অমানৱীয়তাৰ নিষ্ঠুৰ ৰাজনীতিৰ মৃত্যু ঘোষণা কৰিলে এই গীতে।

মাথোঁ ৪৪ বছৰ বয়সতে বিলী হলিডেৰ মৃত্যু হ'বৰ পিছতো Strange Fruit আজি পৰ্যন্ত মানৱীয় প্ৰতিৰোধৰ দুৰ্দমনীয় স্পৃহাৰ অনন্য পাঠ হৈ ৰৈছে। ১৯৯৯ চনত বিখ্যাত Time আলোচনীয়ে এই গীতক 'শতিকাৰ গীত' ৰূপে অভিহিত কৰিছে। হলিডেৰ পিছত নিনা চাইম'ন, জন মাৰ্টিন, ৰবাৰ্ট ৱাটৰেপৰা আৰম্ভ কৰি শেহতীয়াকৈ এই গীতৰ নিজাকৈ ৰেকৰ্ড কৰিছে কেনী ৱেষ্টে। বব ডিলানেও বহুবাৰ এই গীতৰপৰা পোৱা প্ৰেৰণা আৰু শক্তিৰ কথা উল্লেখ কৰিছে। ২০১৩ চনত মিছিগানৰ দক্ষ দলিছা-শিল্পী এপ্ৰিল শ্বিপে সম্পূৰ্ণ চাৰি বছৰজোৰা পৰিশ্ৰমৰ অন্তত এই গীতৰ আধাৰত নিৰ্মাণ কৰি উলিয়াইছে তেওঁৰ বিশাল দলিছা-কৰ্ম, 'Strange Fruits'। ক'লা ফেব্ৰিকত সোণালী সূতাৰে তেওঁ এই দলিছাত প্ৰায় ৫০০০তকৈও অধিক কৃষ্ণাংগ পুৰুষ-নাৰী আৰু শিশুৰ নাম খোদিত কৰিছে যিসকল নৃশংস গণহত্যাৰ সেই নিঃসহায় চিকাৰ হ'বলগীয়া হৈছিল। এই কাম কৰিবৰ সুদীৰ্ঘ সময়ত নিজৰ মনৰ অৱস্থাৰ কথা ক'বলৈ গৈ এপ্ৰিলে কৈছিল, 'এই কাম কৰিবৰ পৰত প্ৰায় প্ৰতিদিনে মোৰ চকুপানী ওলাইছে। মোৰ এই কামটোক মই ৫০০০ আত্মা বুলিয়েই কওঁ আৰু এতিয়াও যেতিয়া চুই চাওঁ, মোৰ চকুলো সৰে। কোনোৱেই যদি তেওঁলোকৰ নাম মনতো নাৰাখে, মই কিন্তু নাপাহৰোঁ। মই তেওঁলোকৰ লগতে আছোঁ। সদায়ে আছোঁ।'



সুৰঞ্জলি
প্ৰাণজিৎ বৰা

এয়ে হৈছে গানৰ শক্তি। ভৌগোলিক সীমনা, সময় আৰু আনহে নালাগে ভাষাকো অতিক্ৰমি গানে সেতু গঢ়ি লয়, হৃদয়ৰপৰা হৃদয়লৈ। গানৰ এটা ফিৰিঙতিতে এন্ধাৰ জ্বলি যায়, পোহৰ হৈ উঠে আকাশ, নিষ্প্ৰভ হৃদয় সৰৱ হৈ উঠে কালাতীত সপোনৰ সুগন্ধি। হলিডেৰ গীতটোৱেই আছিল এই ফিৰিঙতি— এই ফিৰিঙতিয়ে ছাৰখাৰ কৰি পেলাইছিল চূড়ান্ত বৰ্ণবাদী নৃশংস, অমানৱীয় ৰাজনৈতিক ব্যৱস্থা এটাৰ সমস্ত অন্ধকাৰ, তাৰ মৰ্মস্পৰ্শী, গাৰ নোম শিয়ৰাই তোলা উন্মোচনৰ জৰিয়তে। সম্পূৰ্ণ গীতটোৰ অসমীয়া ৰূপান্তৰ এই—

আচৰিত ফল লাগিছে দক্ষিণৰ গছবোৰত
পাতবোৰত গোটেই তেজ, শিপাত তেজ
ক'লা শৰীৰবোৰ দুলি আছে দক্ষিণৰ বতাহত
ওলমি ৰৈছে আচৰিত ফল পপ্‌লাৰ গছবোৰত

মনোমোহা দক্ষিণৰ সমতলৰ চিনাকি দৃশ্য সেয়া
উভালি পৰা চকুবোৰ আৰু
থেতেলাই পেলোৱা মুখবোৰ
মেগনলিয়া ফুলবোৰৰ মিঠা সজীৱ গোন্ধৰ মাজত
হঠাৎ সেয়া পোৰা মাংসৰ গোন্ধ

ইয়াতে আছে কাউৰীবোৰে খুঁটিয়াবলৈ ফল এটা
বৰষুণৰ পানী জমা হ'বলৈ
বতাহে চাকি চাবলৈ
ৰ'দত পচিবলৈ
গছৰপৰা খহি পৰিবলৈ
ইয়াতে আছে অদ্ভুত তিতা ফল এটা।

অদ্ভুত ফলৰ দৰে গণহত্যাৰ বলি নিৰপৰাধী কৃষ্ণাংগৰ শবোৰ গছৰ ডালত ওলমি ৰৈছে— এই ছবি কি সহজে পাহৰা যায়? নৃশংস অমানৱীয় ৰাজনীতিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু প্ৰতিৰোধৰ এই ভাষাৰ অভিঘাত অব্যৰ্থ। নিউয়ৰ্কৰ স্থানীয় ক্লাবত নিজৰ পৰিৱেশনৰ সময়ত হলিডেই আটাইতকৈ শেষত পৰিৱেশন কৰিছিল এই গীত। হলৰ গোটেই লাইটবোৰ এটা এটাকৈ নুমাই যাবৰ পিছত কেৱল হলিডেৰ মুখত পোহৰ ফ'কাচ হৈ থাকে। গীত আৰম্ভ হয় আৰু তাৰ লগে লগে হলৰ আটাইবোৰ টেবুলৰ খুং-থাং, ফুচফুচীয়া কথা-বতৰা পৰ্যন্ত ধীৰে ধীৰে স্তব্ধ হৈ পৰে। শেষৰ বাক্যৰ শেষ শব্দটোও শেষ হয় মানে কেউপিনে মাথোঁ নিস্তব্ধতা আৰু অন্ধকাৰ। সেই অন্ধকাৰতে গায়িকা হলিডেৰো প্ৰস্থান ঘটে আৰু সম্পূৰ্ণ নাটকীয়ভাৱে হলভৰ্তি অন্ধকাৰৰ মাজত যেন পিয়াপি দি ফুৰে সেই নৃশংস ইতিহাস। একান্তই বিনোদনৰ পৰিৱেশ এটাকো ৰাজনৈতিক বাৰ্তাবাহী কৰি তুলিব পৰা পপ-সংগীতৰ সমৃদ্ধ পৰম্পৰাত হলিডেৰ এই গীতেই আছিল হয়তো প্ৰথম সফল প্ৰয়াস। এই গীতত প্ৰতিবাদ প্ৰপাগাণ্ডাত পৰিণত হোৱা নাই, প্ৰতিবাদ ইয়াত আৰ্ট, শিল্প।

হলিডেৰ কণ্ঠত কেউপিনে জনপ্ৰিয় এই গীত লিখিছিল পাছে এবেল মীৰ'প'ল নামৰ এগৰাকী ইহুদি স্কুল শিক্ষকে। ১৯৩০ চনত ইণ্ডিয়ানা প্ৰদেশত দুজন কৃষ্ণাংগ মানুহক ফাঁচি দি ওলোমাই থোৱা ছবি এখনে তেওঁক এনেদৰে পীড়িত কৰিছিল যে Strange Fruit নামেৰে এটি কবিতা লিখি তেওঁ সেই তীব্ৰ যন্ত্ৰণা ব্যক্ত কৰিছিল। শিক্ষক সন্থাৰ আলোচনীত প্ৰকাশিত সেই কবিতাকে মীৰ'প'লে পিছত গীতৰ ৰূপ দিছিল। মীৰ'প'লৰ সেই গীত এটা নৈশ ক্লাবৰ মালিক এজনৰ হাতত পৰেহি আৰু তেৱেঁই গীতটো হলিডেক গাবলৈ দিয়ে। গীতটোৰ কথাখিনি শুনাৰ পিছত স্তব্ধ হৈ গৈছিল হলিডে। তেওঁৰ মনত ভাহি উঠিছিল নিজৰ দেউতাকৰ মুখখন— মাথোঁ ৩৯ বছৰ বয়সতে হৃদযন্ত্ৰৰ ৰোগত মৃত্যুবৰণ কৰা দেউতাকক হাস্পতালৰপৰা বিনা চিকিৎসাত ঘূৰাই পঠিওৱা হৈছিল। এটাই কাৰণ— কিয়নো তেওঁৰ দেউতাকৰ গাৰ ৰং আছিল ক'লা। এই যন্ত্ৰণাদায়ক স্মৃতিজড়িত হৈ থকাৰ বাবেই হলিডে গীতটো পৰিৱেশনৰ পৰত নিজে কোনোদিনে উপভোগ কৰিব নোৱাৰিছিল। কিন্তু তেওঁ গাইছিল। মানুহে পছন্দ কৰাৰ বাবেই কেৱল গোৱা নাছিল, গাইছিল দেউতাকৰ মৃত্যুৰ দুটা দশকৰ পিছতো একে হৈ থকা জঘন্য পৰিৱেশটোৰ প্ৰতিবাদকল্পে।

মূলতঃ শ্বেতাংগ মালিকৰ মালিকানাধীন নৈশ ক্লাবসমূহত হলিডেৰ এই গীতে সৃষ্টি কৰিছিল মিশ্ৰিত প্ৰতিক্ৰিয়া। বহুতে হলিডেৰ পৰিৱেশনত মুগ্ধ হৈ ৰোৱাৰ বিপৰীতে বহুতে মুহূৰ্ততে সেই স্থান পৰিত্যাগ কৰিছিল। ফেডাৰেল ব্যুৰ' অব্ নাৰক'টিকছৰ ভীষণ বৰ্ণবিদ্বেষী কমিছনাৰ হেৰী এনশ্লিংগাৰে ঠিক কৰিলে যে যেনেকৈয়ে নহওক, হলিডেক এই গীতৰ পৰিৱেশনৰপৰা স্তব্ধ কৰিব লাগিব। মৌখিকভাৱে বাধা দিও বিফল হোৱাৰ পিছত তেওঁ গোপনে এক অভিসন্ধি কৰিলে। হলিডেৰ ড্ৰাগ আসক্তিৰ কথা ইতিমধ্যে এনশ্লিংগাৰে জানিছিল। নিজৰ কেইজনমান অতি বিশ্বস্ত মানুহ নিয়োগ কৰি সেই মানুহকেইজনৰ হাতৰপৰা হিৰ'ইন ক্ৰয় কৰাৰ সময়ত এনশ্লিংগাৰে হলিডেক ধৰা পেলালে আৰু কাৰাগাৰলৈ প্ৰেৰণ কৰিলে। ১৯৪৮ চনত কাৰাগাৰৰপৰা মুকলি হৈ আহিবৰ পিছত তেওঁক আৰু পৰিৱেশন-লাইচেন্স প্ৰদান কৰা নহ'ল। ইয়াৰ পিছতো কাৰ্নেগী হলত তেওঁ পৰিৱেশন কৰি গৈছিল যদিও নিজৰ এৰি অহা জটিল শৈশৱে তেওঁক যেন অনবৰতে খেদি ফুৰিবলৈ আৰম্ভ কৰিছিল। তেওঁৰ মাক আছিল এগৰাকী পতিতা আৰু মাকৰ সৈতে তেওঁ নিজেও গোটেইছোৱা শৈশৱ পাৰ কৰিছিল পতিতালয়ত। সেই কালান্তক স্মৃতিবোৰ পাহৰিবলৈ পুনৰ তেওঁ হিৰ'ইনৰ মাজলৈ উলটি গ'ল। ১৯৫৯ চনত ড্ৰাগজনিত সমস্যাই সৃষ্টি কৰা লিভাৰ আৰু হৃদযন্ত্ৰৰ ৰোগত তেওঁক হাস্পতালত ভৰ্তি কৰা হ'ল। ভীষণ নিষ্ঠুৰ এনশ্লিংগাৰে এই সময়তো আনকি তেওঁক ধ্বংস কৰাৰ ষড়যন্ত্ৰৰপৰা নিজকে বিৰত কৰি নাৰাখিলে। নিজৰ মানুহ লগাই হাস্পতালৰ বিচনাতে হলিডেক হেণ্ডকাফ লগাই থোৱা হ'ল। ধীৰে ধীৰে হলিডেই আৰোগ্যৰ পিনে আহিবলৈ আৰম্ভ কৰিছিল যদিও এনশ্লিংগাৰৰ মানুহে চিকিৎসকক তেওঁক আৰু শুশ্ৰূষা কৰাৰপৰা বিৰত কৰালে। কেইদিনমানৰ ভিতৰতে হলিডেৰ মৃত্যু হ'ল। স্বয়ং তেওঁৰ নিজৰ জীৱনো যেন হৈ ৰ'ল বৰ্ণ-বিদ্বেষগ্ৰস্ত নিপীড়ন আৰু নিৰ্যাতনৰ কৰুণ নিদৰ্শন।

বৰ্ণ-বিদ্বেষৰ এই মৰ্মান্তিক অধ্যায়ৰ আজিও অন্ত পৰা নাই। হলিডেৰ Strange Fruits যন্ত্ৰণাদগ্ধ আত্মাৰ পাঠ। ■

---



সংগীতৰ নোটেচন পৰ্যবেক্ষণ কৰি থকা অৱস্থাত আমি জড়িত হৈ থকা এটা অৰ্কেষ্ট্ৰা চিম্ফনীৰ সংগীতজ্ঞ আৰু পৰিচালকসকল

লকডাউনৰ কালত সংস্কৃতি চৰ্চা (২)

# চকু মেলি নাচাবা, গানৰ বহী ইত্যাদি

পেখু পেখু
সমুদ্ৰ কাজল শইকীয়া

**Anecdote (উপাখ্যান) ঃ** সায়ান আমাৰ বন্ধু। বাংলাদেশৰ অতি জনপ্ৰিয় সংগীতকাৰ-গায়ক অৰ্ণৱ তেতিয়াও জনপ্ৰিয়, কিন্তু সায়ান চৌধুৰী নামেৰেহে ভাৰতত পপুলাৰ। লোকগীতত ৰক মিউজিকৰ ৰূপ দি চাঞ্চল্যকৰ 'কিংকৰ্তব্যবিমূঢ়' নামৰ বাংলা বেণ্ডৰ এলবামটোৰ অভূতপূৰ্ব জনপ্ৰিয়তাৰ পিছতে বাংলাদেশৰপৰা অহা সেই সময়ৰ 'ছেনেছেছন' আনুশ্বেহ সমন্বিতে কুশীলৱবৃন্দক লৈ পৰিৱেশন চলি আছে শান্তিনিকেতনত। আনুশ্বেহৰ উদাত্ত কণ্ঠৰ 'লাউড' উপস্থিতিৰ সন্মুখত সায়ানৰ মাতটো কোমল, মিহি আৰু অন্তৰ্মুখী। মানুহে সায়ানে গোৱালৈ ৰৈ আছে, সায়ানে নাগায়হে নাগায়। অৱশেষত সায়ান কেন্দ্ৰলৈ আহিল, হাতত গীটাৰখন লৈ বহিল। মানুহ উবুৰি খাই আছে। হেতাওপৰা লগাইছে। সায়ানে চকু দুটা মুদি আৰম্ভ কৰিলে ৰবীন্দ্ৰসংগীত— মাঝে মাঝে তব দেখা পাই চিৰদিন কেন পাই না। গানৰ আৰম্ভণিতেই বন্ধু মহলৰ কোনোবাই কৈ উঠিল, সায়ানৰ ষ্টেজ প্ৰেজেন্স ভাল নহয়। হয় হ'বলা। আনুশ্বেহৰ 'লাউড' উপস্থিতিৰ পিছত তুলনাৰ বিচাৰেৰেই হয়তো কৈছিল কোনোবাই। অসমৰো ভালেখিনি মানুহে সায়ান ওৰফে অৰ্ণৱৰ গান শুনিছে আৰু তেওঁৰ জনপ্ৰিয়তা সম্পৰ্কে অৱগত, কিন্তু বহুতে বিশ্বাস কৰিবলৈ টান পাব যে একপ্ৰকাৰৰ চাইলড-প্ৰ'ডিজী, তেনেই সৰুৰেপৰাই পাব্লিক ফিগাৰ হৈ উঠা সায়ান গান গোৱাৰ সময়ত অত্যন্ত লাজকুৰীয়া আছিল। যেনিবা নিজৰ মাতটোক লৈ সন্দিহান! চকু দুটা মুদি যেনেকৈ গানটো গাই গৈ থাকিল, লাগিছিল যেন 'পাব্লিক'ৰ সৈতে সংযোগটো ভালকৈ নঘটিব আৰু পৰিৱেশনটো নজমিব। কিন্তু লাহে লাহে শতাধিক মানুহে জুমুৰি দি ধৰা সেই পৰিৱেশটো এটা অবৰ্ণনীয় নৈশব্দৰে ভৰা অভিজ্ঞতালৈ সলনি হ'ল। নিজম পৰা মানুহবোৰ মন্ত্ৰমুগ্ধৰ দৰে ৰ'ল বহুসময়। সায়ানৰ মুদা চকুত তেওঁলোক সকলোৰে চকু নিবদ্ধ। অলপ আগেয়ে সায়ানে ষ্টেজ জমাব নোৱাৰিব বুলি কোৱা সেই বন্ধুজনেই পিছলৈ ক'লে, এয়া আছিল এক স্বৰ্গীয় অনুভূতি!

## গানৰ বহী ঃ কিয় চকুৰে চকুৰে চালা

মঞ্চত গান এটা পৰিৱেশন কৰিবলৈ যাওঁতে কেৱল গানটোহে যে শিকা হয়, সেয়া নহয়। অন্ততঃ মঞ্চৰ বাবে প্ৰস্তুতি কালত গানটো গৌণ হৈ পৰে। ফটোগ্ৰাফীৰ ক্ষেত্ৰত ফটোজেনিক বুলি শব্দ এটা থকাৰ দৰেই মঞ্চৰ ক্ষেত্ৰতো ষ্টেজ-ফিট বুলি কথা এষাৰ আছে। সকলোকে মঞ্চত ভাল নেদেখিবও পাৰে। মঞ্চত থিয় হৈহে বুজা যায়, এনেয়ে থিয় হৈ থকাটোও কিমান অসুবিধাজনক— য'ত সহস্ৰ চকুৱে অন্ধকাৰৰপৰা আপোনালৈ চাই আছে, অথবা ইফালৰপৰা সিফাললৈ খোজকাঢ়ি যোৱাটোও তেনেই সাধাৰণ কথা এটা নহয়। গানৰ ক্ষেত্ৰত বিশেষকৈ গায়ক বা গায়িকা যেতিয়া দৃষ্টিৰ কেন্দ্ৰবিন্দুত থাকে, দৰ্শকৰ প্ৰতি তেওঁলোকৰ চাৱনি কিম্বা দৰ্শকৰ দৃষ্টিৰ প্ৰত্যাৱৰ্তন সম্পৰ্কে তেওঁলোকে ভাবিবলৈ বাধ্য হয়। কাৰণ চকুৱে চকুৱে চাই মানুহে সংযোগ স্থাপন কৰে। পাঠদান কৰিবলৈ শ্ৰেণীকোঠালৈ সোমোৱা নতুন শিক্ষক বা অধ্যাপক এজনৰ বাবেও এইখিনি কথা একেই। কোনজন ছাত্ৰ বা ছাত্ৰীৰ ফালে চাই কথাখিনি ক'ব? সকলো ছাত্ৰ-ছাত্ৰীৰ মূৰৰ ওপৰেৰে যোৱা এডাল কাল্পনিক ৰেখাতে দৃষ্টিক অনা-নিয়া কৰি সকলো ছাত্ৰৰ প্ৰতি সমান দৃষ্টি ধৰণৰ অভিব্যক্তি এটা প্ৰকাশ কৰি চলিব নে একো একোজন ছাত্ৰৰ চকুত চকু থৈ ব্যক্তিগত স্তৰলৈ নামি গৈ ব্যক্তিৰ সৈতে ব্যক্তিৰ সংযোগটো স্থাপন কৰিব? স্কুল-কলেজত পাঠদান, ৰাজহুৱা ভাষণ বা যিকোনো সমূহীয়া স্থানৰ পৰিৱেশনৰ অভিজ্ঞতা যদি আছে তেন্তে আপুনি এইখিনি কথা সহজেই বুজিব। আপুনি এইটোও মানি ল'ব যে কেতিয়াবা সমজুৱাকৈ কথা কৈ থাকোঁতেও নিজেই নিজৰ ওচৰত ধৰা পৰি যোৱা যায়। কেতিয়াবা দৃষ্টিৰে ৰাইজৰ মনযোগ আকৰ্ষণ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰি থকাৰ মাজতেই আকৌ এটা পলায়নৰ বাট বিচাৰিবলগীয়াও হয়। সকলোৰে সৈতে দৃষ্টি বিনিময় কৰি থাকিও মাজতে একোটা মুহূৰ্ত আহে, যেতিয়া আপুনি মনে-প্ৰাণে কামনা কৰে— হে ভগৱান! কাৰো যাতে চকুৱে চকুৱে নপৰক!

মঞ্চত গান গোৱা মানুহে যে সন্মুখত ষ্টেণ্ড এডালত গানৰ বহী একোখন মেলি লয়, সেই কাৰবাৰটোলৈ বহুখিনি দৰ্শকৰ বিৰাট কৌতূহল। যি গায়কে মাজৰাতি মঞ্চলৈ উঠি পুৱালৈকে পৰিৱেশন কৰে, দৰ্শকৰ 'অনুৰোধ ৰক্ষা কৰি' এটাৰ পিছত এটাকৈ গান গাই গৈ থাকে, তেওঁলোকে বাৰু গানৰ বহী এখন সন্মুখত ৰাখিবলগীয়া হয়েই। সকলোৰে বাবে সকলো সময়তে সকলো গান কণ্ঠস্থ নাথাকিবও পাৰে। কিন্তু 'সাংস্কৃতিক সন্ধিয়া'ৰ উদ্যোক্তাসকলৰ কাৰোবাৰ জীয়েক, কাৰোবাৰ ভতিজাক এজনে যেতিয়া এটা মাত্ৰ গান গাবলৈ, যিটো তেওঁৰ হয়তো প্ৰিয়তম গান, মঞ্চলৈ উঠে তেতিয়াও সেই গানৰ বহীখন কিয় মেলি ল'ব লাগে? গানটো মনত নাই? নহয়। বহীখনত কি আছে? কেৱল গানৰ কথাভাগ নে সুৰ-সমলয়ৰ নোটেচন বা স্বৰলিপি? টেকনিকেল ইনষ্ট্ৰাকচন? অন্ততঃ এই সময়ৰ অসমীয়া আধুনিক গীত নামৰ আজব বস্তুটোৰ ক্ষেত্ৰত পশ্চিমৰ অৰ্কেষ্ট্ৰা বা ছিম্ফনীৰ সংগীতকাৰসকলৰ দৰে কোনোবাই স্বৰলিপিৰ টোকাবহী মানি চলে যেন দেখোন একেবাৰেই নালাগে। তেনেহ'লে এই গানৰ বহীখনত কি আছে? ভগৱানৰ ফটো? বহুদিনৰপৰা সাঁচি থোৱা এটা ম'ৰাৰ পাখি কিম্বা লেৰেলি শুকাই যোৱা 'বিদ্যাপাত'? কি কাৰণত বহী চাই গান নাগাবা কেনেবাকৈ বহীৰ পাত উলটি গ'লে উজুতি খাবা বুলি সুমনে দি যোৱা সকীয়নিৰ পিছতো আমাৰ গায়ক-গায়িকাই বহীখন এৰা নাই এটা মাত্ৰ গানৰ বাবে হ'লেও! ভাবি ইয়াকে পালোঁ যে এই গানৰ বহীখন এহাতে এটা ষ্টাইল-ষ্টেটমেণ্ট। লাইট, মাইক্ৰ'ফোন, চাদৰ-মেখেলা ('ভাল' গায়িকা হ'বলৈ হ'লে চাদৰ-মেখেলা অত্যন্ত গুৰুত্বপূৰ্ণ), গামোচা আদিৰ দৰেই এই গানৰ বহীৰ ষ্টেণ্ডডাল এটা প্ৰ'প, এটা অত্যাৱশ্যকীয় সঁজুলি, তাক বাদ দিলে দৃশ্যটো অসম্পূৰ্ণ। আনহাতে, দ্বিতীয় কথাটো হ'ল— এই গানৰ বহীখন এটা পলায়নৰ বাট। অলপ আগেয়ে পাতি অহা— পৰিৱেশন কৰি থাকোঁতে কেনি চাব লাগে এই প্ৰশ্নৰ উত্তৰ বহুতেই নাজানে। সকলোৰে শৰীৰ ষ্টেজ-ফিট নহয়। হাত দুখন ক'ত থ'ম, ওলোমাই থ'লে জঠৰ যেন লাগিব, কঁকালত থোৱাটো কেজুৱেল আৰু অশোভনীয়, সংগীতৰ সৈতে সঞ্চালন কৰিলেও যদি বেছি হৈ যায়, সেয়া অতিনাটকীয় যেন লাগিব পাৰে ইত্যাদি সমস্যাৰ অন্ত নাই। তেনেকুৱাই সমস্যা হ'ল একেৰাহে দৰ্শকলৈ চাই থাকিম নেকি? নে মাজে মাজে বাদ্যযন্ত্ৰী সংগীবৃন্দলৈকো চাম? এককেইটা চাৱনিৰ নক্সা পুনৰাবৃত্তি কৰিলে সিও আমনিদায়ক হ'বগৈ। মাজতে যদি দৃষ্টিৰ পলায়নৰ বাট এটা লাগে তেতিয়া? তেতিয়া এই গানৰ বহীখন। লোকচক্ষুৰ কেন্দ্ৰমূলত থাকিও যদি ক্ষণিকৰ বাবে হ'লেও অলপ আত্মগোপন কৰিবলগীয়া হয়, তেতিয়া? তেতিয়া এই গানৰ বহীখন। এই গানৰ বহীখনৰ কাহিনী আৰু ঢেৰ আছে, আগলৈ লিখিম।



নৱ-মাধ্যমৰ সৈতে বিখ্যাত শিল্পৰ প্ৰতিৰূপ (সংগৃহীত ছবি)

## লাইভ আৰু মাধ্যমৰ মধ্যস্থতা

লাইভ পৰিৱেশন আৰু চকুৰ চাৱনিৰ খেলখন বহুতৰপীয়া আৰু জটিল। মঞ্চৰ লাইভ পৰিৱেশনৰ সময়ত থকা কিছুমান অসুবিধাৰপৰা যেন ফেচবুক আদি ছ'চিয়েল মিডিয়াত কৰিবলৈ ওলোৱা লাইভ পৰিৱেশনত পৰিৱেশকসকল মুক্ত। ম'বাইল ফোনটো সেই অৰ্থেৰে বহুতৰ বাবে এটা ডাঙৰ সকাহ। সততে লোকচক্ষুৰ সন্মুখলৈ আহিবলৈ লাজ কৰা, ভয় কৰা, স্বাভাৱিকতে অন্তৰ্মুখী চৰিত্ৰৰ ব্যক্তিয়েও ফোনটোৰ সন্মুখত লাইভ আহিবলৈ বৰকৈ সংকোচ নকৰে। মন কৰিব এইখিনি কথাত 'লাইভ' শব্দটো বাৰে বাৰে ব্যৱহাৰ কৰিছোঁ আৰু লাইভ বুলি যেতিয়াই কওঁ তেতিয়াই তাত যে মাধ্যম, সঁজুলি, ৰেকৰ্ডিং আৰু ব্ৰডকাষ্টৰ টেকনিকেল কথা কিছুমান আমাৰ অলক্ষিতে হ'লেও সোমাই থাকে, তাৰ ব্যাখ্যা আমি আগেয়ে অন্য ঠাইত কৰি আহিছোঁ। মঞ্চৰ পৰিৱেশনটোও লোকচক্ষুৰ সন্মুখত, ফেচবুক লাইভো লোকচক্ষুৰ সন্মুখত। কিন্তু এইবাৰ আপোনাৰ সঁজুলি মঞ্চ নহৈ এটা ম'বাইল ফোন বা স্মাৰ্টফোন যিটোৰ সৈতে আপোনাৰ দিবা-নিশি ঘনিষ্ঠ সম্পৰ্ক— যি সম্পৰ্ক মঞ্চখনৰ সৈতে আপোনাৰ হয়তো গঢ়ি উঠা নাছিল। ষ্টেজ-ফিট বা ষ্টেজ-ফ্ৰেইগুলী হৈ উঠিবলৈ ভালেখিনি সময় লাগে। এটা-দুটাকৈ কেইবাটাও পৰিৱেশনৰ বাবে মঞ্চত কেইবাবাৰো উঠাৰ পিছতহে দেখাত সাধাৰণ যেন লগা কিন্তু অত্যন্ত জটিল কথাখিনি কাৰোবাৰ বাবে সহজ হৈ উঠে, যেনে— মঞ্চত কেনেকৈ থিয় হ'ব লাগে, হাত দুখন কেনেকৈ ৰাখিব লাগে, পৰিৱেশনত দৰ্শকলৈ কেতিয়া কেনেকৈ চাব লাগে ইত্যাদি। মঞ্চৰ সান্নিধ্যলৈ আহি আহি যাৰ বাবে মঞ্চই ঘৰ হৈ উঠে, সেইসকলৰ বাবেহে মঞ্চ স্বাভাৱিক স্থান। আনহাতে, স্মাৰ্টফোনটো শুই উঠাৰপৰা ৰাতি শুবলৈ যোৱালৈকে হাততে থকাৰ ফলত ইয়াৰ সন্মুখত এই প্ৰাথমিক অসুবিধাখিনি বৰকৈ অনুভৱ কৰা নাযায়। কিন্তু এই সহজ আয়াস বা উজু ব্যৱহাৰ্যতাই আন কিছুমান নান্দনিক কথা ভবাৰপৰা আমাক বিৰত ৰাখে নেকি? ছেল্‌ফী তুলি তুলি অভ্যস্ত হোৱা এটা প্ৰজন্মৰ হ'লোঁ বুলিয়েই লাইভ পৰিৱেশন এটাত আপোনাৰ বিগ-ক্ল'জআপ ফ্ৰেম এটাৰ লাইভ বৰ এটা দৃষ্টিনন্দন নহ'বও পাৰে, আপোনাৰ 'চান্দ মুখ পেখু' বুলি দৰ্শক ৰৈ নাথাকিবও পাৰে। আনহাতে, স্মাৰ্টফোন কেমেৰাৰপৰা জোখতকৈ বেছি দূৰত্বত থিয় হ'লেও দৃশ্যৰ কেন্দ্ৰ-বিষয়ৰ গুৰুত্ব হ্ৰাস পাই দৰ্শকৰ মনযোগত বিঘিনি ঘটাব পাৰে। স্মাৰ্টফোনটো বাৰু স্মাৰ্টেই, ই কালাৰ কাৰেকচন বা ফিল্টাৰ বা এডিটিঙত আপোনাক সহায় কৰিব, কিন্তু দৃশ্যমান পৰ্দাখনৰ স্থানিক সজ্জা (স্পেচ-ডিষ্ট্ৰিবিউচন) বা সংৰচনা (কম্প'জিচন) নিৰ্দ্ধাৰণ কৰিবলৈ আপুনি নিজেও স্মাৰ্ট হ'ব লাগিব। এতিয়া গোটেই 'লাইভ'টোত আপুনি যদি কাগজ এখনৰপৰা পঢ়ি পাঠ কৰে, কাগজখনলৈকে চাই থাকিব, নে আগেয়ে মুখস্থ কৰি কেৱল কেমেৰালৈকে (কেমেৰা মানে দৰ্শক) চাই থাকিব, নে মাজে মাজে কাগজলৈ আৰু মাজে মাজে কেমেৰালৈ চাব, সেই সিদ্ধান্তও আপোনাৰ। পৰিৱেশনৰ প্ৰাথমিক ব্যৱহাৰিক কথাখিনি গুৰুত্ব নিদিয়াকৈ আপুনি যিমানেই মহান কবিৰ মহৎ কবিতা পাঠ কৰি নাথাকক, সেয়া চাই থাকিব নোৱাৰি।



পৰিৱেশনৰ মুহূৰ্তত সায়ান চৌধুৰী (অৰ্ণৱ)

এইখিনি কথা লিখি থকালৈকে বিগত লক্‌ডাউনৰ সময়ছোৱাত প্ৰচলন হৈ থকা শত শত কবিতা পাঠ আৰু গল্প পাঠৰ এটাও মই শেষলৈকে শুনিবলৈ বা চাবলৈ ধৈৰ্য হোৱা নাই। মাজে মাজে ভাবোঁ, মোৰহে ধৈৰ্যৰ অভাৱ ঘটিছে নেকি! কিন্তু মোৰ এই অস্থিৰতা কেৱল মোৰ দোষ নহয়। অভিনেতা হৈ হৈ এসময়ত অসহায় হৈ পৰা মেফিষ্টোৱে 'মই এজন অভিনেতা মাত্ৰ' বুলি কোৱাৰ দৰেই দৰ্শক বা দ্ৰষ্টা হিচাপে আমাৰ মাজত সোমাই থকা এক দ্ৰষ্টাসত্তায়ো কয়, 'মই এজন দ্ৰষ্টা মাত্ৰ, মোকনো দোষ দিয়ে কিয়?' ■

ভ্ৰাম্যভাষ ঃ ৯৮১১৩-৭৫৫৯৪

দৈনিক অসম
দেওবৰীয়া চ'ৰা
DAINIKASAM, 24 MAY, 2020

চলচ্চিত্র

# জোছেফ ফ্রেংক 'বাষ্টাৰ' কিটন

## বিশ্বপ্রসিদ্ধ চলচ্চিত্র নির্মাতা

বিনয় মোহন শইকীয়া



**বি**শ্বপ্রসিদ্ধ চলচ্চিত্র নির্মাতাৰ প্রসংগত যি কেইগৰাকী অনন্য প্রতিভাসম্পন্ন ব্যক্তিৰ নাম সাধাৰণতে উল্লেখ কৰা হয়, তাৰ ভিতৰত আমেৰিকাৰ চলচ্চিত্র নির্মাতা, নির্দেশক, অভিনেতা, চিত্রনাট্যকাৰ জোছেফ ফ্রেংক 'বাষ্টাৰ' কিটন অন্যতম। ১৯২০ৰ দশকৰপৰা ১৯৬০ৰ দশকলৈকে চলচ্চিত্র তথা টেলিভিছনৰ কর্মৰ সৈতে জড়িত হৈ থকা এইগৰাকী শিল্পী মূলতঃ নির্বাক যুগৰ কেইখনমান অসামান্য চলচ্চিত্র তথা তেওঁৰ অননুকৰণীয় ষ্টাইলৰ কমেডীৰ বাবে বিখ্যাত হৈ আছে। সম্পূর্ণ ভাবলেশহীন মুখৰ অভিব্যক্তিৰে নিজে কেতিয়াও নাহাঁহি আনক হঁহুওৱাবলৈ সক্ষম হোৱা এই অভিনেতাগৰাকীক এগৰাকী চলচ্চিত্র আলোচকে চলচ্চিত্র ইতিহাসৰ মহত্তম অভিনেতা-নির্দেশক হিচাপে চিহ্নিত কৰিছে। অন্য এগৰাকী বিশ্বপ্রসিদ্ধ চলচ্চিত্র নির্মাতা অর্ছন ৱেলছে কিটনৰ এখন চলচ্চিত্র 'দ্য জেনেৰেল'ক বিশ্বৰ সমূহ নির্মিত চলচ্চিত্রৰ ভিতৰতে মহত্তম চলচ্চিত্র বুলি অভিহিত কৰিছে।

মনোৰঞ্জন প্রদানকাৰী থিয়েটাৰ দলৰ দুজন শিল্পীৰ সন্তান কিটনৰ জন্ম আমেৰিকা যুক্তৰাজ্যৰ কানছাছত, ১৮৯৫ চনত। মাক-দেউতাকৰ সৈতে তিনি বছৰমান বয়সতে মঞ্চত পদার্পণ কৰা কিটনে আনুষ্ঠানিক শিক্ষাৰ সলনি মাকৰপৰাই প্রয়োজনীয় লিখা-পঢ়াখিনি শিকিছিল। কুৰি বছৰ বয়সত কিটনে আমেৰিকাৰ সৈন্য বাহিনীত যোগ দিয়ে আৰু প্রথম বিশ্বযুদ্ধত অংশ লয়। কিন্তু সেই সময়তে কাণৰ অসুখত ভুগি শ্রৱণ শক্তি হেৰুওৱা বাবে সৈন্য বাহিনীৰপৰা তেওঁ অব্যাহতি ল'বলগীয়া হয়। এইবাৰ তেওঁ থিয়েটাৰলৈ প্রত্যাৱর্তন নকৰি চলচ্চিত্রৰ ফালে মন মেলে। সেই সময়ৰ সফল নির্মাতা ৰস্কো আৰ্বাকলৰ অধীনত কিটনে কেইবাখনো চুটি ছবিত অভিনয় কৰাৰ পিছত ১৯২০ চনত প্রথমখন পূর্ণ দৈর্ঘ্যৰ চলচ্চিত্র 'ছেপহেড'ত অভিনয় কৰাৰ সুবিধা লাভ কৰে। নিউ হেনৰিয়েট্টা নামৰ এখন জনপ্রিয় নাটকৰ আধাৰত নির্মাণ কৰা চলচ্চিত্রখনৰ সফলতাৰ পিছত কিটনক স্বাধীনভাৱে চলচ্চিত্র নির্মাণৰ দায়িত্ব অর্পণ কৰা হয়।

বাষ্টাৰ কিটন কমেডিজৰ বেনাৰত কিটনে দুই ৰিলৰ চাৰিখন চুটি কমেডী নির্মাণ কৰি উলিয়ায়। কমেডীকেইখন হৈছে, 'ৱান উইক' (১৯২০), 'দ্য প্লে-হাউছ' (১৯২১), 'কপছ' (১৯২২) আৰু 'দ্যা ইলেক্ট্রিক হাউছ' (১৯২২)। ইয়াৰ পিছত তেওঁ পূর্ণ দৈর্ঘ্যৰ চলচ্চিত্র নির্মাণলৈ আগবাঢ়ে। কিটনৰ প্রথমখন ফিচাৰ দৈর্ঘ্যৰ চলচ্চিত্র হৈছে 'থ্রি এজেছ' (১৯২৩)। চুটি চলচ্চিত্র নির্মাতা হিচাপে সফলতা অর্জন কৰা কিটনে ফিচাৰ দৈর্ঘ্যৰ চলচ্চিত্র নির্মাণলৈ যাওঁতে বিশেষ সাৱধানতা অৱলম্বন কৰা পৰিলক্ষিত হয়। প্রস্তাৱিত চলচ্চিত্রখনৰ ৰচনা, নির্দেশনা, প্রযোজনাৰ লগতে ইয়াৰ মুখ্য চৰিত্রটোত তেওঁ অভিনয় কৰে আৰু চলচ্চিত্রখনক তিনিখন চুটি ছবিৰ সমাহাৰত এখন ফিচাৰ দৈর্ঘ্যৰ চলচ্চিত্র হিচাপে উপস্থাপন কৰে। যদি কিবা কাৰণত দর্শকে ইয়াক পূর্ণ দৈর্ঘ্যৰ চলচ্চিত্র হিচাপে গ্রহণ নকৰে, তেন্তে ইয়াক তিনিখন চুটি ছবি হিচাপে প্রদর্শনৰ সুবিধা ইয়াত ৰখা হয়। সেই হিচাপে তিনিটা ঐতিহাসিক যুগক সামৰি ইয়াৰ কাহিনী প্রস্তুত কৰা হৈছে— প্রাগ্-ঐতিহাসিক যুগ, প্রাচীন ৰোম আৰু আধুনিক যুগ। ইয়াৰ তিনিটা কাহিনীৰ মূল অন্তর্নিহিত সংযোগটো হৈছে যে সময় সলনি হ'লেও নাৰী-পুৰুষৰ মাজৰ প্রেমৰ সম্বন্ধত একো পৰিৱর্তন হোৱা নাই। উল্লেখনীয় যে একেকেইটা চৰিত্রেৰে নির্মিত চলচ্চিত্রখনৰ তিনিওটা কাহিনীৰ গতি-বিধিও প্রায় একেই ৰখা হৈছে।




'থ্রি এজেছ'ক দর্শকে আদৰি লোৱাত কিটনে এইবাৰ প্রকৃত অর্থত তেওঁৰ প্রথমখন পূর্ণ দৈর্ঘ্যৰ চলচ্চিত্র 'আৱাৰ হস্পিটেলিটী' (১৯২৩) নির্মাণ কৰি উলিয়ায়। বহুকেইটা কাৰণত এইখন চলচ্চিত্রক কমেডী শ্রেণীৰ চলচ্চিত্রৰ বাটকটীয়া বুলি অভিহিত কৰা হয়। এটা সুষম কাহিনীৰ সৈতে সংহতি ৰাখি ইয়াত কমেডীক প্রয়োগ কৰা হৈছে, যিটো সেই সময়ৰ কমেডীত সচৰাচৰ দেখা পোৱা নগৈছিল। এগৰাকী আলোচকে এইখনক কিটনৰ প্রথমখন মাষ্টাৰপিচ হিচাপে উল্লেখ কৰি কৈছে যে সকলো সময়ৰ দর্শকক মনোৰঞ্জন প্রদান কৰিবলৈ সক্ষম হোৱাটো চলচ্চিত্রখনৰ মুখ্য সফলতা। একেই উদ্যমেৰে এইবাৰ কিটনে নির্মাণ কৰে 'ছার্লক জুনিয়ৰ' (১৯২৪) নামৰ চলচ্চিত্রখন। কিন্তু চলচ্চিত্রখনে আগৰ দৰে দর্শকক আকৃষ্ট কৰিবলৈ সমর্থ নহ'ল। হৃতোদ্যম নহৈ কিটনে যথেষ্ট সাৱধানতাৰে এইবাৰ নির্মাণ কৰে 'দ্য নেভিগেটৰ' (১৯২৪)। যন্ত্র আৰু মানৱৰ মাজৰ সম্পর্ক আৰু সংঘাতক বিশ্বাসযোগ্যতাৰে উপস্থাপন কৰি নির্মাণ কৰা এই চলিচ্চিত্রখন হৈছে কিটনৰ সর্বাধিক জনপ্রিয় আৰু বাণিজ্যিকভাৱে সফল চলচ্চিত্র। ইয়াৰ পিছত তেওঁ নির্মাণ কৰি উলিয়ায় 'দ্য জেনেৰেল' (১৯২৬)। আমেৰিকাৰ গৃহযুদ্ধৰ পটভূমিত নির্মিত 'দ্য জেনেৰেল'ক নির্মাতাগৰাকীৰ আটাইতকৈ উল্লেখযোগ্য চলচ্চিত্র বুলি আলোচকসকলে মত প্রকাশ কৰে। কিটনৰ ট্রেইন সম্পৰ্কীয় বিশদ জ্ঞানক চলচ্চিত্রখনত বিস্তৃতভাৱে উপস্থাপন কৰাৰ লগতে এটা ঐতিহাসিক ট্রেইন যাত্রাক কাহিনীৰ সৈতে জড়িত কৰি তেওঁ আলোচকসকলৰপৰা প্রশংসা লাভ কৰিবলৈ সমর্থ হয় যদিও বর্তমান সময়ত এই চলচ্চিত্রখনক তেওঁৰ সর্বোৎকৃষ্ট চলচ্চিত্র হিচাপে মান্যতা প্রদান কৰা হয়, মুক্তি লাভ কৰাৰ সময়ত ই বিশেষ সফলতা লাভ কৰিব পৰা নাছিল। ইয়াৰ কাৰণ হিচাপে কোৱা হয় যে দর্শকসকলে তেতিয়াৰ দিনত প্রচলিত বিশুদ্ধ কমেডী আশা কৰি তাত কাহিনীৰ নাটকীয়তাৰ সৈতে যিদৰে সম্মুখীন হ'বলগীয়া হ'ল, সেয়া তেওঁলোকে গ্রহণ কৰিবলৈ অপাৰগ হ'ল। লগতে গৃহযুদ্ধৰ দৰে ছিৰিয়াছ বিষয় এটাক লৈ কমেডী এখন নির্মাণ কৰা কথাটোও বহুতে পছন্দ কৰা নাছিল। ফলত বাণিজ্যিকভাৱে চলচ্চিত্রখন বিফল হ'ল। কিন্তু চলচ্চিত্রখনৰ বাণিজ্যিক বিফলতাতকৈ কিটনে ব্যক্তিগতভাৱে বেছি আদায় দিবলগীয়া হ'ল। কাৰণ, সেই সময়লৈকে স্বতন্ত্রভাৱে চলচ্চিত্র নির্মাণৰ যি সুবিধা তেওঁ লাভ কৰি আহিছিল, এই চলচ্চিত্রখনৰ বাণিজ্যিক বিফলতাৰ পিছত সেয়া তেওঁৰপৰা আঁতৰাই লৈ যোৱা হ'ল। লগতে, এইখিনি সময়তে সবাক চলচ্চিত্রৰ আগমন আৰু কেতবোৰ ব্যক্তিগত সমস্যাই তেওঁক আৰু বেছি অসুবিধাৰ সন্মুখীন কৰালে। এই সকলোবোৰ ঘটনা-উপ-ঘটনাৰ প্রেক্ষাপটত ১৯২৮ চনত তেওঁ মেট্রো-গোল্ডৱিন-মেয়াৰ ষ্টুডিঅ'ৰ সৈতে চলচ্চিত্র নির্মাণৰ এখন চুক্তিত স্বাক্ষৰ কৰিলে। প্রথম অৱস্থাত তেওঁ এই কথা অনুমান কৰিব পৰা নাছিল যে ষ্টুডিঅ' ব্যৱস্থাত চলচ্চিত্র নির্মাণ কৰিবলৈ গ'লে নিজৰ প্রতিভাক সম্পূর্ণৰূপে কামত লগোৱাত কিমান বাধা আহিব পাৰে। যেতিয়া তেওঁ এই কথা উপলব্ধি কৰিলে তেতিয়ালৈ বহু পলম হৈ গৈছিল। পিছত তেওঁ উল্লেখ কৰিছে যে মেট্রো-গোল্ডৱিন-মেয়াৰ ষ্টুডিঅ'ৰ সৈতে চুক্তিবদ্ধ হোৱাটো আছিল তেওঁৰ বাবে আটাইতকৈ দুর্ভাগ্যজনক ঘটনা। কেইখনমান চলচ্চিত্র নির্মাণৰ পিছতে অৱশ্যে তেওঁ মেট্রো-গোল্ডৱিন-মেয়াৰ ষ্টুডিঅ'ৰপৰা ১৯৩৩ চনত বিতাৰিত হ'বলগীয়া হয়।

'চার্লি (চেপলিন)ৰ মূল চৰিত্রটো অলস চিন্তাধাৰাৰ এজন অলস ব্যক্তি। তেওঁ যি, সেইধৰণেই ভাল লগা বিধৰ, সুবিধা পালে তেওঁ চুৰো কৰিব পাৰে। কিন্তু মোৰ চলচ্চিত্রৰ 'সৰু মানুহ'টো কাম কৰা মানুহ, আৰু সৎ।'



দ্য জেনেৰেল





ছার্লক জুনিয়ৰ

ইয়াৰ পিছত কলম্বিয়া পিকচার্ছৰ বাবে কেইবাখনো চুটি ছবি নির্মাণৰ বাবে তেওঁ চুক্তিবদ্ধ হয়। চলচ্চিত্রখিনি দর্শকে গ্রহণ কৰে যদিও তেওঁ সেই কামত একেবাৰে সন্তুষ্ট হ'ব নোৱৰা বাবে চুটি ছবি নির্মাণৰপৰা অব্যাহতি লোৱাৰ সিদ্ধান্ত লয়। ১৯৪০ দশকটোত নির্দেশনাৰ সলনি অভিনয়কে তেওঁ মুখ্য কর্ম হিচাপে গ্রহণ কৰে। উল্লেখনীয় যে ১৯৫০ আৰু ৬০ৰ দশক দুটাত টেলিভিছন ছিৰিজৰ জৰিয়তে কিটনে নিজৰ জনপ্রিয়তা অক্ষুণ্ণ ৰাখিবলৈ সমর্থ হয়। তাৰ মাজে মাজে তেওঁ চলচ্চিত্রতো নিয়মীয়াকৈ অভিনয় কৰি যায়।

১৯৬৬ চনত সত্তৰ বছৰ বয়সত কিটনৰ মৃত্যু হয়। ১৯৮৭ চনত তেওঁৰ জীৱনৰ ভিত্তিত নির্মিত তথ্যচিত্র 'বাষ্টাৰ কিটন ঃ এ হার্ড এক্ট টু ফ'লো' মুক্তি পায়। দুটা এম্মি এৱার্ডেৰে সন্মানিত কেভিন ব্রাউনল' আৰু ডেভিড গিলে নির্মাণ কৰা এই তথ্যচিত্রখনত কিটনৰ জীৱন তথা প্রতিভা সুন্দৰকৈ উপস্থাপন কৰা হৈছে বুলি চলচ্চিত্র আলোচকসকলে উল্লেখ কৰিছে। বিশ্ববন্দিত চলচ্চিত্র নির্মাতা সত্যজিৎ ৰায়ে কিটনৰ চলচ্চিত্রত প্রয়োগ কৰা ডিটেইলছ সম্পর্কে ক'বলৈ গৈ কৈছে যে ৰেলগাড়ী বা পানী জাহাজ সম্পৰ্কীয় কোনো ডকুমেণ্টৰীয়েও কিটনৰ 'দ্য জেনেৰেল' বা 'দ্য নেভিগেটৰত'কৈ সেই বিষয়ে বেছি একো ক'ব নোৱাৰে। সাম্প্রতিক সময়ৰ এগৰাকী প্রসিদ্ধ চলচ্চিত্র আলোচক ৰোজাৰ এবার্টৰ কিটন সম্পৰ্কীয় কেইটামান মন্তব্যই নির্মাতাগৰাকীৰ চলচ্চিত্র প্রতিভাক সুন্দৰকৈ উপস্থাপন কৰিছে। আলোচকগৰাকীয়ে উল্লেখ কৰিছে যে 'ভাবলেশহীন মুখৰ বাষ্টাৰ কিটন বিশৃংখল পৰিস্থিতিত ধীৰ-স্থিৰ হৈ ৰ'ব পৰা এগৰাকী ব্যক্তি। নির্বাক যুগৰ অন্য অভিনেতাসকলে দৃষ্টি আকর্ষণৰ বাবে মুখৰ বিভিন্ন অংগি-ভংগি কৰিলেও কিটন সদায় এজন পর্যৱেক্ষণকাৰী আৰু শান্ত-সমাহিত ৰূপতে ৰৈ গ'ল। তেওঁৰ উত্তম চলচ্চিত্রসমূহ তেওঁৰ মুখ্য প্রতিদ্বন্দ্বী চার্লি চেপলিনতকৈ কম পুৰণি হোৱাৰ ইয়ো এক কাৰণ। নির্বাক যুগৰ 'ক্লাউন'ৰ জগতখনত বিচৰণ কৰা তেওঁক এজন আধুনিক যুগৰ ভ্রমণকাৰী যেন বোধ হয়। ...তেওঁৰ 'জেনেৰেল'খন নির্বাক যুগৰ এখন মহাকাব্যিক চলচ্চিত্র। 'ছাইট এণ্ড ছাউণ্ড'ৰ নির্বাচনত সর্বকালৰ মহত্তম দহখন চলচ্চিত্রৰ মাজৰে এখন হিচাপে ই পৰিগণিত হৈছে। কিন্তু কোনে ন-দি ক'ব পাৰে যে এইখনেই তেওঁৰ মহত্তম চলচ্চিত্র? তেওঁৰ আন চলচ্চিত্র কেইখনৰ যিকোনো এখনেই নিশ্চয়কৈ এই দাবী কৰিব পাৰে।" ৰোজাৰ এবার্টে আৰু কৈছে যে 'আজিৰ দিনত অন্য নির্বাক চলচ্চিত্রতকৈ মই কিটনৰ কর্মৰাজিক বেছিকৈ চাওঁ। ইমান সুন্দৰ নিখুঁত ব্যৱস্থা, ইমান সমন্বয়পূর্ণ কাহিনী, চৰিত্র আৰু খণ্ডৰে ই সজ্জিত হৈ আছে যে সেইবোৰ সংগীতৰ দৰে আপোনা-আপুনি খোল খাই যায়।... কিটনে নিজে এবাৰ কৈছিল যে, 'চার্লি (চেপলিন)ৰ মূল চৰিত্রটো অলস চিন্তাধাৰাৰ এজন অলস ব্যক্তি। তেওঁ যি, সেইধৰণেই ভাল লগা বিধৰ, সুবিধা পালে তেওঁ চুৰো কৰিব পাৰে। কিন্তু মোৰ চলচ্চিত্রৰ 'সৰু মানুহ'টো কাম কৰা মানুহ, আৰু সৎ।' এয়াই কিটনৰ চৰিত্রবোৰৰ চিনাকি, আৰু প্রকৃতপক্ষে এই চৰিত্রবোৰৰ স্রষ্টাজনকো ইয়ে প্রতিফলিত কৰে।' ■



কলেজ

---

প্রযুক্তি। অমৰজ্যোতি ভূঞা

## গৰম বাঢ়িলেও ক'ৰ'না মষিমূৰ নহ'বও পাৰে!



**গ**ৰম বতৰৰ বাবে কোভিড-১৯ৰ সংক্রমণ হ্রাস পোৱাৰ সম্ভাৱনা একেবাৰে নুই কৰিব নোৱাৰি যদিও সেই ধাৰণা একেবাৰে শুদ্ধ হ'ব বুলি অনুমান কৰাটো সঠিক নহয়। ভাৰতীয় ভাইৰ'লজিষ্ট বা বিষাণুবিদে অন্ততঃ এই বুলিয়েই ভাবে। বিষাণুবিদ নাগা সুৰেশ ভিৰাপুৰে অনুভৱ কৰে যে ভাৰতত গ্রীষ্মকাল অহাৰ লগে লগে গৰম আৰু আদ্র বতৰত কোভিড-১৯ৰ সংক্রমণ মন্থৰ কৰিব বুলি আশা কৰি থকা হৈছে যদিও এনে মহামাৰীৰ সংক্রমণ আৰু প্রাদুর্ভাবে কোনো বতৰৰ নিয়ম নামানে। উত্তৰ প্রদেশৰ শিৱনাডাৰ বিশ্ববিদ্যালয়ৰ জীৱতত্ত্ব বিভাগৰ সহকাৰী অধ্যাপক ভিৰাপুৰৰ মতে, কোভিড-১৯ৰ গতিবিধি বতৰ সাপেক্ষে পৰিৱর্তন হ'ব বুলি এতিয়াই ধাৰণা কৰাটো যথেষ্ট আগতীয়া হ'ব। উষ্ণতা বৃদ্ধি পোৱাৰ লগে লগে কোভিড-১৯ৰ সংক্রমণ হ্রাস পাব বুলি ধাৰণা কৰাটো একেবাৰে যুক্তিহীন বুলি ক'ব নোৱাৰি যদিও গৰমৰ প্রকোপত এই ভাইৰাছ নোহোৱা হৈ পৰিব বুলি ভবাটো ভুল হ'ব। উল্লেখ্য, যোৱা এপ্রিলত আমেৰিকা যুক্তৰাজ্যৰ মাছাশ্বুছেটছ ইন্‌ষ্টিটিউট অব্ টেকন'লজী (এম আই টি)ৰ গৱেষকসকলে ঘোষণা কৰিছিল যে গৰম আৰু আর্দ্র বতৰৰ সৈতে নতুন ক'ৰ'না ভাইৰাছৰ সংক্রমণ মন্থৰ হোৱাৰ সম্পর্ক আছে। ফলত, এছীয় দেশসমূহত মৌচুমী বতৰ অহাৰ লগে লগে ভাইৰাছৰ সংক্রমণ হ্রাস কৰিব পাৰে। বিশ্বৰ বিভিন্ন অংশত কোভিড-১৯ সংক্রমিত ৰোগীৰ সংখ্যাৰ তথ্য আৰু ইয়াৰ সৈতে সকলো অংশৰ বতৰৰ দুটা কাৰক— উষ্ণতা আৰু জলীয় বাষ্পৰ তুলনা কৰি গৱেষকসকলে এই অধ্যয়ন চলাইছিল। একেদৰে, আমেৰিকা যুক্তৰাজ্যৰ জনস্বাস্থ্য বিষয়াই অলপতে চলোৱা এক অধ্যয়নত প্রকাশ কৰিছে যে সূর্যৰ পোহৰ, তাপ আৰু আর্দ্রতাই এনে পৰিস্থিতি সৃষ্টি কৰি যি নতুন ক'ৰ'না ভাইৰাছ সংক্রমণ বিয়পি যোৱাৰ বাবে উপযুক্ত নহয়। আমেৰিকা যুক্তৰাজ্যৰ স্বদেশ নিৰাপত্তা বিভাগৰ বিজ্ঞান আৰু প্রযুক্তি সঞ্চালকালয়ে চলোৱা অধ্যয়নটোৰ ফলাফল ভাৰতৰ দৰে গৰম আৰু আর্দ্রতাৰ দেশসমূহৰ বাবে আছিল এটা আশাব্যঞ্জক বতৰা। কিন্তু যোৱা সপ্তাহত কানাডিয়ান মেডিকেল এছ'চিয়েচনৰ গৱেষণা পত্রিকাত প্রকাশিত এক গোলকীয় অধ্যয়ন অনুসৰি উষ্ণতা আৰু অক্ষাংশৰ সৈতে কোভিড-১৯ সংক্রমণ বিয়পি পৰাৰ সৈতে কোনো সম্পর্ক নাই। গৱেষণা পত্রিকাখনত লগতে উল্লেখ কৰিছে যে শিক্ষানুষ্ঠান বন্ধ ৰখা আৰু আন আন জনস্বাস্থ্য পদক্ষেপেহে নতুন ক'ৰ'না ভাইৰাছ সংক্রমণ ৰোধত যোগাত্মক প্রভাৱ পেলাইছে। বিষাণুবিধ ভিৰাপুৰে গৰম বতৰৰ বাবে কোভিড-১৯ৰ সংক্রমণ হ্রাস হোৱাৰ সম্ভাৱনা একেবাৰে নুই কৰিব বিচৰা নাই যদিও এই ৰোগ প্রতিৰোধৰ বাবে গ্রহণ কৰি থকা ব্যৱস্থাসমূহ পূর্ণোদ্যমে চলাই যোৱাৰ পোষকতা কৰে। ভাৰতত গৰম বতৰ হোৱা সত্ত্বেও জনসমাগম এলেকা, পৰিয়ালৰ মাজত আৰু অৱৰুদ্ধ অঞ্চলত এজন মানুহৰপৰা আনজনলৈ কোভিড-১৯ বিয়পাৰ সম্ভাৱনা অব্যাহত থাকিব। গতিকে কোভিড-১৯ আক্রান্ত ৰোগৰ সংখ্যা একেবাৰে কমি নোযোৱা পর্যন্ত ভাইৰাছ সংক্রমণ ৰোধৰ বাবে গ্রহণ কৰি থকা ব্যৱস্থাসমূহ চলাই থাকিব লাগিব।



## পুৰুষৰ উচ্চ এনজাইম কোভিড-১৯ৰ কাৰক

**পু**ৰুষৰ তেজত এবিধ এনজাইম (জীৱকোষৰ জৈৱ ৰাসায়নিক পদাৰ্থ) মহিলাৰ তুলনাত অধিক পোৱা যায়। অধিক মাত্রাত থকা এই এনজাইমৰ সহায়ত ক'ৰ'না ভাইৰাছে কোষৰ ওপৰত আক্রমণ চলায়। ইউৰোপৰ গৱেষকৰ এটা দলে চলোৱা এই অধ্যয়নটোৱে কোভিড-১৯ সংক্রমণৰ প্রতি পুৰুষসকল কিয় সহজে আক্রান্ত হোৱাৰ সম্ভাৱনা থাকে সেই সন্দৰ্ভত ব্যাখ্যা কৰাত সহায় কৰিব বুলি ধাৰণা কৰা হৈছে। এন'জিঅ'টেনছিন-কনভার্টিং এনজাইম টু (এ চি ই ২) নামৰ এনজাইমটো মানৱ দেহৰ হৃদপিণ্ড, বৃক্ক আৰু আন অংগত পোৱা যায়। কোভিড-১৯ত নতুন ক'ৰ'না ভাইৰাছে শ্বাস-প্রশ্বাসৰ ৰোগ সৃষ্টি কৰে। হাওঁফাওঁত এই সংক্রমণ বৃদ্ধি কৰাৰ ক্ষেত্রত এ চি ই-২য়ে ভূমিকা গ্রহণ কৰে বুলি অনুমান কৰা হৈছে। অধ্যয়নটোত দেখা গৈছে যে যিসকল ৰোগীয়ে এ চি ই ইন্‌হি বিটৰ্ছ বা এন্‌জিঅ'টেনছিন ৰিচিপ্টৰ ব্লকাৰ্ছ (এ আৰ বি এছ) ব্যৱহাৰ কৰে তেওঁলোকৰ দেহত উচ্চ হাৰত এ চি ই-২ জমা নহয় আৰু সেইসকল ৰোগীৰ কোভিড-১৯ ৰোগৰ সংক্রমণৰ সম্ভাৱনা কম থাকে। উল্লেখ্য, হৃদৰোগী, মধুমেহ বা বৃক্ক ৰোগত আক্রান্তসকলক সাধাৰণতে এ চি ই ইন্‌হিবিটৰ্ছ আৰু এ আৰ বিৰ চিকিৎসা বিধান দিয়া হয়। সমগ্র বিশ্বজুৰি এই প্রকাৰৰ দৰবৰ বহুশ কোটি ডলাৰৰ বৃহৎ ব্যৱসায় চলি আছে। এই গৱেষণাত জড়িত লণ্ডনৰ চিকিৎসক উজাহ চামাৰ মতে, তেওঁলোকে মহিলাৰ তুলনাত পুৰুষৰ দেহত অধিক পৰিমাণে এ চি ই-২ থকা বুলি প্রমাণ পোৱাৰ পিছত এইটো ব্যাখ্যা কৰাটো সহজ হৈ পৰিল যে কোভিড-১৯ত আক্রান্ত হৈ মহিলাৰ তুলনাত কিয় অধিকসংখ্যক পুৰুষৰ মৃত্যু হয়। চিকিৎসকজনে এই সন্দৰ্ভত আগবঢ়োৱা ব্যাখ্যা অনুসৰি মানৱ দেহৰ কোষ পৃষ্ঠত এ চি ই-২য়ে গ্রাহক হিচাপে থাকি নতুন ক'ৰ'না ভাইৰাছক আবদ্ধ কৰি ইয়াক দেহৰ ভিতৰত প্রৱেশ কৰিবলৈ দিয়ে আৰু যিয়ে কোষত আক্রমণ চলায়। এ চি ই-২ হৃদপিণ্ড, বৃক্ক আৰু ৰক্তনশিকাৰ কোষবোৰৰ উপৰি বিশেষকৈ শুক্রাশয়ত অতি উচ্চ মাত্রাত থকা দেখিবলৈ পোৱা গৈছে। গতিকে, শুক্রাশয়ত ইয়াৰ উপস্থিতিয়ে পুৰুষৰ দেহত ই অধিক মাত্রাত থকাৰ প্রমাণ বহন কৰে আৰু সেইবাবেই মহিলাৰ তুলনাত পুৰুষক কোভিড-১৯এ সহজে আক্রমণ কৰে বুলি ধাৰণা কৰা হৈছে। ■